অসুৰৰ টোপনি নাই

অসুৰৰ টোপনি নাই

পাৰ্ল এছ্ বাকৰ ইংৰাজী উপন্যাস
'দ্য ছেটান নেভাৰ শ্লিপ্‌ছ্'ৰ অসমীয়া ভাঙনি

ডঃ কালীনাথ শৰ্ম্মা

চন্দ্ৰ প্ৰকাশ

পাণবজাৰ ঃ গুৱাহাটী-১

ASHUROR TOPANI NAI : *Assamese version of Pearl S. Buck's Novel "The Satan never sleeps" written by Dr. Kalinath Sarma and Published by Rajendra Mohon Sarma on behalf of Chandra Prakash, Panbazar, Guwahati-1*
Price : Rs. 60.00 (Rupees Sixty) only

প্ৰকাশক ঃ
শ্ৰী ৰাজেন্দ্ৰ মোহন শৰ্মা
চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-১
দূৰভাষ - ২৫১১৯৪৬

প্ৰথম প্ৰকাশ ঃ ২০০৬ চন

বেটুপাত ঃ প্ৰদীপ নাথ

মূল্য ঃ ৬০.০০ টকা

ডি.টি.পি. ঃ ষ্টেণ্ডাৰ্ড ইম্‌প্ৰেছনচ্
উলুবাৰী, দক্ষিণ শৰণীয়া
গুৱাহাটী-৭

ছপা ঃ কম্পটন প্ৰিন্টাৰ্ছ ইণ্ডিয়া
৩১.বি. ইণ্ডাষ্ট্ৰিয়েল ইষ্টেট
বামুণীমৈদাম, গুৱাহাটী - ২১
দূৰভাষ ঃ ২৫৫০০৫৩

GOVT. OF ASSAM ... ICES ... CO

শ্ৰীহৰি

চীনৰ কোৱাংটুঙৰ ধাননি পথাৰ। জেঠমহীয়া সূৰ্য্যৰ প্ৰথম পৰশত ধানৰ মাজে মাজে থকা পানীৰ ৰেখাবোৰ জিলমিলাই উঠিছে। গাধ এটাৰ পিঠিত উঠি ফাদাৰ ওবেনিয়ন পথৰুৱা আলিটোৰে গৈ আছে, মাজে মাজে মুখত বিৰিঙি উঠা ঘামবোৰ হাতৰ চোলাৰে মচিছে। গাত এটা হলৌ চোলা; নীলা ৰঙৰ চীনা কপাহী সূতাৰ পটলুঙৰ তলেদি ওলাই থকা ভৰি দুখন মাটি চোৱা-নোচোকৈ ওলমি গৈছে। এক ইঞ্চিমান ডাঠ বগা তলুৱাৰে সৈতে ক'লা কাপোৰৰ চীনা জোতাযোৰ তেওঁ শন সূতাৰ ৰচীৰে ভৰিত বান্ধি লৈছিল। তেওঁৰ প্ৰকাণ্ড শৰীৰটোৰ জোখাৰে ভৰি দুখন বেছি ডাঙৰ। ওচৰৰে চিউলান নামৰ গাভৰু এজনীয়ে এই জোতাযোৰ তেওঁক উপহাৰ দিছিল আৰু ডাঙৰ ভৰি দুখনলৈ চাই হাঁহি হাঁহি কৈছিল,—"ফাদাৰ দেৱলোকলৈ যাত্ৰা কৰক, আপোনাৰ বৃহৎ চৰণ দুখনি দেখিলে দেৱতা সকলেও হাঁহিব।"

ফাদাৰ ওবেনিয়নৰ মনে মনে খং উঠিছিল। তাইৰ কথা শুনি তেওঁ ভাবিছিল যে ছোৱালীজনী নিলাজ। তেওঁৰ মনত পৰিল যে ঠিক সেই সময়ত কি কোৱা উচিত তাকে তেওঁ সিদিনা ভাবি পোৱা নাছিল। তেওঁ কেবল তাইৰ ঘূৰণীয়া শুৱনি মুখখনলৈ চাই আছিল। শুৱনি শব্দটো মনলৈ অহা বাবে ভগবানে যেন তেওঁক ক্ষমা কৰে। তেওঁ যি ক'ব খুজিছিল তাকে ক'ব নোৱাৰিলে। হয়তো তেওঁ ক'ব লাগিছিল যে ডাঙৰ হ'লেই বা-- ভগবানে যি দিছে তাকেহে পাইছোঁ।

এনেতে গাধটো ৰৈ গ'ল। তাৰ ঠেং কেইখন কঁপি উঠিল আৰু সি মূৰটো ওপৰলৈ দাঙি ডাঙৰকৈ চিঞৰি দিলে-- যেন সি কাকো পৰোৱা নকৰে!

ফাদাৰ ওবেনিয়নে উত্তৰ দিলে, "ৰ'লি কিয় টমাছ ? তই যি ক'ব খুজিছ সি সচাঁ। মোৰো গৰম লাগিছে আৰু তোৰ দৰে মোৰো ভোক লাগিছে। সেই কথা মোক সকীয়াই দিব নালাগে। কিন্তু তই বৰ দুষ্ট— ঠিক ছোৱালী মানুহৰ দৰে। ভগবানে মোক এইদৰেই সৃষ্টি কৰিছে। ক মই কি কৰিম, "বাৰু। ভগবান আৰু আয়াৰ্লেণ্ড ...অৰ্থাৎ..."

তেওঁ ৰৈ গ'ল। গাধই লৰচৰ নকৰে। সি মূৰটো জোকাৰি গোজৰণি মাৰি উশাহ লবলৈ ধৰিলে।

"টমাছ", ফাদাৰ ওবেনিয়নে ক'লে। তেওঁৰ দেহাটো ডাঙৰ হলেও মাতটো কোমল আৰু মৰমলগা। "বল, টমাছ, বল" বাওঁহাতখনেৰে ৰচীৰ লেকামডালত ধৰি সোঁহাতখনেৰে গাধটোৰ নোমাল গলধনত থপৰিয়াই দিলে। "টমাছ, মই তোৰ পিঠিৰ পৰা নামি যাব পাৰোঁ, কিন্তু মোৰ ভয় লাগে। আৰু বেলি মই তোৰ পিঠিৰ পৰা নামি যোৱা মাত্ৰকে কি হৈছিল তোৰ নিশ্চয় মনত থাকিব পায়। তই এই ধাননিৰ মাজে মাজে দৌৰিছিলি আৰু লগে লগে মোকো তোৰ পাছে পাছে টানি নিছিলি। উহুঁ, তোক আৰু মই দ্বিতীয়বাৰ বিশ্বাস নকৰোঁ। তোৰ পিঠিত এইদৰে বহি থাকিবলৈ মই ভাল পোৱা নাই দেই। কিন্তু...."

এনেয়ে পিঠিত ফাদাৰ ওবেনিয়নৰ ওজন, লগতে টান কথা। দুয়োবিধকে একেলগে সহ্য কৰিব নোৱাৰি গাধ শুই পৰিল— মূৰ পেলাই দিলে। ফাদাৰ ওবেনিয়নে কিন্তু কৈয়েই থাকিল, "বাছা টমাছ, মোৰ লগত এই মগৰামি নচলিব। তোৰ এই কৌশলটো মই ভাল দৰে বুজি পাওঁ। মোক বগৰাই দিব খুজিলেও নোৱাৰিবি বোপাই- - মই মোৰ ভৰিৰ ওপৰতে থিয় দি থাকিম।"

লেকামডালত টান মাৰি ফাদাৰ ওবেনিয়নে ক'লে, "চা-- আৰু দুই কি চাৰি ফাৰ্লং মানহে আছে। এইখিনি গ'লেই তই খাবলৈ পাবি ঘাঁহ আৰু ময়ো পাম এসাঁজ ভাত। তাৰ পিচত মই তোৰ সকলো দোষ মৰিষণ কৰিম আৰু তয়ো মোক মাফ কৰিবি ; কাৰণ আমি দুয়ো ভাল খ্ৰীষ্টিয়ান নহয় জানো?"

লেকামত টান পৰাত গাধৰ ওঁঠ দুটা মেল খালে আৰু দাঁত দুয়োপাৰি ওলাই পৰিল। সি ঠেং দুখন পোনাই দিলে আৰু আগলৈ বুলি খোজ দিলে। ফাদাৰ ওবেনিয়নে দুয়োখন কৰঙনেৰে চীনা জিনখন চেপি ধৰিলে। ৰিকাপিযোৰ ভৰিৰ পৰা এৰি দি সোঁহাতখনেৰে মূৰৰ টুপীটো খামোছ মাৰি ধৰিলে।

"চাবি চাবি টমাছ" তেওঁ গাধক হুঁচিয়াৰ কৰি দিলে, "সাৱধানে যাবি—পানী আছে। দুয়ো পানীত পৰিব লাগিলে জুৰুলি-জুপুৰি হ'ব লাগিব। তইতো জানই যে পানী তোৰ বাবে বৰ ঘৃণাৰ বস্তু।"

তেওঁৰ মাত হেৰাই গ'ল। গাধই বেগাবেগিকৈ পথৰুৱা আলিটো এৰি গাঁৱৰ মাজৰ শিল পাৰি দিয়া ৰাস্তা পালেগৈ আৰু তাৰ পিচত শিলতকৈ বালি ভাল যেন পাই বালিমটীয়া বাটটোৰে অকণো নোৰোৱাকৈ আধামাইলমান চেঁকুৰি চান- লিৱানৰ ৰেক্টৰীৰ পদুলি মুখৰ কাঠৰ দুৱাৰখন খোলা পাই একেচাবে চোতালত উপস্থিত হ'লগৈ। তাতে পদুম পুখুৰী এটাৰ পাৰত ৰঙা ফুলৰ গোন্ধ পাই সি বৈ গ'ল আৰু পানী খাবলৈ ধৰিলে। ফাদাৰ ওবেনিয়নে জিনৰ পৰা হুঁহকি মাটিত থিয় দি কেঁকাই উঠিল।

GOVT. C.

"জ্বলা ফুটিছে দেই টমাছ, মোৰ বোপাই। মোৰ তপিনাত জ্বলা ফুটিছে। তোৰ অকণো মৰম-চেনেহ নাই বুজিছ? এতিয়া জ্বলাই ফুটক বা চালেই ছিগক, আমাৰ গুৰুদেৱ মছিঅঁক সেৱা জনাবই লাগিব যেন পাওঁ। উঃ এই কাঠৰ চকীকেইখন! যাঃ তই এটা হৃদয়হীন অসৎ পশু। তই যে পানী খাই খাই সিফলীয়া হ'বি এই ভয়টো মোৰ মনলৈ কিয় আহে ক'বই নোৱাৰোঁ।"

তেওঁ তাৰ লেকামত ধৰি টান মাৰিলে, "আহ টমাছ, আৰু পানী নাখাবি। তই বৰ ভাগৰি পৰিছ বাছা। চেঁচা পানীৰে পেটটো ঢোল যেন কৰিলি! মৰিবি মৰিবি টমাছ! আঃ কথা নুশুন? অঁকৰা ক'ৰবাৰ! তই...." তেওঁ ডাঙৰ হাত দুখনেৰে গাধৰ কান্ধ আৰু গলধন পিহি দিলে আৰু প্ৰকাণ্ড শৰীৰটোৰ গোটেইখিনি বলদি তাক টানিলে। গাধই তাৰ চাৰিখন ঠেং অকণমান মেলি দি খোপনি পুতিলে মাথোন।

ফাদাৰ ওবেনিয়নে গোৰগোৰাই উঠিল, "ৰ বেটা, অভং ক'ৰবাৰ! তোক দাঙি লৈ যাম ৰ", এইবুলি তেওঁ পাছ ঠেং দুখনত ধৰি দাঙি দিলে। চাৰিওখন ঠেঙৰ খোপনি হেৰুৱাই বেচেৰা দুঠেঙীয়া হ'ল আৰু ফাদাৰ ওবেনিয়নৰ হাতত পৰাজয় স্বীকাৰ কৰিবলৈ বাধ্য হ'ল। তেওঁ কেইখোজমান পিছুৱাই অহাত গাধৰ আগ ঠেং দুখনো পিছুৱাই আহিবলগীয়া হ'ল। তেতিয়া তেওঁ তাক এৰি দি লেকামত ধৰিলে আৰু ওচৰতে বাঁহৰ খুঁটা এটাত বান্ধি থ'লে। "থাক তাতে বদমাছ। তোক পানী খাবলৈ নিদি এইদৰে বান্ধি থ'বলৈ মই যে বৰ ভাল পাওঁ এনে নহয়। কিন্তু তোৰ মনত আছে নে যে সিবাৰ ভাগৰে-জোগৰে আহি এইদৰে পানী খোৱা বাবে তোৰ পেটৰ অসুখ হৈছিল?"

গাধই মূৰটো ওপৰলৈ দাঙি বিদ্ৰোহ আৰু বিদ্বেষৰ ভঙ্গীৰে ডাঙৰকৈ বেৰাই দিলে।

"নহ'ব। বেবালেও একো লাভ নাই......." ফাদাৰে ক'বলৈ আৰম্ভ কৰিলে, —কিন্তু তেওঁৰ মুখৰ কথা মুখতে থাকিল।

হঠাৎ পিচফালে চাবলগীয়া হোৱাত তেওঁ দুমহলীয়া ৰেক্টৰীটোৰ সোঁফালে থকা গির্জাটোৰ পৰা ক্ষুদ্ৰকায় হলৌচোলা এটা ওলাই অহা দেখিবলৈ পালে। তেওঁৰ মুখ শুকাই গ'ল। অকণমান ঘূৰি মনে মনে লৰালৰিকৈ হাতেৰে বুকুত ক্ৰুছ চিনটো আঁকিলে। এইদৰে মনত এফেৰি সাহস সঞ্চয় কৰি তেওঁ খংমুৱা মুখখনেৰে সৈতে গুৰুজনাৰ ক্ষুদ্ৰ শৰীৰটোৰ ফালে চাই মিনতিপূৰ্ণ কোমল কঁপা মাতেৰে ক'বলৈ ধৰিলে—

"মছিঅঁ, আপুনি কি ক'ব মই জানো,—খুউব ভালদৰে জানো। কিন্তু....."

"মনে মনে থাকা," মছিঅঁ ফিংস গিবনে গৰ্জি উঠিল। তেওঁৰ গম্ভীৰ মাতৰ

শব্দত গোটেইখন ৰজনজনাই গ'ল।বাটচ'ৰাত শুই থকা দুৰৰীটো চালপীৰাৰ পৰা জঁাপ মাৰি নামিল আৰু ৰান্ধনি কাম কৰা চীনা পাদ্রীজনে তাৰ তপা মূৰটো দাঙি ৰান্ধনি ঘৰৰ পৰা ভুমুকি মাৰিলে। টমাছ গাধই ভেৰা পোৱালিৰ দৰে কঁপি কঁপি কোনোপধ্যে ঠিয় দি থাকিল।

"ভাল, মছিঅঁ" ফাদাৰ ওবেনিয়নে মুখৰ ভিতৰতে কোৱাৰ নিচিনাকৈ মাত দিলে, "মই ক'ব খুজিছিলোঁ...."

তেওঁৰ কোৱা নহ'ল--বৰং পিচুৱাইহে যাবলগীয়া হ'ল। মছিঅঁ ফিৎসগিবনে ফৰিংটোৰ দৰে খেদা মাৰি আহিল। তেওঁ হলৌ চোলাটোৰ হাত দুখন ওপৰলৈ কোঁচাই ল'লে।

"মনে মনে থাকিবলৈ কোৱা শুনা নাই ?" তেওঁ ধমক দি ক'লে। কেঁচুৱাৰ দৰে তেওঁৰ সৰু ঘূৰণীয়া মুখখন হঠাৎ ভয়লগা হৈ উঠিল।

ফাদাৰ ওবেনিয়নে উত্তৰ দিলে, "শুনিছো--নিশ্চয় শুনিছোঁ। কিন্তু মই ক'ব খুজিছিলো..."

"ক'ব লগাখিনি ময়ে কম, তুমি ক'ব নালাগে", মছিঅঁই প্ৰত্যুত্তৰ দিলে। হলৌ চোলাটোৰে ঢাক খাই থকা কঁকালখনত হাত দুখন থৈ তেওঁ ভীমহেন ডেকা পাদ্রীজনৰ মুখলৈ চালে।

"ভাল মছিঅঁ"— ফাদাৰ ওবেনিয়নে সেপ ঢুকিলে।

মছিঅঁই ফাদাৰ ওবেনিয়ৰ মূৰৰ পৰা ভৰিলৈ ভালদৰে এবাৰ চাই ল'লে। "ক'লৈ গৈছিলা মৰিবলৈ? আজি দুমাহে আঁহিবা আহিবা বুলি বাট চাই আছোঁ। দেশলৈ যাবৰ বাবে অনুমতি পাবৰ আজি কেইবাসপ্তাহো হ'ল, কিন্তু তোমাৰ বাবে যাব পৰা নাই।ইমান দিন ক'ত চুৰাপাত চেলেকি আছিলা হোঁ? মাৰ্চৰ ৩০ তাৰিখেই আহি ইয়াত হাজিৰ হ'বলৈ কোৱা নাছিলোঁনে? নিজৰ দেশখন এবাৰ নোচোৱাকৈ ইয়াতে মৰিবলৈ আহিছোঁ নেকি হুঁ ? আজি দহবছৰে মই ছুটী ল'ব পৰা নাই। যেতিয়াই ছুটী মঞ্জুৰ হয় তেতিয়াই তোমাৰ আৰু এই গাধটোৰ বাবে অপেক্ষা কৰিবলগীয়া হওঁ। এই দুটা প্ৰাণীৰ ভিতৰত কোনটো গাধ আৰু কোনটো তুমি তাকে মই নিৰ্ণয় কৰিব পৰা নাই। বোধকৰো তুমিহে আচল জোটমূৰীয়া গাধ!'

"অনুগ্ৰহ কৰি মোৰ..." কওঁ নকওঁকৈ ফাদাৰ ওবেনিয়নে ক'লে।

"অনুগ্ৰহ কৰিবৰ মোৰ একো গৰজ পৰা নাই" মছিঅঁই গৰ্জি উঠিল।

আপত্তি কৰিবৰ মনেৰে ফাদাৰ ওবেনিয়নে ক'লে, "মোৰ অন্য পথ একো নাছিল। মই শপত কাঢ়ি ক'ব পাৰোঁ, মছিঅঁ, যে এনে এটা সমস্যাই দেখা দিলে..."

বাধা পৰিল—, টমাছে মূৰটো দাঙি মুখখন মেলি দিলে। ওলমি থকা ওঁঠদুটা কোঁচ খুৱাই সি বেবাই দিলে— "ব্যাঁ -- ব্যাঁ"।

"শুনিছ গাধৰ আৱাজ!" বিৰক্তি আৰু খঙত মাতটো বিকৃত কৰি বুঢ়াই শৰীৰটো পুৰা বাষষ্ঠি ইঞ্চিলৈকে পোনাই দিলে। "খবৰদাৰ" তেওঁ কঠোৰভাবে ক'লে,"তহঁত দুটাৰ এটায়ো মাত এষাৰো নামাতিবি। মোৰ সময় নাই--বুজিছ? মই টালি-টোপোলা বান্ধি প্ৰস্তুত,-- এক মুহূৰ্ত সময়ো অপব্যয় কৰিব নোৱাৰোঁ। ওবেনিয়ন, তুমি ভালদৰে জানা যে লালবাহিনীৰ সেনা উত্তৰফালৰ পৰা আহিব লাগিছে। অধমহঁতৰ হাতত ধৰা পৰিবলৈ মই ইয়াত বৈ নাথাকোঁ। বুঢ়া গাড়ীখন আজি কেইবাসপ্তাহো পিচৰফালে পৰি আছিল। এইমাত্ৰ সেইখন ঘঁহি পিহি উলিওৱা হৈছে। কিন্তু কিযে দুৰ্ভাগ্য! ইমানদিন নচলোৱাৰ বাবেই হওক বা বতৰৰ কাৰণেই হওক ই লৰচৰ কৰিব নোখোজে। এতিয়া হো-চানো গুচি গ'ল। কোনে যে সেই খন চলিব পৰা কৰিব ক'বই নোৱাৰোঁ!'

"সি গ'ল যাওঁক--আপদ খণ্ডিল।" মছিঅঁই ক'লে, "সি মোক ব্যতিব্যস্ত কৰি তুলিছিল। বাইবেলখন পঢ়াবলৈ ল'লে সি মোক মুখে মুখে প্ৰশ্ন কৰে, কাৰ্লমাৰ্ক্সৰ কথা কয় আৰু মাও চে টুঙৰ কথাবোৰ আওঁৰায়।"

ফাদাৰ ওবেনিয়নে হুমুনিয়াহ কাঢ়ি ক'লে, "সি তেন্তে অধঃপাতে গ'ল। সি আকৌ উভতি আহিব বুলি ভবাৰ কোনো কাৰণ নাই। ....প্ৰভু, ---যদি আপুনি কৃপা কৰি--অনুমতি দিয়ে, তেন্তে মই অকণমান কিবা খাবলৈ বুলি যাব খোজোঁ। সচাঁকৈ মোৰ খুব ভোক লাগিছে। অকণমান খাই উঠি...."

বাধা দি মছিঅঁই ক'লে, "খাবৰ সময় নাই। এই মুহূৰ্ততে তুমি গাড়ীখন চাই-মেলি ঠিক কৰি দিয়া যাতে মই এতিয়াই যাত্ৰা কৰিব পাৰোঁ।"

"কিন্তু আপুনি গ'লে মই অকলে ইয়াত কি কৰিম? মোক অলপ শিকাই-বুজাই দিব লাগিব। এই পৰ্যন্ত মই স্বাধীনভাৱে একো দায়িত্বৰ ভাৰ গ্ৰহণ কৰা নাই। সেইবাবে মোৰ শক্তি-সামৰ্থ্যৰ ওপৰত সন্দেহ হোৱাটো...."

"সকলো কথা মই বিতংকৈ লিখি থৈছোঁ। মোৰ মেজৰ ওপৰত সকলো কাকত-পত্ৰ পাবা।" মছিঅঁই ক'লে। গতি বিষম দেখি ফাদাৰ ওবেনিয়নৰ মুখ শুকাই গ'ল। চকু দুটা ঘোপা কৰি শুকান মুখখনৰফালে তীক্ষ্ণ দৃষ্টিৰে চাই মছিঅঁই মাত দিলে---"শুনিছানে নাই?"

"নিশ্চয় শুনিছোঁ। আপোনাৰ কথা মই নুশুনাকৈ থাকিব পাৰোঁনে প্ৰভু। মই তলকতে আপোনাৰ যোৱাৰ সকলো ব্যৱস্থা কৰি দিম।" ফাদাৰ ওবেনিয়নে দুখমনে উত্তৰ দিলে।

"বেচ, যোৱা। মোৰ বস্তু-বাহানি আজি ভালেমান দিনৰে পৰা বান্ধি-ছাটি ঠিক কৰি থোৱা আছে। মই ল'ৰাটোৰ হতুৱাই ইতিমধ্যে সেইবোৰ অনাই লওঁ।"

শিলেৰে বন্ধোৱা ৰাস্তাটোৰে মছিঅঁ খৰধৰকৈ নামি গ'ল। ৰেক্টৰীৰ দুৱাৰমুখ পায়েই তেওঁ হঠাৎ থমকি পিঠিৰফালে চাই চিঞৰি ক'লে, "হেৰা ওবেনিয়ন, গাড়ীখন ঠিক কৰি উলিয়াবই লাগিব। আজি প্ৰায় এমাহ সেইখন চলোৱা নাই। হয়তো দিগদাৰী দিব পাৰে। তুমি আকৌ হতাশ হৈ নাযাবা। সেইখন ঠিক হ'বই লাগিব আৰু যেনে-তেনে মোৰ কামত আহিব লাগিব।"

"লাগিব--লাগিব--লাগিব---" ফাদাৰ ওবেনিয়নে মুখৰ ভিতৰতে বিৰ বিৰ কৈ ক'লে, "হয়তো আপুনিয়ে যাব অথবা গাড়ীখনেই যাব। এই দুটাৰ ভিতৰত কোনোবা এবিধক ৰাস্তাত উলিয়াইছে এৰিম! টমাছৰ কথা বাদেই দিলোঁ।"

গাধৰ পিঠিত উঠি দীঘলীয়া যাত্ৰা কৰাৰ অন্তত ভৱি দুখনে গাধৰ নিচিনাকৈ অগাপিচা কৰি ফাদাৰ ওবেনিয়ক গেটৰ মুখলৈ কঢ়িযাই লৈ গ'ল। দুৱৰীটো তেওঁক দেখি ওলাই আহিল আৰু হাঁহি মাৰি চীনা ভাষাৰে স্বাগতম দিলে।

"আহিলে ফাদাৰ?"

ফাদাৰ ওবেনিয়নে আইৰিছ উচ্চাৰণেৰে কোবা চীনা ভাষাত উত্তৰ দিলে, এৰা লাওটিং হওঁতে অহাজন মৰেই। পিছে এই জহৰ্নীত যোৱা গাধটোক পাৰ যদি অকণমান ঘাঁহ-পানী দে। অৱশ্যে তাৰ ন্যায্য পাওনা হৈছে উপবাস, কাৰণ সি এইবাৰো মোক ধাননিৰ মাজত পেলাবৰ চেষ্টা কৰিছিল। বাৰু. হেৰ' গাড়ীখনৰ কি হৈছে অ'!"

নিৰ্ভীকভাৱে লাওটিঙে উত্তৰ দিলে, "বিলাতী পেট্ৰ'লৰ লগত অলপমান আমাৰ তেল মিলাই দিছিলোঁ ফাদাৰ। পিছে মিলাওঁতে অলপ বেছি হ'ল নেকি!"

"কেৰাচিন মিহলালি নেকি?"

"কেৰাচিন ক'ত পাম? গতিকে চয়াবীন তেলকে দিছিলোঁ ফাদাৰ। এই বিধ তেল বৰ পুষ্টিকাৰক।"

চক খোৱাৰ দৰে ফাদাৰ ওবেনিয়নে প্ৰশ্ন কৰিলে "এই দুৰ্বুদ্ধিটো কাৰ পৰা পালি?"

"মোৰেই"— লাওটিঙে শান্তভাৱে স্বীকাৰ কৰিলে, "শুনক ফাদাৰ। মছিঅঁৰ সদায় খং উঠা হ'ল। খং উঠাৰ কাৰণ দুটা। প্ৰথম কাৰণ হ'ল আপুনি নহাটো আৰু দ্বিতীয় হ'ল এই গাড়ীখন। তেওঁ সদায় এইখন চলাবৰ বাবে যত্ন কৰে আৰু ই অকণো লৰচৰ নকৰে। তেওঁৰ খং বাঢ়ি যায়। ফাদাৰ, আপুনিতো জানেই যে ক্ৰোধ মানেই পাপ বিশেষকৈ সাধু সন্ন্যাসীৰ বাবে। সেয়ে তেওঁৰ আত্মাক পাপমুক্ত কৰিবৰ মানসেৰে মই যৎকিঞ্চিৎ সহায় কৰিবৰ চেষ্টা কৰিছিলো, কিন্তু নোৱাৰিলোঁ।

"হৈছে, হৈছে। যা বাৰু। তই তোৰ কাম কৰগৈ আৰু মই মোৰ কামত লাগো।" ফাদাৰ ওবেনিয়নে বিষণ্ণমনে ক'লে।

গেটৰ মুখতে দুয়োটা এৰাএৰি হ'ল। চয়াবিনৰ তেলৰ দৰে পুষ্টিকৰ তেল এসোপা পেটত ভৰাই লৈ অসহায়ভাৱে গাড়ীখন লৰচৰ কৰিব নোৱাৰা হৈ পৰি থকা দেখি ফাদাৰ ওবেনিয়ন সেইখনৰ ওচৰলৈ গ'ল। গাড়ীৰ মূধ কেতিয়াবাই নোহোৱা হৈছে। ভিতৰত লোহা-লক্কৰবোৰে ৰ'দৰ পোহৰত পূৰামাত্ৰাই আত্মপ্ৰকাশ কৰিছে। টায়াৰ আৰু টিউববোৰ শুকাই বালি-ধূলিৰে ঢাক খাই পৰিছে। ফাদাৰ ওবেনিয়নে মটৰৰ কাম একৰকম ভালদৰেই জানে। ডাবলিনত থকা কালতে পাদ্ৰীৰ স্কুল ছুটী হৈ যোৱাৰ পিচত আবেলি তিনিবজাৰ পৰা তেওঁ এখন মটৰ গাড়ীৰ কাৰখানাত কাম কৰি হাত খৰচৰ বাবে দুপইচা উপাৰ্জন কৰিছিল। অনাথ আশ্ৰম এখনৰ ছিষ্টাৰসকলে তেওঁক দেওবাৰৰ দিনটোত তেওঁলোকৰ ফোৰ্ড গাড়ী এখনত ইটো-সিটো কৰিবলৈ দি উৎসাহ যোগাইছিল আৰু ভাল কামৰ পুৰস্কাৰস্বৰূপে কেতিয়াবা শনিবাৰে ৰাতিও কল-কব্জাবোৰ চোৱা-চিতা কৰিবলৈ অনুমতি দিছিল।

ৰেক্টৰীৰ গাড়ীখনৰ পেট্ৰ'ল টেঙ্কটো খুলি শুঙি চাই তেওঁ গম পালে যে টেঙ্কত পেট্ৰ'লতকৈ চয়াবিন তেলৰ পৰিমাণ বেছিহে। বেচেৰা গাড়ীৰ দোষ কি? এনেকুৱা খাদ্য হজম কৰা দূৰৈত থাওক সহ্য কৰাই টান। এতিয়া কি কৰা যায়। টেঙ্কৰ তৈল পদাৰ্থ ইমান গোট মাৰিছে যে তাক পাতল নকৰিলে উপায় নাই। তেওঁ ভাবি ভাবি এটা উপায় উলিয়ালে। বাটচ'ৰাৰ চুকত ৰেঞ্চ, প্লায়াৰ্ছ আদি যন্ত্ৰ-পাতিবোৰ আছিল। ভাগ্যক্ৰমে তাৰে মাজতে চীনা মদৰ বটল এটা আছিল। তেওঁ বটলটোৰ পৰা মদখিনি টেঙ্কটোত ঢালি দিলে।

পশ্চিমত হালি পৰা বেলিটো তেতিয়াও বেচ গৰমে আছিল। ফাদাৰ ওবেনিয়নে কাম কৰি থাকোঁতে সূৰ্যৰ কিৰণবোৰ দিগন্তৰ সমতল খণ্ডৰ দাঁতিয়েদি ওলাই আহি তেওঁৰ মুখত পৰিছিলহি। ডুব যাব ধৰা বেলিটোৰ তেজৰঙা ৰশ্মিৰ জলক লাগি তেওঁৰ কণামুনা লাগিছিল আৰু ওখ বহল কপালৰ পৰা ঘামবোৰ বাগৰি ভাগৰত ওলমি পৰা গাল দুখনেৰে বৈ পৰিছিল। ফাদাৰে তেওঁৰ হলৌ চোলাটোৰে ঘামবোৰ মাজে মাজে মচি পেলাইছিল। সি যি কি নহওক, চীনা মদখিনিয়ে টেঙ্কৰ ঘন পদাৰ্থখিনিত যেন জীৱনীশক্তিহে ঢালিলে। ঘন তেলখিনি পাতল হ'ল আৰু কিছু সময়ৰ মূৰত গাড়ীখনে কৰকৰ-গৰগৰ কৰি দুবাৰমান ইঞ্জিনটো ঘূৰালে।

"এৰ্ ৰা!"— মছিঅঁ ফিংসগিবনে ৰেক্টৰীৰ দুৱাৰ মুখৰ পৰা মাত দিলে, "মই যাব ধৰিছোঁ— ৰ'বা।"

তেওঁ ইফালে-সিফালে দৌৰি হাহাকাৰ লগাই দিলে, কিন্তু কোনো এটা কামতে কাকো একো সহায় কৰিব নোৱাৰিলে। আবেলি পৰটো এইদৰেই গ'ল। ফাদাৰ ওবেনিয়নে তেওঁক একো ক'বই নোৱাৰে। বাৰে বাৰে মছিঅঁই খিৰিকীখনেৰে ভুমুকি মাৰি গাড়ীখনলৈ চাই পঠিয়ায় অথবা বাৰাণ্ডাৰ পৰা গেঙেৰি মাৰি সোধে—

"বোলোঁ— , আপদীয়া গাড়ীখন মৰিলে নে মৰা ভাও জুৰিলে?"

ফাদাৰ ওবেনিয়নে হলে ধৈৰ্য হেৰুওৱা নাই। তেওঁ শান্তভাৱে ক'লে, "ক'ত যে কি দোষ হৈছে ধৰিবই পৰা নাই দেখোন।"

"জানোচা দোষটো তোমাৰ ভিতৰতে?" মছিঅঁই চিএঁওৰি দিলে।

"যদি আপুনি কৈছে, তেন্তে হ'বও পাৰে।" ফাদাৰ ওবেনিয়নে উত্তৰ দিলে।

তেওঁৰ ইচ্ছা হ'ল যেন হাথিয়াৰবোৰ দলিয়াই পেলাই মছিঅঁক কৈ দিয়ে, "যাৰ গাই খালত পৰিছে তেওঁহে নেজত ধৰা উচিত।" পিছে তেওঁ জানে যে বুঢ়াক এনেদৰে জোকাই লৈ তেওঁৰ লগত থাকিবলৈ হ'লে নৰক যন্ত্ৰণা ভোগ কৰিব লাগিব। তেওঁ মনে মনে থাকিল আৰু ইঞ্জিনৰ ক্ৰেঙ্কটো আকৌ এবাৰ ঠেলি হেঁচুকি চালে। তাৰ পিচত চোকটো টানি ষ্টাৰ্টাৰটোত চাবি দিয়াত ইঞ্জিনটো কঁপি উঠিল। এক্সেলেৰেটৰত হেঁচা দিয়াত মৃতপ্ৰায় শৰীৰত জীৱনৰ স্পন্দন অহাৰ নিচিনাকৈ মটৰৰ ইঞ্জিনটো চলিবলৈ ধৰিলে।

"এয়া হৈছে দেখোন।" মছিঅঁই চিএৰ মাৰি দিলে। বুঢ়াৰ মাত শুনি লগুৱাটোৱে গিৰিহঁতৰ টোপোলা-টোপলি বোৰ লৈ গাড়ীৰ ওচৰলৈ দৌৰ দিলে। মছিঅঁৰ মাল-বস্তুৰ ভিতৰত আছিল কিতাপপত্ৰৰে ভৰা জালেৰে মেৰোৱা বেতৰ জপা এটা, বিছনাৰ কাপোৰ-কানিৰে সৈতে কেনভাছৰ ডাঙৰ মোনা এখন আৰু জৰাজীৰ্ণ ছুটকেচ এটা।

"গাড়ীখনৰ পিচফালৰ আসনখনতে সেইবোৰ থ" মছিঅঁই আদেশ কৰিলে। মটৰ বহুদিন আগতে বেয়া হোৱাৰ ফলত দুৱাৰখন খুলিব নোৱাৰা হৈছিল। বুঢ়া পাদ্ৰীয়ে খিৰিকীখনেৰে খপজপকৈ ভিতৰলৈ সোমাই গ'ল আৰু লগুৱাটোৱে সেইখন দুৱাৰেদি সোমাই ড্ৰাইভাৰৰ আসনখনত বহি ল'লে।

বহি লৈ মছিঅঁই ওবেনিয়নক গাড়ীখন পিছফালৰ পৰা থেলি দিবলৈ ক'লে। ফাদাৰ ওবেনিয়নেও তেওঁৰ বিৰাট ভৰি দুখনেৰে ৰাস্তাত পাৰি দিয়া ডাঙৰ শিল এটাৰ ওপৰত খোপনি পুতি এটা হাতীৰ দৰে গাড়ীখনৰ পিছফালে হেঁচা দিলে।

"গিয়াৰত দে—গিয়াৰত দে—। ছেকেণ্ড গিয়াৰত অ—অঁকৰা।" মছিঅঁই লগুৱা ল'ৰা ৱাঙ্গক ক'লে।

গাড়ীখনে দুবাৰমান কাহ মৰাদি শব্দ কৰিলে। সেই কাহৰ কোবত কোনোবা ফালেদি তেলৰ ছিটিকনি আহি ফাদাৰ ওবেনিয়নৰ হলৌ চোলাটো লেতেৰা কৰি পেলালে আৰু তাৰ পিচতে গাড়ীখনৰ মাত-বোল নোহোৱা হ'ল।

পাদ্ৰী পুঙ্গৱ খোপনিৰ পৰা ততালিকে দুখোজ পিচুৱাই গ'ল। তেওঁ মুখৰ ভিতৰতে ভোৰভোৰাই উঠিল "জহান্নামে যাওক--ভূতে পোৱা খন! ই টমাছতকৈও অধম!"

মছিঅঁৰ মুখ গহ্বৰৰ পৰা "দে--দে" শব্দ দুটা হিলৈ ফুটা দি ওলোৱা মাত্ৰকে ওবেনিয়নে গাড়ীখনক গবা মাৰি ধৰি ক'লে— "দেছোন বোপাই-ৱাং, মই খুব জোৰে ঠেলি দিছোঁ। তই গাড়ীখন গিয়াৰত দি ক্লাটচ্‌টো লাহে লাহেকৈ এৰি দিবি। ছুইছটো দি থ। অঁ—দে --।"

বিৰাট বপুটোৰ সমস্ত শক্তিৰে পাদ্ৰী পুঙ্গবে গাড়ীখন ঠেলি দিলে আৰু "আপোনাৰ একান্ত বাধ্য" ৰূপী চীনা লগুৱাই ঠিকমতেই গিয়াৰ লগাই দিলে। গিয়াৰ আৰু ঠেলাৰ খুন্দাত গাড়ীখনে এমোকোৰা তেলীয়া ধোঁৱা বতিয়াই দিলে। ক'লা ধোঁৱাই ফাদাৰ ওবেনিয়নক গিলি পেলোৱাত বপুৰাই চকুৰে একোকে নেদেখা হ'ল আৰু নাকে-মুখে ধোঁৱা সোমোৱাত কাহিবলৈ ধৰিলে। ধোঁৱাই গোটেইখন আন্ধাৰ কৰি পেলালে। তেওঁ চকু-মুখ মোহাৰি আঁতৰি গৈ ফোঁপাবলৈ ধৰিলে।

এইবোৰ কাণ্ড ঘটি থাকোঁতে উত্তৰফালৰ পৰা ধূলিৰ মেঘ এচপৰা যে ওচৰ চাপি আহি আছিল তালৈ কোনেও লক্ষ্য কৰাই নাছিল। গাড়ীৰ ফোঁচফোঁচনি আৰু ঢেৰঢেৰণিৰ বাবে ঘোঁৰাৰ খুড়াৰ শব্দও কাৰো কাণত পৰা নাছিল। হঠাৎ পাদ্ৰী সমন্বিতে তিনিওটা প্ৰাণীয়ে চকুৰ আগতে ধোঁৱা আৰু ধূলিৰ মাজত চাৰিজন অশ্বাৰোহীৰ চেহেৰাকেইটা দেখিবলৈ পালে আৰু তাৰ পিচতে শুনিবলৈ পালে তেওঁলোকৰ প্ৰতি উচ্চাৰণ কৰা কঠোৰ আদেশৰ ধ্বনি--,

"সাৱধান--বিদেশী পাদ্ৰী।"

ফাদাৰ ওবেনিয়নে মূৰ দাঙি চালে। তেওঁ দেখিলে— সমুখতে এটা প্ৰকাণ্ড মুগা ঘোঁৰা। সি উত্তেজনাত ঠেং দুখন ওপৰলৈ দাঙি ধৰিছে। তাৰ পিঠিত এজন সামৰিক বিষয়া। বিষয়াজন ডেকা-সুদৰ্শন পুৰুষ। তেওঁৰ ক'লা চকুত তীক্ষ্ণ ক্ৰোধপূৰ্ণ দৃষ্টি; ক'লা চেলাউৰিযোৰে সকলোকে তৃণবৎ গণ্য কৰিছে। তেওঁৰ দেহত লাল বাহিনীৰ ইউনিফৰ্ম। বিষয়াজনৰ পিচতে বৈ আছিল আন তিনিজন অশ্বাৰোহী।

"হো-চান"-ফাদাৰ ওবেনিয়নে চিঞৰি দিলে।

ঘোঁৰাটোৰ লেকামত ধৰিবলৈ আগুৱাই দিয়া হাতখনত সাউতকৰে এছাৰিৰ কোব পৰাত হাতখন জোকাৰি জোকাৰি তেওঁ আঁতৰি আহিল। তেওঁ আচৰিত

হৈ পৰিল আৰু হাতখন মোহাৰি বিষয়াজনৰফালে ৰ্ভৎসনাৰ ভঙ্গীত চাই পঠিয়ালে।

"হো-চান, তুমি মোক চিনি পোৱা নাই? তোমাৰ মনত নাই নে যে আজি দুবছৰ আগতে মই আয়াৰ্লেণ্ডৰ পৰা আহি পায়েই গাৱৰফালে যাওঁতে তোমাক লগ পাইছিলোঁ। তুমি তেতিয়া ক্ষীণমিন এটি—" বিষয়াজনৰ মুখত দুৰ্বোধ্য কঠিন ভাব তেওঁৰ চকুত পৰাত মুখৰ কথা মুখতে থাকিল। মছিঅঁলে ঘূৰি চাই তেওঁ মাত দিলে, "—মছিঅঁ...."

মছিঅঁ ইমান পৰে চাই আছিল। সকলো দেখি-শুনি তেওঁ এটা তীব্ৰ বেদনা অনুভৱ কৰিলে। তেওঁ জাঁপ মাৰি উঠিল আৰু আগুৱাই গৈ ডেকা কৰ্ণেলজনৰ মুখৰফালে চালে। কৰ্ণেলে তেজী ঘোঁৰাটোৰ লেকামত জোৰ দি টানি ধৰি আছিল।

"হো চান" তেওঁ চীনা ভাষাত ক'বলৈ ধৰিলে। "এয়া কি ভেশ ধৰিছ 'হোঁ? এই অভিশপ্ত কমিউনিষ্ট ইউনিফৰ্ম পিন্ধি তই কি ফলাইছ? মোৰ কথাৰ তই উত্তৰ দিব লাগিব। নামি আহ। মাত্ৰ তিনিমাহ আগতে তই এই ধৰ্ম মন্দিৰত প্ৰাৰ্থনা কৰা নাছিলিনে?"

এটা কঠোৰ আত্মপ্ৰত্যয়ৰ ভাব লৈ মছিঅঁই হোঁ চানৰ উত্তৰৰ বাবে অপেক্ষা কৰিলে। হো-চানে সদৰ্পে মটৰগাড়ীখনৰ আগলৈ ঘোঁৰাটো আগুৱাই আনি বৃদ্ধ মছিঅঁৰ ফালে অৱজ্ঞাৰে সৈতে এনেকৈ চালে যেন সি সেই মানুহজনক কেতিয়াও দেখাই নাই। কণ্ঠস্বৰত এটা গম্ভীৰ কৰ্তৃত্বৰ সুৰ মিহলাই সি আদেশ দিয়াৰ দৰে ক'লে,

"বিদেশী পাদ্ৰী-এই গাড়ীখন মই জব্দ কৰিলোঁ।"

মছিঅঁ ফিৎসগিবন এৰি দিয়া ভকত নহয়। তেওঁ চীন দেশত সুদীৰ্ঘ চল্লিশ বছৰ থাকি তাৰ ৰীতি-নীতি, চালচলন সম্পূৰ্ণভাবে আয়ত্ত কৰি লৈছে। তেওঁ জানে যে চীনা ৰীতি অনুযায়ী তেওঁৰ নিচিনা বয়সস্থ মানুহ এজনক দেখি হো-চান ঘোঁৰাৰ পৰা নামিব লাগিছিল। বিশেষকৈ এই যুৱকক যেতিয়া তেওঁৰ নিজ ঘৰত আশ্ৰয় দিছিল তেতিয়া সি আছিল এটা লেতেৰা দীনহীন বালক,—এজন নিঃকিন সৰ্বহাৰা কৃষকৰ সন্তান। সেই খাব নোপোৱা ল'ৰাটোক খুৱাই-ধুৱাই, শিকাই-বুজাই তেৱেঁই ডাঙৰ-দীঘল কৰিলে। মছিঅঁই মনতে ভাবিছিল যে সি শাস্ত্ৰ আদি পঢ়ি তেওঁৰ সম্প্ৰদায়ভুক্ত হৈ এজন উপযুক্ত পাদ্ৰী হ'ব পাৰিব। এনেতে কাকো একো নোকোৱা নেমেলাকৈ সি এদিনাখন ৰাতি চোৰৰ নিচিনাকৈ আঁতৰি গ'ল। সেই হো-চানক তেওঁ কিয় ভয় কৰিব? তেওঁ তাক পৰোৱা নকৰে। তেওঁ বুকু ফিন্দাই হো-চানৰ চকুৰফালে কঠোৰ দৃষ্টিৰে চাই ধমক দি সুধিলে—

"মোক এইদৰে ক'বলৈ তোৰ ইমান সাহ হ'লনে? মনত ৰাখিবি যে মই তোৰ ধৰ্মপিতা। মই তোৰ কল্যাণৰ বাবে ঈশ্বৰক প্ৰাৰ্থনা কৰিছোঁ ; তোৰ চিন্তাত মই বহুদিন কষ্ট ভুগিছোঁ। তই গুচি যোৱাৰ পিচত তোৰ ঘৰত খবৰ ল'বলৈ বুলি গাঁৱলৈ মানুহ পঠাইছোঁ। ঘোঁৰাৰ পৰা নামি আহ। তোৰ অপকৰ্মৰ বাবে তই ভগৱন্তৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিব লাগিব। মই তোক আগধৰি সাৱধান কৰি জনাই থওঁ যে তই যি কাম কৰিছ তাৰ প্ৰায়শ্চিত্ত সাধাৰণ ধৰণৰ নহ'ব একা।"

"হুঃ" কৰ্কশ ভাবে হো চানে ক'লে, "মোৰ কোনো ক্ষমা প্ৰাৰ্থনাৰ প্ৰয়োজন নাই। মই তোমাৰ শিষ্যত্ব অস্বীকাৰ কৰিছোঁ। তোমাক বন্দী কৰিলোঁ। তোমাৰ লগতে যিজন পাদ্ৰী আৰু এই বিদেশী প্ৰতিষ্ঠানটোৰ ভিতৰত থকা আন সকলোবোৰ আজি বন্দী।"

"বলিয়ালিৰো এটা সীমা আছে—হোচান", মছিঅঁ দপ্‌দপাই উঠিল। "তই মোক বন্দী কৰিব নোৱাৰ। মই মোৰ জন্মভূমি আয়াৰ্লেণ্ডলৈ যাবলৈ ওলাইছোঁ।"

"তুমি কেৱল তোমাৰ ৰেক্টৰীলৈহে যাব পাৰিবা।" হো-চানে জবাব দিলে। "তাতে তোমাৰ লগৰ পাদ্ৰীজন আৰু তুমি নজৰ বন্দী হৈ থাকিবা।"

"মোকতো তুমি ভালদৰে জানা, হো-চান", ফাদাৰ—ওবেনিয়নে তপৰাই মাত দিলে।

হো-চানে সেই কথালৈ কাণ নিদি ঘোঁৰাটো ঘূৰাই ল'লে আৰু আদেশ জাৰি কৰিলে--

"এই পাদ্ৰী দুজনক ভিতৰলৈ লৈ যা। দুৱাৰত তলা লগাই পহৰাৰ ব্যৱস্থা কৰ। গাড়ীখন হেডকোৱাৰ্টাৰলৈ পঠাই দে।"

চিপাহীকেইজন ঘপহকৈ ঘোঁৰাৰ পৰা নামিল। এজনে মছিঅঁ ফিৎসগিবনক ধৰিলে আৰু বাকীকেইজনে ফাদাৰ ওবেনিয়ন আৰু ৱাঙক আটক কৰিলে। ফাদাৰ ওবেনিয়নে হতভম্ব হৈ আত্মসমৰ্পণ কৰিলে ; কিন্তু মছিঅঁই খঙতে চিপাহীটোৰ হাতৰ পৰা উচাট মাৰি এৰাদি হো চানক বকিবলৈ ধৰিলে,

"শুন হো-চান। এই কামৰ বাবে তই সশৰীৰে নৰকত পৰিব লাগিব। ঈশ্বৰে তোক ইয়াৰ বাবে নিশ্চয় শাস্তি দিব। তেওঁৰ ক্ৰোধাগ্নিত তই ভস্ম হ'ব লাগিব।"

হো-চানৰ মুখত একো পৰিবৰ্তন দেখা নগ'ল। তাৰ গৰ্বিত চেহেৰাৰ ফালে চাই মছিঅঁ আচৰিত হ'ল। এয়ে নে সেই হো-চান—সেই লাজুকীয়া আৰু পুতৌ কৰিবলগীয়া নিৰীহ বালক—যাক তেওঁ পিতৃৰ চেনেহেৰে বুকুত সাবটি ধৰিছিল? অলপ ভাবি তেওঁ কলে, "বাছা হো-চান' মোৰ লগত এনেদৰে কথা কোৱা মানুহজন

তই বুলি ভাবিবলৈ মই টান পাইছোঁ। মোৰ শিষ্যবোৰৰ ভিতৰত তয়ে আছিলি সকলোতকৈ চোকা। মোৰ অবিহনে তয়ে ইয়াৰ কাম-কাজৰ দায়িত্ব ল'বি বুলি মই ভাবিছিলোঁ। মনত আছেনে বোপাই, কিমান দিন তোক মই নিভৃতে অকলশৰীয়াকৈ প্ৰভুৰ বেদীমূলত বহি বহি ধৰ্মৰ গূঢ় তত্ত্ববোৰ শিকাইছিলোঁ আৰু তই সেইবোৰ সুন্দৰ ৰকমে আয়ত্ত কৰিছিলি? তোৰ অন্তৰত ভগৱৎ প্ৰেমৰ ঢৌ উঠিছিল,--তই ঈশ্বৰত বিশ্বাস কৰিছিলি? তোৰ সেই বিশ্বাস, সেই ধৰ্মপ্ৰীতি ক'লৈ গ'ল? তই বিধৰ্মীৰ হাতত কেনেকৈ আত্মসমৰ্পণ কৰিলি বাৰু?"

মছিঅঁৰ কথাত হঠাৎ মিনতিৰ সুৰ আহি পৰিল। বেছি কথা ক'লে তেওঁৰ মাত সদায় টিঙটিঙিয়া হৈ পৰে। সেই মাত হঠাৎ কোমল আৰু শান্ত হৈ পৰিল। তিৰবিৰাই থকা সৰু পিতল চকুযোৰত এটি চেনেহৰ চাৱনিয়ে ভুমুকি মাৰিলে। 'হো-চান, তোক মই হেৰুৱালোঁ নেকি বাৰু?"

হো-চানে মুখ ঘূৰাই দূৰলৈ চাই থাকিল। কিছুপৰ ৰৈ থাকি সি মাত দিলে, "মই এটি নতুন পোহৰ দেখিবলৈ পাইছোঁ। গীৰ্জ্জাৰ পোহৰতকৈ এই পোহৰ বেছি উজ্জ্বল-- বেচি ব্যাপক। এই পোহৰে মোৰ বৰ্ত্তমান যাত্ৰাপথ উজ্জ্বল কৰি তুলিছে। এই পথ এটা নতুন জাতিৰ, এখন উন্নত পৃথিৱীৰ পথ। এই পৃথিবীতে মোৰ জীৱনকালত মই এখন স্বৰ্গ বিচাৰোঁ আৰু এয়ে মোৰ স্বৰ্গ।"

চিপাহী তিনিজনে অত্যন্ত উৎসুকতাৰে সৈতে প্ৰথমে মছিঅঁ আৰু তাৰ পিচত কৰ্ণেলৰ কথাবোৰ শুনিলে। সিহঁত তিনিওজন যুবক,— সিহঁতৰ চকুত জুইৰ ফিৰিঙটি। সেই চকুলৈ চালে এনেহে অনুমান হয় যেন সিহঁতে গোটেই ৰাতি মদ খাই উজাগৰে আছিল। হঠাতে সিহঁতে গিৰ্জনি পাৰি হাঁহি দিলে,— হাতৰ বন্দুককেইটাই জনজনাই উঠিল। একেলগে তিনিওজনে চিঞৰি উঠিল--

"আমাৰ নেতা 'মাও' দীৰ্ঘজীৱী হওক।"

লগে লগে সিহঁতে মছিঅঁ আৰু ফাদাৰ ওবেনিয়নক গঁতিয়াই ভিতৰলৈ ঠেলি লৈ গ'ল। হো-চানে ঘোঁৰাৰ ওপৰৰ পৰা সেইফাললৈ চাই থাকিল। তাৰ মনত কোনো প্ৰতিক্ৰিয়া বা চঞ্চলতা নাই। হঠাৎ দুৱাৰমুখতে কঁপি-জপি ঠিয় হৈ থকা দুৱৰীটোলৈ তাৰ চকু পৰিল। তাক হাত বাওদি ওলাই আহিবলৈ ইঙ্গিত কৰাত সি ওচৰলৈ আহিল। হো-চানে তাক সুধিলে--

"তই এতিয়াও ইয়াতে আছ ? মোক চিনি পাইছনে নাই ?"

"আছোঁ— দেউতা। দুখে-কষ্টে কোনোমতে চলি আছোঁ। আপোনাক চিনি নাপামনে?"

"বেচ"—হো-চানে হুকুম কৰিলে, "এই বিদেশী পাদ্ৰী দুটাৰ ভাৰ তোৰ ওপৰত দিলোঁ। সিহঁতক তলা লগাই বন্ধ কৰি ৰাখিবি। সিহঁত যদি পলায়, তেন্তে তাৰ বিনিময়ত তোৰ মূৰ যাব--, বুজি পাইছ ?"

"পাইছোঁ দেউতা"--দুৱৰীয়ে সেহাই সেহাই উত্তৰ দিলে। লগে লগে সি ঘোঁৰাটোৰ আগত দীঘল হৈ পৰিল আৰু বাৰে বাৰে মাটিত মূৰটো লগাই হো-চানক সেৱা জনালে।

সামৰিক কায়দাৰে হো-চানে লেকামত টান মাৰিলে। —"মই আকৌ আহিম" বুলি ডাঙৰকৈ সকলোকে সতৰ্ক কৰি দি সি ঘোঁৰাৰ তপিনাত চাবুক মাৰিলে।

★ ★ ★ ★

ৰেক্টৰীৰ ভিতৰত মছিঅঁই ফাদাৰ ওবেনিয়নক অকলে পাই ভোৰভোৰাই বকিবলৈ ধৰিলে, "মোৰ কপালত এয়েহে আছিল! চোৱাছোন তুমি কি কৰিলা? তুমি দেৰি কৰা বাবেহে এইখন হ'বলৈ পালে। তুমি যদি মাত্ৰ এঘণ্টা আগেয়ে আহি পালাহেঁতেন তেন্তে ঘৰৰ ল'ৰা নিৰুপদ্ৰৱে ঘৰমুৱা হব পাৰিলোহেঁতেন। কিন্তু এতিয়া? আৰু জানো মোৰ আয়াৰ্লেণ্ড দেখিবলৈ পাম? এই ৰেক্টৰীৰ চৌহদতে সিহঁতে আমাক পুতি থ'ব।"

"ঈশ্বৰে যেন মোক ক্ষমা কৰে।" ফাদাৰ ওবেনিয়নে ক'লে। "এনেকুৱা পৰিস্থিতি হ'ব বুলি মই ভবাই নাছিলোঁ মছিঅঁ। এই পাপিষ্ঠ টমাছ গাধটোৱে মোক গুৰিৰে পৰা দিগ্‌দাৰী দিছিল। এইটোৰ কাৰণেহে ইমান পলম হ'বলৈ পালে।"

দুৱাৰগৰীয়াটোতে তেওঁ দুখমনে থিয় দি থাকিল। দেখাত ডাঙৰ আৰু ওখ হ'লেও ভোক আৰু ভাগৰত তেওঁ কাহিল হৈ পৰিল আৰু অজানিতে দুগালেৰে দুধাৰ চকুলো বাগৰি পৰিল। ধূলি-বালি লাগি লেতেৰা হৈ থকা হাতখনেৰে বৈ অহা চকুপানীখিনি মচি পেলোৱাত ৰঙা গাল দুখন মলিন হৈ পৰিল। এই মলিন দাগবোৰে তেওঁৰ মনৰ ম্লানিমা যেন বঢ়াইহে তুলিলে।

লাহে লাহে ঘন হৈ অহা কুঁৱলীৰ মাজেৰে তেওঁ বাহিৰলৈ চাই বাগিচাখনৰ মাজতে টমাছক উমলি থকা দেখিবলৈ পালে। তালৈ চাই তেওঁ বিৰবিৰকৈ মুখৰ ভিতৰতে বকিবলৈ ধৰিলে। "আহাম্মক, — তোৰ পিঠিত নুঠি খোজ কাঢ়ি আহিলেও বহু আগতে ঘৰ পালোঁহিহেঁতেন— ধোদ কৰবাৰ!"

কাৰো কথালৈ মনোযোগ দিবৰ অৱসৰ টমাছৰ নাই। সি আপোনমনে কাণ জোকাৰি ঘাঁহ খাই থাকিল। মনুষ্য জাতিৰ অভাৱ-অভিযোগ বা আপদ- বিপদৰ কথা ভাবি সি মূৰ ঘোলা নকৰে।

☆ ☆ ☆ ☆

পিচদিনাৰ কথা। পুৱাবেলাৰ সময়খিনি বৰ মধুৰ হৈ পৰিছিল। ৰাতিৰ ধুমুহা আৰু ধাৰাসাৰ শিল বৰষুণে ঘাঁহ-বন, গছৰ পাত আদি ধুই পখালি নিকা কৰি পেলাইছিল। আলিত পাৰি দিয়া শিলবোৰ চিকমিকাই উঠিছিল। অ'ত-ত'ত ওলমি পৰা মকৰাৰ জালবোৰত লাগি থকা বৰষুণৰ টোপালবোৰ মাণিকৰ থোপা যেন দেখা গৈছিল। গিৰ্জাৰ প্ৰাৰ্থনা কক্ষত মছিঅঁ ফিৎসগিবনে শিষ্যসকলৰ সৈতে প্ৰাৰ্থনা কৰি আছিল। নিজৰ স্বভাৱ অনুযায়ী সেইদিনাও তেওঁ ব্ৰহ্মমুহূৰ্ততে সাৰ পাই ফাদাৰ ওবেনিয়নক জগাই দিছিল। ফাদাৰ ওবেনিয়নৰ দেৰিলৈ শুই থকা অভ্যাস। মছিঅঁই বহু চেষ্টা কৰিও তেওঁৰ এই অভ্যাসটো গুচাব নোৱাৰিলে।

সিদিনা হ'লে মছিঅঁৰ মাত শুনাৰ লগে লগে ফাদাৰ ওবেনিয়নে কোঠালিৰ পৰাই মাত দিলে, "মই শুবই পৰা নাই মছিঅঁ। অন্তৰত ইমান পাপৰ বোজা লৈ মোৰ পক্ষে টোপনি যাবলৈ চেষ্টা কৰা বৃথা।"

ব্ৰহ্মচৰ্য্যৰ কটকটীয়া নিয়মবোৰ মানি চলাই কমবয়সীয়া পাদ্ৰীসকলৰ একান্ত কৰ্তব্য বুলি মছিঅঁই বিশ্বাস কৰিছিল। এটা সৰু কোঠালি, এখন দুৱাৰ, এখন খিৰিকী শুকান মজিয়াৰ ওপৰত বাহৰ সৰু চাং এখন, এখন মেজ আৰু চাপৰ টুল এখন-- পাদ্ৰী এজনৰ বাবে এই খিনিয়ে যথেষ্ট। ফাদাৰ ওবেনিয়নৰ পাৰ্থিৱ সম্পদো ইমানেই। অকণমান কোঠালিটোৰ পৰা মাত দিয়া শুনিবলৈ পাই মছিঅঁই দুৱাৰমুখৰ পৰা বজ্ৰ গম্ভীৰ সুৰত ক'লে "হয় নেকি? শোৱা পাটীখন এৰি ওলাই আহাচোন, অন্তৰৰ বোজাটো পাতলাবৰ ব্যৱস্থা কৰা যাওক।"

মছিঅঁৰ কথাকেইষাৰে গিৰ্জ্জাৰ দেৱালত খুন্দা খাই শান্তিপূৰ্ণ পৰিবেশটো চঞ্চল কৰি তুলিলে। ফাদাৰ ওবেনিয়নে আঁঠুকাঢ়ি বহি ল'লে। মছিঅঁৰ মুখৰ পৰা ওলোৱা শব্দবোৰ তেওঁৰ কাণেদি সোমাই হিয়াত প্ৰবেশ কৰিলেগৈ। প্ৰাৰ্থনা কক্ষত তেতিয়াও প্ৰাৰ্থনা চলি আছিল। সঙ্গীতৰ ধ্বনি গিৰ্জ্জাৰ চটি মাৰলীত খুন্দা খাই

চাৰিওফালে ছিটিকি পৰিছিল। মছিঅঁই মন্ত্ৰ গায় আৰু চীনা দেউৰী এজনে সেই মন্ত্ৰটো সুৰ লগাই সকলোকে শুনাই দিয়ে। ভক্তসকলে গদ্‌গদ চিত্ত হৈ মূৰ দোঁৱাই ঠিয় হৈ থাকে। লেটিন ভাষাত গোৱা মন্ত্ৰবোৰৰ এক্ষৰেও তেওঁলোকে বুজি নাপায়।

"ডোমিনি নন্ ছুম ডিগনাচ" (প্ৰভু মই তোমাৰ যোগ্য নহওঁ) মছিঅঁই উদাত্ত সুৰত মন্ত্ৰটো তিনিবাৰ উচ্চাৰণ কৰিলে। ফাদাৰ ওবেনিয়নে গুৰুজনাৰ কণ্ঠত ঈশ্বৰ স্তুতিৰ এই স্পষ্ট আৰু সুৰলা মন্ত্ৰ শুনি আপ্লুত হৈ পৰিল। লেটিন ভাষাটো তেওঁ কেতিয়াও ভালদৰে আয়ত্ত কৰিব নোৱাৰিলে। তেওঁ ভাবিছিল যে ই এটা পবিত্ৰ ভাষা আৰু ইয়াৰ মাজতে ভগৱন্তৰ লীলাময় ৰহস্যবোৰ সোমাই আছে। তেওঁ এজন সাধাৰণ মানুহ,— সকলো কথা তেওঁৰ মনত নাথাকেই। লেটিন তেওঁৰ বাবে লেটিন হৈ থকাই তেওঁৰ বাবে যুগুত। মছিঅঁই হ'লে কথা কোৱাৰ দৰে অতি সহজভাৱে লেটিন কৈ যাব পাৰে। তাকে দেখি ফাদাৰ ওবেনিয়ন আচৰিত হৈ যায়।

উইক্লো কাউণ্টিৰ পৰা তেওঁ কলেজ কৰিছিল। শ্ৰেণীটোত তেওঁৰ গুণ ঠিক জধামূৰ্খৰ অকণমান ওপৰত আছিল। সেই সময়ত তেওঁৰ মনটোৱে কেতিয়াবা কেতিয়াবা বিদ্ৰোহ কৰি উঠিছিল। প্ৰাৰ্থনা কৰোঁতে কিয় বাৰু এই মৃত ভাষাত লিখা মন্ত্ৰবোৰ আওঁৰাব লাগে? সাধাৰণ মানুহে যি ভাষা বুজে সেই ভাষাত মন্ত্ৰ গালে নো কি জগৰ লাগে?

তেতিয়াৰে পৰা মছিঅঁ ফাদাৰ ওবেনিয়নৰ গুৰু। ল'ৰামতীয়া ওবেনিয়নৰ এই প্ৰশ্নৰ উত্তৰত তেওঁ গম্ভীৰভাৱে কৈছিল। "এয়ে হৈছে আমাৰ গিৰ্জ্জাৰ গৌৰৱ, বুজিছা? ভক্তৰ মনত শান্তিৰ স্নিগ্ধ সৌৰভ বিলাই দিবৰ বাবে, পৰমেশ্বৰৰ গুণ গৰিমা গথা সঙ্গীতৰ একেটা ধ্বনি বিশ্বৰ সকলো ঠাইতে একে সময়ত একে সাৰ্ব্বজনীন ভাষাত উচ্চাৰিত হয়। এইটো এটা বৰ ডাঙৰ কথা। তোমালোকৰতো মূৰত ঘিউ নাই--গোবৰহে আছে। যদি এই সাৰ্ব্বজনীন ভাষাটো যত্ন কৰি শিকিব নোৱাৰা, তেন্তে তোমালোকৰ বাহিৰে আন কাৰো একো হানি নহয় বুজিছা?"

মছিঅঁৰ কাব্যিক ভাষাত কৰা প্ৰশ্নৰ উত্তৰ ফাদাৰ ওবেনিয়নে দিয়া নাছিল। তেতিয়া তেওঁ 'ভক্তৰ মন', 'শান্তিৰ সৌৰভ', 'সাৰ্বজনীন' এই টান কথাবোৰ বুজাও নাছিল। এতিয়া হ'লে শান্তিৰ আৱশ্যকতাৰ কথা বুজে। এয়া,— আজিৰ দিনটোৰ কথাকে তেওঁ ভাবিলে। অলপ পিচতে ভাগ্যত কি ঘটে কোনে জানে? এই যে অশ্বাৰোহী লালসেনা চাৰিজন! সিহঁত এতিয়াও চহৰতে আছে। সিহঁতে কাৰ ক'ত কি কৰে কি ঠিক? কিন্তু এইটো ঠিক যে আজিৰ এই মুহূৰ্তটোত তেওঁলোক দুজন অকলশৰীয়া নহয়। তেওঁলোক চীন দেশৰ কোনোবা ভিতৰুৱা অঞ্চলৰ সৰু চহৰ

এখনত সোমাই আছে যদিও তেওঁলোকে যি ধৰ্ম উপাসনা কৰে, বিশ্বৰ সকলো ঠাইতে, কোটি কোটি কণ্ঠৰ পৰা একেটা ভাষাত এই মুহূৰ্তটোত একেজন পৰমেশ্বৰৰ উদ্দেশ্যে সেই একে উপাসনা উচ্চাৰিত হ'ব ধৰিছে। এই বিশাল পৰিয়ালটোৰ এজন হিচাপেহে আজি তেওঁ চীনদেশৰ এই ৰেক্টৰীটোত স্থান পাইছে। আবেগত তেওঁৰ মূৰ দোঁ খাই পৰিল। মনে মনে প্ৰাৰ্থনা কৰিলে— "হে প্ৰভু--মই অত্যন্ত নিঃকিন। দ্বিধা, ভয়, সংকোচ আদিত মোৰ মন জুৰুলা। মোক আশীৰ্বাদ কৰা, যেন মই তোমাৰ সেৱাৰ পাত্ৰ হ'ব পাৰোঁ।"

প্ৰাৰ্থনাৰ মাজতে তেওঁ বৈ যাবলগীয়া হ'ল। হঠাৎ প্ৰাৰ্থনা কক্ষৰ ওচৰতে পকা চোতালখনত ঘোঁৰাৰ খুড়াৰ দপ্‌দপনি শুনা গ'ল। তেওঁ জাপ মাৰি থিয় হ'ল। বাহিৰৰ যি দৃশ্য তেওঁৰ চকুত পৰিল তাৰ কথা তেওঁ কেতিয়াও পাহৰিব নোৱাৰে। মছিঅঁই ভক্ত সকলক আশীৰ্বাদ দিবলৈ আগুৱাই যাব ধৰিছিল মাথোঁ, এনেতে হঠাৎ ভিতৰলৈ কিবা সোমাই অহা যেন পাই সকলোৱে ঘূৰি চালে। প্ৰাৰ্থনা কক্ষৰ বেদীৰ ওচৰলৈ কেইজনমান লালবাহিনীৰ বিষয়া সোমাই আহিল। সিহঁতৰ আগে আগে হো-চানে আগুৱাই গৈ মছিঅঁৰ সমুখত ঠিয় দিলে। অলপ সময় মুখামুখিকৈ চাই থকাৰ পিচত প্ৰথমে মছিঅঁই কথা ক'লে,

"হো-চান"তেওঁ গৰ্জি উঠিল, "এই পুণ্য ঠাই অপবিত্ৰ কৰিবলৈ সাহস ক'ৰ পৰা পালি অধম?"

হো-চানে আদেশ দিলে "প্ৰাৰ্থনা বন্ধ কৰ।"

আদেশ পাই চিপাহীবোৰে হাতত সঙ্গীন লৈ প্ৰাৰ্থনা কক্ষৰ ভিতৰলৈ সোমাই গ'ল। প্ৰাৰ্থনাৰ বাবে অহা মানুহবোৰলৈ চকু পকাই চোৱাত মানুহবোৰে ভয়তে কোচমোচ খাই চাৰিওফালৰ ৰেলিঙত খামোচ মাৰি ধৰিলে।

"হেৰৌ, বিলাতী দেৱতাৰ এৰাপাত চেলেকা চুৱাখোৱাহঁত, আমাৰ নেতা 'মাও'ৰ আদেশৰ কথা তহঁতে শুনা নাই? যা ইয়াৰ পৰা। তুৰন্তে ইয়াৰ পৰা বাহিৰ হ'। নহ'লে এয়ে তহঁতৰ বন্দীশাল হ'ব।" চিপাহীবোৰৰ ফালে চাই হো-চানে ক'লে, "খেদ--মূৰ্খহঁতক দূৰ কৰি দে সোনকালে ইয়াৰ পৰা। এই প্ৰথমবাৰৰ কাৰণে,--মাত্ৰ এবাৰৰ বাবে মই ইহঁতক ক্ষমা কৰিম।"

ভয়ত পেপুৱা লগা মানুহবোৰৰ ওপৰত চিপাহীবোৰ জঁপিয়াই পৰিল। "বিলাতী ধৰ্মৰ নামত বলিয়া নাচোন নচা বান্দৰ" বুলি সিহঁতক অকথ্য কথাৰে গালি পাৰি সঙ্গীনেৰে খুঁচি খুঁচি ঘৰৰ পৰা বাহিৰলৈ খেদি পঠালে। মুহূৰ্ততে তাত মছিঅঁ আৰু ফাদাৰ ওবেনিয়নৰ বাহিৰে এটা প্ৰাণীও নাথাকিল। আনকি দেউৰী ল'ৰাটোও পলাল।

এই প্ৰথমবাৰৰ বাবে মছিঅঁ কিংকৰ্তব্যবিমূঢ় হৈ পৰিল। ধৰ্মবলত বলীয়ান এই ক্ষুদ্ৰকায় পাদ্ৰীজনৰ অকণমান শৰীৰটো বতাহত কঁপা আঁহতপাতৰ দৰে কঁপিব ধৰিলে। এই কঁপনি ভয়ৰ কঁপনি নাছিল--দুৰ্বাৰ ক্ৰোধৰ কঁপনি। হাতত পবিত্ৰ ক্ৰছ আৰু চেলিছটো লৈ তেওঁ বুকু ফিন্দাই ঠিয় দিলে। ডেকা তেজৰ গৰ্বত মতলীয়া বিষয়াজনৰ মুখলৈ তেওঁ খংমুৱাকৈ চাই থাকিল। সূৰ্যৰ সোণালী কিৰণ এচেৰেঙা বেদীৰ পিচফালৰ খিৰিকীখনেৰে সোমাই বুঢ়া পাদ্ৰীজনৰ চীনা কপাহৰ বগা হলৌ চোলা আৰু ডেকা সৈনিকৰ নীলা ইউনিফৰ্মত এটা অবুজ বহন সানি দিলে। মছিঅঁৰ চকুৰ অনমনীয় গৰ্বিত চাৱনিয়ে সৈনিকৰ সিৰে সিৰে যেন জুইৰ শিখাহে জ্বলাই দিলে। সি আচম্বিতে পাদ্ৰীজনৰ হাতৰ পৰা ক্ৰছটো কাঢ়ি আনি দূৰলৈ দলিয়াই দিলে আৰু চেলিছটো কোব মাৰি ওফৰাই পেলালে।

মছিঅঁ আৰু মনে মনে থাকিব নোৱাৰিলে। গহীন আৰু স্পষ্ট ভাষাত তেওঁ ক'লে—মাতত কিন্তু ক্ৰোধৰ কম্পন নাছিল, "হো-চান, তই জান যে প্ৰাৰ্থনাকাৰীৰ বাবে পুৱাৰ এই সময়খিনি আটাইতকৈ বেছি পবিত্ৰ। তই মোৰ লগত বহুদিন এই প্ৰাৰ্থনা সভাত যোগ দিছ। এই বিষয়ে সকলো গূঢ় কথা তোৰ অজ্ঞাত নহয় আৰু তই যি কৰিছ, জানি-শুনিয়ে কৰিছ বুলি মোৰ বিশ্বাস। জানি-শুনি এই অপকৰ্ম কৰা বাবে তই যি মহাপাপত লিপ্ত হ'লি তাৰবাবে ঈশ্বৰে তোক ক্ষমা নকৰে— এই কথা তই মনত ৰাখিবি।"

দাঁত কামুৰি হো-চানে উত্তৰ দিলে, "বিদেশী পাদ্ৰী, তুমি মোক বহু মিছা কথা কৈ ঠগাইছা। মই এতিয়া উপলব্ধি কৰিছোঁ যে ঈশ্বৰ নাই। অসত্যৰ ভুৱাদি তুমি মোক যেতিয়া ঈশ্বৰৰ কথা কৈছিলা—তেতিয়া মই আছিলো নিতান্ত বালক। তেতিয়া তোমাক বিশ্বাস কৰা ভিন্ন মোৰ অন্য উপায় নাছিল, কাৰণ তুমি মোক খাবলৈ এমুঠি ভাত দিছিলা--আৰু দিছিলা পিন্ধিবলৈ এডুখৰি কাপোৰ। এষাৰ মৰমসনা কথাৰে তুমি মোৰ বিবেকক লাহে লাহে মৃত্যুৰ মুখলৈ আগুৱাই দিছিলা। হুঃ মৰম! পাদ্ৰী, তুমিহে পাপী ; কাৰণ যি ঈশ্বৰৰ কোনো অস্তিত্বই নাই, সেই ঈশ্বৰ আছে বুলি মোৰ অন্তৰত বিশ্বাস জন্মাবৰ চেষ্টা তুমিয়ে কৰিছিলা। তুমি মিথ্যাবাদী আৰু সেইবাবে মই তোমাক ক্ষমা কৰিব নোৱাৰোঁ।"

মছিঅঁই দৃঢ়ভাবে ক'লে, "আৰু বেছি পাপত নমজিবি হো-চান। ঈশ্বৰ আছে। মোৰ জ্ঞান, বুদ্ধি, চিত্ত, ধৰ্ম, আৰু আজীৱন তপস্যা সকলোৰে শপত দি মই কওঁ যে ঈশ্বৰ আছে।"

গভীৰ অবজ্ঞাৰে মাতটো বিকৃত কৰি হো-চানে ক'লে, "কোৱা এশবাৰ--হেজাৰ বাৰ--কোটি কোটিবাৰ কোৱা। কৈ কৈ তুমি কেৱল নিজকে প্ৰৱঞ্চনা কৰিব পাৰিবা--আনক নোবাৰা। তোমাক মই বন্দী কৰি থম। নিজৰ ঘৰতে তুমি অৱৰুদ্ধ হৈ থাকিবা আৰু তোমাৰ লগত থাকিব তোমাৰ এই আলধৰা পাদ্ৰীজন। তোমাৰ প্ৰাৰ্থনাৰ ঘৰটো হ'ব বন্দীশাল। ইযাত তোমাৰ সেই ভণ্ড ঈশ্বৰবোৰ--মতানে মাইকী ঈশ্বৰ নাজানো--এটাকো ইয়াত পূজা কৰিব নোবাৰিবা। কেৱল তুমিয়ে নহয়, তোমাৰ লগত জাকপাতি থকা গোটেই মখা ইয়াত বন্দী হৈ থাকিব। এটা এটাকৈ মই সিহঁতক বিচাৰি আনি ইয়াতে পৰীক্ষা কৰিম। যদি সিহঁতে অতীত কৰ্মৰ বাবে অনুশোচনা কৰি কমিউনিষ্টৰ দলভুক্ত হয় তেন্তে সিহঁতক ক্ষমা কৰা হ'ব, নহ'লে, জানা সিহঁতৰ কি হ'ব? — এটা এটাকৈ সিহঁতক এই বেদীমূলত বলি দিম।"

হো-চানে ঘূৰি চিপাহীবোৰক আদেশ দিলে,— "এ বেদী ভাঙি চূৰমাৰ কৰ-যেন কোনো চিন নাথাকে।"

চিপাহীবোৰে জাপ মাৰি ৰেলিং পাৰ হৈ হাতত খোলা তৰোৱাল লৈ বেদীখন লণ্ড-ভণ্ড কৰিলে আৰু সঙ্গীনেৰে খুচি খুচি ক্ৰুছবিদ্ধ যীশুৰ মূৰ্তিটো বগৰাই লৈ তাৰ ওপৰত পদাঘাত কৰিলে।

ফাদাৰ ওবেনিয়নে এচুকত থিয় হৈ এইবোৰ চকুৰ আগতে দেখি খঙত জ্বলিবলৈ ধৰিলে। তেওঁৰ প্ৰকাণ্ড হাত দুখনে মুঠি বান্ধি কিলাই কিলাই যেন নিমিষতে সকলোকে মষিমূৰ কৰিব। বাৰে বাৰে তেওঁ খেদামাৰি আহিব খোজে, কিন্তু মছিঅঁৰ পৰা একো সঁহাৰি নাপাই বাৰে বাৰে পিচ হুঁহকি যায। নিষ্ফল আক্ৰোশত তেওঁ কৰুণভাৱে মছিঅঁৰ ফালে চায়, কিন্তু মছিঅঁই তলমূৰকৈ চকু মুদি কেৱল প্ৰাৰ্থনাহে কৰি থাকিল। হাতৰ আঙুলিবোৰেৰে বিজুলী বেগেৰে জপমালাৰ গুটিবোৰ এটাৰ পিচত এটাকৈ গণিবলৈ ধৰিলে।

"আগে বঢ়"বজ্ৰ কঠোৰ কণ্ঠৰে হো-চানে সামৰিক আদেশ দিলে।

ফাদাৰ ওবেনিয়নে গম পালে যে দুজন চিপাহীয়ে তেওঁৰ কান্ধত জোৰে হেচা মাৰি ধৰিলে। চিপাহী দুজনে তেওঁক তিনিবাৰমান ঘূৰাই দুৱাৰমুখলৈ ঠেলি নিলে।

"দৌৰ--বগা হাতী--" চিপাহীয়ে আদেশ দিলে।

ফাদাৰ ওবেনিয়নে আগলৈ খোজ দিলে। সঙ্গীনৰ জোংটোৱে পিঠিখন ফুটাই দিয়াত তেওঁ বেদনা অনুভৱ কৰিলে। তেওঁৰ পাচে পাচে বুঢ়া মছিঅঁক ঠেলি নি দুয়োকে ৰেক্টৰীৰ কোঠালি এটাত সুমুৱাই দি সশব্দে দুৱাৰখন বন্ধ কৰি দিলে।

কোঠালিৰ ভিতৰত দুয়ো দুটা নিৰ্বাক নিশ্চল মূৰ্তিৰ দৰে থিয় দিয়া মাত্ৰকে দুৱাৰত তলা লগোৱাৰ শব্দ শুনিবলৈ পালে।

এটা দীঘলীয়া মুহূৰ্তৰ বাবে ফাদাৰ ওবেনিয়নে ওপৰৱালা পাদ্ৰীজনৰ ফালে থৰ লাগি চাই ৰ'ল।

অস্থিৰ উদ্বেগৰ চৰম সীমাত উপনীত হৈ মছিঅঁই ফাদাৰ ওবেনিয়নৰ ওপৰতে মনৰ দাহ উজাৰিলে,— "মুখ মেলি মোৰ ফালে কি চাই আছা --বাপু?"

বেজাৰ আৰু বিনয়ত লেতুসেতু হৈ ফাদাৰ ওবেনিয়নে ক'লে,— "এই বিপদ কালত মোৰ কৰ্তব্য কি হ'ব পাৰে তাৰে নিৰ্দেশ আপোনাৰ পৰা পাম বুলি ভাবিছোঁ প্ৰভু মোৰ চিন্তা কৰিবৰ শক্তি নাইকিয়া হৈ গৈছে।"

মছিঅঁই ঘপহকৈ ক'লে,— "মনে মনে থাকা। কাৰোবাক কিবা নিৰ্দেশ দিবৰ সময় আৰু নাই। বহু দেৰি হৈ গ'ল। মোক আৰু দিগদাৰী নিদিবা, মই প্ৰাৰ্থনাত বহিম।" এইবুলি কৈ তেওঁ কোঠালিটোৰ এমূৰে থকা খটখটীয়েদি ওপৰলৈ গুচি গ'ল। ফাদাৰ ওবেনিযনে তেওঁ যোৱাৰ ফালে চাই ব্যগ্ৰভাৱে সুধিলে, "আপোনাৰ খোৱা-লোৱাৰ কি হ'ব। মই লৈ যাম নেকি?"

কোনোফালে নোচোবাকৈ কেবল 'নালাগে' বুলি কৈ মছিঅঁই মুহূৰ্ততে দুৱাৰখন বন্ধ কৰি দিলে।

☆ ☆ ☆ ☆

পিছদিনা পুৱাহে তেওঁ প্ৰাৰ্থনা কক্ষৰ পৰা ওলাল। প্ৰাতঃভোজনত বহি তেওঁ বিৰক্তিৰে খোৱা বস্তুবোৰৰ ওপৰত চকু ফুৰালে। "খোৱা বস্তুৰ নামত পাতত এইবোৰ কি দিছাহে?"

"মই পৰাখিনি কৰিছোঁ দেউ। ৰন্ধা-বঢ়া কৰাৰ অভ্যাসো নাই--অভিজ্ঞতাও নাই।" ফাদাৰ ওবেনিয়নে যেন কিবা অপৰাধহে কৰিছে এনে ভাৱত ক'লে। "চাকৰ-বাকৰ আটাইবোৰ গুছি গ'ল। ৰান্ধনি হিচাবে মই কেতিয়াও শিক্ষা লাভ কৰা নাছিলোঁ মছিঅঁ।"

মছিঅঁই বাক্যবাণ মাৰিলে— "যেন আনবোৰ বিদ্যাত একেবাৰে পণ্ডিত হৈ পৰিছা!" বিতৃষ্ণাত মুখখন ওন্দোলাই বৃদ্ধই হাতত কাটা চামুচ লৈ খাবলৈ আৰম্ভ কৰিলে। দুকামোৰমান খাই কাটা চামুচ এৰি ক'বলৈ ধৰিলে,— "মোৰ মনলৈ সেই

একেটা কথা বাৰে বাৰে আহে। যদি তুমি অলপমান আগতে আহি পালাহিহেঁতেন, তেন্তে মই এই ঠাই এৰি বহুদূৰ পালোহেঁতেন। তেতিয়া-হে ঈশ্বৰ--তেতিয়া--"তেওঁ মূৰ জোকাৰি জোকাৰি ৰৈ গ'ল। কথা শেষ কৰিব নোৱাৰিলে।

"তেতিয়া মই ইয়াত অকলশৰীয়া হলোঁহেঁতেন, প্ৰভু।" ফাদাৰ ওবেনিয়নে জোৰা দিলে। "এই হো-চানটোক মই অকলে চম্ভালিব পাৰিলোঁহেতেন বুলি নাভাবোঁ। কল্যাণময়ী কুমাৰীয়ে হয়তো জানিছিল যে আপুনি ইয়াত থকাটোৱেই অতি আৱশ্যক। সেয়ে তেওঁ গাধটোৰ মূৰত দেৰি কৰোৱাৰ দুৰ্বুদ্ধিটো সুমুৱাই দিলে।"

মছিঅঁৰ টিঙিচকৈ খং উঠিল,"কি অ এইটো ! হেৰা গাধটোৰ লগত,--আনকি তোমাৰ নিজৰ লগত কল্যাণকুমাৰীৰ নাম কেতিয়াও নাসাঙুৰিবা,--বুজিছা ?"

ফাদাৰ ওবেনিয়নে দীঘলকৈ হুমুনিয়াহ কাঢ়িলে। সংযমৰ বান্ধ ঢিলা হৈ আহিব খোজে-- পদে পদে তেওঁ ভুলহে কৰিব পায় নে? কোনোমতে কথা ঘূৰাই তেওঁ সুধিলে,--"চাহ দিবৰ হৈছে নেকি প্ৰভু ?"

"চাহ খোৱা বা নোখোৱা একে কথাই।" মছিঅঁই গোৰগোৰাই উঠিল। "তোমাৰ হাতত পৰিলে সি চাহ নহৈ বাচন ধোৱা পানীহে হ'ব!"

"উপায়তো নাই ! চাহ কৰিবলৈ আন কোনো নাই যেতিয়া---" ফাদাৰ ওবেনিয়নে ক'লে।

আধা ভজা কণী পিটিকি এখন থালত মছিঅঁৰ আগত দিয়া হৈছিল। থালখন আঁতৰাই দি তেওঁ ক'লে,— "বাৰু চোৱাছোন, এই হতছিৰি যোৱা ৰান্ধনি ল'ৰাটোৰ কাণ্ডখন! সিনো ৰাতিটোৰ ভিতৰতে পলাই যাব পায় নে? তাৰবাবে, — তাৰ ল'ৰা-ছোৱালীৰ বাবে মই কম কৰিছোঁ নে? সিও পলাই গ'ল। সিয়ে মোৰ প্ৰথম শিষ্য আছিল। পিছে দৰাচলতে সি হো-চানৰহে প্ৰথম শিষ্য হ'লগৈ আৰু এই হো-চান। তাক মই পুত্ৰৰ দৰে পালন কৰিছিলো। তাক ধৰ্মপুত্ৰ কৰি লৈছিলো। আৰু এতিয়া----- সি------"

"তাৰ কথাই কওক" ফাদাৰ ওবেনিয়নে ক'লে।

তেওঁ মনে মনে ভাবিলে যে মছিঅঁৰ মনৰ পৰা দুখ আৰু অশান্তিৰ বোজা পাতলাবলৈ হ'লে আন কোনো প্ৰসঙ্গৰ উত্থাপন কৰাই যুগুত। যোৱা ৰাতিটোৰ কথা ভাবিলে ভয় লাগে। এটা এটাকৈ চাকৰবোৰ অন্ধকাৰৰ মাজেদি কোনফালে যে গ'ল! ৰাতিপুৱাই দুৱৰীটোও নোহোৱা হ'ল আৰু তাৰ ঠাইত পিঠিত বন্দুক বন্ধা ভয়লগা চেহেৰাৰ চিপাহী এটাই অগাপিচাকৈ টহল দি আছে। এই চিপাহীবোৰৰ সকলোৰে হাতে হাতে বন্দুক। জাতীয় বাহিনীয়ে আত্মসমৰ্পণ কৰাৰ পিচত সিহঁতৰ

বন্দুকবোৰ ইহঁতে কাঢ়ি আনিছে। এইবোৰ আমেৰিকাৰ পৰা অহা বন্দুক। সাংঘাতিক সেইবোৰ। এতিয়া সেই বন্দুকৰ গুলিয়ে দুজন সৎ আৰু ঈশ্বৰভক্ত পাদ্ৰীৰ জীৱন শেষ কৰি দিয়াত একো বাধা নাই। ফাদাৰ ওবেনিয়নৰ মনত এইবোৰ কথাই তলওপৰ কৰি থাকোঁতে মছিঅঁই চাহ, কণী ভজা আদিৰ কথা পাহৰি ক'বলৈ ধৰিলে—

"শুনা। কেবাবছৰ আগৰ কথা। সিবাৰ গোটেইখন দেশতে দুৰ্ভিক্ষ হৈছিল। হো-চান তেতিয়া ছয় কি সাত বছৰীয়া। কথাবোৰ মোৰ মনত আছে। এদিনাখন মই এজন কমাৰৰ ঘৰলৈ যাওঁ। কমাৰজন মোৰ শিষ্য হৈছিল। কমাৰশালত কাঁচি ধাৰ দি থাকোঁতে কেনেবাকৈ তাৰ উৰুত ঘাঁ লাগে। তাতে গৰল লাগি সি মৰিবলগীয়া হয়। মৰাৰ আগতে তাৰ মুক্তিৰ বাবে প্ৰাৰ্থনা কৰিবলৈ তাৰ তালৈ যাওঁতে মাছবজাৰৰ কাষৰ ৰাস্তাতে অকণমান ল'ৰা এটা কান্দি থকা দেখা পালোঁ। কোনোবাই তাক তাতে এৰি থৈ গৈছে। যাওঁতে অবশ্যে মই নৰলোঁ, কাৰণ শিষ্যজনৰ শেষ অৱস্থা বুলি শুনিছিলোঁ। উভতি আহোঁতে দেখিলোঁ,— সেই টপাখহু ল'ৰাটো তাতেই পৰি আছে। এইবাৰ সি কান্দি থকা নাই। ভাগৰতে সি টোপনি গৈছিল আৰু অকণ অকণ লেৰেলা হাত দুখন মূৰৰ তলত গাৰু কৰি লৈছিল। ৰাস্তাৰ ধূলিৰ লগত চকুৰ পানী মিহলি হোৱাত তাৰ গোটেইখন মুখতে বোকা লাগিছিল। মই তাৰ ওচৰলৈ গলোঁ আৰু তাক দাঙি ললোঁ। সি সাৰ পালে। মই তাৰ পৰিচয় সুধিলোঁ। সি তাৰ নামত বাহিৰে আন একোকে ক'ব নোৱাৰিলে। সেই ল'ৰাটোক মই কোলাতকৈ লৈ আহিলোঁ। তাক তাতে এৰি যোৱা মানুহবোৰ হয়তো তাক বিচাৰি আহিছিল ; কিন্তু তাক আৰু নাপালে। তাক মই ঘৰলৈ অনাৰ পিচত ৰান্ধনিটোৱে গা ধুৱাই দিলে। দুয়ো লগ লাগি তাক কাপোৰ-কানি পিন্ধাই দিলোঁ। তেতিয়াৰ পৰা সি ইয়াতে থাকিল। সেই ল'ৰাটোৱেই হ'ল হো-চান। এইমাত্ৰ যোৱা বছৰ যি ইয়াৰ পৰা পলাই গ'ল।"

ফাদাৰ ওবেনিয়নে সুধিলে,"তাৰ বাপেক মাকে তাক বিচাৰি নাপালে নে?

তেওঁ এনেকৈ প্ৰশ্নটো কৰিলে যাতে মছিঅঁই বাহিৰলৈ চাবৰ সময় নাপায়। বাহিৰত খিৰিকীৰ মুখতে চিপাহীটোৱে এনে ভয় লগাকৈ তেওঁলোকৰ ফালে চাই আছিল যে সেই দৃশ্যটো চকুত পৰিলে গাৰ তেজ গোটমাৰি যায়।

মছিঅঁই মূৰ নোতোলাকৈ কৈ গ'ল,— "পাইছিলে। ৰবা,--তেতিয়া কিবা এখন যুদ্ধ চলি আছিল। প্ৰথমটো বিদ্ৰোহ হ'ব নোৱাৰে—তাৰ পিচৰটোহে। এৰা দ্বিতীয়টোহে হব— যেতিয়া জাপানীবোৰে মাঞ্চুৰিয়া অধিকাৰ কৰে— সেইবাৰ। যুদ্ধৰ ভয়ত মানুহবোৰ দলে দলে উত্তৰফালৰ পৰা পলাই আহিছিল। ইয়াৰ বাপেক-মাক যিটো দলৰ লগত আছিল সেই দলটো আহি চহৰৰ পৰা কেইমাইলমান দূৰ

পাওঁতে এই ল'ৰাটো দলৰ মাজৰ পৰা হেৰাই যায়। বাপেক-মাকে গম পাই ল'ৰাটো বিচাৰি আহিছিল।"

ফাদাৰ ওবেনিয়নে কথাৰ ওৰ নেপেলাবলৈ তপৰাই প্ৰশ্ন কৰিলে, "আৰু ল'ৰাটো ঘূৰাই লৈ যাব খুজিছিল নিশ্চয়?" তেওঁ খিৰিকীৰফালে মুখ নুঘূৰাবলৈ চেষ্টা কৰিছিল, কিন্তু হঠাৎ এবাৰ সেইফালে চকু পৰাত দেখিলে যে বদমাছ চিপাহীটোৱে পাদ্ৰীজনৰ মনোযোগ তাৰফালে আকৰ্ষিত হোৱা গম পাই তেওঁৰ ফালে এনেকৈ বন্দুক টোঁৱালে যেন গুলীয়াবলৈহে সক্ষম হৈ আছে।

"এৰা খুজিছিল। কিন্তু সিহঁতে দেখিলে যে মোৰ লগত থাকি ল'ৰা নোদোকা হৈ পৰিছে,--পঢ়িবলৈ শিকিছে আৰু লেটিনত কথা ক'ব পৰা হৈছে। সিহঁতে লেটিনকে মোৰ ভাষা বুলি ভাবিছিল হ'বলা। সিঁহঁতে আৰু বুজিলে যে মই তাৰবাবে যিমানখিনি কৰিম সিহঁতে তাৰ আধাও কৰিব নোৱাৰিব। গতিকে--। অ' ইতিমধ্যে সিহঁতে সৰুকৈ কিবা এটা কাৰবাৰ কৰাত লাগিল আৰু তাক মোৰ ঘৰতে এৰি থৈ গ'ল। মাজে-সময়ে সিহঁতে পুতেকক চাবলৈ ইয়ালৈ আহে, আৰু আহোঁতে অকণমান মিঠাই বা কেইটামান কণী এনেকুৱা— লাম-লাকতু এঢোকিবিধ হাতত লৈ আহে।"

মছিঅঁই আৰু ক'ব নোৱাৰিলে। তেওঁৰ চকুদুটা চলচলীয়া হৈ পৰিল। উগ্ৰ আত্মাভিমানেই তেওঁৰ চকুৰ পৰা পানী কোনোমতে বাগৰি নপৰাকৈ ৰখাত সহায় কৰিলে।

ফাদাৰ ওবেনিয়নৰ অন্তৰ সহানুভূতিৰে উপচি পৰিল। লগে লগে তেওঁ দেখিলে যে খিৰিকীৰ পৰা চিপাহীটোও শেষত আঁতৰি গৈছে। তেওঁৰ মনৰ পৰা যেন এটা বোজাহে আঁতৰিল। তেওঁ মছিঅঁক ক'লে, "আপোনাৰ ভাগৰ লাগিছে প্ৰভু। উঃ কি যে ভীষণ অৱস্থা। কালি ৰাতি দুয়োৰো অকণমান যদি টোপনি হ'লহেঁতেন!"

কথাটো সঁচা। গোটেই ৰাতি লালবাহিনীৰ সৈন্যবোৰ আহি চহৰখন গৰম কৰি তুলিছিল। মিছনটোৰ চৌহদৰ ভিতৰত সদায় এটা শান্তভাব বিৰাজ কৰে,--তাত হাই-উৰুমি বা কোনোৰকমৰ গণ্ডগোল নাই। এদিনীয়া মানুহে তাত থাকিবলৈ ভয়েই কৰে। সেই মৌন শান্তিৰ ঠাই এটা উদ্বেগপূৰ্ণ ভয়াবহ পৰিস্থিতিয়ে অধিকাৰ কৰিলে। চিপাহীৰ কোলাহল, দপদপনি, খেলিমেলি—এইবোৰে পৰিবেশটো উত্তপ্ত কৰি তুলিলে। বাহিৰত এইবোৰ ঘটিছে, কিন্তু ভিতৰত থকা পাদ্ৰী দুজনক প্ৰকৃত অৱস্থাৰ বাতৰি দিবলৈ কোনো নাই। দুয়ো গোটেই ৰাতিটো বহি থাকিল। অনিশ্চয়তা আশঙ্কাত আৰু অজ্ঞান কিবা এটাৰ অপেক্ষাত ক্ষন্তেকৰ বাবেও কাৰো চকুত টোপনি নাহিল। পুৱা পাঁচ বজাত মছিঅঁ প্ৰাৰ্থনাত বহিল—লগৰীয়া মাত্ৰ ফাদাৰ ওবেনিয়ন।

"মই অন্তৰত বৰ দুখ পাইছোঁ, ওবেনিয়ন," উদাসভাৱে মছিঅঁই ক'লে,"— মোৰ হিয়া ভাগি গৈছে। এই হো-চানটোৱে তাৰ সঙ্গীনৰ খোঁচ মাৰি মোৰ বুকু যেন চিৰাচিৰ কৰি দিছে।"

"অহ হ সি তাকেই কৰিলে যেন পাইছোঁ।" কান্দোনৰ সুৰত ফাদাৰ ওবেনিয়নে ক'লে।

এটা গলখেকাৰি মাৰি মছিঅঁই কৈ গ'ল, "জানা,--ওবেনিয়ন, এই হো-চান বোলা ল'ৰাটো এলাপেচা ধৰণৰ নহয়। অজ্ঞাতসাৰে আৱৰ্জনাৰ মাজৰ পৰা হীৰাৰ টুকুৰা এটাহে যেন বুটলি আনিলোঁ। কেইদিনমানৰ পিচতে মই গম পালোঁ যে নেতা হ'বলৈকে সি জন্ম গ্ৰহণ কৰিছিল। তাৰ মন, তাৰ বুদ্ধি, তাৰ বল! ইমান দেশ ফুৰিলোঁ,— এনে ল'ৰা মই দেখা নাই। মোৰ চকুৰ আগতে সি ডেকা হ'ল। মই যিখিনি জানো সকলোখিনিকে তাক শিকাইছোঁ। তাৰ সম্বন্ধে অফুৰন্ত সম্ভাৱনাৰ সপোন দেখিছোঁ। তাক যেন ভগৱানে মোৰ অবৰ্তমানে মোৰ স্থলাভিষিক্ত হ'বলৈহে সৃজন কৰিছে। সি ইহঁতৰ মাজৰে এজন হোৱা বাবে মই ভাবিছিলোঁ যে সি মোতকৈ বেছি সাফল্যৰে ইয়াত কাম কৰিব পাৰিব। যিযেই নহওক, আমি আয়াৰ্লেণ্ডৰ মানুহ: অৱশ্যে আইৰিছ নামৰ অধিকাৰী হোৱা বাবে ভগবানক সাতোটি সেৱা জনাইছো।"

ফাদাৰ ওবেনিয়নে যাতে কথাখোৰ ভালদৰে হৃদয়ঙ্গম কৰিব পাৰে তাৰ বাবে মছিঅঁ অলপ ৰ'ল। কথাই কথাই তেওঁ সোঁহাতৰ তলুৱাৰে মেজখনত থপৰিয়াই দিছিল। "তদুপৰি এটা কথা স্বীকাৰ কৰিবই লাগিব যে ওবেনিয়ন, এই লৰাটোৱে গাঁৱৰ পৰা দলে দলে মানুহ আমাৰ ধৰ্মত দীক্ষিত হ'বলৈ মাতি আনিছিল। তাৰ প্ৰতি ভাগ্য সুপ্ৰসন্ন হ'বলা; মই আজি কুৰি বছৰে যি কাম কৰিব পৰা নাছিলোঁ, সি সেই কাম অতি কম সময়ৰ ভিতৰত সমাধা কৰিছে-বৰং তাতোকৈ বেছিহে হৈছে। এইটো কম কথা নহয়। পুৰুষ বা তিৰোতা সকলো মানুহৰে অন্তৰ জয় কৰিব পৰা এটা শক্তি ইয়াৰ আছে। অৱশ্যে তিৰোতাৰ প্ৰতি তাৰ কোনো দুৰ্বলতা নাই বুলিয়ে মোৰ বিশ্বাস। সি আমাৰ দৰে ধৰ্মযাজক হ'বলৈ ইচ্ছা কৰিছিল। সেই দিনটোৰ কথা মোৰ সদায় মনত থাকিব, --ওবেনিয়ন, যিদিনা সি মোৰ আগত তাৰ অভিলাষৰ কথা প্ৰকাশ কৰিছিল।"

মছিঁই চকীখনত আউজি বহিল। অতীতৰ মৰমৰ স্মৃতি এটা মনত পৰাত তেওঁ অভিভূত হৈ পৰিল। "সেই দিনাৰ কথা। ওবেনিয়ন, সেই স্মৃতিকণ মই অতি সযতনে ইমানদিন অন্তৰতত সাঁচি থৈছোঁ। কিবা এটা কথাৰ বাবে,—যি কথা, মোৰ এতিয়া মনত নাই--- মই বিভ্ৰান্ত হৈ পৰিছিলো। প্ৰাৰ্থনা কক্ষত সোমাই মই অকলে

ভগৱানক মাতিছিলোঁ,— তেওঁৰ পৰা পথৰ সন্ধান বিচাৰিছিলোঁ,—মিনতি কৰিছিলোঁ,--আদেশৰ বাবে। মই আঁঠুকাঢ়ি সেৱা জনাইছোঁ,—ঠিক তেনে সময়তে অনুভৱ কৰিলোঁ--যেন মোৰ নিচেই কাষতে কোনোবা এজন ৰৈ আছেহি। চকু মেলিলোঁ। কাক দেখিলোঁ জানানে? এই ল'ৰাটো। ভগৱন্তৰ মংগলাশিস মূৰত লৈ ইয়ে মোৰ ওচৰত আঁঠুকাঢ়ি বহি আছে। আগে পিছে সি এইদৰে মোৰ লগত প্ৰাৰ্থনা কক্ষলৈ নাহে,—সেইদিনাই প্ৰথম। সি কিয় মোৰ ওচৰত সেইদৰে বহিছেহি — সেই কথা তাক সুধিবৰ নহ'ল। এক শান্তিৰ পৰশেৰে যেন কোনোবাই মোৰ সকলো দুশ্চিন্তা, সকলো ভ্ৰান্তি দূৰ কৰি দিলে। মই যেন তেতিয়া আৰু অকলশৰীয়া নহওঁ। মই আপোনমনে কৈ পেলালোঁ, — হে ভগৱান, তুমি মোৰ কাকুতি শুনিছা, আৰু তাকে মোক জানিবলৈ দিছা এই ল'ৰাটোৰ যোগেদি। সি মোক কি ক'লে জানা? — তাৰ মুখেদি ওলোৱা কথা কেইষাৰ তোমাক আজি হুবহু কৈ দিব পাৰোঁ, —

"মই আপোনাৰ নিচিনা ধৰ্মযাজক হ'ব খোজোঁ পিতা" এইখিনি তাৰ কথা, "— বুজিছা, তাৰ মুখেদি ওলোৱা কথা। মই ভগৱান যীশুৰ মাত শুনা যেন পালোঁ। মোৰ শৰীৰৰ ৰন্ধ্ৰে ৰন্ধ্ৰে কথাকেইষাৰ অনুৰণিত হৈ গ'ল। সেইদিনাৰ পৰা মোৰ পথ অত্যন্ত সুগম হৈ পৰিল — কোনো বাধা নাই — কোনো বিঘিনি নাই। মোৰ ধাৰণা হ'ল যে মোৰ কাৰ্যক্ষেত্ৰৰ যিবোৰ চুক-কোণত বিফলতাৰ অন্ধকাৰ জমা হৈ আছিল, সেইবোৰ এদিন কৃতকাৰ্যতাৰ ৰ'দালিৰে উদ্ভাসিত কৰি তুলিব এই হো-চানে।"

মছিঅঁ ৰৈ গ'ল। তেওঁৰ ওঁঠ দুটা কঁপি উঠিল আৰু চকু দুটা চলচলীয়া হৈ পৰিল।

"আজিলৈ হ'ব মছিঅঁ। আপুনি জিৰণি লওক। ফাদাৰ ওবেনিয়নে কাকুতি কৰিলে। দুৱাৰত কোনোবাই খুটুককৈ শব্দ কৰা যেন পাই তেওঁ সচেতন হৈ উঠিল।

মছিঅঁৰ হ'লে কথা শেষ হোৱা নাই। তেওঁ কৈ গ'ল — "কেতিয়া যে তাৰ মনত এই পৰিবৰ্তনৰ সূত্ৰপাত হ'ল মই ক'ব নোৱাৰোঁ, অ' ৰবা, মনত পৰিছে। সেই যে বিপ্লৱীবোৰ আহি আমাৰ এই চহৰত সোমাইছিলহি তেতিয়াতে তাৰ মনত কেৰোণ লাগিল বুজিছা। চিয়াং কাই ছেকে সিহঁতক খেদি ফুৰিছিল। দেশৰ মাটিৰ পৰা কমিউনিষ্টবোৰ সমূলঞ্চে নিৰ্মূল কৰিবলৈ বুলি তেওঁ উঠি-পৰি লাগিছিল আৰু সিহঁতে ফৰিং ছিটিকাদি পলাই ফুৰিছিল। সিহঁতে উত্তৰ-পশ্চিমৰফালে পলাই যাওঁতে এইখন চহৰৰ ওপৰত কাকতি ফৰিং পৰাদি পৰিছিল। কেনেবাকৈ সিহঁতে হো-চানৰ বিষয়ে গম পায়। কেনেকৈ যে সিহঁতে তাৰ খবৰ পালে ক'ব নোৱাৰোঁ। বোধকৰোঁ

আমাৰ মাজত সিহঁতৰ ফালৰ কোনোবা আছিল, সেই বিশ্বাসঘাতকেই হো-চানৰ কথা সিহঁতক ক'লে হ'ব পায়। যি উপায়েৰেই নহওক, সিহঁতে হো-চানক বিচাৰি উলিয়ালে আৰু মোৰ অনুপস্থিতিৰ সুযোগ লৈ তাক উচটাবলৈ ধৰিলে। তাৰ বুদ্ধি, তাৰ শক্তি — ইত্যাদিৰ প্ৰশংসা কৰি তাক একেবাৰে ওপৰলৈ তুলি দিলে। এইবোৰৰ কথা মই ঘুণাক্ষৰেও গম নাপালোঁ। কিন্তু মই লক্ষ্য কৰিলোঁ যে তাৰ মনটো চঞ্চল হৈ উঠিছে, — কিহবাই যেন তাৰ দেহ-মন উত্তেজিত কৰিবলৈ আৰম্ভ কৰিছে। তাক মই সুধিলোঁ, — 'হো-চান, তই কিয় এনে চঞ্চল হৈ পৰিছ বোপাই? তই কিবা বেয়া কাম কৰিছ নেকি? যদি কৰিছ তেন্তে সেই কথা মোক খুলি ক' বাছা।' — সি কোনো অপকৰ্ম কৰা নাই বুলি কওঁতেই মই বুজিলোঁ যে সি মিছা কথা ক'লে। সেইষাৰেই তাৰ প্ৰথম মিছা কথা ওবেনিয়ন। ইতিমধ্যে সিহঁতে তাক মিছা কথা ক'বলৈ শিকাই পেলালে।"

মছিঅঁই হুমুনিয়াহ কাঢ়িলে। তেওঁৰ মূৰটো কঁপি উঠিল। সমুখৰ থালত থকা ভজা কণী ঠাণ্ডা হৈ গ'ল আৰু সেই কথা তেওঁক সোঁৱৰাই দিবলৈ ফাদাৰ ওবেনিয়নৰ মন নগল। বৰং তেওঁ লাহে লাহে ক'লে, "কিন্তু আপোনাৰ দুখ কৰিবৰ একো কাৰণ নাই, মছিঅঁ। আনে তাক যিয়েই নিশিকাওক, তাৰবাবে আপুনি কিয় দোষৰ ভাগী হ'ব?"

"তুমি বুজা নাই, ওবেনিয়ন," বাধা দি মছিঅঁই ক'লে, "সি সিহঁতৰ কথা শুনিলে তো? কিয়? হয়তো মই তাক প্ৰকৃত শিক্ষা দি সৎপথত অবিচলিত থাকিবলৈ প্ৰস্তুত কৰিব পৰা নাছিলোঁ। মই তাৰ ওপৰত কঢ়া নজৰ ৰাখিছিলোঁ। হয়তো মোৰ শাসন অলপ বেছি কঢ়া হৈছিল। বিশেষকৈ তিৰোতা সংক্ৰান্ত বিষয়ত অত্যন্ত সংযত হ'বলৈ তাক মই সদায় কৈছিলোঁ। বয়স হোৱাৰ লগে লগে সি বৰ দেখনিয়াৰ হৈ পৰিছিল। তদুপৰি সি হ'ব খুজিছিল ধৰ্মযাজক। এই বয়সটোত সংযত থকা বৰ টান ওবেনিয়ন। সেয়ে মই সদায় তাক কামিনীকাঞ্চন সম্বন্ধে সতৰ্ক কৰি দিছিলোঁ। তাক বুজাবলৈ চেষ্টা কৰিছিলোঁ যে তিৰোতাই সকলো অনৰ্থৰ মূল। নাৰীয়েই মানুহক ভগৱানৰ পৰা আঁতৰলৈ লৈ যায়। নাৰীৰ বাহুবন্ধনত সোমাই মানুহে ভাবে যে সৰগৰ অমৃত পান কৰিছে; কিন্তু সেই নাগপাশ এবাৰ সুলকি গ'লে বুজিবলৈ আৰম্ভ কৰে যে ই সৰগৰ অমৃত নহয়, — নৰকৰ তীব্ৰ হলাহলহে। ই এটা কুহক— এটা প্ৰহেলিকা — বুজিছা?"

আজীৱন ব্ৰহ্মচাৰী বৃদ্ধ ফিৎসগিবনে ইমান আবেগৰে সৈতে কথাকেইষাৰ ক'লে যে ফাদাৰ ওবেনিয়নে লাজতে তলমূৰ কৰিবলগীয়া হ'ল। হেহোঁ-নেহোঁকৈ

তেওঁ ক'লে,— "এই বিষয়ে মোৰ নিজৰ ফালৰপৰা ক'বলগীয়া একো নাই মছিঅঁ। কোনো তিৰোতাই এই পৰ্যন্ত মোৰ ওচৰ চপা নাই আৰু প্ৰেম কি বস্তু জানিবৰ সুবিধা বা প্ৰয়োজন হোৱা নাই, অৰ্থাৎ....."

"বুজিছোঁ।" মছিঅঁই ক'লে, "কিন্তু এবাৰ যদি তিৰোতাৰ ওচৰ চাপা, তেন্তে তুমিও বুজিবা — ই কি বস্তু! নাৰীয়ে তোমাক প্ৰেমৰ তলা-মূধা বুজাইহে এৰিব। সিহঁতে ইমান কৌশল জানে যে সেইবোৰৰ আগত পুৰুষ বৰফৰ টুকুৰাৰ দৰে পমি যায়। মই দেখিছোঁ নহয়। আমাৰ প্ৰাৰ্থনা সভাতে সিহঁতে হো-চানৰ ফালে যিদৰে চাবলৈ আৰম্ভ কৰে — যেন তাক গিলিহে থ'ব! এজনী ছোৱালীয়ে — মই তাইৰ নাম নকওঁ — যাওক বাৰু। মই তাইক এখোজো আগুবাবলৈ নিদিলোঁ। ভগৱন্তৰ কৃপাত মই তাক সদায় ৰক্ষা কৰি আছিলোঁ। তিৰোতাৰ কথা চিন্তা কৰা বা তিৰোতাৰ লগত চুপতি মৰা তাৰবাবে অসম্ভৱ হৈ পৰিছিল। তাৰ ফল কি হ'ল? সি পলাই গ'ল। চিয়াঙৰ সেনাবোৰৰ খেদা খাই যেতিয়া কমিউনিষ্টবোৰ দিহাদিহি পলাবলৈ ধৰিলে, তেতিয়া সিও সিহঁতৰ লগতে পত্ৰং দিলে। যোবাৰ সময়ত সি মোলৈ এখন চিঠি লিখি থৈ গৈছে। চিঠিখন বৰ বেয়াকৈ লিখা নাই দেই। সেইখন পঢ়ি মোৰ বুকু ফাটি যাওঁ যাওঁ হ'ল। সি লিখিছিল যে সৰুৰে পৰা আমাৰ লগত থাকি সি বাহিৰৰ জগতখনৰ কথা একেবাৰে পাহৰি গৈছিল। সি গম পালে যে ইয়াৰ চাৰিবেৰৰ বাহিৰত এখন সংসাৰ আছে। তাতনো কি আছে তাকে জানিবৰ বাবে তাৰ ইচ্ছা হ'ল আৰু সেইবাবে সি ঘৰৰ পৰা ওলাল। সদ্যহতে সি মস্কোলৈ যাব। লালবাহিনীৰ মানুহবোৰে তাক তাতে পঢ়া-শুনাৰ সুবিধা কৰি দিব হেনো! দেখিছা--- এই লালসেনাবোৰ কি চালাক? সিহঁতে হো-চানৰ প্ৰতিভাৰ পৰিচয় পাই তাক মোৰ ওচৰৰ পৰা চুৰি কৰি লৈ গ'ল।"

"বদমাছহঁত — ক'ৰবাৰ!" ফাদাৰ ওবেনিয়নে নিজকে কোৱাদি ক'লে। তেওঁ ইমান অভিভূত হৈ পৰিছিল যে খিৰিকীৰ ফালে চাবলৈ অথবা দুৱাৰ খোলাৰ শব্দ শুনিবলৈ পাহৰিয়ে গৈছিল।

মছিঅঁই কৈ গ'ল, "তাৰ সেই চিঠিখনত আৰু এষাৰ কথা লিখিছিল। মোৰ আৰু তাৰ মাজত পিতা-পুত্ৰৰ সম্বন্ধটো ইমান স্বাভাৱিক আৰু ইমান নিবিড় হৈ পৰিছিল যে এই বিষয়ে সি মোক নজনোৱাকৈ থাকিব নোৱাৰিলে। তাৰ হাতৰ আখৰবোৰ ইমান ধুনীয়া! হ'লে কি হ'ব ওবেনিয়ন? মোৰ আটাইতকৈ বেছি দুখ লাগিছে এই কাৰণে যে সি ইমান দিনে শিকা কথাবোৰ অথলে গ'ল। যি আচলতে জ্ঞানৰ কথাবোৰ ভুলকৈহে বুজিছিল। এদিনাখন সি স্পষ্টভাবে কৈছিল যে সি ঈশ্বৰত

বিশ্বাস হেৰুৱাই পেলাইছে। ঠিক সিদিনাই মই ঘৰলৈ উভতি যাবলৈ অনুমতি বিচাৰি আয়াৰ্লেণ্ডলৈ চিঠি দিলোঁ। প্ৰায় চাৰেতিনিবছৰ আগৰ কথা বুজিছা? মোৰ আত্মবিশ্বাসৰ ওপৰত সি কুঠাৰাঘাত কৰিলে। মোৰ বিবেকে মোক কৈ দিলে যে মোৰ ইমান দিনৰ সাধনা, এই প্ৰণিপাত কৰা পৰিশ্ৰম সকলো ব্যৰ্থ হৈ গৈছে। হো-চানকেই যদি মই মোৰ পথলৈ আনি মোৰ উপযুক্ত উত্তৰাধিকাৰী হিচাপে প্ৰস্তুত কৰিব নোৱাৰিলোঁ, তেন্তে ইমান দিনে কৰিলোঁ কি? মই বুজিলোঁ যে জন্মভূমি আয়াৰ্লেণ্ডলৈ গুচি যোৱাৰ বাহিৰে মোৰ গত্যন্তৰ নাই। তাতে মোৰ নিজঘৰত আহি মৃত্যুৰ বাবে অপেক্ষা কৰাই মোৰ বাবে শ্ৰেয়ঃ। এয়ে মোৰ দুখৰ কথা । এই চিন্তাই মোৰ অন্তৰ খুলি খুলি খাবলৈ আৰম্ভ কৰিছে, ওবেনিয়ন।"

"সঁচাকৈয়ে দুখৰ কথা প্ৰভু", "ফাদাৰ ওবেনিয়নে হুমুনিয়াহ কাঢ়িলে। তেওঁৰ সমগ্ৰ সত্তা, তাৰ চাৰিওফালে গঢ়ি উঠা ক্ষুদ্ৰ পৃথিৱীখন যেন এটা প্ৰচণ্ড আঘাতত থানবান হৈ গ'ল। এই ক্ষুদ্ৰদেহৰ মছিঅঁ এজন স্বেচ্ছাচাৰী আৰু খঙাল স্বভাৱৰ মানুহ হ'লেও ফাদাৰ ওবেনিয়নৰ বাবে তেৰেঁই আছিল একমাত্ৰ ভৰসাৰ স্থল আৰু নিৰ্ভৰযোগ্য আশ্ৰয়।

"তাৰ পিচত কাৰ্ডিনালৰ পৰা চিঠি পালোঁ।" মছিঅঁই ক'বলৈ ধৰিলে, "চিঠিত তেওঁ জনালে যে মোৰ সাহায্যৰ বাবে তেওঁ এজন ডেকা মানুহ পঠোৱাৰ ব্যৱস্থা কৰিছে আৰু সোনকালে সেই মানুহজন আহি পাব। সেইজন কোন জানানে? তুমি।"

"নিতান্তই অপদাৰ্থ" ঘপহকৈ ফাদাৰ ওবেনিয়নে কৈ উঠিল।

"এয়া, ---তুমি নিজেই চোন কলা!" মছিঅঁই উদাৰভাৱে সন্মতি জনালে।

হঠাৎ ফাদাৰ ওবেনিয়নে চক খাই ঠিয় হ'ল। তেওঁ খিৰিকীলৈ গৈ বাহিৰত দেখিলে যে বেৰৰ ভিতৰফালে এজনী গাভৰু ছোৱালী থিয় দি আছে। তাৰ সঙ্গীনৰ জোংটো তাইৰ বাওঁফালৰ স্তনত লাগি আছে। দৃশ্যটো দেখি তেওঁৰ হৃৎকম্প উপস্থিত হ'ল।

"হে কুমাৰী মেৰী!" চকু মুদি তেওঁ বুকুত ক্ৰুছৰ চিনটো আঁকিলে।

মছিঅঁই কণীভজা খাবলৈ আৰম্ভ কৰিছিল মাথোঁ, ফাদাৰ ওবেনিয়নৰ অৱস্থা দেখি কি হ'ল বুলি প্ৰশ্ন কৰিলে।

ফাদাৰ ওবেনিয়নে ক'লে, "সেই ছোৱালীজনী আহিছে; তাইক মই চিনি পাওঁ।" খিৰিকীখন খুলি দি তেওঁ চিঞৰি ক'লে, "চিউলান, তুমি গুচি যোৱা — যোৱা, ঘৰলৈ যোৱাগৈ। তোমাৰ মায়েৰাৰ ওচৰলৈ যোৱা।"

ছোৱালীজনীয়ে চিপাহীটোক ঠেলা মাৰি আঁতৰাই একেকোবে ঘৰৰ ওচৰ পালে আৰু ফাদাৰ ওবেনিয়ন ঠিয় হৈ থকা খিৰিকীৰ মুখলৈ আগুৱাই গ'ল। তাই কৈ উঠিল। "ওঃ--পাইছোঁ--পাইছোঁ--। শেষত আপোনাক বিচাৰি পাইছোঁ।"

ফাদাৰ ওবেনিয়নে তাইৰ ধুনীয়া মুখখনলৈ চাই ক'লে,-- "চোৱা চিউলান, আমি ইয়াত বন্দী হৈ আছোঁ। মই এতিয়া তোমাৰ বাবে একোকে কৰিব নোৱাৰোঁ, বুজিছা?"

তাই হাঁহি দিলে, "নালাগে ফাদাৰ। আপুনি মোৰ বাবে একো চিন্তা কৰিব নালাগে। এতিয়াৰ পৰা মইহে আপোনাৰ বাবে যি কৰিব লাগে কৰিম। সেই বাবেই মই ইয়ালৈ আহিছোঁ।"

তাইৰ কোমল প্ৰাণখোলা হাঁহিয়ে কোঠালিটোৰ ভিতৰত সঙ্গীতৰ ঢৌ তুলিলে। মছিঅঁই খোৱা শেষ কৰি গামোচাখনেৰে মুখখন মচি পেলালে আৰু উঠি আহি খিৰিকীৰ কাষত থিয় দিলেহি।

ফাদাৰ ওবেনিয়নে ঘূৰি উপৰিৱালা পাদ্ৰীজনৰ মুখলৈ চাই চক খাই উঠিল। "অলপ ৰ'ব বুলি কৈ তেওঁ দৌৰি গৈ দুৱাৰত খুব জোৰে খুন্দা মাৰি দিলে। তেওঁৰ প্ৰচণ্ড খুন্দাত দুৱাৰৰ তলা ছিটিকি পৰিল। পহৰাটো ঠিক দুৱাৰ মুখতে থিয় দি আছিল। সি বন্দুকটোৰে বাট আগচি ধৰিলে।

"খবৰদাৰ--। বাহিৰলৈ যোৱা বা ভিতৰ সোমোৱা একেবাৰে বন্ধ।" সি গেৰ গেৰাই উঠিল।

চিউলানে বন্দুকটো কাষলৈ আঁতৰাই দি মাতটো যিমান পাৰে সিমান কঠুৱা কৰি সুধিলে, "কি কৈছ?"

ভিতৰলৈ সোমোৱা মানা? ইঃ বৰ মতাটো ওলাইছেহি! নাজাননে যে ময়ো এজন কমৰেড্? এই বিদেশীক মোৰ ক'বলগীয়া কথা আছে। চাওঁ যাব দে।"

পহৰাই চিঞৰি উঠিল, "কথা চথা আমি একো নাজানোঁ। যোৱা মানা।"

চিউলান ইতিমধ্যে ভিতৰলৈ সোমাই গ'লেই। তাই দুৱাৰখন বন্ধ কৰি ভিতৰৰ পৰা হেঙাৰ লগাই দিলে। পহৰাটোৱে ওঁঠ চেলেকি টুপীটো সোলোকাই হাতত ল'লে। লগৰ পহৰাটোলৈ চাই সি বাওঁফাললৈ মূৰটো দুপিয়াই দিলে। তাৰ অসহায় অৱস্থালৈ চাই দ্বিতীয় পহৰাটোৱে মাত দিলে,-- "কি কৰিব আৰু? তাইতো সোমাই গলেই। কোনো কথা নাই। ওলাই আহোঁতে তাইক জব্দ কৰিব লাগিব।" সি লাহে লাহে গেটৰ কাষতে আগৰেপৰা থিয় দি থকা ঠাইলৈ উভতি গ'ল। গেটৰ দুৱাৰত এটা ফুটা আছিল। সেইটোৰে সি ৰাস্তাৰ ফালে চাই খড়িকা এডালেৰে একান্তমনে দাঁত খৰকিৱাত লাগিল।

ৰেক্টৰীৰ হ'ল ঘৰটোত মছিঅঁ গম্ভীৰভাৱে থিয় হৈ আছিল। চিউলানৰ অকণমান ধুনীয়া মুখখনৰ ফালে তেওঁ এনেকৈ চালে যেন তাই দেখাত শুৱনি হৈ প্ৰকাণ্ড

অপৰাধহে কৰিছে। নীলা কপাহী সূতাৰ চোলাটোৱে সৈতে চিউলানক ধুনীয়া এপাহি ফুলৰ নিচিনা দেখা গৈছিল। দীঘল ক'লা চুলিটাৰ বেণী গুঠি ডিঙিৰ পিচফালে খোপা বান্ধি থৈছিল। ফিৰফিৰিয়া কোমল ক'লা কুন্তলৰ চুলিবোৰ কপালত পৰি তাইৰ চালে চকুৰোৱা চেলাউৰিযোৰ বেছি ধুনীয়া কৰি তুলিছিল। ক'লা ভ্ৰূবোৰে ডাঙৰ চকুহালৰ চঞ্চল চাৱনিৰ মাদকতাখিনি যেন আৰু বেছিকৈ বঢ়াই দিছিল। তাই খোপাৰ মাজত ৰঙা কপৌফুল এটা গুঁজি লৈছিল। হাহোঁ হাহোঁকৈ থকা ওঁঠ দুটাৰ ৰঙৰ লগত ফুলৰ ৰংটো মিলি যোৱাৰ ফলত তাইক এজনী ফুলকুঁৱৰী যেন দেখা গৈছিল।

ভৰ্ৎসনাৰ সুৰত ফাদাৰ ওবেনিয়নে ক'লে, "তুমি আকৌ মোৰ পিচত লাগিছা, দুষ্ট ছোৱালী কৰবাৰ?" কথাখিনি তেওঁ চীনা ভাষাত ক'লে। "দুষ্ট ছোৱালী" কথাযাৰ, চীনা প্ৰতিশব্দ বিচাৰি নোপোৱাত তেওঁৰ নিজা ভাষাত শব্দ দুটা মুখলৈ আহি গ'ল।

চিউলানৰ মুখত এটা পবিত্ৰ হাঁহি বিৰিঙি উঠিল। হাঁহি হাঁহি তাই ফাদাৰ ওবেনিয়নক ক'লে, ---"আকৌ কওক ফাদাৰ। সেই নামটোৱে আকৌ মোক মাতক চোন। নামটোৰ অৰ্থ কি বাৰু? 'মৰমৰ' নহয় জানো?"

"নহয়,-- আঁকৰীজনী," ফাদাৰ ওবেনিয়নৰ বুকুত যেন কোনোবাই হাতুৰীৰে কোবাইহে দিলে। "তুমি মোৰ কথা নুশুনা কেলই? মৰম-প্ৰেম-- এইবোৰ কথা মোৰ আগত উচ্চাৰণ নকৰিবলৈ তোমাক কিমানবাৰ কৈছোঁ।

"মই ঈশ্বৰৰ নামত শপত খাই এই ব্ৰত গ্ৰহণ কৰিছোঁ। প্ৰেম-ট্ৰেম এইবোৰৰ লগত মোৰ কোনো সম্বন্ধ নাই বুজিছা?"

"কিন্তু আপোনালোকৰ শাস্ত্ৰবোৰ দেখোন এই শব্দটোৱে ভৰা। কেৱল প্ৰেম, কেৱল প্ৰেম, কেৱল প্ৰেম।" তাইৰ মাতত শিশুৰ সৰলতা আৰু হিয়া বলিয়া কৰা যৌন আবেদন সকলোখিনি আচৰিতভাৱে সানমিহলি হৈ আছিল।

ওবেনিয়নৰ চকু-কাণ ৰঙা পৰি উঠিল। তেওঁ মনটো ডাঠ কৰি যিমান পাৰে সিমান স্পষ্টভাবে ক'লে, "কিন্তু সেই প্ৰেম আৰু তুমি ভবা প্ৰেম একে নহয়।"

একেবাৰে একো নজনাৰ ভাও ধৰি তাই সুধিলে, "আন কিবা প্ৰেম আৰু আছে নেকি ফাদাৰ?"

"আছেতো।"গম্ভীৰভাৱে ফাদাৰ ওবেনিয়নে উত্তৰ দিলে, "সেয়ে হৈছে পবিত্ৰ ভগৱৎ প্ৰেম, নাৰীৰ লগত এই প্ৰেমৰ একো সম্বন্ধ নাই।"

চিউলানে চকুদুটা বহলকৈ মেলি দিলে— "কিন্তু আপোনালোকৰ কুমাৰী মেৰী দেখোন এগৰাকী নাৰীহে।" প্ৰশ্নটো কৰাৰ লগে লগে এটা দুষ্ট হাঁহি তাইৰ ওঁঠৰ ওপৰেদি ঢৌ খেলি গ'ল।

"হয়, কিন্তু তেওঁ ঈশ্বৰৰ জননী। মই তোমাক সাৱধান কৰি দিছোঁ, চিউলান। এইদৰে য'তে-ত'তে প্ৰেমৰ লগত তেওঁৰ পবিত্ৰ নাম সাঙুৰিলে পাপ হ'ব।" ফাদাৰ ওবেনিয়নে চীনা ভাষা ক'ব পাৰিছিল। তেওঁৰ চীনা কথা বুজি পালেও আইৰিশ ঠাঁচত উচ্চাৰণ কৰা কথাবোৰ শুনিলে তাইৰ হাঁহি উঠিছিল।

"আপোনাৰ কথাবোৰ শুনি মোৰ ভাল লাগে ফাদাৰ। আমাৰ ভাষাটো আপুনি এনেকৈ কয় যেন ই আইৰিছ ভাষাহে। ফাদাৰ আয়াৰ্লেণ্ডনো ক'ত?

"ই এটা সেউজবুলীয়া দ্বীপ" ফাদাৰ ওবেনিয়নে ক'লে– "ইংলেণ্ডৰ পৰা অকণমান সাগৰ এটা পাৰ হ'লেই এইদ্বীপটো পোৱা যায়।"

"আপুনি যেতিয়া যায়, তেতিয়া মোকো তালৈ লৈ যাবনে ফাদাৰ?" তাই আগ্ৰহেৰে প্ৰশ্ন কৰিলে।

"মই বহুদিন কলৈকো নাযাওঁ।" তেওঁ বিষণ্ণভাৱে ক'লে, "তদুপৰি, তুমি মোৰ লগত যাবও নোৱাৰা--অসম্ভৱ। তুমি মোৰ লগত গ'লে মোৰ এই পবিত্ৰ জীৱনৰ ওৰ পৰিব। সেই শ্যামল দেশত তোমাৰ দৰে শুৱনী গাভৰু লগত লৈ উপস্থিত হ'লে মোৰ সম্প্ৰদায়ে মোক বৰ্জন কৰিব।"

ফাদাৰ ওবেনিয়নৰ কথাৰ মাজতে তাই কিৰিলি পাৰি উঠিল। তেওঁৰ কোৱা হোৱাৰ লগে লগে তাই ক'লে, "তেন্তে আপুনি ভাবে যে মই শুৱণি?"

"নাই--নাই, মই কেতিয়াও নাভাবো" তেওঁ ঘপহকৈ উত্তৰ দিলে।

"কিন্তু মই যে ধুনীয়া ই ঠিক!"

"তুমি ধুনীয়া হয় নে নহয়--মোৰ বাবে সেই কথাৰ একো মূল্য নাই।" তেওঁ দৃঢ়তাৰে সৈতে ক'লে "মই তোমাৰ মুখলৈ কেতিয়াও নাচাওঁ-চাব নোৱাৰোঁ—চাবৰ উপায় নাই।" মজিয়াৰ পৰা চকু নোতোলাকৈ তেওঁ কথাকেইষাৰ ক'লে।

ঠিক এই সময়তে তেওঁ দেখিবলৈ পালে যে মছিঅঁ ফিৎসগিবনে মুখখন গোমোঠা কৰি মনে মনে তেওঁৰ ওচৰ চাপি আহিব লাগিছে। তেওঁ চিউলানক ভিতৰলৈ আনি ক'লে, – "বহা, সৌ তাতে বহা। মোৰ ওচৰলৈ নাহিবা আৰু মছিঅঁক তুমি একো নকবা। বুজিছা? কিবা ক'বলগীয়া হ'লে মই কম। তুমি মনে মনে থাকিবা।"

তেওঁ চিউলানৰ ফালে এনেকৈ চালে যে তাই আদেশ পালন নকৰাকৈ থাকিব নোৱাৰে। মছিঅঁই দুৱাৰমুখত ঠিয় দিয়া মাত্ৰকে ফাদাৰ ওবেনিয়ন গৈ তেওঁৰ সমুখত থিয় দিলে। মছিঅঁই তেওঁক কাষলৈ ঠেলা মাৰি ভিতৰলৈ সোমাই গ'ল আৰু ছোৱালীজনীৰ ফালে চালে। মছিঅঁ সদায় যিখন চকীত বহে সেই খনতে তাই বহি আছিল।

শুদ্ধ চীনা ভাষাত মছিঅঁই ফাদাৰ ওবেনিয়নক প্ৰশ্ন কৰিলে, "এইজনী কোন?"

ডেকা পাদ্ৰীজনৰ কাহ উঠিল। হাতেৰে মুখখন ঢাকি তেওঁ উত্তৰ দিলে "ত্ তাই....মানে এ...এই এজনী ছ.....ছোৱালী। তাইৰ মাকে মোৰ ওচৰত শৰণ লৈছিল। আপোনাৰ ইয়ালৈ অহাৰ আগতে মই য'ত আছিলোঁ তাতে ছিষ্টাৰসকলৰ মেছত তাই...মানে এইৰ মাক ৰান্ধনী আছিল। এ..এই—এ....এই তাইৰে ছোৱালী...."

"হৈছে..... হৈছে। তাই ইয়ালৈ কিয় আহিছে?" মছিঅঁই নিৰ্লিপ্তভাৱে প্ৰশ্ন কৰিলে।

চিউলানে নিজৰ কথাখিনি নিজেই ক'লে, "এখেতে বৰ ভাল মানুহ। তাত মোক পঢ়াইছিল। পঢ়িবৰ বাবেই মই তেওঁৰ ওচৰলৈ আহিছোঁ।"

ফাদাৰ ওবেনিয়নে বাধা দি ক'লে, "আৰু তোমাৰ প্ৰতিজ্ঞা ভঙ্গ কৰিছা? মোক বিচাৰি আহিবলৈ তোমাক মানা কৰা নাছিলোঁ নে?"

"হয় ফাদাৰ" তাই স্বীকাৰ কৰি ক'লে, "আপুনি মানা কৰিছিল হয়। কিন্তু মই হ'লে সদায়, আপোনাক বিচাৰি ফুৰোঁ।"

ফাদাৰ ওবেনিয়নে কাতৰভাৱে উপৰিৱালাজনলৈ চাই ক'লে, "এই সম্পৰ্কে আমি,--অৰ্থাৎ তাই আৰু মই কেবাবাৰো আলোচনা কৰিছোঁ মছিঅঁ। বাৰে বাৰে তাইক সতৰ্ক কৰি দিয়া হৈছে। তাই পঢ়িবৰ বাবে মোৰ ওচৰলৈ নাহি আমাৰ ছিষ্টাৰসকলৰ ওচৰলৈ যোৱাহে উচিত।"

চিউলানৰ মুখত এটা ধুনীয়া হাঁহি জিলিকি উঠিল। তাইৰ গোলাপী গালৰ ওপৰেদি হাঁহিৰ এটি ঢৌ বাগৰি গ'ল আৰু ক'লা চকুজুৰিৰ মৰমলগা চাৱনিৰে তাই ওখ পাদ্ৰীজনৰ ফালে চাই থাকিল। হাঁহি হাঁহি তাই ক'লে, "ফাদাৰ মই কি কৰিম কওক? যেতিয়া ছিষ্টাৰ সকলে মোক পঢ়াবলৈ ধৰে তেতিয়া তেওঁলোকৰ কথা মোৰ কাণত নোসোমায়েই। মোৰ টোপনি ধৰে। কেৱল আপুনি বুজালেহে মই কথাবোৰ বুজি পাওঁ দেখোন।"

ফাদাৰ ওবেনিয়নে মছিঅঁৰ মুখলৈ ভেবা লাগি চাই থাকিল। এই অকণমান মানুহৰজনৰ কি অদ্ভুত শক্তি! তেওঁ ফাদাৰ ওবেনিয়নৰ মুখৰ ফালে এন্দেৰাহে চাই থাকিল। সেই দৃষ্টিত ওবেনিয়নে কোনো আশা বা আশ্বাসৰ সন্ধান বিচাৰি নাপালে। মছিঅঁই ৰুমালখন উলিয়াই সশব্দে নাক সেঁকুৰিলে। ফাদাৰ ওবেনিয়নে এই সুযোগতে তেওঁৰ দৃষ্টিৰ পৰা হাত সাৰি যাবৰ চেষ্টা কৰিছিল কিন্তু নোৱাৰিলে--মছিঅঁই সেই সুযোগ নিদিলে।

"ইয়াৰ ভিতৰত এটা ৰহস্য সোমাই আছে যেন লাগিছে।" মছিঅঁই ক'লে, "এই ছোৱালীজনীক যে তুমি পঢ়াইছিলা সেই কথা সঁচা নে?"

ফাদাৰ ওবেনিয়নে মূৰ দুপিয়ালে।

পৰিস্থিতিটো ভয় লগাকৈ শান্ত হৈ পৰিল। তাৰে মাজতে মছিঅঁই প্ৰশ্ন কৰিলে, "কিন্তু তাৰ আগতে কি হৈছিল। তাই কেনেকৈ তোমাৰ ছাত্ৰী হ'বলৈ পালে?"

ফাদাৰ ওবেনিয়নে থোকাথুকি মাতেৰে উত্তৰ দিলে,-- "এইৰ মাকক আমাৰ ধৰ্মৰ মাহাত্ম্য ব্যাখ্যা কৰি থকা সময়ত এই আহি কাষতে বহি থাকে,--তাতেই আৰম্ভ।" তেওঁৰ গাত জ্বৰ ঘাম আহিছিল। কপালৰ পৰা সৰসৰকৈ ঘাম বাগৰি পৰিবলৈ ধৰিলে। ভয় ভয় কৰি তেওঁ সোঁহাতখন দাঙি আঙুলিৰে কপালৰ ঘামবোৰ মচি পেলালে।

"পিছে? মাকে শৰণ লোৱাৰ পিছতো তাই আহিয়ে থাকিল?"

"হয়, তাই আহিয়ে থাকিল।" ফাদাৰ ওবেনিয়নে কোনোমতে হয়ভৰ দিলে।

"কিন্তু মাকৰ লগতে তাইকো শৰণ দি লেঠা মাৰি নথ'লা কেলেই?"

'তাইৰ হেনো আৰু বেছিকৈ পঢ়িবৰ মন। মোক বৰকৈ ধৰাত মই পঢ়াবলৈ [illegible] ললোঁ।" কথাকেইষাৰ বৰ কষ্টৰেহে ক'বলগীয়া হ'ল।

আগৰ কথাবোৰ তেওঁৰ এটা এটাকৈ মনত পৰিল। পঢ়া কোঠাটোলৈ তাই যেতিয়া সোমাই আহে তেতিয়া তাইৰ চকুৰে-মুখে এটা অতুলনীয় সৌন্দৰ্যই কোঠালিটো যেন পোহৰাই পেলায়। অন্যান্য শিষ্যসকলক তেওঁ প্ৰাৰ্থনাকক্ষত ধৰ্মৰ কথা কৈছিল আৰু দীক্ষা লোৱাৰ বাবে উপদেশ দিছিল। চিউলানকো তালৈকে আহিবলৈ কোৱা সত্বেও তাই তেওঁৰ পঢ়া কোঠালৈহে আহিছিল। তাই কেতিয়াবা কয় যে আনবোৰ শিষ্যক শিকোৱা কথাবোৰ তাই জানে বাবে সিহঁতৰ লগত থাকি তাইৰ জানিবলগীয়া বা পঢ়িবলগীয়া একো নাই। গতিকে বেছিকৈ জানিবৰ বাবে ফাদাৰৰ লগত বেলেগ আলোচনা কৰাহে যুগুত। অথবা কেতিয়াবা কয় যে বাহিৰত বৰ ঠাণ্ডা,--সেইবাবে তাই ভিতৰলৈ যাব খোজে। তেওঁ যেতিয়া পঢ়াকোঠাত সোমায়, তেতিয়া দুৱাৰখন সদায় বন্ধ কৰি থয়। কিন্তু তাই সদায় দুৱাৰখন মেলি সোমাই আহে। কোঠাত সোমায়ে তাই মেজখনত কিলাকুটিত ভৰ দি হাত দুখনৰ মাজত ধুনীয়া থুঁতুৰিটো থৈ বহেহি। তেওঁ মেজখনৰ আনটো মূৰত বহি তাইৰ লগত কথা পাতোঁতে পাৰ্যমানে তাইৰ মুখলৈ নোচোৱাকৈ থাকিবৰ চেষ্টা কৰে ; কিন্তু কথা প্ৰসঙ্গত প্ৰায়ে তাইৰ ফালে চাই কিমান সময় যে বহি থাকে তেওঁ ক'বই নোৱাৰে।

সেই পৰিস্থিতিটো কেনে সাংঘাতিক! ভগৱানে যেন তেওঁক ক্ষমা কৰে। কপালত আকৌ ঘামৰ টোপালবোৰে দেখা দিলে।

"আৰু তাই আহিয়ে থাকিল?" মছিঅঁই গহীনাই সুধিলে "এইদৰে কিমান দিন চলিল? কেবাদিনো নে কেইবাসপ্তাহো?" ফাদাৰ ওবেনিয়নে মাতিব নোৱাৰি মূৰ জোকাৰিলে মাথোন। মছিঅঁই গৰ্জি উঠিল, "তেনেহ'লে? কেবামাহো নেকি?" ওবেনিয়ন নিৰুপায়। তেওঁ মূৰ দুপিয়ালে।

"তোমাৰ সন্মতিক্ৰমে?"

"নহয়-- তাইৰ মাকৰ সন্মতি ক্ৰমেহে।"

"অকলে--তোমাৰ লগত ?"

"নহয় নহয়" ফাদাৰ ওবেনিয়নে ঘপৰাই উত্তৰ দিলে, "মোৰ লগত আন আন বহুতো আছিল। মোৰ লগত অকলশৰীয়াকৈ থাকিবৰ সুবিধা তাইক কেতিয়াও দিয়া নাই। কেতিয়াও. মানে ....অৰ্থাৎ ...কিবা বোলে নে...দুই এবাৰ হয়তো...." খৰকৈ ক'বৰ চেষ্টা কৰাত তেওঁৰ খোকোজা লাগি গ'ল।

অনিচ্ছাসত্ত্বেও মছিঅঁই ছোৱালীজনীৰ ফালে চালে। তাই হ'লে মছিঅঁৰ ফালে চোৱাই নাছিল--চাই আছিল ফাদাৰ ওবেনিয়নৰ ফালে। সৃষ্টিৰ প্ৰথম নাৰী ইভে আপেল জোপাৰ তলত চয়তানক দেখি যিটো হাঁহি মাৰিছিল সেই হাঁহিটোৱেই তাইৰ গোলাপী ওঁঠৰ মাজত দেখা দিলে।

মছিঅঁই এই হাঁহিৰ অৰ্থ নিমিষতে বুজি পালে। তাইক তেওঁ আদেশ দি ক'লে, "তই যাগৈ বাছা। এতিয়াই ইয়াৰ পৰা পলা। সিহঁতে আমাক ইয়াত বন্দী কৰি থৈছে। এনে অৱস্থাত তই ইয়াত থকা অনুচিত হ'ব। তই যাগৈ।"

"মই ইয়াত থাকিবলৈ অনুমতি লৈ আহিছোঁ প্ৰভু" তাই ক'লে।

"কাৰ পৰা ? মছিঅঁই সুধিলে।

"কৰ্ণেল হো-চানৰ পৰা। তেৱেঁই এই চহৰত থকা লালবাহিনীৰ অধিনায়ক।"

মছিঅঁ আচৰিত হৈ পৰিল। "সিয়েই তোক ইয়ালৈ পঠাইছে নেকি?"

"হয় প্ৰভু। তেওঁ ক'লে যে ফাদাৰ ওবেনিয়ন আৰু আপোনাৰ সেৱা কৰিবৰ বাবে মই ইয়ালৈ আহিব পাৰোঁ। আপোনালোকৰ ভাত ৰন্ধা, বাচন ধোৱা, কাপোৰ ধোৱা এইবোৰ পবিত্ৰ কাম কৰিবলৈ মোক অনুমতি দিছে।"

মছিঅঁৰ ফালে চাই তাই মিচিকিয়াই হাঁহিলে। তেওঁ ক্ষন্তেক ইতস্ততঃ বোধ কৰি ভগৱানক মূৰ দোঁৱাই সেৱা জনালে। তাৰ পিচত ফাদাৰ ওবেনিয়নক ক'লে, "পৰমেশ্বৰৰ লীলা বুজাই টান। এই পাপীষ্ঠই আমাক বন্দীও কৰে--আৰু লগে লগে

আমাৰ সুখ-সুবিধাৰ কথাও চিন্তা কৰে। হয়তো আমাক এদিন এৰিও দিব পাৰে, বুজিছা ওবেনিয়ন? বাৰু, ইয়াতে এইৰ শিক্ষা-দীক্ষাৰ ব্যৱস্থা কৰা। আজৰি পৰত তাই ৰন্ধা-বঢ়াৰ কামখিনিও কৰিব। ঈশ্বৰে কৰিলে খোৱা-লোৱাৰ আহুকালৰ পৰা কিজানি ৰক্ষাই পাওঁ! কিন্তু তোমাক মই সতৰ্ক কৰি দিওঁ—ওবেনিয়ন। যি কামকে নকৰা কিয়, --সি যেন শোভনীয় আৰু সন্মানজনক হয়। তুমি তোমাৰ পদবী আৰু ব্ৰতৰ কথা সদায় মনত ৰাখি চলিবা বুলি আশা কৰিলোঁ।”

“ভাল মছিঅঁ” বুলি শুনা-নুশুনাকৈ ফাদাৰ ওবেনিয়নে কলাগিলে।

মছিঅঁ যোৱালৈকে তেওঁ অপেক্ষা কৰিলে। তাৰ পিচত ততাতৈয়াকৈ হলৌ চোলাটো পিন্ধি তেওঁৰ কোঠালিত সোমাই দুৱাৰ বন্ধ কৰি দিলে। তেওঁ আঁঠুকাঢ়ি ঈশ্বৰৰ নাম-জপ কৰিবলৈ ধৰিলে। ভগৱন্তক তেওঁ প্ৰাৰ্থনা জনালে, — এই সৰল আৰু মৰমলগা ছোৱালীজনীৰ ওচৰত তেওঁ যেন দুৰ্বল হৈ নপৰে, — মন যেন চঞ্চল নহয়।

★ ★ ★ ★

ৰেক্টৰীৰ দক্ষিণফালে এটুকুৰা খোলা ঠাই আছে। ৰাস্তা আৰু গেটৰ পৰা এই ঠাইখিনি চকুত নপৰে। চাৰিওফালে বাঁহৰ জোপোহাবোৰ থকা বাবে মানুহে ইয়াক বাহৰ বাগিচা বোলে। ঠাইটুকুৰা নিৰল আৰু নিজঞ্জাল বাবে মছিঅঁই ইয়াতে বহি মাজে মাজে ঈশ্বৰৰ চিন্তা কৰিছিল। বহিবৰ বাবে শিলৰ বেঞ্চ এখনো ইয়াত সজাই লৈছিল। পিচত তেওঁ ইয়াত বহিবলৈ এৰি দিলে। তাৰ কাৰণ হ'ল দুটা। প্ৰথম কাৰণ হ'ল এয়ে যে ঠাইটুকুৰা ঠাণ্ডা আৰু জেকা। দ্বিতীয় কাৰণটো হ'ল এডাল চেলা। এদিনাখন তেওঁ তাতে মনে মনে বহি থাকোঁতে কৰবাৰ পৰা এডাল প্ৰকাণ্ড চেলা ওলাই আহিল। সিও এটা বিয়াগোম পোক! দীঘলে প্ৰায় ছয় ইঞ্চি ; গাটো ক'লা, ঠেংবোৰ হালধীয়া, মূৰটো ৰঙা আৰু নেজত দুডাল হুল। সি আহিয়েই মছিঅঁৰ খালী ভৰিখন পাই তাতে তাৰ বিষাক্ত হুল সুমুৱাই দিলে। দুৰ্ভাগ্যক্ৰমে মছিঅঁৰ ভৰিত সিদিনা মোজা নাছিল আৰু খেৰৰ খৰম এযোৰ পিন্ধি তেওঁ বহিছিলহি। চেলাৰ বিষত মছিঅঁ সেইবাৰ মৰিবলগীয়া হৈছিল। তেতিয়াৰ পৰা তেওঁ আৰু তাত নোসোমায়। বাঁহৰ বাগিচাৰ কথা কোনোবাই উলিয়ালে তেওঁ কয় যে তালৈ গলে ভগৱানৰ সলনি চেলাৰ কথাহে তেওঁৰ মনলৈ আহে-- এই কুৰিঠেঙীয়া হুলনেজীয়া চেলাবিধ স্বয়ং চয়তানৰ অৱতাৰ।

ফাদাৰ ওবেনিয়নে কোঠালিৰ পৰা ওলাই বাঁহৰ বাগিচালৈ গ'ল নিৰ্জনতাৰ মাজত কিছু সময়ৰ বাবে নিজকে লুকুৱাই ৰাখিবলৈ। তাত গৈ দেখিলে চিউলানে আগধৰি তালৈ গৈ তেওঁৰ বাবে যেন অপেক্ষা কৰিহে আছে। তেওঁৰ বুকুখন চিৰিংকৈ উঠিল। মছিঅঁৰ কথাষাৰ মনত পৰিল — এই বাগিচালৈ ঈশ্বৰৰ সলনি চয়তানহে বেছিকৈ আহে। চিউলানক দেখি তেওঁৰ অন্তৰৰ ঈশ্বৰজনা পলাই ফাট মাৰিলে। তাই বাঁহৰ চাং এখনত শান্ত-শিষ্ট ছোৱালীজনীৰ দৰে বহি আছিল-- মাষ্টৰ আহিলেই যেন পাঠ আৰম্ভ কৰিব! তাই কি শিকিবলৈ আহিছে ভগৱানেহে জানে। পিন্ধনত তাইৰ আছিল চীনা কপাহৰ নীলা চোলা এটা,--ভৰিত কাপোৰৰ জোতা। হাত দুখন কোলাত থৈ আৰু ভৰি দুখন জোঁট লগাই ওলমাই তাই যি ভঙ্গিমাত বহিছিল, তাৰ লগত ফাদাৰ ওবেনিয়ন সম্পূৰ্ণ পৰিচিত।

তেওঁক দেখি তাই উঠিল আৰু ওচৰলৈ আহি সসন্মানে মনে মনে থিয় দি থাকিল! শান্ত বহল চকুযুৰিৰে তাই তেওঁৰফালে চালে। তেওঁ প্ৰাৰ্থনাৰ পুথিখন লগতে লৈ আহিছিল। সেইখন লৈ তেওঁ শিলৰ বেঞ্চখনত বহিল আৰু চিউলানক অলপ দূৰত বহিবলৈ কৈ পুথিখন মেলি ল'লে।

তাই বহাত তেওঁ প্ৰশ্ন কৰিলে, "আমি ক'ত এৰিছিলোঁ?"

তাই উত্তৰ দিলে "আপোনাক ইয়ালৈ মাতি পঠোৱাৰ সময়ত ঈশ্বৰৰ প্ৰত্যাদেশ দহোটা ব্যাখ্যা কৰিবলৈ আৰম্ভ কৰিছিল।"

হাড়ে হিমজুৰে ধৰ্মযাজকৰ ভাষাত ফাদাৰ ওবেনিয়নে ক'লে, "তোমাৰ বেছ মনত আছে দেখোন?"

তাই মিঠা মাতেৰে উত্তৰ দিলে, "আপুনি কোৱা সকলো কথা মোৰ খুউব ভালদৰে মনত থাকে।"

তেওঁ চক খাই তাইৰ পৰা দৃষ্টি আঁতৰাই আনিলে। নিজৰ আইৰিছ ভাষাত তেওঁ বিৰ্‌বিৰ্‌কৈ ঈশ্বৰৰ নাম সুঁৱৰিলে।

"মোক কিবা ক'লে নেকি ফাদাৰ?" তাই সুধিলে।

"নাই নাই। তোমাক একো কোৱা নাই।"

"তেনেহ'লে, নিজকেই কিবা ক'লে হ'বলা?"

"ওহোঁ।"

"কাৰোবাক কিবা কোৱা যেন লাগিল দেখোন?"

"এৰা মই ঈশ্বৰকহে মাতিছিলোঁ।

চকুদুটা ডাঙৰকৈ মেলি তাই চাৰিওফালে চাই সুধিলে, "ইয়াতে? এই বাগিচাতে?"

ফাদাৰ ওবেনিয়নে ক'লে, "চাৰিওফালে কি চাইছা? তুমি ঈশ্বৰক দেখা নোপোৱা; কিন্তু তেওঁ হ'লে তোমাক দেখা পায়। মোৰ ধাৰণা যে তুমি ইয়াত থকাটো ঈশ্বৰে ভাল পোৱা নাই।"

চিউলানে কথাটো অলপ সময় চিন্তা কৰি চালে। তাইৰ মুখত হাঁহি বিৰিঙি উঠিল। অলপ ভাবি তাই ক'লে, "আচৰিত কথা ফাদাৰ। তেওঁ যে ভালপোৱা নাই সেই কথা মোৰ মাক হ'লে কোৱা নাই।"

ফাদাৰ ওবেনিয়নৰ খং উঠিল। তেওঁ ধমক দি ক'লে, "অৰ্থাৎ তুমি ক'ব খোজা নেকি যে তোমাৰ মায়েৰাই মোক বিচাৰি-- তোমাক ইয়ালৈ আহিবলৈ কৈছিল? তোমাৰ কথা মই কেতিয়াও বিশ্বাস নকৰোঁ। কাৰণ মই ওলাই আহি টমাছৰ পিঠিত উঠিছোঁ মাত্ৰ আৰু সি এখোজ নে দুখোজ আগবাঢ়িছে। এনেতে মই তেওঁক কৈছিলোঁ যেন তোমাৰ ওপৰত চকু ৰাখে। তুমি মোক অনুসৰণ কৰাটো এটা পাপৰ কথা আৰু তুমি তাকে কৰিলে তেন্তেঁই সেই পাপৰ ভাগী হ'ব লাগিব বুলি দঢ়াই দঢ়াই কৈছিলোঁ।"

"মই আপোনাৰ আগত মিছা মাতিব নোৱাৰো ফাদাৰ। মাই মোক আহিবলৈ কোৱা নাই।" তাই স্বীকাৰ কৰিলে।

"তাৰ মানে তুমি পলাই আহিছা! এনে অবাধ্য ছোৱালী এইজনী!"

"মই আচলতে পলাই অহা নাই দিয়ক। কি হ'ল জানে? আপুনি অহাৰ পিচত পঢ়াশুনা বন্ধ হ'ল। মই কতো সুখ-শান্তি নোপোৱা হলোঁ--মনৰ স্থিৰতা নাইকিয়া হ'ল। সকলোকে মই বেয়া পোৱা হলোঁ আৰু ঘৰৰ কাম-কাজ কৰিবলৈ মন নোযোৱা হ'ল। মাই মোক বকি বকি খঙতে এদিন মাৰি-ধৰি ঘৰৰ পৰা উলিয়াই দিলে। এনেয়ে চৰ-থাপৰ মাৰলৈ একো কথা নাছিল। কিন্তু মাই ঘৰসৰা বাঢ়নিতাৰেৰে মোক কোবালে আৰু গালি-শপনি পাৰি মোক ক'লে--"ঘৰৰ পৰা ভালে ভালে ওলাই যা?" "মই মনত বৰ দুখ পালোঁ ফাদাৰ।" তাই অলপ বৈ কৰুণভাৱে তেওঁৰ ফালে চালে, "এনে অৱস্থাত মই আৰু ঘৰত কেনেকৈ থাকোঁ? মোক ওলাই আহিবৰ কথা কোৱাতহে মই ওলাই আহিছোঁ। মোৰ গাত একো দোষ নাই।"

কোৱা শেষ হোৱাৰ লগে লগে চিউলানে ফাদাৰ ওবেনিয়নৰ ফালে চাই হাঁহি দিলে। তেওঁ একেবাৰে পমি গ'ল।

তাই হাতযোৰ কৰি খাটনি ধৰিলে, "ফাদাৰ, দয়া কৰি মোক ভগৱানৰ প্ৰত্যাদেশকেটা বুজাই দিয়ক।"

এই প্ৰত্যাদেশকেটা শুনিবৰ বাবে তাইৰ যেন উৎকণ্ঠাৰ সীমা নাই। চকুৱে - মুখে এনে এটা ভাব ফুটি উঠিল যেন সেইকেইটাৰ কথা নুশুনিলে তাইৰ জীৱন ধৰাই বৃথা। এনে অৱস্থাত ফাদৰ ওবেনিয়নে জানো তাইক নপঢ়োৱাকৈ থাকিব পাৰে? আইৰিচ ঠাঁচত কোৱা চীনা ভাষাত তেওঁ প্ৰত্যাদেশ দহোটা এফালৰ পৰা গাই গ'ল। এবাৰো তেওঁ পুথিখনৰ পৰা মুখ তুলি চিউলানৰ ফালে নাচালে আৰু তায়ো একো প্ৰশ্ন নকৰাকৈ শুনি গ'ল।

পঢ়া শেষ হোৱাত ফাদাৰ ওবেনিয়নে মূৰ দাঙি দেখিলে যে ইতিমধ্যে ৰ'দৰ পোহৰ এচেৰেঙা আহি চিউলান আৰু তেওঁৰ মাজৰ ঠাইখিনি উজ্জ্বল কৰি তুলিছে। তাৰে জিলিকনিত তেওঁ দেখিবলৈ পালে চিউলানৰ ধুনীয়া লাহী শৰীৰটো। তাইৰ ডাঙৰ ডাঙৰ চকুহাল যেন তেওঁৰ পূজাত অৰ্পণ কৰা দুটা পদুমৰ কলিহে। তেওঁ তাইৰফালে নোচোৱাকৈ থাকিবৰ চেষ্টা কৰিলে,--কিন্তু নোৱাৰিলে।

"ফাদাৰ" কিবা এটা প্ৰশ্ন হঠাৎ তাইৰ মনত উদয় হ'ল। তাইৰ চঞ্চল চকুৰ নোমবোৰ কঁপিবলৈ এৰিলে। স্থিৰভাৱে ফাদাৰ ওবেনিয়নৰ ফালে তাই চালে।

"কি হল?" তেওঁ সুধিলে।

"ইমানবোৰ প্ৰত্যাদেশ আমি মানিবই লাগিব নেকি?"

"নিশ্চয়। নামানিলে কেনেকৈ হ'ব?" তেওঁ দৃঢ় ভাৱে ক'লে।

"আপুনি মানে জানো ফাদাৰ?"

"মানিবলৈ যথাসাধ্য চেষ্টা কৰোঁ।"

"গোটেইকেটা"।

"এৰা আটাইকেটা।"

তাই অলপ ৰ'ল আৰু মনতে কিবা ভাবি ক'লে, "প্ৰথম পাচোঁটা সহজ। কিন্তু ষষ্ঠ আদেশটো হ'লে...."

বাধা দি ফাদাৰ ওবেনিয়নে ক'লে, "কিয় কেবল ষষ্ঠটোৰ কথা কেলেই?" তেওঁ মনে মনে ভাবিলে যে অলপ কঠোৰ হোৱা উচিত। কিন্তু ৰদৰ জিলিঙনিত তাই দেখাত ইমান ধুনীয়া হৈ পৰিছিল যে তেওঁৰ মনৰ ভাব মনতে থাকি গ'ল।

"ফাদাৰ, ষষ্ঠ আদেশটো আপুনি কেতিয়াও অমান্য কৰা নাই নে?"

"কি আঁকৰী অ' এইজনী। এনেকুৱা প্ৰশ্নও জানো কোনোবাই কৰে?" প্ৰশ্নটো

এৰাই যাবৰ মনে তেওঁ ঘপৰাই ক'লে,--"নাপায় চিউলান! তোমাৰ শিক্ষাগুৰুক প্ৰশ্ন কৰাটো তোমাৰ উচিত হোৱা নাই।"

মৰমসনা চকুৰে তেওঁৰ ফালে একান্তমনে চাই থাকিল। লগে লগে এটাৰ পিচত আন এটা প্ৰশ্ন কৰি তেওঁক থকা-সৰকা কৰিবলৈ ধৰিলে।

"কিন্তু আপুনি বিয়া নকৰায় কেলেই? তেতিয়া হলে এই আদেশটো অমান্য কৰিবৰ কোনো প্ৰয়োজন নহয়। আপুনি এজন উপযুক্ত বয়সৰ সুস্থ-সবল সুপুৰুষ। সঁচাকৈ, ফাদাৰ আপুনি বৰ ধুনীয়া মানুহ। বিদেশী মানুহৰ মাজত আপোনাৰ দৰে দেখনিয়াৰ পুৰুষ সহজে পোৱা টান। আপুনি বিয়া কৰোৱা উচিত। আপোনৰ ভালৰ বাবেই কৈছোঁ। আচলতে ভাল তিৰোতা এজনী ঘৈণী হিচাপে পোৱাটো যিকোনো পুৰুষৰ বাবে ভাগ্যৰ কথা। ভাবি চাওকচোন বাৰু, ঘৰৰ মানুহজনী যদি সঁচাকৈ ভাল হয়, তেন্তে তেওঁ সদায় গিৰিহঁতৰ ৰুচি অনুযায়ী ৰন্ধা-বঢ়া কৰিব পাৰে, কাপোৰ-কানি ধুই দিব পাৰে আৰু বেমাৰ-আজাৰত শুশ্ৰূষা কৰিব পাৰে। নহয় জানো ফাদাৰ?"

'মই কেতিয়াও বিয়া নকৰাও বুলি শপত খাই ছোঁ নহয়।"

তাই আতঙ্কত চিঞঁৰি উঠিল। "কি ক'লে?— আপুনি কি বা শপত খালে ফাদাৰ? অন্য ধৰ্মযাজকবোৰে দেখোন বিয়া কৰায় আৰু ল'ৰা-ছোৱালীৰে তেওঁলোকৰ ঘৰ ভৰি পৰে। মই নিজে এজনৰ কথা জানো। তেওঁৰ ল'ৰা-ছোৱালী ছটা আৰু ঘৈণীয়েক দুজনী। এজনী মৰা মাত্ৰকে দ্বিতীয়জনী বিয়া কৰাইছিল।"

"তেওঁ ধৰ্মযাজক নহয়" ফাদাৰ ওবেনিয়নে ক'লে, "প্ৰোটেষ্টাণ্ট সম্প্ৰদায়ৰ এজন বিষয়াহে। তেওঁলোকে ইচ্ছা কৰিলে বিয়া-বাৰু কৰাব পাৰে। বিয়া কৰোবা তেওঁলোকৰ বাবে একো পাপৰ কথা নহয়।"

"আৰু আপোনালোকে বিয়া কৰালে পাপ হয় নেকি?"

"এৰা পাপ হয়।"

"তেন্তে আপুনিও কিয় প্ৰোটেষ্টাণ্ট নহয় বাৰু? তেতিয়া আপুনিও বিয়া কৰাব পাৰিলেহেঁতেন আৰু আমি...."

ফাদাৰ ওবেনিয়নে ঘপহকৈ থিয় দিলে, "প্ৰভু ঃ-- মই মছিআঁক লগ পাব লাগে।"তেওঁ উঠাৰ ললে লগে চিউলানো থিয় দিলে। তেওঁৰ লগে লগে তাই আগবাঢ়ি গৈ তেওঁক হাতত ধৰি টানি ক'লে,—"মোক খং কৰিলে নেকি ফাদাৰ? খং নকৰিব,--খং কৰিব নাপায়, মোক খং নকৰিব ফাদাৰ।"

তাইৰ কোমল মাতষাৰে গীতৰ সুৰৰ দৰে তেওঁৰ অন্তৰ স্পৰ্শ কৰিলে।

হাতখন এৰুৱাই আনিবলৈ তেওঁ এবাৰ যত্ন কৰিলে—কিন্তু নোৱাৰিলে। তাইৰ কোমল হাতৰ উমলগা পৰশখিনি নিজৰ হাতৰ মুঠিতে পাই পৰিহাৰ কৰা উচিত বুলি জানিও তেওঁ এৰি দিব নোৱাৰিলে। ইও এটা বন্ধন। এসময়ত তেওঁ ইয়াৰ পৰা মুক্তি বিচাৰিছিল, কিন্তু নাপালে। এতিয়া তেওঁ মৰ্মে মৰ্মে উপলব্ধি কৰিলে যে এতিয়া পালেও তেওঁ সেই মুক্তি নিবিচাৰে।

অস্পষ্টভাৱে তেওঁ ক'লে, "তোমাক মই শিকাব খোজোঁ চিউলান; কেনেকৈ ভাল ধাৰ্মিক জীৱন-যাপন কৰিব পাৰি তাকে তোমাক শিকাব বিচাৰোঁ।"

তাইৰ মুখখন তেওঁৰ কান্ধৰ কাষতে আছিল। তেওঁৰ ভাব হ'ল সেই মুখখন এটা ধুনীয়া গোলাপ ফুল আৰু আবেগত সেমেকি উঠিল ক'লা চকুযুৰি যেন ফুলৰ পাহি!

তাইৰ মুখৰ ভিতৰতে ক'লে,--"তাকেই মই ভিক্ষা কৰিছোঁ ফাদাৰ। আপোনাৰ যি মন যায় তাকেই শিকাওক-- সকলো কথা--খুটি নাটি স-ব....।"

ফাদাৰ ওবেনিয়ন য'তে আছিল ত'তে ৰৈ গল। বুকুখন ঢপঢপাবলৈ ধৰিলে। শৰীৰৰ গোটেইখিনি তেজ যেন কাণ আৰু মূৰত জমা হ'লহি। আৰু যে কি হ'লহেতেঁন ঠিকনা নাই যদিহে পৰমেশ্বৰৰ ইচ্ছাত সেই মুহূৰ্তে খৰামূৰা চুটি গাটোৰ সৈতে মছিঅঁ আহি তাতে উপস্থিত নহ'লহেঁতেন। ৰেক্টৰীৰ পিৰালিৰ পৰা তেওঁ নীলা চকু দুটা বহলকৈ মেলি ওঁঠ দুটা চেপি সেইফালে চাই আছিল। তেওঁৰ গোটেইটো শৰীৰ সন্দেহ আৰু দুৰ্ভাবনাত কণ্টকিত হৈ পৰিল।

মেঘৰ গাজনিৰ দৰে বায়ুমণ্ডল কঁপাই তেওঁ তাৰ পৰা ক'লে, "ওবেনিয়ন,- বাগিচাত কি কৰি আছা?"

যেন একো হোৱাই নাই এনে ভাবত চিউলানে লাহেকৈ উত্তৰ দিলে, "ভগৱানৰ প্ৰত্যাদেশ দহোটা মোক শিকাবলৈহে তেওঁ ইয়ালৈ আহিছিল প্ৰভু।"

তাই তেওঁৰ হাতত ধৰিয়ে আছিল। দুৰ্দশাৰ শেষ সীমাত উপস্থিত হৈ তেওঁ আঁজোৰ মাৰি হাতখন এৰুৱাই আনিলে।

এই সকলোবোৰ মছিঅঁৰ চকুত নপৰাকৈ নাথাকিল। তেওঁৰ চকুৰফালে চাই ফাদাৰ ওবেনিনিয়ৰ ভাব হ'ল যেন পৃথিবীত বা-বতাহ বন্ধ হৈ গৈছে আৰু সূৰ্যৰ ৰশ্মিত পোহৰ নাইকিয়া হৈ পৰিছে।

মছিঅঁই আদেশ কৰিলে,—"ইয়ালৈ আহা।"

"গৈছোঁ– এই গৈছোঁ, ...যাবলৈ পালে ৰক্ষাই পৰোঁ।" একে উশাহতে ফাদাৰ ওবেনিয়নে এইখিনি কৈ পেলালে। তেওঁৰ হাতখন পুৰি যোৱা যেন লাগিছিল আৰু গাটো থক্‌থক্‌কৈ কঁপিবলৈ ধৰিছিল। তেওঁ খচমচকৈ হাতখন চোলাৰ তলত লুকুৱাই থ'লে।

"আহা। ইয়ালৈ আহি ঈশ্বৰৰ নাম জপ কৰাহি।"

মছিঅঁৰ কথা শুনি ফাদাৰ ওবেনিয়নৰ অন্তৰাত্মা কঁপি উঠিল।

"তুমি আনদিনাতকৈ দুগুণ সময় জপ কৰিব লাগিব। তাৰ পিচত তুমি আত্মস্থ হৈ চিন্তা কৰিব লাগিব যে কিবা পাপত লিপ্ত হৈছা নে নাই। বুজিছাঁ?"

"বুজিছোঁ। আপোনাৰ আদেশ নিশ্চয় পালন কৰিম।" ফাদাৰ ওবেনিয়নে সেপ ঢুকি ক'লে।

মছিঅঁ গম্ভীৰভাৱে আঁতৰি গ'ল। তেওঁৰ ফালে চাই ওবেনিয়নৰ ভাব হ'ল যেন তেওঁৰ লিলিপুটলেখীয়া শৰীৰটো বাঢ়ি বাঢ়ি গালিভাৰৰ সমান হ'লগৈ। সেই বৃহৎ ব্যক্তিৰ সমুখত তেওঁ যেন পাপৰ বোজাত কোঁচমোচ খাই তেনেই অকিঞ্চিৎকৰ হৈ পৰিছে। মছিঅঁ কেইখোজমান আগুৱাই গৈ ফাদাৰ ওবেনিয়নৰ বাবে অপেক্ষা কৰিলে। চিউলানে বাগিচাৰ মাজতে দুযোজন পাদ্ৰীৰ ফালে চাই থিয় হৈ থাকিল। হাত দুখন চোলাৰ অষ্টিনৰ মাজেৰে সুমুৱাই দি তাই এনেকৈ হাঁহিলে যেন চীনাসকলৰ দয়াৰ অধিষ্ঠাত্ৰী দেৱী কোৱা নাইনেহে।

দুয়োজন পাদ্ৰী প্ৰাৰ্থনা কক্ষৰ ফালে আগবাঢ়ি গ'ল। মছিঅঁৰ হলৌ চোলাটো বতাহত মেল খাই বহল হৈ পৰিছিল আৰু সেইটোৰে তেওঁক এজন প্ৰকাণ্ড মানুহ যেন দেখা গ'ল। কোনোফালে নোচোৱাকৈ দুয়ো ভিতৰলৈ সোমাই গ'ল।

তেওঁলোক নেদেখা হোৱা মাত্ৰকে চিউলানে লৰমাৰি ৰান্ধনিঘৰত সোমাল। এই লক্ষ্মীচাৰা পাকঘৰটোৰ অৱস্থা দেখি তাইৰ চকু থিয় হ'ল— নাকটো কোঁচ খালে। তাই ভাবিলে, --এৰা. মতা মানুহে কাম কৰিলে ৰান্ধনি ঘৰৰ অৱস্থা এনে নহৈ কি হ'ব! ক'ৰ বস্তু ক'লৈ গৈছে তাৰ ঠিকনা নাই। বাচন বৰ্তনবোৰ তেলামহী লাগি ক'লা পৰি গৈছে; থালবোৰত শুকান কণিৰ কৰাল লাগি আছে; দুই এখনত চাহপানী শুকাই যোৱাত চিয়াহীতকৈও কলা দাগ লাগি ধৰিছে। কোনোফালে চাবৰ উপায় নাই। তাই হাতৰ আষ্টিন কোঁচাই ইফালে-সিফালে চাই গজালত আৰি থোৱা 'এপ্ৰন'খন দেখিবলৈ পালে। বুঢা আঙুলি আৰু তৰ্জনীৰে কোনোমতে সেইখনৰ এমূৰে ধৰি নমাই আনিলে আৰু চুলাটোতে পেলাই দি জুইশলা মাৰি সেইখন জ্বলাই দিলে।

তাৰ পিচত কৰবাত কিবা আছে নেকি চাই দেখে যে কতো খুদকণ এটাও নাই--মাছ, মঙহ, আলু, দালি, লোণ তেল বা পাচলি সকলোকে শেষ কৰি থৈছে। চোলাৰ ভিতৰত কোনেও নেদেখা ঠাই এটুকুৰাৰ পৰা তাই অকণমান ৰঙা টোপোলা এটা উলিয়াই হাতত ল'লে। সেই পাটৰ কাপোৰৰ টোপোলাটো তাইৰ সাঁচতীয়া ধনৰ ক্ষুদ্ৰ ভঁৰাল। ইফালে-সিফালে চাই কোনো অসৎ প্ৰকৃতিৰ মানুহ খিৰিকীৰ

মুখত দেখিবলৈ নাপাই তাই সাৱধানে টোপোলাটো খুলি টকা তিনিটা উলিয়াই ল'লে আৰু আগৰ ঠাইত লুকুৱাই থৈ বাহিৰলৈ ওলাল। দুৱাৰ মুখ পাওঁতেই পহৰাটোৱে তাইক থাপ মাৰি ধৰিলে। তাই ৰুদ্ৰমূৰ্ত্তি ধৰি পহৰাটোক ঠেলা মাৰি আঁতৰাই ধমক দি ক'লে, "দূৰ হ"। দ্বিতীয়বাৰ মোৰ গাত হাত দিলে কৰ্ণেল হো-চানক কৈ দিম।"

বছ,– সেয়ে কাম কৰিলে। পহৰাটো দুখোজ পিচুৱাই গ'ল আৰু সম্ভ্ৰমে চালাম দি বুদ্ধৰূপ ধাৰণ কৰিলে। তাই নিৰ্বিঘ্নে বজাৰলৈ গুচি গ'ল।

☆ ☆ ☆ ☆

সিদিনা গোটেই দিনটো মছিঅঁই ফাদাৰ ওবেনিয়নৰ লগত এনে ব্যৱহাৰ কৰিলে যেন তেওঁ এজন মহাপাতকী আৰু সেইবাবে তেওঁক ডাঙৰ প্ৰায়শ্চিত্ত কৰা একান্ত প্ৰয়োজন। বাৰে বাৰে তেওঁ মছিঅঁক কয় যে প্ৰায়শ্চিত্ত কৰিবলগীয়া একো পাপ কাম তেওঁ কৰা নাই। একে কথাকে দহ কি বাৰ বাৰমান কোৱাৰ পিচত মছিঅঁৰ মন অলপ কুমলিল আৰু তেওঁৰ পৰা মাৰ্জনা লাভ কৰি ওবেনিয়নে মনত অলপ শান্তি পালে।

সন্ধিয়ালৈকে দুয়ো অকলে অকলে বকি জঁকি থাকিল। সাজ লগাৰ পিচত দুয়ো গৈ ৰান্ধনিঘৰত সোমাল। চিউলান তেতিয়া তাত নাছিল। তাই যে ক'লৈ গুচি গ'ল কোনেও ক'ব নোৱাৰে। কিন্তু ৰান্ধনি ঘৰৰ চেহেৰাকে তাই বদলাই থৈ গৈছে। আটাইবোৰ বাচন-বৰ্তন চিকচিকাই আছে; চুক-কোণবোৰ জাৰি জোকাৰি পৰিষ্কাৰ কৰি পেলাইছে আৰু মজিয়াখন মছি-কাছি ফুঁ মাৰি ভাত খাব পৰা কৰিছে। এটা চৌকাৰ ওপৰত ভাতৰ ছচপেনটো আৰু আনটোৰ ওপৰত গাহৰিৰ মঙহ টুকুৰা টুকুৰকৈ শাক-পাচলিৰে সৈতে সিজাই সুন্দৰকৈ ডেক্সি এটাত ভৰাই ঢাকনি দি থৈ গৈছে। ফাদাৰ ওবেনিয়নে এইবোৰ সুখাদ্য উলিয়াই দুয়োৰে বাবে বাঢ়ি ল'লে। দুয়ো সন্তুষ্ট মনে খালে। মছিঅঁ ফিৎসগিবনে চেষ্টা কৰিও তৃপ্তিৰ উগাৰকেইটা বন্ধ কৰিব নোৱাৰিলে। তাৰ পিচত গৰম চীনা চাহ-পানী এবাটি খাই মুখখন মচি লৈ বাটিটো একাষৰীয়া কৰি থ'লে।

ভোজন পৰ্ব সুকলমে শেষ কৰাৰ পিচত আকৌ মছিঅঁৰ মনত পৰিল পুৱাবেলাৰ কথাবোৰ। চকু ঘোপাকৈ ফাদাৰ ওবেনিয়ৰ ফালে চাই তেওঁ ডাবি মাৰি ক'লে,– "মই দেখিছোঁ যে তুমি সেই গাভৰু-ছোৱালীজনীৰ হাতত ধৰি আছিলা। তথাপিতো তুমি ক'ব খোজা যে এইটো এটা পাপ কাম নহয়।"

কিন্তু মইতো তাইৰ হাতত ধৰা নাছিলোঁ,—তাইহে মোৰ হাতত ধৰিছিল, "মূৰ খজুৱাই ফাদাৰ ওবেনিয়নে ক'লে। "তাই যেতিয়া মোৰ হাতখনত খামোচ মাৰি ধৰে, তেতিয়া মোৰ হাতখন পুৰি যোৱা যেন লাগিছিল। সিজোৱা আলুটোৰ দৰে তাইৰ হাতখন এৰুৱাই দিবলৈ চেষ্টা কৰি থাকোতেই আপোনাক দেখা পালোঁ। তেতিয়া মোৰ ইমান ভয় লাগিছিল যে মোৰ হাতখন খামোচ মাৰি ধৰি থকা সেইখন হাতেই নে আন কিবাহে মই পাহৰি গৈছিলোঁ।"

মছিঅঁই কথাখিনি শুনিলে— কিন্তু সম্পূৰ্ণ বিশ্বাস কৰিবলৈ টান পালে। তথাপি তেওঁৰ মনটো কুমলিল আৰু ফাদাৰ ওবেনিয়নক ক্ষমা কৰাই ভাল হ'ব বুলি চেনেহৰ ভাব এটা মনলৈ আহিল। ৰেক্টৰীত তেতিয়া কোনো নাছিল। সকলো ফালে শূন্য। কাৰো মাত ক'তো শুনিবলৈ নাই। হাঁহি খিকিন্দালি কৰি কাম কৰা চাকৰবোৰ, অন্তৰভৰা ভক্তি লৈ প্ৰাৰ্থনা সভালৈ অহা শিস্যবোৰ আৰু কৌতূহলেৰে ভৰা চাবনিৰে সৈতে চুবুৰীয়াসকল কোনো নাই-- আছে মাথোঁ বন্দুক কান্ধত লৈ পদূলিমুখত ইফাল-সিফালকৈ টহল দি থকা যমদূতহেন পহৰাৱালা চিপাহীটো। তাৰ ভয়লগা মূৰ্তিটো বাৰে বাৰে খিৰিকীখনেৰে দেখা দিয়ে আৰু ক্ষন্তেকৰ কাৰণে নেদেখা হয়। গোটেইখনতে এটা নিয়ম আৰু শৃঙ্খলাৰ ভাব দেখা গ'ল। আগবেলা এনেকুৱা নাছিল। বাপৰে-- পুৱাৰ সেই বিশৃঙ্খলা সেই খেলিমেলি আৰু চিপাহীৰ লৰাঢপৰা! ইফালে চাবা চিপাহী সিফালে চাবা চন্তৰী, --খিৰিকীৰ মুখত দুৱাৰডলিত চোতালত-- সকলোতে বন্দুক, সঙ্গীন আৰু বুটজোতাৰ দপদপনি। বাগিচাৰ ঘাহ মহটিয়াই, ফুলৰ গছ-গচ কি। এই অবাধ্য উতনুৱাহঁতে মূৰে-ভৰিকাঢ়ি গোটেইখন লণ্ড-ভণ্ড কৰিলে! কিন্তু এতিয়া সেইবোৰ একো নাই। কিয় বাৰু এই পৰিবৰ্তন? এই এখুদমান ছোৱালীজনীৰ বাবে জানো এনেকুৱা হ'ব পাৰে? তাইক তেওঁ ক'বই নোৱাৰে। কিন্তু তায়ে নিশ্চয় কেনেবাকৈ এই পৰিবৰ্তন সাধন কৰিছে। কিন্তু সি যিয়েই নহওক, ওবেনিয়নক তাইৰ লগত লেটিপেটিখন কৰিবলৈ সহজে এৰি দিয়াটো উচিত নহব বুলি মছিঅঁই ঠিক কৰিলে।

"তুমি এটা মূৰ্খ!" মছিঅঁই দুখমনে ক'লে। তুমি যেতিয়া ছোৱালীজনীৰ লগত জোঁটপোট লগাই সেই কেলেঙ্কাৰিখন কৰিলা, তেতিয়া সেই পহৰাটোৱে সকলোকে দেখা পাইছিল। সি কি ভাবিছে বাৰু? সি নানা ৰকম কুকথা যোৰা লগাব আৰু সময়ত আমাৰ বিৰুদ্ধে সেইবোৰ য'তে ত'তে গাই ফুৰিব।"

ফাদাৰ ওবেনিয়নে ক'লে,– "আজি পুৱা কোনো পহৰা নাছিল। হয়, মছিঅঁ,--মোৰ ঠিক মনত আছে এজনো পহৰা নাছিল। বাগিচাত আমি দুজনৰ বাহিৰে এটা প্ৰাণীও নাছিল।"

"হয়নে?" মছিঅঁৰ মনত এটা সন্দেহে ভুমুকি মৰাত তেওঁ প্ৰায় চিঞঁৰ মাৰি সুধিলে, "কিন্তু এইটো কেনেকৈ হ'বলৈ পালে?"

"মই কি জানোঁ?"

"তুমি কি জানা? একোকে নাজানা,—নহয়? মই জানোঁ। নিশ্চয় এই ছোৱালীজনীয়ে এই ব্যৱস্থা কৰিছিল।"

এই সম্ভাৱনাৰ কথাটোৱে দুয়োৰে মনত এটা আতঙ্কৰ সৃষ্টি কৰিলে। মছিঅঁই তৎক্ষণাত সহকৰ্মী পাদ্ৰীজনক মাৰ্জনা কৰিবৰ জোখাই যথেষ্ট কাৰণ থকা বুলি সিদ্ধান্ত গ্ৰহণ কৰিলে। তেওঁ মেজৰ ওপৰত কিলাকুটি থৈ ফাদাৰ ওবেনিয়নৰ কাণৰ কাষলৈ মুখখন আগুৱাই নি ফুচফুচাই ক'লে,— "ওবেনিয়ন, তোমাক মই সতৰ্ক কৰি দিলোঁ। তুমি কিবা কৰিছিলা নে নাই, মই নাজানোঁ। উপস্থিত ক্ষেত্ৰত তাতকৈ ডাঙৰ কথাহে চিন্তা কৰিবলগীয়া হ'ল। মোৰ বিশ্বাস এই ছোৱালীজনী সিহঁতৰ চোৰাংচোৱা। তোমাক পৰীক্ষা কৰিবলৈ সিহঁতে তাইক ইয়ালৈ পঠাইছে। এতিয়া আমাৰ অৱস্থাটোলৈ মন কৰা। আমাক সিহঁতে দাগী চোৰৰ দৰে ইয়াতে বন্দী কৰি থৈছে। এই অধৰ্মী পাতকী লালবাহিনীৰ নৰপশুহঁতে আমাৰ ওপৰত কুনজৰ দিছে। আমাৰ দুজনৰ ভিতৰত সিহঁতে নিশ্চয় পহিলতে মোকেই ধৰি নিব। কাৰণ সিহঁতে মোৰ প্ৰতিষ্ঠা আৰু প্ৰতিপত্তিৰ কথা ভালদৰে জানে। তেতিয়া তুমি ইয়াত অকলে থাকিব লাগিব। তেনে অৱস্থাত তুমিতো পেট প্ৰবৰ্তাব লাগিব। আৰু এই অনুষ্ঠানৰ পবিত্ৰতা আৰু ইয়াৰ সা-সম্পত্তিবোৰ ৰক্ষা কৰিব লাগিব। কেতিয়া কি হয় একো ঠিকনা নাই। আজি বহুদিনৰ পৰা মই অলপ অলপ খাদ্যবস্তু সাঁচি থৈছোঁ। বেষ্টৰীৰ সেই গুপ্ত ভঁৰালটো তোমাক দেখুৱাওঁ বলা—তাতে আমাৰ বহুদিনীয়া সা-সম্পত্তিখিনিও গচ্ছিত আছে।"

এইবুলি কৈ তেওঁ উঠিল। সৰলকাঠৰ তক্তাৰ মজিয়াখনৰ ওপৰেদি তেওঁ হাততসাৰে ভৰিতসাৰে আগুৱাই গ'ল। কোঠালিটোৰ সিমূৰে দেৱালত লগোৱা এটা সৰু আলমাৰি আছিল। তাৰে দুৱাৰখন তেওঁ লাহেকৈ টানমাৰি খুলিলে। চাবিওফালে এবাৰ চাই খিৰিকীত কাকো নেদেখি তেওঁ আশ্বস্ত হ'ল। তেতিয়া সাজ লাগিছিল আৰু কোঠালিৰ ভিতৰখন আন্ধাৰ হৈ পৰিছিল। ইচ্ছা কৰিও তেওঁ চাকি নজ্বলালে। নিঃসন্দেহে আলমাৰিৰ ভিতৰত থকা এঁচটা কাঠ দণ্ডাত তলৰফালে মূৰ সুমুৱাব পৰা অকণমান ঠাই ওলাই পৰিল। তালৈ চাই মছিঅঁই এটা স্বস্তিৰ নিশ্বাস পেলালে আৰু নিজকে কোৱাৰ দৰে ক'লে, "ঈশ্বৰৰ কৃপাত মই যেনেকৈ থৈছিলোঁ সকলোবোৰ ঠিক সেইদৰেই আছে। আগবাঢ়ি আহা—ওবেনিয়ন—চোৱাহি।"

ফাদাৰ ওবেনিয়নে ডিঙি মেলি সেই গুপ্ত ভঁৰালটোৰ মাজলৈ চাই পঠিয়ালে। তেওঁ দেখিলে যে তাত ভাগে ভাগে নানান খাদ্যবস্তু সজোৱা আছে। অষ্ট্ৰেলিয়াৰ মাখন আৰু মাংস, হলেণ্ডৰ পনীৰ, আমেৰিকাৰ গাখীৰ, নৰৱেৰ মাছ এইবোৰ বিধে বিধে ডাঙৰ-সৰু অসংখ্য টিনত ভৰোৱা আছে। সেইবোৰ দেখি তেওঁ আচৰিত হৈ গ'ল। ঈশ্বৰক ধন্যবাদ দি তেওঁ ক'লে,-- "ইমান বস্তু! ক'ৰ পৰা ইমান বস্তু সংগ্ৰহ কৰিলে মছিঅঁ?"

"কৰিছো — দিয়া — কোনোৰকমে", মনে মনে গৌৰববোধ কৰি মছিঅঁই ক'লে। লগে লগে তেওঁ কাঠচটা নমাই দি আলমাৰিৰ দুৱাৰখন বন্ধ কৰিলে। হাতৰপৰা ধূলিবোৰ জোকাৰি জোকাৰি তেওঁ কৈ গ'ল, --"বুজিছা, ওবেনিয়ন মই এনেয়ে বহি থকা নাই। দেশৰ খবৰ মই পাই থাকোঁ। মোৰো মানুহ আছে। মই গম পাইছিলোঁ যে লালসেনাবোৰ আহিব লাগিছে। মই শৰণ দিয়া মানুহবোৰে সিহঁতৰ সকলো বতৰা মোক দি থাকে। মই তেতিয়া ভাবিলোঁ যে যদি সিহঁতে আমাক ইয়াতে আটক কৰি থৈ দিয়ে তেন্তে আমি শুকাই মৰিব লাগিব। সেইবাবে মই আমাৰ কেন্দ্ৰীয় ধনভঁৰালীৰ পৰা ধাৰ ললোঁ। মনত ৰাখিবা, --মই ধাৰহে কৰিছোঁ। প্ৰতিটো পইচা পৰিশোধ কৰিব লাগিব...."

হঠাৎ ফাদাৰ ওবেনিয়নে প্ৰকাণ্ড হাতখন দাঙি বাহিৰলৈ আঙুলিয়াই দি কলে "খিৰিকীলৈ চাওকচোন।"

দুয়ো খিৰিকীৰ মুখত সেই দেউৰী ল'ৰাটোক দেখিবলৈ পালে। অলপতে হৈ যোৱা ধুমুহাত খিৰিকীৰ আইনা এখন ভাঙিছিল আৰু সেইখন বদলোৱা নাছিল। ল'ৰাটোৱে সেইপিনেদি লেতেৰা ৰুমাল এখনেৰে বন্ধা সৰু টোপোলা এটা ভিতৰলৈ সুমুৱাই দি কলে-- "এইখিনি আপোনালোকৰ বাবে আনিছোঁ প্ৰভু।"

ফাদাৰ ওবেনিয়নে মছিঅঁৰ কাণৰ কাষত ফুচফুচাই ক'লে, "সি বোধকৰো সকলো দেখিলে।"

"দেখক বাৰু। সি দেখিলেও কাকো একো নকয়। মই তাক ভালদৰে জানোঁ সি বৰ বিশ্বাসী আৰু সৎ..." মছিঅঁই কথাখিনিত জোৰ দি ক'লে।

ফাদাৰ ওবেনিয়নৰ হ'লে কথাটো ভাল লগা নাছিল। তেওঁ চমুকৈ ক'লে,-- "নহ'বও পাৰে।"

ইতিমধ্যে মছিঅঁ খিৰিকীৰ ওচৰলৈ আগবাঢ়ি গৈ ল'ৰাটোৰ হাতৰ পৰা টোপোলাটো আনিলে। তাত চাৰিখন পিঠা আছিল। সেইকেইখন হাতত লৈ তেওঁ ল'ৰাটোক ধন্যবাদ দি সুধিলে, "তই ভাল ল'ৰা দেই। কিহৰ পিঠানো এইকেইখন?

ল'ৰাটোৱে ক'লে, "এইকেইখন মাংস দি বনোৱা পিঠা। মাই নিজ হাতে বনাইছে — প্ৰভু।"

পিঠাকেইখন লাৰিচাৰি মছিঅঁই ক'লে, "বেছ। মই জানো যে তোৰ মাৰে খুব ভাল পিঠা কৰিব জানে।"

ফাদাৰ ওবেনিয়নে হ'লে মনত শান্তি পোৱা নাছিল। তেওঁ ক'লে,–"মোৰ হ'লে মনটো খুদুৱাই আছে মছিঅঁ। বোধকৰোঁ আমাৰ ওপৰত চকু ৰাখিবলৈ ইয়াক ইয়ালৈ পঠোৱা হৈছে।"

'হুঃ! তুমি এই ল'ৰাটোক চোৰাংচোৱা বুলি সন্দেহ কৰা, কিন্তু সেই ছোৱালীজনীক হ'লে বিশ্বাস কৰা! মাইকী মানুহক বোধকৰোঁ তুমি চোৰাংচোৱা ৰূপত কল্পনাকে কৰিব নোৱাৰা। সকলোৱে জানে তিৰোতাহে বেছি উপযুক্ত। তাৰ কাৰণো আছে। তিৰোতাই ছলাহী কথাৰে মানুহক অনায়াসে প্ৰতাৰিত কৰিব পাৰে, আৰু সঁচাক মিছা আৰু মিছাক সঁচা কৰি মূৰ্খ মানুহক ভুলপথে পৰিচালিত কৰিব পাৰে।"

এইদৰে তৰ্কাতৰ্কি কৰি থাকোঁতে দেউৰী ল'ৰাটো কেতিয়া গুচি গ'ল কোনেও ক'বই নোৱাৰিলে। কেইমিনিটমান পিছতে দুৱাৰৰ ডাং দাল খুটুককৈ খোলাৰ শব্দ এটা দুয়োৰে কাণত পৰিল আৰু সমুখতে হো-চানক দেখিবলৈ পালে। বলিষ্ঠ পালোৱানী চেহাৰাৰ সেনাপতিজনে ছজন চিপাহী লগত লৈ দুয়োৰে সমুখত সগৰ্বে ঠিয় দিলে। চিপাহীহঁতৰ বন্দুকবোৰত সঙ্গীনবোৰ চিকমিক কৰি উঠিল।

সিহঁতক দেখি মছিঅঁই গৰ্জি উঠিল, "হো-চান ! কি সাহত তই এইদৰে ভিতৰলৈ সোমাই আহিছ হোঁ?"

হো-চানেও আদেশৰ সুৰত ক'লে,—"বিদেশী পাদ্ৰী — আগেয়ে কোৱা,– কি সাহত তুমি বস্তু-বাহানিবোৰ আমাৰ পৰা লুকাই ৰাখিছা? আমাক অমান্য কৰা লোকৰ শাস্তি কি জানানে?"

ফাদাৰ ওবেনিয়নে কেইখোজমান পিচুৱাই গৈ বুকুত ক্ৰছ চিনটো আঁকিলে। তাকে দেখি হো-চানে তেওঁৰ হাতখনত কোব মাৰি দিলে।

"হো-চান—খবৰদাৰ। ঈশ্বৰে তোক ইয়াৰ বাবে কঠোৰ শাস্তি দিব।" মছিঅঁই তাক সাৱধান কৰি দিলে।

হো-চানে হো হো কৈ হাঁহি দিলে। সি তাৰ চিপাহীকেইটাক এটা আদেশ দিয়াত সিহঁতে আগুৱাই গৈ দেৱালত লগা আলমাৰিটোৰ দুৱাৰখন ভাঙি পেলালে আৰু সঙ্গীনেৰে খুঁচি কাঠচটা এক্কবাই ভিতৰত থকা খাদ্যবস্তুৰ টিনবোৰ উলিয়াই পৰিলতে ৰান্ধনিঘৰৰ মজিয়াত দ'মালে আৰু পাদ্ৰী দুজনে দেৱালত আউজি ভেবা

লাগি চাই থাকিল। ফাদাৰ ওবেনিয়নৰ মুখলৈ বাৰে বাৰে এষাৰ কথা আহে– "মই নকৈছিলোঁনে যে এই দেউৰী ল'ৰাটো বিশ্বাসঘাতক", কিন্তু মুখ ফুটাই কথাষাৰ ক'বলৈ তেওঁৰ সত নগ'ল। তেওঁ স্পষ্টভাৱে দেখিবলৈ পালে যে তাৰ এই বিশ্বাসঘাতকতাত মছিঅঁ মৰ্মাহত হৈ পৰিছে। তেওঁ অন্তৰত ইমান আঘাত পালে যে তেওঁ কথা ক'ব নোৱাৰা হৈ গ'ল। আনসময়ত হ'লে তেওঁ হো-চানক গালি-শপণিৰে থকা-সৰকা কৰিলেহেঁতেন। কিন্তু খঙতকৈও বেছি বেদনাদায়ক অনুভূতি এটাই তেওঁক জৰ্জৰিত কৰি পেলালে।

কেইমিনিটমানৰ ভিতৰতে আলমাৰিৰ ভিতৰৰ গুপ্তভঁৰালটো খালী হৈ গ'ল। ইমান যত্ন কৰি জমা কৰা সকলোবোৰ সামগ্ৰী চকুৰ আগতে নাইকিয়া হ'ল। চিপাহীহঁতে ৰেক্টৰীৰ যথাসৰ্বস্ব আত্মসাৎ কৰিবলৈ পাই বিজয়ৰ উল্লাসত অট্টহাস্য কৰি উঠিল। হো-চানে তাৰ কুকৰ্মৰ লগৰীয়াহঁতক লগত লৈ গেৰেপ গেৰেপকৈ বাহিৰলৈ খোজ দিলে। আটাইবোৰ ওলাই যোৱাৰ পিচত পাদ্ৰী দুজনে খিৰিকীলৈ গৈ দেখিলে যে হো-চানে দুৱৰীটোক গতিয়াই নি বস্তুবোৰ কঢ়িয়াবলৈ আদেশ দিছে। সিও অকণমানো আপত্তি নকৰাকৈ টিনবোৰ কঢ়িয়াই নি পদূলিত ৰৈ থকা জৰাজীৰ্ণ মটৰ গাড়ীখনত বোজাই দিলে।

মছিঅঁই কিবা এটা অস্ফুট শব্দ কৰিলে। খিৰিকীখনত মুখখন থৈ তেওঁ থিয় দি থাকিল--তেওঁৰ লৰচৰ কৰিব পৰা শক্তি যেন কোনোবাই হৰণ কৰিলে। ফাদাৰ ওবেনিয়নো তেওঁৰ কাষতে শিলামূৰ্তিৰ দৰে ৰৈ থাকিল।

কিমান সময় তেওঁলোক এইদৰে নিৰ্বাক নিস্পন্দ হৈ থাকিল কোনেও ক'ব নোৱাৰিলে। ঘৰৰ ভিতৰত আন্ধাৰবোৰ জমা হৈ খুব বেছি ঘন হোৱা যেন পাই মছিঅঁ খিৰিকীৰ পৰা লাহে লাহে আঁতৰি আহি চকী এখনত ধুপুছকৈ বহি পৰিল। মূৰে-কপালে হাত দি তেওঁ দীঘলকৈ হুমুনিয়াহ এটা কাঢ়ি কাৰোফালে নোচোৱাকৈ ক'লে, "আমাৰফলীয়া কোনো নাথাকিল! দেখিলা, ওবেনিয়ন,–শেষত এই হতভগা দুৱৰীটোৱেও সিহঁতৰ গোলামি কৰাত লাগিল। ইয়াৰেই ল'ৰা-ছোৱালীক মই ইমান বছৰে খুৱাই-বুৱাই, পিন্ধাই-উৰাই ডাঙৰ-দীঘল কৰিলোঁ। সকলো খাই পাত ফলা মানুহ। হে পৰম কল্যাণময়ী ঈশ্বৰ জননী, তুমি সকলোকে জানা। কোৱা আই,— মই কিবা পাপ কৰিছিলোঁ নেকি বা মোৰ সেৱা কাৰ্যত কিবা ত্ৰুটি হৈছে নেকি যে এই মানুহবোৰে বিপদৰ সময়ত মোৰ পৰা এইদৰে আঁতৰি যাবলৈ উপক্ৰম কৰিছে!"

ফাদাৰ ওবেনিয়নে ক'লে–"নহয়। ইহঁতে আমাক এৰি যোৱা নাই–মাধোঁ গুলীৰ ভয়ত এনেকুৱা কৰিছে মছিঅঁ। ভাবি চাওক, এনে অৱস্থাত আপুনি কি

কৰিলেহেঁতেন? আপোনাৰ কোনো বন্দুক নাই-, আপুনি নিৰস্ত্ৰ; এনে অৱস্থাত এই দৈত্যহেন হো-চানটোৰে লগত এমখা চিপাহী লৈ যদি আপোনাক ঘেৰি ধৰে, তেন্তে আপুনি কি কৰিব? সাময়িক ভাৱে আত্মসমৰ্পণ কৰা ভিন্ন আন উপায় নাই। ই এটা বৰ ডাঙৰ কথা হোৱা নাই মছিঅঁ?"

"মই ইয়াতকৈও ডাঙৰ কথা কল্পনা কৰিছিলোঁ। হয়তো মই অসম্ভৱকো সম্ভৱ কৰিব খুজিছিলোঁ-ওবেনিয়ন। মই ভাবিছিলোঁ যে এজনক মোৰ শিষ্য বুলি গ্ৰহণ কৰি যদি তাক সাধাৰণ মানুহতকৈ উন্নত কৰিবকে নোৱাৰিলো তেন্তে মোৰ জীৱনৰ মূল্য কি থাকিল বাৰু?"

ঠিক এনে সময়তে তেওঁলোকৰ দৃষ্টি বাহিৰলৈ গ'ল। বাহিৰত দুৱৰীটো তাৰ পঁজাত সোমাই ছিল আৰু চিপাহী এটাই বাহিৰত পহৰা দি আছিল। ৰেষ্টৰীৰ সদৰ দৰ্জা বন্ধ কৰি থোৱা আছিল। কৰবাৰ পৰা হো-চান আহি তাতে থিয় হৈ ইফালে-সিফালে চাবলৈ ধৰিলে-যেন কিবা নিব পৰা বস্তু বৈ গ'ল আৰু তাকে যেন সি বিচাৰি ফুৰিছে। বাহিৰত তেতিয়া মাত্ৰ টমাছ নামৰ গাধটো বাঁহৰ জোপোহা এটাৰ ছাঁত ঠিয় হৈ আছিল। হো-চানে কিবা ভাবি হাতৰ বন্দুকটো মাটিত থৈ গাধটোৰ ওচৰলৈ গ'ল আৰু ৰছীদাল খুলিব ধৰোঁতেই বাগিচাৰ কোনোবা চুক এটাৰ পৰা অকস্মাৎ লছপছী চিউলানজনী লৰমাৰি ওলাই আহিল। এই দৃশ্য দেখিব বুলি পাদ্ৰী দুজনে আচলতে ভবাই নাছিল।

তাই খেদা মাৰি গৈ হো-চানৰ সমুখত ঠিয় দিলে আৰু গাধৰ মুখত লগোৱা লেকাম ডাল ধৰিব খোজোঁতেই তাই হাত দাঙি তাক বাধা দিলে। ৰান্ধনিঘৰৰ খিৰিকীৰে পাদ্ৰী দুজনে সকলো দেখিছিল যদিও তাইৰ কথাবোৰ কাণত পৰা নাছিল, কিন্তু তাইৰ যুদ্ধংদেহি ৰণচণ্ডী মূৰ্তি দেখি তেওঁলোকে অনুমান কৰিলে যে তাই গছৰ আঁৰৰ পৰা হো-চানৰ কুকৰ্মবোৰ দেখি খুব বিৰক্ত হৈছিল আৰু হঠাৎ তাৰপৰা ওলাই আহি হো-চানক গালি-শপনি পাৰি ব্যতিব্যস্ত কৰি তুলিছিল। মছিঅঁই লাহেকৈ খিৰিকীখন খুলি দিয়াত তাইৰ কথাবোৰ তেওঁলোকে ভালদৰে শুনিবলৈ পালে।

"কি কৰিছে আপুনি? বুজিছোঁ, --আপুনিও ডকাইত।" তাইৰ মুখৰ কথা আখৈ ফুটাদি ফুটিব ধৰিলে। "মনত আছেনে সেনাপতি,-- শত্ৰু সৈন্যই এই চহৰ আক্ৰমণ কৰোঁতে সিহঁতক আপোনালোকে খেদি পঠাইছিল আৰু সিহঁতক গুণ্ডা বদমাছ-ডকাইত বুলি কৈছিল। আপুনি আৰু কৈছিল যে আপোনালোকৰ মানুহবোৰে চুৰি বা ডকাইতি নকৰে, সিহঁত ভাল মানুহ---, সিহঁত কমিউনিষ্ট। সেই মানুহবোৰেৰে

আপুনি নায়ক,—এজন মান্যৱন্ত লোক!! কিন্তু, এয়া আপুনি কি কৰিছে? এটা গাধ, --সামান্য পশু এটা। তাকে চুৰি কৰিবলৈ আহিছে আপুনি নিজে!"

'মনে মনে থাক, মূৰ্খ তিৰোতা' – হো-চানে ডবিয়াই দিলে, "মই চুৰ কৰা নাই জানিবি। এই গাধটো মই বাজেয়াপ্ত কৰিছোঁ। কাৰবাবে জান?"

"জানো। হো-চানৰ বাবে। লালবাহিনীৰ কৰ্ণেল, জনগণৰ আশা-ভাৰসাৰ স্থল, মহা মহিমামণ্ডিত হো-চান বাহাদুৰৰ বাবে। ধন্য আপোনাৰ অভিযান, ধন্য আপোনাৰ বিজয়ৰ গৌৰৱ! হো-চান আৰু তেওঁৰ প্ৰবল পৰাক্ৰমী সৈন্যবোৰে নিৰাশ্ৰয় অকলশৰীয়া বিদেশী ধৰ্মযাজক দুজনৰ ওপৰত ডকাইতি কৰি বীৰত্বৰ ধ্বজা উৰুৱাইছে!"

হো-চান গৰ্জি উঠিল, "তই---তই---নিশ্চয় খ্ৰীষ্টিয়ান। তোক গুলী কৰি মৰা উচিত।"

তাই বিদ্ৰূপৰ হাঁহি মাৰি ক'লে,–"সৌৱা–সেইটো আপোনাৰ বন্দুক। যাওক, –সেইটো বুটলি আনক। ভালদৰে বন্দুক টোঁৱাই মোক গুলী কৰক। ভয় নাই,–মই নিৰস্ত্ৰ আৰু এজনী অবলা তিৰোতা মাথোন।"

পশ্চিম আকাশত হাউলি পৰা বেলিটোৰ এটুকুৰা ৰঙা ৰহণ আহি তাইৰ ধুনীয়া মুখখনত পৰিছিল। খঙত তাইৰ চকুদুটা জ্বলি উঠিছিল আৰু গাল দুখন ৰঙা হৈ পৰিছিল। হাত দুখনেৰে তাই বুকুখন ঢাকি ধৰিছিল। হো-চানে অলপ সময় তাইৰ ফালে চাই থাকি হঠাৎ হো হো কৈ হাঁহি দিলে।

"এৰা--ঠিক কথা। তিৰোতা মানুহ মোৰ কামত লাগিব। তোক মৰিবলৈ এটা গুলীও অযথা নষ্ট কৰা উচিত নহ'ব।"

সি আগুৱাই গৈ তাইৰ দুয়োখন হাতত ধৰি বুকুৰফালে টানিলে। কামটো সি যিমান সহজ বুলি ভাবিছিল সিমান সহজ নহ'ল। তাই ৰুদ্ৰমূৰ্তি ধৰি ফেৰ পাতি উঠিল। তাই অকণো চিঞঁৰ-বাখৰ নকৰিলে, কিন্তু আঁচুৰি-কামুৰি লথিয়াই জঁপিয়াই হাতৰ পৰা যাবলৈ চেষ্টা কৰিবলৈ ধৰিলে।

খিৰিকীৰ পৰা মছিঅঁই এইবোৰ দেখি আছিল। তেওঁ মাত্ৰ ভগৱানক সুঁৱৰিবলৈ ধৰিলে।

ফাদাৰ ওবেনিয়নে হঠাৎ হাত দুখনেৰে চকু ঢাকি লৈ ঈশ্বৰৰ নাম জপ কৰিলে। মছিঅঁই দেখিলে যে ভগৱানৰ নাম জপিবৰ আৰু সময় নাই। খিৰিকীৰ মাজেৰে মূৰটো সুমুৱাই দি তেওঁ বাগিচাৰ ফুলবোৰৰ ওপৰতে ধুপুচকৈ জাপ মাৰি পৰিল আৰু ঘাঁহনিডৰাৰ মাজেৰে লৰি গৈ গৰ্জি উঠিল, "এৰি দে, –তাইক এৰি দে নিলাজ।"

হো-চানক উদ্দেশ্য কৰি কোৱা কথাখিনি নিভাঁজ আইৰিচ ভাষাত ওলাই গ'ল। এইটো চীনা ভাষাত বক্তৃতা কৰাৰ সময় নহয়। এনেকৈ ধমক দি কথা ক'বলৈ তেওঁ পাহৰা যেনেই হৈছিল। হঠাৎ এতিয়া তেওঁৰ মনত পৰি গ'ল। মুখেৰে সৰ সৰকৈ গালি বৰ্ষণ হবলৈ ধৰিলে-- "নিধক লাঠুৱা, গাহৰি কৰবাৰ! তই চয়তানৰ মঙ্গহ, নৰপশু সমাজৰ আবৰ্জনা।"

হো-চানে তেওঁৰ প্ৰতি কোনো ভ্ৰূক্ষেপকে নকৰিলে,--যেন এটা চোঁ মাৰি খুঁটিয়াবলৈ অহা ঘনচিৰিকাহে। সি তাৰ হাতৰ পৰা সাৰিবলৈ আপ্ৰাণ চেষ্টা কৰি থকা ছোৱালীজনীক সাবটি ধৰি থাকিল আৰু মছিঅঁই তাৰ ভৰি দুখনত পাৰে মানে লথিয়াবলৈ ধৰিলে আৰু সৰু সৰু হাত দুখনত মুঠি বান্ধি তাৰ তপিনাত ঘুচিয়াই থাকিল। মছিঅঁৰ এই আক্ৰমণৰ একো সুফল দেখা নগ'ল। গছ এডালত লথিয়ালে বা শিলত ভুকুৱালেও হয়তো কিবা হ'লহেঁতেন,--কিন্তু এইবোৰে হো-চানৰ নোম এডালো লৰাব নোৱাৰিলে। অলপ পিচতে সি দেখিলে যে মছিঅঁই তাৰ উৰুত কামুৰি দিছে। মছিঅঁৰ দাঁত তাৰ কপাহীসূতাৰ পেটলুং ভেদ কৰি মঙহতে লাগিলগৈ। সি চিউলানক এৰি থিতাতে ঘূৰি লৈ মছিঅঁক ধৰিলে। তেওঁক কেঁচুৱা এটিৰ দৰে দাঙি লোৱাটো তাৰবাবে একো কথাই নহয়। ঠিক পুতলা এটাৰ নিচিনাকৈ সি তেওঁক ওপৰলৈ তুলি শিলেৰে বন্ধোৱা আলিটোৰ ওপৰতে থেকেচা মাৰি থ'ব খোজোঁতেই কিবা এটাই তাক খুব জোৰে হেঁচা মাৰি ধৰা যেন পালে। তাক এইদৰে ধৰোঁতাজন আছিল ফাদাৰ ওবেনিয়ন। নাম জপ কৰি থাকোঁতে তেওঁ হঠাৎ চকুমেলি মছিঅঁৰ কাণ্ডখন দেখিবলৈ পালে আৰু নাম জপিবলৈ এৰি ভগবানক প্ৰাৰ্থনা কৰিলে যেন ক্ষন্তেকলৈ তেওঁৰ একো অপৰাধ নধৰে। তাৰ পিচতে তেওঁ খিৰিকীৰে জাঁপ মাৰি দিলে। খিৰিকীত লাগি যে তেওঁৰ চোলাটো চিৰি গ'ল তালৈ তেওঁৰ ভ্ৰূক্ষেপেই নাই। মুহূৰ্ততে গৈ তেওঁ হো-চানক হেঁচা মাৰি ধৰিলে। ফাদাৰ ওবেনিয়নৰ প্ৰহাৰত তাৰ কান্ধখন ভাঙি যোৱা যেন হ'ল। সি কেঁকাই উঠিল আৰু হাতখন অৱশ হৈ পৰাত মছিঅঁক এৰি দিবলগীয়া হ'ল। কোনোবাই তাৰ হাতদুখনত পাক মাৰি পিঠিৰ ফালে জপতিয়াই ধৰা যেন পালে। সেই কঠিন বন্ধনৰ পৰা শৰীৰৰ সমস্ত শক্তি প্ৰয়োগ কৰিও সি নিজকে মুক্ত কৰিব নোৱাৰিলে। যিমানে যুঁজে সিমানে বেছিকৈ কাবু হৈ শেষত সি লৰচৰ কৰিব নোৱাৰা হ'ল। সি ফোপাবলৈ ধৰিলে।

"বহুত ধন্যবাদ, ওবেনিয়ন!" হো-চানৰ প ৰা এৰা পৰি মুখলৈ পানী অহাত, চোলা জোকাৰি জোকাৰি মছিঅঁই ক'লে।

ফাদাৰ ওবেনিয়নে তেওঁলৈ চাই অনুৰোধ কৰিলে, "আপুনি ভিতৰলৈ যাওক। এই অসভ্য জানোৱাৰটোক মই দিহা লগাব পাৰিম। আপুনি নিৰাপদ ঠাইলৈ যায় মানে মই ইয়াক সহজে ইকাতি-সিকাতি কৰিব নোৱাৰাকৈ ৰাখিব পাৰিম। যাওক, মছিঅঁ আপুনি সোনকালে গুচি যাওক।"

"তোমাক অকলে এৰি যোৱাটো জানো উচিত হ'ব? কিন্তু তুমি যদি কোৱা..." মছিঅঁ দোধোৰ-মোধোৰত পৰিল।

"মই কৈছোঁ,-- মছিঅঁ, আপুনি যাওক। মই ইয়াক অকলে বলে পাৰিম। আৰু তুমিও ঘৰলৈ উভতি যোৱাগৈ চিউলান।"

"আপুনি তাক এসেকা দিবনে?" চিউলানে উত্তেজিতভাৱে সুধিলে।

"নিদিওঁ"—ফাদাৰ ওবেনিয়ন ক'লে, "যুঁজ কৰি লোকক এসেকা দিবলৈ মই ভাল নাপাওঁ। তুমি জানা যে মই শান্তিপ্ৰিয় মানুহ। মোৰ নিজৰ বাবে কাৰো লগত মই যুদ্ধ নকৰোঁ বুলি জানিবা।"

চিউলানে কথাবোৰ ভাল নাপালে। তাই প্ৰতিবাদ কৰিব খোজোঁতেই তেওঁ তাইক আকৌ আদেশ দিলে উভতি যাবলৈ।

হো-চানক যুযুৎসুৰ কায়দাত লৰচৰ কৰিব নোৱাৰাকৈ ধৰি থকা দেখি তাই তাৰ ফালে চাই মুখ ভেঙুচি দিলে আৰু লগে লগে কৈ উঠিল,-- "মই ঘৰৰ ভিতৰলৈ কেতিয়াও নাযাওঁ।"

"তেন্তে বাগিচাৰ মাজলৈ আঁতৰি যোৱা।" ফাদাৰ ওবেনিয়নে দৃঢ়ভাৱে আদেশ কৰিলে।

তাই তেওঁৰ মুখৰ ফালে চালে আৰু চকুত এটা কঠোৰ দৃঢ়তাৰ আভাস দেখিবলৈ পালে। সেই অৱস্থাত তাই তেওঁৰ কথামতে কাম কৰিবলৈ বাধ্য হৈ পৰিল। তাই বাগিচাৰ সিমূৰলৈ দৌৰি গ'ল। তাতে এটা বাঁহৰ মূঢ়াত টমাছক বান্ধি থোৱা আছিল; তাৰ ওচৰতে ঠিয় হৈ তাই চাই থাকিল।

ফাদাৰ ওবেনিয়নে হো-চানক কটকটীয়াকৈ ধৰি থাকিল। তাৰ দেৰি হোৱা দেখি যাতে চিপাহীবোৰে কি হৈছে চাবলৈ খেদি নাহে তাকে তেওঁ আশা কৰিছিল। দুৱৰীটো কৰবাৰ পৰা মনে মনে তাৰ পঁজাটোলৈ উভতি আহি তেওঁলোকৰ যুঁজখন দেখিবলৈ পাইছিল; কিন্তু আচৰিত কথা যে সি লাহেকৈ লোহাৰ ডাং দালেৰে দুৱাৰখন বন্ধ কৰি দিলে। সেই পৰ্য্যন্ত চিপাহীবোৰ ভিতৰলৈ অহা নাছিল। সিইঁতে হো-চানৰ লগত ধুনীয়া ছোৱালীজনী দেখিছিল আৰু দুয়োকে অকলশৰীয়াকৈ এৰি গেটৰ বাহিৰত অপেক্ষা কৰিছিলগৈ।

ফাদাৰ ওবেনিয়নে হো-চানক লাহেকৈ এৰি দি দুখোজমান পিচুৱাই গ'ল। সি মুক্ত হৈ তেওঁৰ ফালে চকু ৰঙাকৈ চালে আৰু দীঘল দীঘলকৈ উশাহ ল'বলৈ ধৰিলে।

শান্তভাৱে শুদ্ধ চীনা ভাষাত ফাদাৰ ওবেনিয়নে ক'লে,– "হো-চান, তোমাক অযথা কষ্ট দিবৰ ইচ্ছা নাই। তুমি এতিয়া আনন্দমনে যাব পাৰা।"

কাৰো মুখত কথা নাই,– কেৱল ইটোৱে সিটোৰ মুখলৈ চাই থাকিল। ফাদাৰ ওবেনিয়নৰ মুখত এটা সৰল নির্জু ভাব স্পষ্ট হৈ পৰিল–যেন তেওঁ আয়ার্লেণ্ডৰ কোনোবা এখন খেতিপথাৰত দেউতাকৰ লগত কাম কৰিহে আছে– কোনো চিন্তা বা দুৰ্ভাৱনা নাই। ইফালে উদ্ধত যৌৱনৰ উতলা তেজৰ পিৰপিৰনিত ৰঙাচিঙা পৰা হো-চানৰ চকুত অহঙ্কাৰ আৰু নির্মমতাৰ জুই দপদপাই উঠিল। খঙতে দাত কামুৰি সি ক'লে–"চুৰা খোৰা খ্রীষ্টিয়ান! এতিয়া গাল পাতি দিছ!"

"তোমাৰ গাত হাত দিবলগীয়া হোৱা বাবে মই বেয়া পাইছোঁ হো-চান", ফাদাৰ ওবেনিয়ন ক'লে,–"যুঁজ কৰা মোৰ স্বভাৱ নহয় আৰু মোৰ ধৰ্ময়ো যুঁজৰ পৰা আঁতৰি থাকিবলৈহে কয়।"

বিকৃত মাতেৰে হো-চানে ক'লে, "ৰবি,–এতিয়াই তোৰ মুখেদি ধৰ্ম বাহিৰ কৰি দিম।" এই বুলি সি সোঁহাতখন দাঙি ফাদাৰ ওবেনিয়নৰ বাওঁ গালত এটা চৰ শোধালে। পাদ্রীজনে চৰ খাই মুখেৰে মাত এষাৰপৰ্যন্ত নামাতিলে। তেওঁ হো-চানৰ মুখলৈ চাই থাকিল মাথোন। "দে এতিয়া তোৰ সোঁগালখন দে।" ফাদাৰে অকণো লৰচৰ নকৰিলে আৰু হো-চানৰ চৰটো সশব্দে তেওঁৰ সোঁগালত পৰাত গালখন অলপ চেংচেঙাই যোৱা যেন পালে। হো চানে উন্মত্ত হৈ চিঞৰি দিলে, "বিদেশী চয়তান, তহঁত সকলোবোৰ মাৰ্কিনহঁতৰ গুপ্তচৰ। তহঁতত বিশ্বাস নাই–কাছ পোৱালি কৰবাৰ!"

বাঁহগছৰ আৰৰ পৰা চিউলানে চাই আছিল। তাই সহ্য কৰিব নোৱাৰা হ'ল। কি অদ্ভুত কথা! একমুহূৰ্ত আগতে এই পালোৱান যেন পাদ্রীজনে তাক হেলাৰঙে কাবু কৰি পেলাইছিল, কিন্তু জয়ৰ গৌৰবৰ প্ৰতি তেওঁ কিয় এনে আওকনীয়া হৈছে! ইচ্ছা কৰিলেই তেওঁ চাকৰৰ নিচিনাকৈ এইদৰে মাৰ নাখাই বীৰৰ দৰে জয়ৰ মালা পিন্ধিব পাৰে দেখোন! তাই চিঞৰি কান্দি দিলে– "ফাদাৰ, ফাদাৰ-তাক চৰিয়াব লৈ নিদিব, –মোৰে শপত। কিয় চৰ খাবলৈ গাল পাতি দিছে ফাদাৰ?"

হো-চানে বিদ্রূপ কৰি গৰ্জি উঠিল,–"তাৰ জানো সাহ-পিত কিবা আছে? সি এটা কাগজৰ বাঘ। চা, ফু মাৰি তাৰ বল-শক্তি উৰুৱাই দিওঁ।–চা–"এইবুলি

ফাদাৰ ওবেনিয়নৰ দুয়োগালত চৰিয়াবলৈ ধৰিলে। তাকে দেখি চিউলানে হাউ হাউকৈ কান্দিবলৈ ধৰিলে। ৰান্ধনিঘৰৰ খিৰিকীৰ পৰা মছিঅঁই দেখা পাই হুকুম কৰিলে,— -"ওবেনিয়ন তোমাক মাৰ খোৱা দেখিলে ঈশ্বৰ-মাতৃয়ে কষ্ট পাব। তাক বাধা দিয়া ওলোটাই তাক প্ৰহাৰ কৰ।"

মছিঅঁৰ উদগনি পাই ফাদাৰ ওবেনিয়নে বিবেকৰ কথা মুহূৰ্ত্ততে পাহৰি গ'ল আৰু এই অমানুষিক সংযমৰ বান্ধ সুলকি পৰিল। সোঁহাতেৰে ঘোচা দাঙি চকুৰ পচাৰতে তেওঁ হো-চানৰ পেটত ধনঞ্জয় প্ৰহাৰ কৰিলে। হো-চান কোঁচ-মোঁচ খাই বাগৰি পৰিল। 'মৰিলোঁ' বুলি কোনোমতে চুচৰি গৈ সি দুৱাৰমুখ পালেগৈ। অসহ্য যন্ত্ৰণাত সি দুয়োখন হাতেৰে পেটত খামোচ মাৰি ধৰিলে। দুৱাৰমুখ পোৱাত দুৱৰীটোৱে লৰালৰিকৈ দুৱাৰ মেলি তাক ঠেলা মাৰি বাহিৰলৈ উলিয়াই দি দুৱাৰ জপাই দাং দিলে। তাৰ কি হ'ল বা ক'লৈ গ'ল সেইফালে একো মনোযোগ নিদি ফাদাৰ ওবেনিয়নে লাহে লাহে গৈ ঘৰত সোমাল, --আনকি তেওঁ চিউলানৰ ফালেও কেৰাহিকৈ নাচালে। ভিতৰৰ পৰা ঘৰৰ দুৱাৰ বন্ধ কৰি দিয়া মাত্ৰকে মছিঅঁ আগুৱাই আহি ভালদৰে তেওঁক সাবটি ধৰিলে, --"চাবাচ ধন্য তোমাৰ সাহস ! মই কেৱল তোমাৰ ঘোচাটোহে দেখিবলৈ পালোঁ।"

ফাদাৰ ওবেনিয়নে মূৰ জোকাৰি তেওঁক বিৰত কৰিলে। ক্ৰুছটোৱে সৈতে জপমালা দাল লৈ তেওঁ আঙুলি বুলাবলৈ ধৰিলে। তেওঁৰ বিবেক আকৌ জাগি উঠিল। তেওঁৰ শক্তিশালী হাতৰ মুঠিটোৱে মাৰ শোধাবলৈ সাজু হোৱাৰ লগে লগে অন্তৰৰ আচল মানুহজন ক্ষন্তেকৰ বাবে উত্তেজিত হৈ তেওঁক এটা সাধাৰণ পশু কৰি পেলাইছিল। এই কথাটোৱে তেওঁক সিমান বিব্ৰত কৰা নাছিল। আন এটা কথাৰ বাবেহে তেওঁ নিজকে বেছি অপৰাধী বুলি ভাবিবলৈ বাধ্য হ'ল।

হিয়াৰ মাজত থকা সেই ক্ষুদ্ৰ মানুহজনে এতিয়া তেওঁক ক'বলৈ ধৰিলে,— "ওবেনিয়ন তুমি কি কৰিলা ? তুমি জানা, কিহৰপ্ৰেৰণাত তুমি খিৰিকীৰে গৈ হো-চানৰ ওপৰত জঁপিয়াই পৰিছিলা! যি পৰ্যন্ত মছিঅঁৰ কথা তোমাৰ মনত আছিল, তেতিয়ালৈ তুমি কেৱল চকু মুদি ঈশ্বৰৰ নামকে ললা,—ভাবিলা যে যি কৰিব লাগে ভগবানেই কৰিব। কিন্তু যেতিয়া দেখিলা যে মছিঅঁই চিউলানক হো-চানৰ কবলৰ পৰা উদ্ধাৰ কৰিব পৰা নাই, তেতিয়া আৰু ভগবানৰ ওপৰত তোমাৰ ভৰসা নোহোৱা হ'ল, —তুমি নিজেই তাৰ ব্যৱস্থা কৰিবলৈ বুলি আগুৱাই গ'লা ! এই বিষয়ে তোমাৰ ক'বলগীয়া কি থাকিব পাৰে ? তুমি কেনে পাদ্ৰী ? কিহৰ ধৰ্মযাজক ?"

ফাদাৰ ওবেনিয়নে ফুচফুচাই ক'লে,—"নাই—নাই—মছিঅঁ, অনুগ্ৰহ কৰি

সেইবোৰ কথা নকবাচোন।" তেওঁৰ মনত ধুমুহা উঠিল চকু চলচলীয়া হৈ পৰিল। তেওঁ আৰু তাত ৰ'ব নোৱাৰিলে। লৰি গৈ নিজৰ কোঠালিত সোমাই দৰ্জা বন্ধ কৰি দিলে। তেওঁ নিজকে সম্বৰণ কৰিব নোৱাৰা হ'ল আৰু এই অন্তৰ্দ্বন্দৰ ফলত কাতৰ হৈ পৰিল। বিছনাখনৰ ওচৰতে তেওঁ আঁঠুকাঢ়ি বহি চিন্তা কৰিবলৈ ধৰিলে। কি হ'ল তেওঁৰ! আজীৱন ব্ৰহ্মচৰ্য পালন কৰি ধৰ্মীয় জীৱন-যাপন কৰাৰ মাজতে অন্তৰৰ এই অদ্ভুত ফালটো আজি কি কুক্ষণত এইদৰে উন্মুক্ত হৈ পৰিল? এই বিপদসঙ্কুল কালছোৱাত এয়া কি মানসিক প্ৰতিক্ৰিয়া? ই বুদ্ধি নে বিবেক, সংশয়নে প্ৰত্যয়? এটা মাত্ৰ মুহূৰ্ত—বাগিচাৰ সীমাবদ্ধ আকাশৰ তলত তেওঁ এনে কি দেখিবলৈ পালে যাৰ ফলত এটা অজান অনুভূতিয়ে তেওঁৰ সকলো অহঙ্কাৰ, সকলো আত্মপ্ৰত্যয়ৰ মূলতে কুঠাৰাঘাত কৰিলে? ই যেন তেওঁৰ জীৱনৰ এটা সঙ্কটপূৰ্ণ মুহূৰ্ত, এটা যেন অগ্নিপৰীক্ষা !

গোটেই দিনটো তেওঁ ঘৰৰ পৰা নোলাল। প্ৰাৰ্থনা কৰি কৰি মনত অলপ শান্তি পোৱা যেন অনুভৱ কৰাত তেওঁ বিছনাত দীঘল দি উটৰ নোমৰ খৰখৰীয়া কম্বলখন লৈ শুই পৰিল। ৰাতিৰ আন্ধাৰে কোঠালিটো আগুৰি পেলালে; কিন্তু চাকিটো জ্বলাবলৈ তেওঁৰ উঠি যাবৰ ইচ্ছা নহ'ল। ক'তো একো সাৰ-সুৰ নাই। মছিঅঁ ফিৎসগিবনেও তেওঁৰ একো খবৰ নললে। তেওঁ ইমান ক্লান্ত হৈ পৰিছিল যে কাৰোবাৰ কথা চিন্তা কৰিবৰ শক্তি পৰ্য্যন্ত তেওঁৰ নাইকিয়া হৈ পৰিল। জীৱনত তেওঁ কোনো নাৰীৰ প্ৰেমত পৰা নাছিল ; পুৰুষ আৰু নাৰীৰ প্ৰেম এটা মহাপাতক বুলিহে তেওঁ বিশ্বাস কৰিছিল। তেওঁৰ অতীতৰ কথাবোৰ মনলৈ আহিল। তেওঁৰ পিতাক-মাকে খেতিপথাৰত কাম কৰি জীৱন নিৰ্বাহ কৰিছিল। ছয়টা সন্তানৰ মাজত তেৱেঁই আছিল জ্যেষ্ঠ। পিতাক মাকে ঠিক কৰিলে যে ডাঙৰ ল'ৰাটোক তেওঁলোকে ধৰ্মযাজক কৰিব। বহুদিন আগৰ কথা। আয়াৰ্লেণ্ডৰ উইক্লো গাঁৱৰ অকণমান খেতিপথাৰ এখনত দেউতাকৰ লগত তেওঁ আলুৰ গছবোৰ খুচৰি থাকে। বয়স বাৰ-তেৰ বছৰমান হ'ব। পৰিপূৰ্ণ স্বাস্থ্যৰ এটি নোদোকা ল'ৰা আছিল হেনো তেওঁ। খড়িকা মাৰিলেই যেন গালৰ পৰা তেজ ছিটিকি পৰিব। এই সময়তে এজনী ছোৱালীৰ লগত তেওঁৰ পৰিচয় হয় আৰু সেই পৰিচয়েই সহজ বন্ধুত্বত পৰিণত হয়গৈ। সেইজনীয়ে তেওঁৰ জীৱনৰ প্ৰথম নাৰী—তাইৰ নামটো কিজানি অ্যাচ্ ৰেন্সডে আছিল। গাঁৱত অৱশ্যে ডেকা-গাভৰুৰ মিলনৰ পাতনিখন মেলা হয় এনেকুৱা বয়সতে। এই ছোৱালীজনীৰ লগত উমলি ফুৰোঁতে হঠাৎ এদিন দেউতাকে লগ পালে। পুতেকক দেখিয়ে তেওঁ মাত দিলে,—"ৰচোন বোপাই,—তোক এৰাৰ কথা ক'বলগীয়া আছে।"

তেওঁ উভতি আহিল—আৰু দেউতাকেনো কি কয় শুনিবৰ বাবে থিয় দিলে,—

দেউতাকে ক'লে, —"শুন বোপাই। তয়ে আমাৰ প্ৰথম ল'ৰা। তইঁতৰ ছয় জন ভাই-ককাইৰ মাজত অন্ততঃ এজন সম্পূৰ্ণভাবে ঈশ্বৰৰ সেৱক হ'ব লাগে বুলি মানস কৰিছোঁ আৰু সেই পবিত্ৰ কামৰ বাবে তোকেই আমি উপযুক্ত বুলি স্থিৰ কৰিছোঁ। এনেকুৱা ক্ষেত্ৰত তই ছোৱালী মানুহৰ লগত হলি-গলি কৰাটো অনুচিত হ'ব। ইয়াৰদ্বাৰা তোৰ মন কলুষিত হব, তোক পাপে চুব।"

কথাটো শুনিয়ে তেওঁ চক খাই উঠিছিল। বহুবেলি তেওঁ একো মাতিব নোৱাৰিলে। ঈশ্বৰৰ সেৱক অৰ্থাৎ ধৰ্মযাজক! কথাটো চিন্তা কৰিবলগীয়া আৰু কামটো সহজ নহয়। কিন্তু এই বিষয়ে যে মনলৈ কিবা সন্দেহ বা কুণ্ঠাবোধ আহিব পাৰে তাৰ কোনো যুক্তি তেওঁ বিচাৰি নাপালে। পিতাকৰ অবাধ্য হোৱা বা ঈশ্বৰক অসন্মান কৰা—দুয়োটা সমান পাপ। তেওঁ ধৰ্মযাজক হৈ পৰিল। তেতিয়াৰ পৰা তেওঁ কোনো নাৰীৰ ছাঁ পৰ্য্যন্ত স্পৰ্শ কৰা নাই। বয়সৰ ধৰ্ম্ম অনুযায়ী কেতিয়াবা হয়তো তেওঁৰ দেহ আৰু মনে বিদ্ৰোহ কৰিব খুজিছিল,-- কিন্তু তেওঁ আত্মসমৰ্পণ নকৰাকৈ থাকিব পাৰিছে। এতিয়া আৰু নতুনকৈ নাৰী প্ৰপঞ্চত ভোল যোৱাটো তেওঁৰ বাবে বৰ গৰ্হিত কাম হ'ব, আনকি তেনেকুৱা পাপ চিন্তা মনলৈ আহিবলৈ দিয়াটোও অনুচিত। সেয়া সেউজীয়া ঘাঁহৰ ওপৰত মিঠা হৈ থকা চিউলানজনীৰ কথা তেওঁ আৰু কেতিয়াও নাভাবে। কথাটো মনলৈ অহা মাত্ৰকে তেওঁৰ বুকুৰ মাজত এটা কান্দোনৰ ৰোল উঠিল। হাতদুখনেৰে তেওঁ চকুদুটা ঢাকি ধৰিলে। কি আচৰিত! নাভাবিব বুলি ভবা সত্ত্বেও তাইৰ নামটো তেওঁ পাহৰিব নোৱাৰে যেন লাগিল। বেছ দেখা যাওক- মনটোক সমুখলৈ আনি চিউলানৰ কথা নুলিয়াবলৈ সতৰ্ক কৰি দিব, চিন্তা শক্তিক সংযত হ'বলৈ আদেশ দিব। তেতিয়াও যদি চিউলান থাকি যায়, তেন্তে তাই চিৰকাল এটা অশৰীৰী ছায়া হৈ থাকক বাঁহৰ বাগিচা খনৰ চাৰিসীমাৰ মাজতে, আবদ্ধ হৈ থাকক ঠিক যেন এটা প্ৰতিবিম্ব-এটা প্ৰতিমূৰ্ত্তি...। ওহো প্ৰতিমূৰ্ত্তি নহয় ; কাৰণ তেওঁৰ চিন্তাজগতত মাত্ৰ এটা প্ৰতিমূৰ্তিৰ স্থানহে থকা উচিত—কুমাৰী ঈশ্বৰ মাতৃৰ— যাঃ— গোটেইখন খেলিমেলি হৈ গ'ল ; আকৌ মনটো দুষ্ট হৈ পৰিল। বাৰু—বেছ- -তাৰো উপায় আছে। তেওঁৰ মন বা স্মৃতি একোৰে প্ৰয়োজন নাই। দুয়োকে নিৰ্বাসন দিব, একেবাৰে নিশ্চিহ্ন কৰি পেলাব। এইটো কি বস্তু বাৰু? ইয়াকে প্ৰেম বোলে নেকি? কিন্তু প্ৰেম পৰিহাৰ কৰিবলৈকেইতো তেওঁ শিক্ষা লাভ কৰি আহিছে, ইয়াৰ পৰা আঁতৰি থাকিবলৈ সদায় সাৱধানবাণী শুনি আহিছে। কিন্তু এটা কথা কোনেও তেওঁক কোৱা নাছিল যে প্ৰেম এবিধ এনে বস্তু যি অজানিতে শৰীৰত প্ৰবেশ কৰি

তেজৰ লগত মিহলি হৈ যাব পাৰে আৰু তেজৰ সোঁতৰ লগত সিৰে সিৰে বৈ গৈ হিয়াত উপস্থিত হ'বগৈ পাৰে। যদি সেয়ে হৈছে, তেন্তে বৰ সাংঘাতিক কথা। তেজৰ পৰা এই বিষাক্ত বস্তুটো দূৰ কৰা সহজ কাম নহয়। মৃত্যুভিন্ন আন একোৱে ইয়াৰ কবলৰ পৰা তেওঁক উদ্ধাৰ কৰিব নোৱাৰিব। কষ্ট খাইনো জীয়াই থাকে কেনেকৈ?

কাষতে থকা মেজখনৰ পৰা কিতাপ এখন আনি চাকিটো জ্বলাই তেওঁ পঢ়িবলৈ বুলি কিতাপখন খুলিলে। ছেইণ্ট প'লৰ পবিত্ৰ কথা এফাঁকি তেওঁ পঢ়ি পেলালে,--"জ্বলি মৰাতকৈ বিয়া কৰোৱা ভাল।" এই কথাষাৰ ভালদৰে হৃদয়ঙ্গম হ'লে তেওঁ কিজানি সকলো পাহৰি থাকিব পাৰিলেহেঁতেন। এৰা প্ৰেমৰ জুয়ে কেনেকৈ জ্বলায় সেই কথা ছেইণ্ট প'লে বুজিছিল। নাই ৰক্ষা নাই---ইয়াৰ পৰা অব্যাহতি পোৱা অসম্ভৱ। কিতাপখন জপাব খোজোঁতেই লাহেকৈ দুৱাৰখন মেল খালে।

"আপুনি মেজত থকা বেলটো বজাইছিল নেকি?"

--এয়া তাইৰে মাত! মেজত এটা বেল আছিল হয়। কিন্তু চাকৰবোৰ গুচি যোৱাত সেইটোৰ দৰকাৰ নোহোৱা হ'ল।

"ওহোঁ--মই বেল-চেল বজোৱা নাই।" কিতাপখনৰ পৰা মূৰ নোতোলাকৈ তেওঁ উত্তৰ দিলে।

"কিন্তু মই দেখোন স্পষ্টকৈ শুনিবলৈ পালোঁ।"

তেওঁ কিতাপখনৰ কাষেদি তাইৰ ফালে চালে। নোচোৱাকৈ থাকিব নোৱাৰিলে। তাই ঠিক দুৱাৰখনৰ কাষতে থিয় দি আছিল ও'ৰু চাকিটোৰ পোহৰখিনি গৈ তাইৰ গাত পৰিছিল--ভগৱানে যেন তেওঁক ৰক্ষা কৰে। তাই দেখিবলৈ ইমান ধুনীয়া!

"আঃ--কৈছোঁ নহয় যে মই বজোৱা নাই।" তেওঁ ক'লে।

তাই তিনিখোজমান পিছুৱাই আহিল। মুখত সেই মনবলিয়া কৰা সুন্দৰ হাঁহিটো! তাই ক'লে, "আপুনি ঘপহকৈ গুচি আহিল। মই আপোনাৰ সাহসৰ কথাকে ক'ম বুলি ভাবিছিলোঁ। আচলতে আপোনাৰ সাহ আৰু বলৰ তুলনা নাই। আপুনি এজন খু--উ--ব ডাঙৰ শক্তিমান পুৰুষ। আপুনি সকলোতকৈ ভাল,--মোৰ মনত আপুনি এজন দেৱতা।"

ফাদাৰ ওবেনিয়নে তাইৰফালে থৰ লাগি চাই থাকিল। তাইৰ মৰমলগা কথাবোৰ শুনি শৰীৰৰ মাজেদি পুলকৰ শিহৰণ এটা বৈ গ'ল। বুকুৰ ভিতৰত কিবা এটাই হেঁচা মাৰি ধৰাত তেওঁ ভয়তে কঁপি উঠিল। মুখ শুকাই গ'ল। তেওঁ মুখেৰে একো মাতিব নোৱাৰিলে।

তাই আৰু দুখোজমান আগুৱাই আহিল।

সৰু সৰু হাতদুখনেৰে হাতযোৰ কৰি বিনীতভাৱে তাই সুধিলে,

"আপোনাৰ কিবা কাম কৰি দিব পাৰোঁ নেকি ফাদাৰ?"

"নাই — একো কাম নাই"

"আপোনাৰ যি কামকে হওক মই কৰিব পাৰোঁ ফাদাৰ।"

"তেন্তে এটা কাম কৰা, চিউলান। তুমি ইয়াৰ পৰা ততালিকে গুচি যোৱা। মোক অকলে থাকিবলৈ দিয়া।"

তেওঁ তাইৰ পৰা মুখ ঘূৰাই দেৱালৰ ফালে চাই থাকিল। চিউলানে অলপ সময় অপেক্ষা কৰি লাহে লাহে আঁতৰি গ'ল। দুৱাৰমুখত অলপ বৈ তাই লাহেকৈ প্ৰশ্ন কৰিলে, "যদি কিবা দৰকাৰ হয় তেন্তে ...."

কোমল কথাষাৰে তেওঁৰ হৃদয় স্পৰ্শ কৰিলে। তেওঁ দেৱালৰ পৰা ঘূৰি তাইৰ ফালে চাবলৈ বাধ্য হ'ল। হিয়াৰ মাজৰ এষাৰ কথাই, এটি মাত্ৰ মৰমৰ মাতে— প্ৰকাশৰ বাবে জিভাৰ আগত উপস্থিত হ'লহি। সেই পথ ৰুদ্ধ কৰিবলৈ তেওঁ আপ্ৰাণ চেষ্টা কৰি দাঁতে দাঁতে কামুৰি ধৰিলে.। উদ্গাত আবেগ আৰু নিষ্ঠুৰ সংযমৰ সংঘাতত তেওঁ ক্ষন্তেকৰ বাবে নিতাল মাৰি থাকিল। শেষত হিলৈ ফুটাদি এষাৰ কথা মুখেৰে বাহিৰ হৈ আহিল---

"যোৱা দূৰ হৈ যোৱা।"

পিচ মুহূৰ্ততে দুৱাৰ বন্ধ হোৱা শব্দ এটা তেওঁৰ কাণত পৰিল।

তাই গুচি যোৱাত ফাদাৰ ওবেনিয়নে নিজকে কৈ উঠিল--"এইবেলি তোক জয় কৰিলোঁ চয়তান। ভাবিছিলি হ'বলা যে তোৰ হাতত মই পৰাজয় স্বীকাৰ কৰিম? দেখিলিনে নাই তাইক মই কেনেকৈ দূৰ কৰি দিলোঁ? তই আচৰিত হৈছ— নহয় জানো? কিন্তু সঁচাকৈয়ে তাইক মই খেদি পঠাইছোঁ।"

তেওঁ কিতাপখন আকৌ খুলি লৈ খুব সাৱধানে প্ৰতিটো শব্দ দাড়ি-ক'মা নেৰাকৈ ডাঙৰ ডাঙৰকৈ পঢ়িবলৈ ধৰিলে। ইমান ডাঙৰকৈ পঢ়াত লাগি গ'ল যে তেওঁ নিজেই নিজৰ মাত শুনিবলৈ পালে। মাজতে একোবাৰ বৈ তেওঁ নিজকে ধিক্কাৰ দিয়ে, আকৌ পঢ়া আৰম্ভ কৰে। হঠাৎ তেওঁ পঢ়িবলৈ এৰি দুৱাৰত হোৱা শব্দ এটালৈ মনোযোগ দিলে। কোনোবাই যেন দুৱাৰখন ঠেলা মাৰি দিলে। আকৌ তায়েই দুৱাৰখন ঠেলা মাৰি দিলে। আকৌ তায়েই আহিল নেকি! –

"হে ভগৱান, যদি এইদৰে পদে পদে মই তাইৰ কথা ভাবোঁ তেন্তে পাপসাগৰত দেখোন ডুব যাব লাগিব!"

ফাদাৰ ওবেনিয়নে কিতাপ খন দলিয়াই দিলে। মনৰ এই অস্থিৰতাই তেওঁক খুব পীড়া কৰিবলৈ ধৰিলে। সমুখত গাৰুটো পাই তাকে পাৰেমানে ঘুচিয়ালে। ক্ষন্তেক আগতে হো-চানৰ লগত যুঁজাৰ বাবেই হওক বা মনটোৱে এটা পাপৰ বোজা অনাহকতে কঢ়িয়াই ফুৰিবলগীয়া হোৱা কাৰণেই হওক, তেওঁ বৰ ক্লান্ত হৈ পৰিছিল। এই পাপৰ বোজাটোৰ পৰা কেতিয়া যে তেওঁ অব্যাহতি পাব, এই বোজাৰ গুৰুভাৰ বহন কৰি থাকিব লাগিব এইটোৱে তেওঁক চিন্তিত কৰি তুলিলে। তেওঁক বিশ্ৰামৰ প্ৰয়োজন। টোপনি যাব পাৰিলে হয়তো মনটো পাতল হ'লহেঁতেন। ইয়াকে ভাবি তেওঁ শুবৰ চেষ্টা কৰিলে। আঙুলি দুটাৰে চেপা মাৰি তেওঁ চাকিটো নুমাই দিলে-- জুইৰ তাপত আঙুলি দেই গল, কিন্তু তালৈ তেওঁৰ কাণসাৰ নাই। কোঠালিটো আন্ধাৰ হৈ পৰিল। চাকি নুমাবলৈ হাতখন দাঙোতে চোলাত লাগি বেলটো মেজৰ পৰা মাটিত পৰি গ'ল। শিলৰ মজিয়াত বেলটো পৰাত জনজনকৈ এটা শব্দ হ'ল।

ঠিক সেই মুহূৰ্ততে দুৱাৰ খোলাৰ শব্দ তেওঁৰ কাণত পৰিল।

"এইবাৰ মোৰ একো ভুল হোৱা নাই ফাদাৰ। আপুনি নিশ্চয় বেল বজাইছে আৰু মই স্পষ্টকৈ শুনিবলৈ পাইছোঁ।" চিউলানে সোমাই আহি ক'লে।

ফাদাৰ ওবেনিয়নে উত্তৰ দিলে, "মই বেল বজোৱা নাই, কিন্তু শব্দ এটা হৈছে হয়। সেয়া বেলটো মেজৰপৰা মাটিত পৰি গ'ল।"

তেওঁ জুইশলা খেপিয়াবলৈ ধৰিলে আৰু চাকিটো আকৌ জ্বলাই দিলে। সেয়া তাই কাষতে ঠিয় দিছেহি। তাইক হাঁহি থকা হৃষ্ট-পুষ্ট ৰঙিয়াল কেঁচুৱা এটি যেন দেখা তেওঁৰ গৈছিল।

মাতত এমোকোৰা মৰম সানি তাই ক'লে,-- "বুজিছোঁ ফাদাৰ --মই সকলো কথা গম পাইছোঁ। আপুনি ফাঁকি দিছে। আচলতে আপুনি মোক বিচাৰিছিল আৰু সেয়ে বেলটো বজাই দি চাকিটো নুমাইছিল।"

"নহয়--নহয়" তেওঁ কথাবোৰত খুব জোৰ দি ক'লে--"চোৱা,--সেয়া বেলটো মাটিতে পৰি আছে।"

"ক'তা মই দেখাই নাই চোন।" তাই ক'লে।

"তেনেহ'লে খাটৰ তললৈ বাগৰি গ'ল হবলা!"

তেওঁৰ ইচ্ছা হ'ল যেন উঠি গৈ তাইক বাহিৰলৈ ঠেলি উলিয়াই দিব। কিন্তু সেই ইচ্ছা তেওঁ বাদ দিলে,-- তাইৰ গাত হাত দিবলৈ তেওঁৰ সাহ নাই। কেনেবাকৈ যদি এবাৰ তাইৰ গাত হাত দিবলগীয়া হয়, তেন্তে তেওঁৰ পাদ্ৰী জীৱনৰ ওৰ পৰিব।

গতিকে তেওঁ বিছনাতে পৰি থাকিল আৰু তাই থাকিল দূৰত। দুয়োৰে মাজৰ এই সন্মানজনক দূৰত্বটোৱে ফাদাৰ ওবেনিয়নৰ আত্মা কলুষিত হোৱাৰ পৰা ৰক্ষা কৰিলে।

"ভাল, বাৰু। বেলটো ক'ত পৰিল, ময়ে বিচাৰি চাওঁ।"

ফাদাৰ ওবেনিয়নে হাক দিবলৈ সুবিধা পোৱাৰ আগতে তাই অকণমান ছোৱালীজনীৰ দৰে হেলাৰঙে হালি গৈ খাটৰ তলত সোমাই মজিয়াৰ ওপৰত খেপিয়াবলৈ ধৰিলে।

ঠিক এই মুহূৰ্ততে যে মছিঅঁ ফিৎসগিবন আহি দুৱাৰত টুকুৰিয়াই দিব, সেইটো এটা অদ্ভুত কাকতালীয়বৎ যোগাযোগ বুলিয়ে ধৰিব লাগিব। ফাদাৰ ওবেনিয়নৰ খবৰ লবলৈ তেওঁ আৰু আন সময় নাপালে। কিহে তেওঁক নিজা কোঠালিটো সেই সময়তে এৰি আহিবলৈ বাধ্য কৰিলে। সেই কথা জানিবৰ উপায় নাই। হয়তো তেওঁ অনুমানতে গম পাইছিল যে ৰেক্টৰীৰ ভিতৰত কোনো এটি আচৰিত প্ৰাণীৰ আবিৰ্ভাব হৈছিল। অথবা এনেও হ'ব পাৰে যে বহুসময়ত লগৰ পাদ্ৰীজনক দেখা নাপাই তেওঁ বৰ অকলশৰীয়া বোধ কৰিছিল আৰু নিঃসঙ্গতাৰ বেদনা ঠিক আন্ধাৰ হোৱাৰ লগে লগে চৰম পৰ্যায়ত উঠাত তেওঁ ৰ'ব নোৱাৰি ওলাই আহিছে। যিয়েই নহওক, তেওঁ এবাৰ মাত্ৰ দুৱাৰত টুকুৰিয়াই অকণো অপেক্ষা নকৰাকৈ কোঠালিৰ ভিতৰলৈ সোমাই আহি মাত দিলে-- 'ওবেনিয়ন"

মছিঅঁৰ মাত শুনা মাত্ৰকে চিউলানে তাইৰ কণ কণ ভৰি দুখন খাটৰ তললৈ সুমুৱাই লৈ ওলমি থকা কম্বলখন আঁঠুবা টনাৰ দৰে টানিটুনি ঠিক কৰি ল'লে।

ফাদাৰ ওবেনিয়নে ধৰমৰকৈ জাঁপ মাৰি উঠি খাটৰ দাঁতিয়েদি ভৰি দুখন ওলোমাই দিলে। চিউলান কোঠালিত থকা কথাটো লুকুৱাবলৈ তেওঁ বৰ ব্যস্ত হৈ পৰিল। পিচ মুহূৰ্ততে তেওঁ চিন্তা কৰি দেখিলে যে এই ব্যস্ততাই তেওঁক বিপদতহে পেলাব পাৰে। কিন্তু একোটা কাম মুহূৰ্তৰ ভিতৰতে এনে যুক্তিবিহীনভাৱে কৰি পেলোৱা হয় যে তাৰ ফলাফল কি হ'ব পাৰে সেইকথা চিন্তা কৰিবৰ সময় নাথাকে। ফাদাৰ ওবেনিয়নৰো সেয়ে হ'ল।

মছিঅঁই হ'লে এইবোৰ লক্ষ্য নকৰিলে। তেওঁ ক'লে, "ওবেনিয়ন, মই পঢ়ি থাকোঁতে ছেইণ্ট টমাছৰ জীৱনৰ ভাল কথা এষাৰ চকুত পৰিল। কথাখিনি আমাৰ অৱস্থাৰ লগত মিলি যায়। সেই অধ্যায়টো পঢ়ি মই মনত বৰ শান্তি পালোঁ আৰু ভাবিলো যে তুমিও নিশ্চয় মনত শান্তি পাবা।"

ফাদাৰ ওবেনিয়নে স্বস্তিৰ নিশ্বাস পেলাই ক'লে—"হয়—মছিঅঁ, —এই শান্তিৰেই মোৰ আটাইতকৈ বেছি প্ৰয়োজন হৈছে।"

মছিঅঁই এখন জৰাজীৰ্ণ কিতাপ ফাদাৰ ওবেনিয়নৰ হাতত দি মেজৰ ওচৰত থকা বাঁহৰ টুলখনতে বহিল।

"পঢ়া" তেওঁ আদেশ কৰিলে, "তুমি ডাঙৰকৈ পঢ়ি যোৱা। মই চকুমুদি শুনিহে ভাল পাম।" তেওঁ ভৰি মেলি আঁঠুৰ ওপৰত হাত দুখন থৈ চকুদুটা জোৰ কৰি মুদি দিলে। থোকাথুকি মাতেৰে ফাদাৰ ওবেনিয়নে সুৰ ধৰি পঢ়ি গ'ল,

ঈশ্বৰে বোলন্ত শুনিয়োক সন্ত
কহা সত্য কৰি মোক
মোহোৰ আদেশে যিবা কোনো দেশে
মধ্যে ইটো তিনিলোক।।
টমাছে বোলয় তুমি লীলাময়
পালিবো তোমাৰ বাক।
াতৰ বিনে যিবা কোনো থানে
যাবো কাৰ্য সাধিবাক।।
ঈশ্বৰ বদতি শুনা মহামতি
ইটো কথা অশোভন।।
আমাৰ আদেশে ভাৰত বৰিষে
ত্বৰিতে কৰা গমন।।
তযু ভক্তগণে তোমাক সঘনে
'সন্ত' নাম ধৰি ডাকে।
যিটো শুদ্ধ নাম গুণে অনুপাম
যেনো ভাৰততো থাকে।।
ভাৰত বৰিষে নগৈলে হৰিষে
শুদ্ধ 'সন্ত' তযু নাম।
ধৰাত সমূলি নাথাকিবো বুলি
জানিবাহা পৰিণাম।।"

মছিঅঁই হঠাৎ চকুমেলি কলে,—"শুনিছা ওবেনিয়ন, ভগৱানৰ কি কঠিন আদেশ! ইয়াৰদ্বাৰাই ভগৱানে আমাকো এই আদেশ দিছে যে, আমি যদি এই চীন দেশত থাকি সন্ত নামৰ যোগ্য হ'ব নোৱাৰোঁ, —তেন্তে............"

হঠাৎ তেওঁ খাটৰ তলত কিবা লৰচৰ কৰা যেন দেখিলে। মুখৰ কথা মুখতে থাকিল। খাটৰ তললৈ চাই সুধিলে, "খাটৰ তলত সেইটো কি?"

ফাদাৰ ওবেনিয়নৰ মূৰ ঘূৰাই গ'ল। কোনোমতে সেপ ঢুকি কলে,– "আপুনি কিবা দেখিলে নেকি?"

মছিঅঁই হালি গৈ ভালদৰে চাই কলে, "এৰা এখন ভৰি! এঃ তিৰোতা মানুহৰ ভৰি দেখোন! ই কি কথা ওবেনিয়ন?" বাঘৰ দৰে গৰ্জন কৰি মছিঅঁই প্ৰশ্ন কৰিলে।

"মোৰ শপত ...." ফাদাৰ ওবেনিয়নে আৰু কিবা কব খোজোঁতেই হাতত বেলটো লৈ খাটৰ তলৰ পৰা চিউলান ওলাই আহি দুয়োৰে সমুখত ঠিয় দিলে।

অত্যন্ত নিৰ্লিপ্তভাৱে তাই ক'লে,–"এয়া এইটো আপুনি বিচাৰি নাপালেহেঁতেন ফাদাৰ। একেবাৰে দেৱালৰ কাষলৈ বাগৰি গৈছিল।"

বলটো মচি মেজত থৈ তাই চোলাৰ পৰা ধূলি-মাকতিবোৰ জোকাৰি পেলালে "আই ঐ দেহি,—খাটৰ তলত ইমান ধূলি জমা হৈছে! কিজানি কোনেও— বহুদিন সৰাই নাই। এতিয়াই এইবোৰ সাৰি-জাৰি জোকাৰি চাফ কৰিব লাগিব। মই আহিছোঁ যেতিয়া আৰু একো অসুবিধা নহয়। মই আপোনালোক দুয়োৰো সকলো আলপৈচান ধৰিব পাৰিম।"

তাইৰ কথালৈ কাণ নিদি মছিঅঁই তেওঁৰ গলগলীয়া মাতটো আৰু বেছি কৰ্কশ কৰি পেলালে। "ওবেনিয়ন, এই বিষয়ে তোমাৰ পৰা কৈফিয়ৎ বিচাৰিছোঁ।"

অতি নম্ৰভাৱে চিউলানে তপৰাই মাত দিলে, "প্ৰভু,—মই হঠাৎ বেল বজোৱা যেন শুনি এখেতক কিবা লাগে নেকি সুধিবলৈ বুলি আহিলোঁ। দেখোঁ যে এখেতে চাকি জ্বলাবলৈ জুইশলা মাৰোঁতে হাত লাগি মেজৰপৰা বেলটো পৰি গৈছে। সেইটো পৰিয়েই বাগৰি গৈ খাটৰ তলত..."

মছিঅঁই ধমক দি উঠিল— "তোৰ কথা শুনাৰ মোৰ দৰকাৰ নাই। গুচি যা ইয়াৰ পৰা।"

"ওঁ...! আপোনালোকৰ বাবে ভাত বহাবৰ সময় হৈছে। মই আহিলোঁ বুলি অপূৰ্ব ভঙ্গিমাৰে বতাহত কঁপি উঠা পদুম কলিটোৰ দৰে হালি-জালি তাই কোঠালিৰ পৰা ওলাই গ'ল।

মছিঅঁই থিয় দিলে। পদবীৰ গৰিমাৰ লগত মনত খং মিহলি হৈ তেওঁক দেখাত বহু ডাঙৰ কৰি পেলালে।

তেওঁ আদেশ কৰিলে-- "আঁঠু লোৱা ওবেনিয়ন। মই কৈছোঁ, তুমি আঁঠু লোৱা। তুমি ভগৱানৰ ওচৰত মাৰ্জনা ভিক্ষা কৰিব লাগিব। দুৱাৰত তলা লগাই থ'বা। কালিলৈ পুৱা ঠিক সাত বজাত বাগিচাত মোক লগ ধৰিবা। তাৰ আগতে একো নাখাবা। তেতিয়া সকলো কথা আলোচনা কৰিম। এতিয়া খং উঠিছে, এনে অৱস্থাত একো নকওঁ। মনত থাকিবনে?"

ফাদাৰ ওবেনিয়নে কাকুতি কৰি ক'লে— "কিন্তু প্ৰভু--মইতো একো কৰা নাই--মই নিৰ্দোষী।"

মছিঅঁই কঠোৰ দৃষ্টিৰে তেওঁৰ ফালে চাই ক'লে-- "তোমাৰ চকুত মই যি দেখিবলৈ পাইছোঁ সেয়ে তোমাৰ মুখতকৈ বহু বেছি কৈ পেলাইছে, আৰু সি মোৰ মনপূত হোৱা নাই বুলি জানিবা।" এই বুলি কৈয়েই তেওঁ গম গমাই গুচি গ'ল আৰু যাওঁতে সশব্দে দুৱাৰখন বন্ধ কৰি থৈ গ'ল।

হিয়া বিদীৰ্ণ কৰি ফাদাৰ ওবেনিয়নৰ এটা দীঘল হুমুনিয়াহ ওলাই বতাহত মিলি গ'ল। লাহেকৈ উঠি খালী ভৰিৰে গৈ তেওঁ দুৱাৰত তলা লগাই বিছনাৰ ওচৰতে আঁঠু কাঢি বহিল। ভাগৰ আৰু মানসিক যন্ত্ৰণাত তেওঁ কাতৰ হৈ পৰিছিল। প্ৰাৰ্থনা কৰিবলৈ তেওঁ চেষ্টা কৰাৰ লগে লগে টোপনিয়ে হেঁচা মাৰি ধৰিলে। কেতিয়া তেওঁ অচেতন হৈ পৰিল ক'বই নোৱাৰিলে। মাজৰাতি জাৰত কঁপি কঁপি সাৰ পাই তেওঁ বিছনাত পৰি ৰাতিপুৱালৈ শুই থাকিল।

★ ★ ★

পিচদিনা ৰাতিপুৱা ঠিক সাত বজাত ফাদাৰ ওবেনিয়ন বাগিচাত উপস্থিত হ'লগৈ। টোপনিয়ে তেওঁৰ মনৰ অস্থিৰতা দূৰ কৰিব নোৱাৰিলে। ৰাতিপুৱাৰ লগে লগে আউল লগা চিন্তাবোৰে তেওঁক জুমুৰি দি ধৰিলেহি। অন্তৰত দুটা শক্তিয়ে বিদ্ৰোহ কৰি উঠিল : এটা হ'ল তেওঁৰ আদৰ্শপন্থী পাদ্ৰীজন আৰু আনটো হল তেজ-মঙহৰ মানুহজন। এই পৰ্যন্ত এই বিদ্ৰোহত কোনো জয়ী হ'ব পৰা নাই। সাৰ পোৱাৰ লগে লগে ক্লান্ত মনটোক শৰীৰৰ দৃঢ়তাৰে তেওঁ যুদ্ধ কৰিবৰ চেষ্টা কৰিলে। বাস্তৱ চেতনাই এটা শঙ্কাবিহীন আত্মপ্ৰত্যয়ৰ ভাব লৈ অতীন্দ্ৰিয় অনুশোচনাৰ পথ আগচি ধৰিলে। কিহৰ অনুশোচনা? তেওঁৰ তেজ-মঙহৰ মানুহটোৱে বাৰে বাৰে

প্ৰশ্ন কৰে। শৰীৰৰদ্বাৰা কোনো কুকৰ্মত লিপ্ত হোৱা দূৰৈৰ কথা, সকলো সম্ভাবনাৰ মাজতো বিবেকৰ শাসন মানি মনটোক যে কলুষিত হ'ব দিয়া নাই। তাৰবাবে তেওঁ প্ৰশংসাৰ পাত্ৰ হোৱাহে উচিত।

তেওঁ আকুলভাৱে ঈশ্বৰৰ নাম লৈ বিছনাৰ পৰা উঠি হাত-মুখ ধুই আৰু নতুনকৈ পাতল নীলা ৰঙৰ হলৌ চোলা এটা গাত সুমুৱাই ল'লে। দুৱাৰখন মেলি দিয়াৰ লগে লগে পুৱাৰ শীতল বতাহ এছাটি আহি তেওঁৰ মুৰৰ ওপৰেদি বাগৰি গ'ল। তেওঁ লাহে লাহে ঘৰৰ পৰা ওলাই বাগিচাত থকা শিলৰ বেঞ্চখনত বহিলগৈ। ৰাতি কেতিয়াবা এজাক বৰষুণ হৈছিল আৰু অ'ৰ-তৰ গাঁতবোৰত পানী জমা হৈছিল। এজনী দহিকতৰাই তাৰে এটাত কণ কণ পাখিবোৰ জোকাৰি নাচি নাচি গা ধুই আছিল। ফাদাৰ ওবেনিয়নে যে কেতিযাবা গৈ সেইখিনি পাইছিল তালৈ তাইৰ লক্ষ্যই নাই। শেষত মছিঅঁ আহি পোৱাতহে তাই চক খাই উৰা মাৰি গুচি গ'ল।

মছিঅঁক দেখি ফাদাৰ ওবেনিয়নে ঠিয় দিলে।

মছিঅঁ আজি যোল অনাই পাদ্ৰী হৈ পৰিছিল। গাত নতুন হলৌ চোলা, বুকুৰ ওপৰত ওলমি থকা চিকচিকীয়া ক্ৰুছিফিক্সটো আৰু হাতত্ সৰু বেতৰ লাঠিদাল তেওঁ যেতিয়াই ধৰ্মসংক্ৰান্ত কাম পৰিদৰ্শন কৰিবলৈ ওলাই যায়, তেতিয়াই হাতত এই লাঠিডাল লয়। এইডাল হাতত লৈ অহা বাবে ওবেনিয়নে জানিলে যে কথা গহীন। মছিঅঁ আজি পূৰামাত্ৰাই তেওঁৰ উপৰিবালা আৰু তেওঁ এজন তলতীয়া কৰ্মচাৰী--এজন পাপাসক্ত নিঃকিন পাদ্ৰী। অৱশ্যে মছিঅঁইহে তেওঁক পাপাসক্ত বুলি ভাবে। পুৰুষৰ খাটৰ তলত এজনী নিৰ্দোষী তিৰোতা এনেয়ে কেতিয়াও সোমাই নাথাকে বুলিয়ে তেওঁৰ দৃঢ় বিশ্বাস।

গম্ভীৰভাৱে কৰ্তৃত্বৰ সুৰত মছিঅঁই সুধিলে, "ওবেনিয়ন!"

"সেৱাহে জনাইছোঁ প্ৰভু"- ফাদাৰ ওবেনিয়নে উত্তৰ দিলে।

"আহা, আমি খোজকাঢ়ি কাঢ়ি কথা পাতোঁ।" মছিঅঁই মাতিলে। শিল পাৰি দিয়া আলিটোৰে দুয়ো আগবাঢ়ি গ'ল। শান্ত ল'ৰাটিৰ দৰে ফাদাৰ ওবেনিয়ন নীৰব হৈ ৰ'ল। স্নিগ্ধ ৰাতিপুৱাৰ নতুন সূৰুযৰ সোণবুলীয়া পোহৰকণে মেজিবোৰৰ লগত লুকা-ভাকু খেলি ফুৰিছিল। দহিকতৰাটোৰে বাহৰ জোপোহাটোৰ মাজৰ পৰা কিৰিলি পাৰি কিৰাকিৰি গাই আছিল। চিউলানে যেন কিবা ভাবি-গুণিহে সেই ঠাইৰ পৰা আত্মগোপন কৰি আছিল।

মছিঅঁই পহিলাতে আৰম্ভ কৰিলে,-- "শুনা ওবেনিয়ন। প্ৰথম কথা হ'ল এয়ে যে সেই তিৰোতাজনীয়ে ঘটনাক্ৰমেহে তোমাৰ খাটৰ তলত সোমাই আছিল

এই কথা কেতিয়াও বিশ্বাসযোগ্য হ'ব নোৱাৰে। এই গছত গৰু উঠা কথাটো তুমি বাৰে বাৰে কৈ নাথাকিবা"।

ফাদাৰ ওবেনিযন এই সকলোবোৰ কথা গা পাতি ল'বলৈ প্ৰস্তুত নহয়। ইমান পৰে এটা হতাশাৰ ভাবে তেওঁক ম্ৰিয়মান কৰি ৰাখিছিল, কিন্তু এতিয়া তেওঁ আত্মৰক্ষাৰ চেষ্টা কৰিবলৈ সক্ষম হৈ পৰিল। আনে যিয়েই নকওক, তেওঁ নিজে জানে যে তেওঁ কোনো দোষণীয় কাম কৰা নাই। জেওৰা দেও দি বাগিচাত ছাগলী সোমোৱাৰ দৰে তেওঁৰ অন্তৰত যদি প্ৰেম বোলা অনুভূতি এটাই অনধিকাৰ প্ৰবেশ কৰিছিল, তেন্তে তাৰবাবে তেওঁ জগৰীয়া হ'ব নোৱাৰে। তেওঁ প্ৰেম বিচাৰিও ফুৰা নাই আৰু তাৰ প্ৰতি তেওঁৰ কোনো হাবিয়াসো নাই। বৰং পাপী, দুৰ্বল আৰু বঞ্চিত জনৰ বাহিৰে ভাল পাবলৈ তেওঁৰ কোনো প্ৰবৃত্তি নাই। সকলো ধৰ্মযাজকেই এইদৰে পাপী, তাপী আৰু দুষ্টজনক ভাল পাবলৈ আৰু সেৱা কৰিবলৈ বাধ্য। এই প্ৰেমৰ কোনো দাহিকা শক্তি নাই আৰু নাৰীৰ সৌন্দৰ্যৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। তেওঁৰ মনোজগতত যদি চিউলানৰ ৰূপ-সৌন্দৰ্যই কিবা ৰেখাপাত কৰিবৰ চেষ্টা কৰে, তেন্তে তেওঁ কঠোৰভাৱে তাক নিশ্চিহ্ন কৰিবলৈ পালে নিশ্চয় আনন্দ পাব।

মছিঅঁৰ অভিযোগৰ প্ৰত্যুত্তৰ দি ফাদাৰ ওবেনিয়নে ক'লে, "তাই মোৰ খাটৰ তলত সোমোৱা কথাটোত মোৰ ওৰফৰ পৰা কোনো অভিসন্ধি নাই মছিঅঁ।"

মছিঅঁৰ লগত তৰ্ক কৰিবৰ ধৃষ্টতা তেওঁৰ নাছিল, কিন্তু তেওঁৰ কথা শুনি বৃদ্ধৰ ৰং উঠিল। হাতৰ বেতডালেৰে শিল এটাৰ গাত কোব মাৰি তেওঁ গৰ্জি উঠিল, "কিন্তু তাই তাত তোমাৰ খাটৰ তলত যে আছিল সেইটো দেখ দেখ কথা হয় নে নহয়?"

ফাদাৰ ওবেনিযনে স্বীকাৰ কৰিলে-- "হয়, তাই তাত আছিল। কিন্তু তায়েতো ক'লে যে "

বাধা দি মছিঅঁই ক'লে, "তাইৰ সেইবোৰ ছলাহী কথা মই বিশ্বাস কৰিম বুলি ভাবিছা নেকি? ইমান মূৰ্খ বুলি মোক নাভাবিবা ওবেনিয়ন। তাই নকওক লাগে,--তাই তাত সোমাই থকাৰ কোনো সঙ্গত কাৰণ থাকিব নোৱাৰে। এইকথা স্বীকাৰ কৰা নে নাই?"

"স্বীকাৰ কৰিছোঁ বাৰু।" ফাদাৰ ওবেনিয়নে ক'লে,-- "তাই তাত সোমাই থকাটো আপোনাৰ দৰে ময়ো অবাঞ্ছনীয় বুলি ভাবোঁ। আচলতে তাই খাটৰ তলত সোমোৱা দেখি মই হতভম্ব হৈ....."

"হ....ত....ভ......স্ব!" মছিঅঁৰ মাতত বিদ্রূপৰ সুৰ স্পষ্ট হৈ পৰিল। "খাটৰ তলত সোমোৱাটো পিচৰ কথা। মোৰ প্ৰশ্ন হৈছে, তাই তোমাৰ কোঠালীত সোমাইছিল কিয়? ইয়াকে মই পহিলাতে জানিব খোজোঁ।"

ফাদাৰ ওবেনিয়ন বিব্ৰত হৈ পৰিল। গোটেইখন খেলি-মেলি হৈ যোৱা যেন লগাত তেওঁ কথাৰ আঁট হেৰুৱাই পেলালে। কিয় যে সেই মৰতীজনী গৈ তেওঁৰ কোঠালিত সোমাইছিল তেওঁ ভাবি নাপালে। কপালত হাতখন থৈ তেওঁ মছিঅঁৰ ফালে ভেবালাগি চাই থাকিল।

শেষত অসহায়ভাৱে তেওঁ ক'লে-- "ঈশ্বৰৰ শপত খাই কৈছোঁ প্ৰভু, তাই ক'ৰপৰা আহি মোৰ ঘৰত সোমালহি মই ক'বই নোৱাৰো। চকুমেলি চাই দেখোঁ তাই তাতে থিয় দি আছে। মোৰ অনুমান হ'ল, যেন তাই আকাশৰ পৰা ধুপুছকৈ তাতে পৰিলহি। দুৱাৰখন মেলাই আছিলনে জপোৱা আছিল মোৰ অকণো মনত নাই....।"

তেওঁ কান্ধখন জোকাৰি ওপৰৰ ফালে চাই পঠিয়ালে আৰু এটা নিৰাশাৰ ভঙ্গিত মছিঅঁৰ মনটো ভৰি উঠিল। কৰ্কশ মাতেৰে তেওঁ প্ৰশ্ন কৰিলে, "ওবেনিয়ন-তুমি কিয় ধৰ্মযাজক হ'বলৈ আহিছিলা বাৰু? এজন সাধাৰণ মানুহ হৈ থকাটো তোমাৰ উচিত আছিল। মোৰ বিশ্বাস, তোমাৰ চাল-চলন, কথা-বতৰা, ধ্যান-ধাৰণা একেবাৰেই ধৰ্মযাজকৰ দৰে নহয়।"

"কিন্তু মোৰ অন্তৰৰ কথা আপুনি শুনিবই নোখোজে।" দুৰ্বলভাৱে ওবেনিয়নে মিনতিৰ সুৰত ক'লে।

"নুশুনোঁতো" বাটৰ শিলবোৰত খুন্দিয়াই খুন্দিয়াই মছিঅঁই ক'লে, "কেলেই শুনিব লাগিছে? ঘটনাবোৰ স্পষ্ট আৰু তোমাৰ কথাবোৰ অসংলগ্ন। তুমি তোমাৰ এই পাদ্ৰীবেশ এৰি পেলোৱাহে ভাল।"

এই নিদাৰুণ কথাই ফাদাৰ ওবেনিয়নৰ বিচাৰ শক্তি নিঃশেষ কৰি পেলালে। কি ক'লে মছিঅঁই! পাদ্ৰীৰ বেশ পৰিত্যাগ কৰিব লাগিব! তেতিয়াহ'লে তেওঁৰ অৱস্থা কি হ'ব? জন্মভূমিৰ পৰা হেজাৰ হেজাৰ মাইল দূৰত — এই বিদেশত— তেওঁ কি কৰি থাকিব? তাতে দেশৰ যিহে অৱস্থা! যিকোনো মুহূৰ্ততে ইয়াত সমৰাগ্নি জ্বলি উঠিব পাৰে। পাদ্ৰী হৈ নাথাকিলে তেওঁ ইয়াত কেনেকৈ বাচি থাকিব? তেওঁতো সাধাৰণ মানুহৰ জীৱন যাপন কৰিবলৈ বাঞ্ছা নকৰে। ইভৰ প্ৰৰোচনাত নিষিদ্ধ ফলত হাত দি ঈশ্বৰৰ সমুখত অপৰাধী হোৱা আদমৰ কথা মনত পৰিল। আদমৰ দৰে তেৰোঁ ভগৱন্তৰ ওচৰত অকাতৰে মাৰ্জনা ভিক্ষা কৰিলে।

"তেওঁ গোৰগোৰাই কৈ গ'লে, "মই কি কৰিব লাগিছিল আপুনিয়ে কওঁক মছিঅঁ। বলিয়া কুকুৰৰ দৰে তাই মোক খেদি ফুৰিছে। আপুনিও এসময়ত এজন দেখনিয়াৰ ডেকা আছিল। এই তিৰোতাবোৰ কেতিয়াবা কেতিয়াবা ডেকা পাদ্রীবোৰৰ প্ৰতি বেছি ৰকমে আসক্ত হৈ পৰে। এই কথা আপোনাৰ অবিদিত নহয়।"

মছিঅঁই জানে যে ফাদাৰ ওবেনিযন এজন সুশ্ৰী যুবক। তেওঁৰ প্ৰতি এটা কোমল ভাব অন্তৰৰ বহু ঠাই জুৰি আছিল, এই কথা তেওঁ অনুভৱ নকৰাকৈ থকা নাই। কিন্তু সদ্যহতে কঠোৰ নহ'লে আগলৈ বেয়া হ'ব বুলি ভাবিহে মছিঅঁই আগৰ দৰে কঠিন ভাবত ক'লে— "তিৰোতাবোৰ যে বৰ আকোৰগোজ, সেই কথা মই জানো। সেই বাবেই আমি বেছি কৰ্তব্যপৰায়ণ হোৱা দৰকাৰ। সিহঁতক আমি সদায় বুজাব লাগিব যে আমি সাধাৰণ মানুহতকৈ বেলেগ ধাতুৰে গঢ়া। আমাৰ জীৱন ঈশ্বৰৰ নামত উছৰ্গা কৰি থোৱা আছে। ধৰ্মৰ অনুশাসনবোৰ অক্ষৰে অক্ষৰে পালন কৰাই আমাৰ একমাত্ৰ লক্ষ্য।"

"সেই কথা মই সদায় কওঁ, মছিঅঁ", আবেগত তেওঁৰ কণ্ঠ ৰুদ্ধ হৈ যোৱাৰ উপক্ৰম হ'ল।" "কিন্তু মোৰ কথা শুনি তাই কেৱল হাঁহি দিয়ে মাথোন।"

উত্তৰৰ জোখাই প্ৰত্যুত্তৰ দিব পৰা শক্তি মছিঅঁৰ আছিল। তেওঁ ক'লে, তাৰ পৰা এই কথাই স্পষ্টভাৱে ওলাই পৰে যে "তাই তোমাৰ চকুত নিশ্চয় কামনাৰ পৰিচয় পাইছিল আৰু এই কামনাৰ বীজ তুমিহে তাইৰ অন্তৰত ৰোপণ কৰিছিলা। নহ'লে তাই ইমান সাহ কৰিব নোৱাৰিলেহেঁতেন। তুমি নাজানানে যে নাৰীয়ে পুৰুষৰ হিয়াৰ অতি নিভৃত কোণত থকা দুৰ্বলতাবো উমান অতি সহজে পায়।"

"এইবোৰ কথা আপুনিহে জানে মছিঅঁ — মই নাজানো।"

দুয়োজন পাদ্রী ওচৰা-উচৰিকৈ গৈ আছিল। কথাষাৰ কৈয়েই ফাদাৰ ওবেনিয়নে মছিঅঁৰ চকুৰ ফালে চালে। চকুৱে চকুৱে পৰাত মছিঅঁই তৎক্ষণাৎ মুখ ঘূৰালে।

"এইবোৰ কথা যে মই নিজে জানিব পাৰিছোঁ সেইটো নহয় — আনেহে মোক কৈছে বুজিছা?" মছিঅঁই ক'লে "পিছে তোমাৰ এই বক্ৰোক্তিবোৰ তোমাৰ নিজৰ বাবে সাঁচি ৰাখিলেও হ'ব। মোৰ মতে, তাই ইয়ালৈ অহা মাত্ৰকে তুমি তাইক দূৰ কৰি দিব লাগিছিল, তাৰ সলনি তাইক ইয়াতে থাকিবলৈ দি তুমি বৰ অন্যায় কৰিছা।"

ফাদাৰ ওবেনিয়নে মছিঅঁক হঠাৎ মনত পেলাই দিলে "কিন্তু আমাক এজনী ৰান্ধনী লাগে দেখোন! ৰন্ধা-বঢ়াত যে মই একেবাৰে অপদাৰ্থ, সেই কথা সিদিনা আপুনি নিজেই কৈছিল।"

"এতিয়াও কওঁ" মছিঅঁই স্বীকাৰ কৰিলে।

কথাৰ মোৰ ঘূৰাত ফাদাৰ ওবেনিয়নৰ মুখলৈ পানী আহিল। তেওঁ তেওঁৰ ওপৰৱালাৰ প্ৰতি নম্ৰ ব্যৱহাৰেই কৰিছিল, কিন্তু হালি গৈ ভাঙি পৰা নাছিল। সেইবাবেই এতিয়া মছিঅঁৰ মনৰ এই ভীষণ দুৰ্বল স্থানটোৰ কথা মনত পৰাত তেওঁৰ বুকু ফিন্দ খাই উঠিল। নিজক বচাবলৈ এনেকুৱা উপায় অৱলম্বন কৰিবলগীয়া হোৱাটো যে উৎকৃষ্ট পন্থা নহয় সেই কথা ফাদাৰ ওবেনিয়নে নজনা নহয়। ৰাতিপুৱাৰ পৰা এই প্ৰথমবাৰৰ বাবে তেওঁ অনুভৱ কৰিলে যেন পুৱাৰ আৰু বাগিচাৰ সমগ্ৰ পৰিবেশটো বৰ ধুনীয়া। ঘাঁহৰ মাজে মাজে ৰঙৰ পোহাৰ মেলি মূৰ দাঙি উঠা কণ কণ বনৰীয়া ফুলবোৰ তেওঁৰ বৰ ভাল লাগি গ'ল, আজি কেবাদিনো ঘাঁহ কটা তিৰোতাবোৰে কাম কৰিবলৈ অহা নাই ; আৰু তাৰে সুবিধা লৈ এই ফুলবোৰে বাগিচাৰ ঘাঁহনিডৰা ঢাকি পেলাইছে। এই তিৰোতাবোৰে খ্ৰীষ্ট ধৰ্মত দীক্ষিত হৈ বাগিচাখন চাঁচি চুচি ধুনীয়া কৰি ৰাখিবলৈ ভাল পাইছিল। মছিঅঁই ঘাঁহৰ মাজে মাজে জঙ্গলী ফুলবোৰ দেখিবই নোৱাৰে, কিন্তু আজি পুৱা সেইবোৰৰ অনাবৃত্ত সৌন্দৰ্যই ফাদাৰ ওবেনিয়নক মুগ্ধ কৰি পেলালে। তেওঁ ভাবিলে যে সৰু সৰু বাঁহৰ মূঢ়াত বহি বন উভালি থকা, শোতোৰা শোতোৰ গালে সৈতে এপাল তিৰোতা মানুহতকৈ এই ফুলবোৰ হেজাৰ গুণে ভাল। মনটো ভাল লাগি উঠাৰ লগে লগে তেওঁৰ লেৰেলি যোৱা বুধিকণেও মূৰ দাঙি উঠিল তেওঁ মছিঅঁক প্ৰশ্ন কৰিলে "চিউলান আৰু মোৰ সমন্ধীয় এই ক্ষুদ্ৰ ঘটনাটোত আপুনি অযথা অধিক গুৰুত্ব দিছে মছিঅঁ। মনত সাত ভাৰভুৰ কথাবোৰ জোৰা লগাই ঢৌটোকে ৰৌটো কৰি পেলাইছে?"

"কোনে, কোনে-- মই নে?" মুখখন বিকটাই মছিঅঁই প্ৰশ্ন কৰিলে!

"প্ৰভু, পাপক ঘিণ কৰিব লাগে, কিন্তু পাপীক ভালপোৱাহে উচিত; এয়া আমাৰ প্ৰতি ভগৱানৰ আদেশ নহয় জানো?" ফাদাৰ ওবেনিয়নে প্ৰতিপ্ৰশ্ন কৰিলে।

"হয়, সেয়ে আমাৰ ধৰ্ম।" মছিঅঁই মানি ল'লে "কিন্তু এই কথাষাৰৰ সুবিধা লৈ আমি যথেচ্ছাচাৰ কৰা অনুচিত। সকলোৰে মূলত এটা শব্দ— ভালপোৱা বা প্ৰেম। এই শব্দটোৱেই বৰ বিপজ্জনক। ইয়াৰ লগত বহুতো কথা জড়িত হৈ থাকে। বিশুদ্ধ ধৰ্মৰ ভাবত পাপী এজনক ভালপোৱা এটা কথা আৰু কলুষিত মনেৰে কামভাবৰ বশৱৰ্তী হৈ কোনোবা নাৰীক, তোমাৰ ক্ষেত্ৰত এই চিউলানক ভালপোৱা

আন কথা। তুমি এই অত্যাৱশ্যকীয় কথাষাৰ উপলব্ধি কৰিছা বুলি শপত খাই ক'ব পাৰিবানে?"

"পাৰোঁ মছিঅঁ, মই ভালদৰে বুজি পাওঁ।" ফাদাৰ ওবেনিয়নে খপহকৈ উত্তৰ দিলে।

মছিঅঁৰ কথাৰ সুৰত উগ্রতাৰ সলনি যুক্তিৰ পৰিচয় পাই ফাদাৰ ওবেনিয়ন বহু পৰিমাণে আশ্বস্ত হ'ল।

তেওঁ নিজৰ হিয়াত বিচাৰি চালে চিউলানক তেওঁ কেতিয়াবা কিবা অৰ্পণ কৰিছেনে নাই। নাই, এই পৰ্যন্ত তাইৰ আবেদনবোৰৰ কোনো প্ৰত্যুত্তৰ তেওঁ দিয়া নাই। তাইৰ প্ৰতি তেওঁৰ প্ৰকৃত মনোভাব কি সেই কথা তেওঁ কেতিয়াও তাইক জানিবলৈ দিয়া নাই ; অন্ততঃ এই পৰ্যন্ত মুখেৰে সেই ভাব প্ৰকাশ কৰা নাই আৰু কেতিয়াবা যে কৰিব তেনে ইচ্ছাও তেওঁৰ নাই। তেনে ক্ষেত্ৰত তেওঁৰ কিহৰ বাবে ভয়? বুকু ডাঠ কৰি তেওঁ ক'লে ;

"শুনক প্ৰভু, মই এই ম্লেচ্ছ ছোৱালীজনীৰ ভাবধাৰাৰ পৰিবৰ্তন সাধন কৰিহে এৰিম ; তাইক মই আমাৰ ধৰ্মত দীক্ষিত কৰিম। পাপ, কুকৰ্ম, অসৎ চিন্তা আদিৰ পৰা আঁতৰাই আনি তাইক ধৰ্ম, সুকৃতি আৰু সৎচিন্তাৰ পথ দেখুৱাই দিম। আসক্তি, কামনা, দৈহিক তৃপ্তি আদিৰ একো মূল্য নাই, এইবোৰে যে মানুহক নৰকৰ পথলৈ আগুৱাই লৈ যায়, এই কথা যাতে তাই সোনকালে উপলব্ধি কৰে তাৰে ব্যৱস্থা কৰিম। তাইক মই কৈ দিম যে মানবীয় প্ৰেমৰদ্বাৰা মোক সাঙুৰিব খোজাটো তাইৰ বাবে পাপ কাম হ'ব।"

মছিঅঁ খোজ কাঢ়িবলৈ এৰি বৈ গ'ল। ভৰপূৰ যৌবনৰ সবল দেহাটোৰে সৈতে ওখ মানুহজনৰ মুখলৈ চাই তেওঁ ক'লে "তুমি যিদৰে কথাবোৰ কৈছা মই বৰ ভাল পোৱা নাই। ইমান আনন্দ কিহৰ বাবে? অন্তৰত কোনো দুখ বা অনুশোচনাৰ লক্ষণ নাইকিয়া হৈ গ'ল কিয়? ভাল আৰু বেয়া, পাপ আৰু পুণ্য এইবোৰৰ বিচাৰ কৰিবলৈ যেন তোমাৰ ক্ষমতা লাহে লাহে নোহোৱা হৈছে, সকলোবোৰ সানমিহলি কৰি পেলাইছা। পাপৰ প্ৰতি ঘৃণা আৰু পাপীৰ প্ৰতি প্ৰেম দুয়োটাকে সানি-পোটকি খেলি-মেলিখন লগাইছা।"

"মই মন ঠিক ৰাখি চলিব পাৰিম মছিঅঁ।" ফাদাৰ ওবেনিয়নে দৃঢ়ভাবে ক'লে।

মছিঅঁই অন্তৰ নিৰীক্ষণ কৰিবলৈ বুলি ভালেমান পৰ তেওঁৰ ফালে চাই থাকিল, "তেনেহ'লে তুমি দোষ স্বীকাৰ কৰি আত্মশুদ্ধি কৰাটো উচিত বুলি নাভাবা নেকি?

"তাৰ কোনো প্ৰয়োজন নাই।"

"কিন্তু তোমাৰ কেইটামান কথা মই এতিয়াও ভাল পোৱা নাই। তুমি বোধকৰো জানা যে কাৰ্যৰদ্বাৰা যিদৰে পাপ কৰা যায় চিন্তাৰদ্বাৰাও সেইদৰে পাপ কৰিব পাৰি?"

"হয়, জানোঁ। কিন্তু মোৰ ওপৰত বিবেকৰ প্ৰভাব শিথিল হ'বলৈ দিয়া নাই প্ৰভু।" ফাদাৰ ওবেনিয়নে আত্মবিশ্বাস অক্ষুন্ন ৰাখি ক'লে।

"অৱশ্যে—"

বৈ যোৱা দেখি মছিঅঁই সুধিলে "অৱশ্যে কি?"

কওঁ নকওঁকৈ ফাদাৰ ওবেনিয়নে ক'লে "সপোনৰ কথাটো মই ক'ব খুজিছিলোঁ। সপোনৰ চিন্তাৰ বাবে মই কেনেকৈ জগৰীয়া হ'ম মছিঅঁ?"

"কথাটো চিন্তা কৰিবলগীয়া।" ওচৰতে বেঞ্চখন পাই মছিঅঁ হঠাৎ বহি পৰিল আৰু ভাবিবলৈ ধৰিলে— "তুমি ভাল প্ৰশ্নকে কৰিছা। টোপনিতে মনে যিবোৰ কাম কৰে, সেইবোৰৰ বাবে তুমি জগৰীয়া হ'বানে নোহোৱা? এৰা, কথাটো ভাবিবলগীয়া।"

ফাদাৰ ওবেনিয়নৰ ওঁঠত এটা মিচিকিয়া হাঁহি বিৰিঙি উঠিল। বাগিচাৰ দেৱালৰ ওপৰেদি দূৰৰ নীলা আকাশখনলৈ তেওঁ এবাৰ চাই পঠিয়ালে! "মোৰ সপোনবোৰে কিন্তু মোৰ মনত একো অৱসাদৰ সৃষ্টি নকৰে। সেইবাবে মই ভাবোঁ যে তাৰবাবে দুশ্চিন্তা কৰিবৰ একো প্ৰয়োজন নাই।"

মছিঅঁই ওঁঠদুটা চেপা মাৰি ধৰাত বহলৈহে যাব খোজা মুখখন ঘূৰণীয়া হৈ পৰিল। "এই যে অৱসাদ নহয় বুলি ক'লা তাৰদ্বাৰা মই বুজিলোঁ যে সপোনৰ পিচত তোমাৰ আনন্দ হয়। কিন্তু যথাৰ্থতে এই আনন্দ কিহৰ বাবে? সাৰ পাই চিউলানক খাটৰ তলত দেখাৰ বাবে নহয়তো?"

ফাদাৰ ওবেনিয়নৰ হাঁহি উঠিল।

মছিঅঁ ফিৎসগিবন চেষ্টা কৰি গহীন হৈ থাকিল! "সি যিয়েই নহওক, তোমাৰ ভাগ্য ভাল যে ঠিক সময়তে মই গৈ তাত উপস্থিত হলোঁ। সেই মুহূৰ্তৰ অৱস্থাৰ সমন্ধে তুমি যি কৈছা তাক মই মানি ল'বলৈ প্ৰস্তুত আছোঁ। কিন্তু ওবেনিয়ন, এই পৰ্যন্তহে। মোক আৰু তাতকৈ বেছি কথা বিশ্বাস কৰিবলৈ অনুৰোধ নকৰিবা; তোমাৰ বহু কথা বিশ্বাস কৰিলোঁ।"

দুয়ো চকুৰে চকুৰে চাই হঠাৎ হো হো কৈ হাঁহি দিলে। এই হাঁহিৰ টৌৱে ফাদাৰ ওবেনিয়নৰ অন্তৰৰ সকলো পাপ তাপ ধুই-পখালি নিকা কৰি পেলালে!

মছিঅঁৰ মাজত যে এজন সুন্দৰ মানুহ লুকাই আছে সেই কথা ফাদাৰ ওবেনিয়নে নতুনকৈ আৱিষ্কাৰ কৰিলে। ইয়াৰ ফলত তেওঁৰ মনত এটা নতুন বল, এটা সবল অঙ্গীকাৰে ভুমুকি মাৰিলে। তেওঁ আৰু ভৱিষ্যতে চিউলানৰ লগত অকলশৰীয়াকৈ কেতিয়াও নাথাকে। তেওঁ অকলে থাকোঁতে যদি তাই আহি কোঠালীত সোমায় তেন্তে তেওঁ নিজে ওলাই যাব। অৱশ্যে তাইৰ পঢ়া-শুনা চলি থাকিব। কোনো তিৰোতাই তেওঁক ধৰ্মযাজকৰ গাদীৰ পৰা স্থানচ্যুত কৰিব নোৱাৰিব, ই ঠিক। হয়তো তেওঁ এদিনাখন ফাদাৰ গুচি মছিঅঁ হ'বগৈ। "মছিঅঁ ওবেনিয়ন" কেনে? নামটো শুনাত বৰ ধুনীয়া। নিজে নিজে নামতো দুবাৰমান উচ্চাৰণ কৰি তেওঁ বৰ সোৱাদ পালে!

★ ★ ★

গৰমৰ দিনকেইটা গৈ শৰৎ কালত পৰিলহি। নজৰবন্দী হৈ ঘৰৰ ভিতৰত অকলে সোমাই থকা বাবে পাদ্ৰী দুজনে এই পৰিবৰ্তনৰ কথা একেবাৰে পাহৰি গ'ল। ফাদাৰ ওবেনিয়নে তেওঁৰ লগৰ বিহুগুটি যেন অকণমান মানুহটোক মনে মনে ভয় কৰিছিল। তাতে তেওঁ আছিল উপৰিবালা, ৰেক্টৰীৰ অধিকাৰ। কিন্তু এতিয়া তেওঁৰ প্ৰতি ফাদাৰ ওবেনিয়নৰ মনোভাবৰ বহু পৰিবৰ্তন হৈ গ'ল। এতিয়া তেওঁৰ ব্যৱহাৰত কোনো ৰূঢ়তা নাই আৰু মছিঅঁৰ খাম-খেয়ালি কথাবোৰ অতি সহজে তেওঁ সহ্য কৰিব পৰা হ'ল। তেওঁ স্বভাৱতে সবল আৰু বিনয়ী আছিল। এতিয়া তেওঁ অন্তৰত অনুভৱ কৰিলে যে মছিঅঁ ফিৎসগিবনৰ এটা আভিজাত্য আছে। ধৰ্মযাজকৰ জীৱন যাপন কৰিবলৈ লোৱাৰ বাবে মছিঅঁই সংসাৰৰ কিমানখিনি ত্যাগ কৰিবলগীয়া হৈছিল সেই কথা তেওঁ আগতে ভালদৰে জনা নাছিল। তেওঁ নিজে আছিল এজন সাধাৰণ খেতিয়কৰ ল'ৰা-আয়াৰ্লেণ্ডৰ ক্ষুদ্ৰ পঁজা এটাত আলুগুটি আৰু বন্ধাকবি খায়েই তেওঁ ডাঙৰ হৈছিল-- কেতিয়াবাহে দুই -এটুকুৰা মঙহৰ সোৱাদ পাইছিল ; কিন্তু মছিঅঁ ফিৎসগিবনৰ জন্ম হৈছিল এটা প্ৰাসাদত; অৱশ্যে আন আন ৰজাঘৰীয়া প্ৰাসাদৰ তুলনাত তেওঁলোকৰ প্ৰাসাদটো বৰ চকুত লগা নাছিল। তেওঁলোকৰ পৰিয়ালটোৰ এটা গৌৰবপূৰ্ণ ঐতিহ্য আছিল। তেওঁৰ পূৰ্বপুৰুষসকল আছিল আয়াৰ্লেণ্ডৰ ৰজা আৰু মছিঅঁ নিজ ঠাইত থকাহেঁতেন তেওঁৰ ককায়েকৰ মৃত্যুৰ পাচত এটা ৰজাঘৰীয়া পদবীও পালেহেঁতেন। আন কাম একো নথকাত দুয়োজন পাদ্ৰীয়ে কোঠালিৰ ভিতৰত বহি বহি এই অতীতৰ কথাবোৰ

সোঁৱৰে আৰু তাকে কৰি মনৰ বেদনা পাতলাবৰ চেষ্টা কৰে! মছিঅঁৰ কথাবোৰ শুনি তেওঁৰ প্ৰতি ফাদাৰ ওবেনিয়নৰ শ্ৰদ্ধা বাঢ়ি গ'ল। এই শ্ৰদ্ধাৰ লগত ভগবৎ প্ৰেম মিহলি হোৱাত তেওঁ যেন অন্তৰত বহু বল পালে আৰু হিয়াৰ চুকে-কোণে থকা কণ কণ দুৰ্বলতাবোৰ নাইকিয়া হৈ গ'ল। মনৰ দৃঢ়তা অটুট ৰাখিবলৈ তেওঁ সমৰ্থ হ'ল। চিউলান যেতিয়ালৈ পাকঘৰত থাকে তেতিয়ালৈ তেওঁ সেইমুৱা নহয়, তাই ভাত বাঢ়ি দিওঁতে যাতে তাইৰ আঙুলি তেওঁৰ গাত নালাগে তাৰবাবে সদায় সতৰ্ক হৈ থাকে।

চিউলানে ফাদাৰ ওবেনিয়নৰ ব্যৱহাৰত মনে মনে ক্ষুণ্ণ হ'লেও বাহিৰত একো অসন্তুষ্টিৰ ভাব প্ৰকাশ কৰা নাছিল। তাই সদায় নিয়মমতে ৰাতিপুৱাই আহি গোটেই দিনটো ৰেক্টৰীতে থাকে। ৰন্ধা-বঢ়া, ঘৰ মোচা আদি সকলোবোৰ কাম নিপুণ হাতেৰে কৰি ৰাতি দুয়োজন পাদ্ৰীৰ খোৱা-বোৱা হৈ গ'লেহে তাই যায়গৈ। গৃহিণী থকা ঘৰৰ নিচিনা গোটেইখন ৰেক্টৰীতে এটা শৃঙ্খলা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ চিন স্পষ্ট হৈ পৰিল। ফাদাৰ ওবেনিয়নৰ প্ৰতি তাইৰ অন্তৰত থকা প্ৰণয় বা প্ৰীতিৰ কোনো ইঙ্গিত এইবোৰ কামৰ মাজেদি প্ৰকাশ পাইছিল বুলি কোৱা টান ; কিন্তু এটা ফুল তাই অতি সযতনে সদায় ৰাতিপুৱা তেওঁৰ শোৱনি কোঠাৰ সৰু মেজখনত সজাই থৈছিল ; স্নিগ্ধ সুন্দৰ ফুলটোৰ কোমল পাহিকেইটাই যেন তাইৰ প্ৰেমত এটা প্ৰতীকস্বৰূপ। ফাদাৰ ওবেনিয়নে এই ফুলটো লক্ষ্য কৰিলে আৰু চিন্তিত হৈ পৰিল! মনৰ মাজত বৈ বৈ একোটা ধুমুহা উঠিব খোজোঁতে তেওঁ নিজকে সংযত কৰি বিবেকৰ লগত এটা সন্ধি কৰিবৰ চেষ্টা কৰে। এইদৰে ফুল সজাই থ'বলৈ তাইক মানা কৰি দিব নেকি? কিন্তু তাকে কৰিলে তাইৰ অকণমান হিয়াখনত ডাঙৰ আঘাত এটা পাব পাৰে। তাইৰ অন্তৰত এইদৰে আঘাত দিয়াটো জানো তেওঁৰ উচিত হ'ব? তাকে নকৰি ফুলটোৰ কথা একোকে নাভাবিলেই হ'ল; এৰা সেয়ে প্ৰকৃষ্ট পন্থা। দিনৰ দিনটো মছিঅঁ তেওঁৰ ঘৰলৈ নাহেয়ে—গতিকে ফুলটো তেওঁৰ চকুত নপৰে। ৰাতি তেওঁ কেতিয়াবা আহিব পাৰে। তেতিয়া ফুলটো মেজৰ তলত লুকাই থলেই লেঠা মৰিব। ফাদাৰ ওবেনিয়নৰ মনটো আশ্বস্ত হ'ল। ৰাতি হ'লেই তেওঁ ফুলটো মেজৰ তলত লুকুৱাই থৈ দিয়ে। চিউলানে এই কথা গম নাপালে। ফুলটোৱে যে তেওঁৰ মনত অকণমান আনন্দ দিয়ে এই কথা তেওঁ স্বীকাৰ কৰিবলৈ প্ৰস্তুত নহয়; কিন্তু ৰাতি যেতিয়া তেওঁ অকলে কোঠাটোৰ ভিতৰত সোমায় তেতিয়া এই ফুলটোৱেই তেওঁৰ লগৰীয়া হৈ পৰে।

মছিঅঁৰ প্ৰতি শ্ৰদ্ধা বাঢ়ি অহাৰ লগে লগে ফাদাৰ ওবেনিয়নৰ গীৰ্জাৰ কামৰ প্ৰতিও আগ্ৰহ বাঢ়ি গ'ল। চিউলানে তেওঁলোকক সাৱধান কৰি দিয়াৰ দিন ধৰি

প্ৰাৰ্থনা কক্ষত কোনো উৎসৱ বা সমাৰোহ হোৱা নাছিল। সিদিনা আছিল দেওবাৰ। পুৱাৰ প্ৰাৰ্থনাৰ বাবে নতুনকৈ দীক্ষিত হোৱা ভক্তসকল আহি প্ৰাৰ্থনা কক্ষত জমা হৈছিলহি। মছিঅঁই মঞ্চত উঠি প্ৰাৰ্থনাৰ কাম আৰম্ভ কৰিব খোজোতেই চিউলান দৌৰি আহি আঁঠুকাঢ়ি বহি থকা কেইজনমান প্ৰাৰ্থনাকাৰীৰ কাণে কাণে ক'লে যে লালবাহিনীৰ সেনাবোৰ ততালিকে দিহাদিহি ভাগিল--- মুহূৰ্ততে পাদ্ৰী দুজনৰ বাহিৰে প্ৰাৰ্থনা কক্ষ শূন্য হৈ পৰিল! তেওঁলোকৰ ওচৰলৈকে চিউলান আগবাঢ়ি আহি ক'লে,—

"প্ৰভু, ইয়াত প্ৰাৰ্থনা কৰিব নালাগে। ঈশ্বৰ সকলোতে আছে, নহয় জানো? আপোনালোকে নিজ নিজ ঘৰত গৈ নিৰুপদ্ৰৱে প্ৰাৰ্থনা কৰককৈগে।"

ধুনীয়া সেমেকা চকুযুৰিৰে ফাদাৰ ওবেনিয়নলৈ চাই চাই এটা নীৰৱ মিনতি জনালে। লাজুকী চিউলানজনীৰ মাতত এটা আগ্ৰহপূৰ্ণ আকুতিৰ সুৰ বাজি উঠিল। কথা কওঁতে তাইৰ মাতটো কঁপি উঠা নাছিল। ফাদাৰ ওবেনিয়নে তাইৰ মুখলৈ চাই অকস্মাৎ তাইৰ ধুনীয়া মুখৰ কোমল ওঁঠ দুটাৰ মৰমলগা ভাঁজটো দেখা পালে। ততালিকে মনটো সংযত কৰি মুখ ঘূৰাই মছিঅঁক ক'লে,

"তাই সঁচা কথাকে কৈছে মছিঅঁ। আমি অযথা শত্ৰুৰ হাতত পৰিবলৈ আগবাঢ়ি যোৱাটো অনুচিত হ'ব। এই ন - ভকতসকল যাতে আমাৰ কাৰণে নিৰ্যাতিত হ'ব নালাগে তাৰবাবে আমি সতৰ্ক হোৱা যুগুত। আমি মৃত্যুৰ দূত নহৈ জীৱনৰ বাৰ্তাবাহী হ'বলৈহে ইয়ালৈ আহিছোঁ।"

ফাদাৰ ওবেনিয়নৰ বাগাড়ম্বৰ দেখি মছিঅঁ আচৰিত হৈ গ'ল। তেওঁ একো নামাতিলে আৰু লাহে লাহে প্ৰাৰ্থনা কক্ষৰ পৰা ওলাই গ'ল। ফাদাৰ ওবেনিয়নো পাচে পাচে গৈ থাকিল। ভৰি দুখনে তেওঁক আগলৈ লৈ গ'ল হয়— কিন্তু মনটো থাকিল পাচৰ ফালে। তেওঁ চাওঁ নাচাওঁকৈ এবাৰ পিচৰ ফালে ঘূৰি চালে; দেখিলে যে চিউলান বেদীৰ ওচৰতে অকলে থিয় হৈ আছে। তাই ভাবিছিল যে মুখ ঘূৰাবই আৰু সেই মুহূৰ্তটিৰ বাবে তাই ৰৈ আছিল। ফাদাৰ ওবেনিয়নৰ চকু তাইৰ ওপৰত পৰা মাত্ৰকে তাই মিঠা হাঁহিটোৰে তেওঁক মৌন সম্ভাষণ জনালে। তেওঁৰ বুকুখন যেন কোনোবাই মোচাৰিহে দিলে, তেওঁ লৰালৰিকৈ মুখ ঘূৰাই আঁতৰি গ'ল।

কিন্তু চিউলানৰ এই আন্তৰিকতা আৰু সকলোৰে বিশ্বাসভাজন হ'বলৈ ঐকান্তিক চেষ্টাই ফাদাৰ ওবেনিয়নৰ অন্তৰত ৰেখাপাত কৰা নাই বুলি ক'লে ভুল কৰা হ'ব। যজন যাজনৰ কামত অধিক নিষ্ঠাৰে সৈতে আত্মনিয়োগ কৰিবলৈ তেওঁ এটি প্ৰেৰণা লাভ কৰা যেন পালে। ইয়াৰে এসপ্তাহৰ পিচত মছিঅঁ অসুস্থ হৈ পৰিল।

সেই সময়ত মছিঅঁৰ সলনি তেৱেঁই প্ৰাৰ্থনা সভাবোৰ পৌৰোহিত্য কৰিলে। বেষ্টনীৰ ভিতৰত প্ৰাৰ্থনা কৰা নিৰাপদ নহয় বাবে চিউলানে মানুহবোৰৰ ঘৰে ঘৰে গৈ পথাৰত মিলিত হ'বলৈ কোৱাত ধাননিৰ মাজত এই প্ৰাৰ্থনাবোৰৰ ব্যৱস্থা কৰা হৈছিল। নতুনকৈ দীক্ষিত হোৱা মানুহবোৰে তেওঁক কৈছিল "আপোনালোকেই আমাক ঈশ্বৰৰ মাহাত্ম্যৰ কথাবোৰ শিকালে। এতিয়া আমি ঈশ্বৰবিনা নিজকেই নিতান্ত অকলশৰীয়া বোধ কৰোঁহক। গতিকে বুদ্ধ মন্দিৰৰ সিফালে চহৰৰ পশ্চিমে থকা ধাননিৰ মাজতে আমি একগোট হম, তাতেই আমাক ঈশ্বৰৰ কথা ক'ব লাগিব। ধাননিৰ মাজতে এটুকুৰা ওখ ঠাই আছিল; তাতে আঁঠুকাঢ়ি বহিলে বাহিৰৰ পৰা একোকে দেখা নাযায়। প্ৰাৰ্থনাৰ এই অভিনৱ ব্যৱস্থাৰ গুৰিতে আছিল চিউলান।

তাই ফাদাৰ ওবেনিয়নক ক'লে,— "সৌ যে ডাঙৰ টিলাটো আছে, তাৰ কাষতে আপোনালোকৰ প্ৰাৰ্থনা সভাৰ কাম চলাই থাকক। একো ভয় নকৰিব, কাৰণ বুদ্ধ ভিক্ষুসকলে চাৰিওফালে পহৰা দি থাকিব। তেওঁলোকে মোক কি কৈছে জানে ফাদাৰ? মানুহ যিকোনো দেশ বা ধৰ্মৰে নহওঁক কিয়, ঈশ্বৰত বিশ্বাস ৰাখি ধৰ্মাচৰণ কৰাৰ সময়ত প্ৰত্যেকে প্ৰত্যেকক সহায় কৰা সকলোৰে কৰ্তব্য।

সিদিনা ৰাতি তাই তেওঁলোকৰ বাবে ক'ৰবাৰ পৰা ভাত-দাইল গৰমে গৰমে আনি বাঢ়ি দিলে। কি উপায়েৰে কেনেকৈ ক'ৰপৰা দেৱালৰ ওপৰেদি তাই খোৱা বস্তুবোৰ পাৰ কৰি আনিলে কোনেও ক'ব নোৱাৰে। দুৱৰীটোক তাই কেনেবাকৈ হাত কৰি লৈ তাই এনেকৈ উত্তৰ দিলে যেন এইবোৰ একোৱেই নহয়। তাইৰ কথা শুনি দুয়োজন পাদ্ৰীয়ে মুখলৈ চোৱা-চুই কৰিলে।

"জানোচা কোনোবা কেঁচুৱাৰ মুখৰ পৰা কাঢ়ি আনিলে?" মছিঅঁই মনে মনে সুধিলে।

ফাদাৰ ওবেনিয়নে জোৰা দিলে, "বুদ্ধ ভিক্ষুসকলক কৈ — মেলিও সংগ্ৰহ কৰিব পাৰে হয়তো!"

সি যিয়েই নহওক-- এই বিষয়ে তাইক আৰু অধিক প্ৰশ্ন কৰা নহ'ল। দুয়োজন দৈৱবাদী আছিল আৰু চিউলানক দেবদূত বুলিয়েঁ গ্ৰহণ কৰিলে। কেতিয়াবা কেতিয়াবা মছিঅঁই তাইক এজনী অসাধাৰণ ছোৱালী বুলি কৈছিল--তেওঁৰ মতে হেজাৰৰ মাজত কাচিৎহে এনেকুৱা ছোৱালী পোৱা যায়। লাহে লাহে তেওঁ ফাদাৰ ওবেনিয়নক চিউলান সম্পৰ্কীয় কথাত বকিবলৈ এৰি দিলে। তাইৰ প্ৰসঙ্গ উত্থাপন হ'লে— তেওঁ মাত্ৰ কৈছিল "শুনিছা ওবেনিয়ন, মনটোক পবিত্ৰ ৰাখিবা। তাইৰ কথা ওলালে বা কেতিয়াবা মনলৈ আহিলে কুমাৰী মেৰীৰ চিন্তাৰদ্বাৰা মনটো উৰ্দ্ধমুখী কৰিবৰ চেষ্টা কৰিবা।"

এটা হুমুনিয়াহেৰে ফাদাৰ ওবেনিয়নে মছিঅঁৰ কথাত সমৰ্থন্ জনায়।

দেওবাৰৰ দিনা পুৱা মছিঅঁৰ অসুখ বেছি যেন দেখা গ'ল। তেওঁ স্বভাৱতে তজবজীয়া আৰু অসহিষ্ণু ধৰণৰ আছিল। তেওঁ বেষ্টৰীৰ ভিতৰতে বন্দী থকা বাবে ইমান বছৰৰ দৈনন্দিন কাৰ্যবোৰত ব্যাঘাত পৰিল। তেওঁ দীনদুখী, ৰোগী আতুৰবোৰক দেখা কৰি, শিষ্যসকলৰ লগত কথা-বতৰা হৈ ভাল পাইছিল। মাজে মাজে তেওঁ গাঁৱৰ ফালে ফুৰিবলৈ গৈছিল আৰু গাঁৱৰ মানুহবোৰক নানা দিহা-পৰামৰ্শ দিছিল। এইবোৰ কৰি তেওঁ আনন্দ পাইছিল। এতিয়া এইবোৰ কৰিব নোৱাৰাত তেওঁৰ মনত তিতা-কেঁহা লাগিবলৈ ধৰিলে আৰু পুৰণা কথাবোৰ আওঁৰাই বকি-জকি অতিষ্ঠ হৈ পৰিল।

অসুখৰ মাজতে ফাদাৰ ওবেনিয়নে আহি তেওঁক মাত দিয়াত তেওঁ খঙতে ক'লে "মোক নামাতিবা, মই লৰচৰকে কৰিব নোৱাৰোঁ।"

আচৰিত হৈ ফাদাৰ ওবেনিয়নে সুধিলে "কি হ'ল আপোনাৰ?"

"মোৰ ভৰি দুখন বৰ দুৰ্বল, গাটোও জিম জিম কৰিছে। বোধকৰো পেটৰ অসুখৰ বাবেই এনেকুৱা হৈছে। ৰাতি খোৱাত তুমি কিবা বিজুতি পাইছিলা নে?" মছিঅঁই সুধিলে।

"নাই পোৱা।"

"তেন্তে মোৰেই খোৱাত ৰুচি নাছিল। কিবা আভোক আভোক লাগিছিল। এতিয়া পেটটো কামুৰিব লাগিছে। মই ক'লৈকো যাব নোৱাৰিম, ওবেনিয়ন। পথাৰত হোৱা প্ৰাৰ্থনা সভালৈ মোৰ সলনি তুমিয়ে যাবা। কামবোৰৰ পৰা অৱসৰ লম বুলি মই বহুত দিনৰ পৰা ভাবিছোঁ। এই বয়সত অৱসৰ লোৱাটো মোৰ দেহ আৰু মনৰ বাবে প্ৰয়োজনীয় বুজিছানে?"

মছিঅঁৰ সলনি প্ৰাৰ্থনা সভাত উপস্থিত থাকিব লাগিব বুলি শুনি ফাদাৰ ওবেনিয়নৰ ভয় লাগিল। তেওঁ সন্দিগ্ধচিত্তে ক'লে, "মই দেখো অকলে কেতিয়াও প্ৰাৰ্থনা সভা পৰিচালনা কৰাই নাই।"

"এতিয়া কৰা। মই থিয় হ'বই নোৱাৰোঁ, গতিকে তুমিয়ে অকলে প্ৰাৰ্থনাৰ কাম চলাই দিব লাগিব।" মছিঅঁই ক'লে।

ফাদাৰ ওবেনিয়নে প্ৰশ্ন কৰিলে "মই আপোনাক কেনেকৈ এৰি যাম মছিঅঁ?"

"মোৰ বাবে চিন্তা কৰিবৰ একো নাই। মই অকলে অকলে ইয়াতে প্ৰাৰ্থনা কৰিব পাৰিম, মোৰ অভ্যাস আছে।" মছিঅঁৰ কথা শুনি ফাদাৰ ওবেনিয়নে খৰধৰ লগালে। সিফালে চিউলান আহি পথাৰত প্ৰাৰ্থনা সভালৈ তেওঁলোকক লৈ যাবলৈ

নহয়। কঁকালৰ পেটিত পিস্তলটোৰে সৈতে, মূৰৰ টুপীটো হেলনীয়া কৈ পিন্ধি হো-চান সোঁশৰীৰে দুৱাৰমুখত ঠিয় দিলে। তাৰ ক'লা চকুৰ তাৰকাত্ব জ্বলি উঠা তিৰবিৰণি আৰু উঠঙ্গা হাড়ৰ ৰঙাপৰা গালখনলৈ চাই তাই জানিলে সি মদ খাই আহিছে।

সি অসংলগ্নভাৱে ডাঙৰকৈ ক'লে, "এৰা ঠিক মিলিছে? মই জানোঁ যে তই ইয়াতেই থাকিবি— তই আৰু সেই পপা .... পাদ্রীজন।"

তাই দৌৰি পলাব খোজোতেই সি তাইক হেঁচা মাৰি ধৰিলে আৰু টানি নি বিছনাত শুৱাই দিলে। তাৰ মুখৰ গৰম বতাহ তাইৰ মুখত লাগিল। দেশী মদৰ উৎকট গোন্ধ নাকত লগাত তাইৰ মূৰ ঘূৰাই গ'ল। মূৰৰ পৰা তেজবোৰ সো সোৱাই নামি যোৱা যেন লাগিল। এটা সৰ্বগ্ৰাসী অন্ধকাৰে তাইক গিলি পেলালে আৰু সেই অন্ধকাৰৰ মাজত তাইৰ চেতনা লোপ পালে। তাইৰ স্নায়ু আৰু পেশীবোৰ শিথিল হৈ পৰিল। চিঞঁৰিবলৈ মুখ মেলোঁতেই সি তাৰ প্ৰকাণ্ড হাতখনেৰে মুখ বন্ধ কৰি ধৰিলে। তাইৰ চিঞঁৰৰ এটা শব্দ গৈ বেৰ্ষ্টবীৰ দেৱালত খুন্দাখাই বৈঠকখানাত বহি থকা পাদ্ৰী দুজনৰ কাণত পৰিল। ফাদাৰ ওবেনিয়নে কিবাকিবি স্তোত্র পাঠ কৰি আছিল আৰু মহিঅঁই আৰামী চকীখনত বহি টোপনিয়াইছিল। শব্দটো শুনিয়েই ফাদাৰ ওবেনিয়নে স্তোত্ৰৰ পুথিখন দলিয়াই একেজাঁপে ছিৰিবোৰ পাৰ হৈ তেওঁৰ শোৱনি কোঠা পালেগৈ। কোঠালিত সোমায়েই চিউলানৰ চিঞঁৰৰ কাৰণ বুজিবলৈ তেওঁৰ বাকী নাথাকিল আৰু হো-চানৰ ওপৰত জঁপিয়াই পৰিল। ততালিকে দুইজনৰ মাজত হতাহতি আৰম্ভ হ'ল।

"দৌৰা, চিউলান, ততালিকে পলোৱা" তেওঁ যুঁজৰ মাজতে চিউলানক ক'লে!

নিজকে সংযত কৰি ওলাই যাবলৈ সাজু হোৱাৰ আগতে হো-চানে চিঞঁৰ মাৰি কিবা এটা আদেশ দিয়া মাত্ৰকে তাৰ লগৰ চিপাহীবোৰ ভিতৰলৈ সোমাই আহিল।

সি ফোপাই ফোপাই ক'লে, "এই পাদ্রীটোক চকীখনৰ লগত ভালদৰে বান্ধি পেলা।"

ইমানবোৰ চিপাহীৰ বিপক্ষে ফাদাৰ ওবেনিয়নে অকলে একো কৰিব নোৱাৰিলে। সিহঁতে তেওঁক দাঙি আনি গধুৰ চীনা চকীখনৰ লগত মোজাত মেৰিওৱা চামৰাৰ বহীৰে আঁটি আঁটি বান্ধিলে। তাৰ পিচত এজন চিপাহীৰ কঁকালৰ পৰা গামোচা এখন সোলোকাই আনি তেওঁৰ মুখত এনেদৰে সোপা দি বান্ধিলে যাতে অকণো শব্দ কৰিব নোৱাৰে।

হো-চানে থিয় দি অৱজ্ঞাৰে চাই থাকিল আৰু বিছনাত চিউলান নিৰ্জীৱৰ দৰে পৰি থাকিল। বেচেৰী চকু থাকিও কণা, কাণ থাকিও কলা হৈ পৰিছিল।

ৰৈ আছে। মানুহবিলাক কিজানি থুপৰি হৈছেহি। মছিঅঁই তীক্ষ্ণ দৃষ্টিৰে ফাদাৰ ওবেনিয়নৰ ফালে চাই ক্ষন্তেক ৰ'বলৈ কৈ সুধিলে, "সেই ছোৱালীজনীৰ লগত তুমি অকলে যাবা নেকি?"

ফাদাৰ ওবেনিয়নৰ চকুৰে-মুখে বিৰক্তিৰ চিন স্পষ্ট হৈ পৰিল। তেওঁ ক'লে "মছিঅঁ এয়া মই প্ৰাৰ্থনাৰ নিচিনা পবিত্ৰ কাম এটাৰ বাবে সাজু হৈ ওলাইছো, এই সময়ত মোৰ অন্তৰত তেনে অপবিত্ৰ ভাববোৰৰ বাবে ঠাই আছে বুলি আপুনি ভাবিব পাৰেনে?"

ভালেখিনি সময় মছিঅঁই তেওঁৰ ফালে চাই থাকিল।

তেওঁ ফাদাৰ ওবেনিয়নৰ সৰল নীলা চকুযুৰিত এটা নিষ্কলুষ নিষ্ঠাৰ ভাব দেখিবলৈ পাই আশ্বস্ত হ'ল। "মোক মাফ কৰিবা পিটাৰ" বুলি কৈ তেওঁ মুখ ঘূৰালে।

পিটাৰ! ফাদাৰ ওবেনিয়নৰ ঘৰত মতা মৰমৰ নাম। আজি বহু বছৰ কোনেও এই নামেৰে তেওঁক মতা নাছিল। আজি সেই নামেৰে তেওঁক মতা শুনি তেওঁৰ ৰোমাঞ্চ হ'ল। মছিঅঁই সেই নামটো যে এতিয়াও মনত ৰাখিছে এই কথা তেওঁ ভবাই নাছিল। তেওঁৰ চকু দুটা সেমেকি উঠিল আৰু আঁঠুকাঢ়ি বহিলৈ খাটৰ দাঁতিয়েদি ওলমি পৰা মছিঅঁৰ অকণমান হাতখন খামোচি ধৰি তেওঁ চুমা খালে আৰু তেওঁক ধন্যবাদ দি ওলাই গ'ল।

বাহিৰত বাঁহৰ বাগিচাখনত আগৰ বন্দবস্ত মতে চিউলানে তেওঁৰ বাবে অপেক্ষা কৰি আছিল। ৰাতিপুৱা ভালদৰে পোহৰ হোৱাই নাছিল; সেই আধা পোহৰ আধা আন্ধাৰৰ মাজত তাই সেউজীয়া জেকেট এটা পিন্ধি মনে মনে থিয় দি আছিল। ফাদাৰ ওবেনিয়নক দেখি তাই নাহাঁহিলে, বৰং ওঁঠত আঙুলিৰে হেঁচা দি ইঙ্গিতেৰে তাইক অনুসৰণ কৰিবলৈ কৈ তাই আগবাঢ়িলে। গে'টত পহৰা আছিল। তাৰ চকুত ধূলি দি কেনেকৈ ওলাই যাব সেই চিন্তাই ফাদাৰ ওবেনিয়নক কিছু বিব্ৰত কৰিছিল। কিন্তু চিউলানৰ বুদ্ধি দেখি তেওঁ মনত বল পালে। বাঁহৰ বাগিচাখনৰ পিচফালে এডাল হালি থকা বাঁহ বগাই তাই নিমিষতে দেৱালৰ ওপৰত উঠিল। তাৰে পৰা ফুচফুচাই ফাদাৰ ওবেনিয়নক 'আহক' বুলি মাতি তাই দেৱালৰ বাহিৰৰ ফালে জাঁপ মাৰি পৰিল। বিৰাট দেহৰ পাদ্ৰীজনেও খপজপকৈ বাঁহডালেৰে বগাই গৈ দেৱালখন পাৰ হ'ল। বাহিৰৰ ফালে পাচলিৰ বাগানৰ কোমল মাটিত নমা বাবে জাঁপ মৰা শব্দ কোনেও নুশুনিলে।

চিউলানৰ এই কপটো সম্পূৰ্ণ বেলেগ। এইজনী চিউলান সম্বন্ধে একো ভয় কৰিবলগীয়া কথা থাকিব নোৱাৰে বুলি ফাদাৰ ওবেনিয়ন নিশ্চিত হ'ল। গাৰ লাহ-বিলাহ দেখুৱাই চকুত ৰামধেনুৰ ৰং সানি হিয়াত কামনাৰ জুই জ্বলোৱা ৰাংঢালী

চিউলানজনীৰ ঠাইত এয়া সম্পূৰ্ণ আন এজনী শান্ত, সাৱধান, সুস্থিৰ মনৰ, কৰ্তব্যপৰায়ণ তিৰোতাই ফাদাৰ ওবেনিয়ক বাট দেখুৱাই গৈছে। তাইৰ চকুৱে সতৰ্কভাৱে চাৰিওফালে লক্ষ্য ৰাখিছে আৰু সামান্যতম শব্দপৰ্যন্ত তাইৰ কাণত নপৰাকৈ থকা নাই।

পথাৰৰ মাজৰ প্ৰাৰ্থনাৰ বাবে নিৰ্দিষ্ট কৰা ঠাইটুকুৰা পাওঁতে পাওঁতে পূব ফালে বেলিটোৰ সোণালী পোহৰখিনি বেছি উজ্জ্বল হৈ পৰিল। এটা প্ৰকাণ্ড শিলৰ গাত এটুকুৰা ঠাই চকেৰে আঁকি প্ৰাৰ্থনাৰ বাবে বেদীৰ নিচিনা কৰা হৈছিল আৰু তাৰে ওপৰত কোনোবাই ক্ৰুছৰ চিন এটাও নামনিত নতুনকৈ খ্ৰীষ্ট ধৰ্মত দীক্ষিত হোৱা মানুহবোৰ আঁঠুকাঢ়ি বহি আছিল। ধৰ্ম গুৰুজনাক দেখি মানুহবোৰে মনে মনে থিতাতে থিয় দি তেওঁক সম্বৰ্ধনা জনালে। তেওঁ গৈ বেদীটোত উপস্থিত হোৱাত সকলোৱে হাতত গুটিৰ মালা ঘূৰাই ঘূৰাই বিৰ বিৰকৈ মন্ত্ৰ মাতি মাতি বহি পৰিল। পুৱাৰ সূৰুযৰ কোমল হেঙুলীয়া কিৰণবোৰ ধীৰে ধীৰে পূব আকাশত বিয়পি শিলটোৰ ওপৰলৈ আগুৱাই অহাৰ লগে লগে ফাদাৰ ওবেনিয়নে গুৰু- গম্ভীৰ মাতেৰে ধৰ্মৰ পবিত্ৰ কথাবোৰ গাই সকল্যোৱে অন্তৰত শান্তিৰ পৰশ দিলে।

ফাদাৰ ওবেনিয়নে লাহে লাহেপ্ৰাৰ্থনা আৰম্ভ কৰিলে— কোনো চঞ্চলতা বা অস্থিৰতা নাই। তেওঁৰ উদাত্ত কণ্ঠৰ পৰা নিঃসৃত হোৱা মন্ত্ৰবোৰে পুৱাবেলাৰ সেই শান্ত পৰিবেশটো পবিত্ৰ কৰি পেলালে। তেওঁক আগত লৈ মানুহবোৰে সমাহিত চিত্তে আঁঠুকাঢ়ি বহি আছিল আৰু সকলোৰে পিচত ওখ ধান গছবোৰে বতাহত হালি-জালি প্ৰাৰ্থনাৰত জনতাক আঁৰ কৰি ধৰাৰ উপৰি যেন নাচি নাচি বিভুৰ মহিমা কীৰ্তন কৰিছিল। প্ৰাৰ্থনা আৰম্ভ কৰাৰ পিচতো দুই-এজন ভক্ত ধাননিৰ মাজে মাজে আহি যোগ দিয়াত প্ৰাৰ্থনা সভা বেছ ডাঙৰ হৈ পৰিছিল। সকলো মানুহ অহা যেন পাই ফাদাৰ ওবেনিয়ন কমিউনৰ বাবে সাজু হ'ল। তেওঁ মূৰ দোঁৱাই তিনিবাৰ উচ্চাৰণ কৰিলে "ডোমিনি নন চুম ডি গ্লাচ" (প্ৰভু, মই তোমাৰ যোগ্য নহওঁ)। ভক্তসকলেও সেই গীতফাঁকি সমস্বৰে গালে। তেওঁ তেতিয়া ঘূৰি সমবেত ভক্তসকলৰ মুৱা হৈ হাত দাঙি সকলোকে আশীৰ্বাদ কৰিলে।

চিউলান পিছফালে আনবোৰ ভক্তৰ মাজত আঁঠুকাঢ়ি বহি আছিল। আনবোৰ ভক্তৰ ওচৰলৈ যোৱাৰ দৰে তেওঁ তাইৰ ওচৰলৈ গৈ তাইকো আশীৰ্বাদ দিলে। তাইৰ ওচৰ পাওঁতে তেওঁ এবাৰ হঠাৎ থমকি ৰৈছিল। অহৈতুকী দ্বিধাৰ ভাব এটাই তেওঁক ক্ষণিকৰ বাবে বাধা দিছিল। কিন্তু মুহূৰ্ততে তেওঁ আত্মস্থ হৈ তাইৰ আত্মাৰ শান্তিৰ বাবে আশীৰ্বাদ দিবলৈ আগবাঢ়ি গ'ল।

চিউলানে গতানুগতিক ৰীতিত ফাদাৰ ওবেনিয়নৰ পৰা দীক্ষা মন্ত্র লোৱা নাছিল। সিদিনা প্রার্থনা সভাত তেওঁ তাইৰ ওচৰলৈ গৈ আন আন ভক্তসকলৰ নিচিনাকৈ তাইকো আশীর্বাদ দিব বুলি তাই আশা কৰা নাছিল; কিন্তু ফাদাৰ ওবেনিয়নৰ পৰা একে নিয়মে আশীর্বাদ পোৱাত তাই অন্তৰেৰে সেই আশীর্বাদ গ্রহণ কৰিলে। সেই মুহূর্তত তাইৰ হৃদয়ত কি এটা ৰঙীণ চিত্র অংকিত হৈ পৰিছিল তাক জানিবৰ উপায় নাই। ফাদাৰ ওবেনিয়নেও তাইক ৰীতিমতে দীক্ষিত হোৱা ভক্তৰ দৰে প্রার্থনা সভাবোৰত যোগ দিবলৈ অনুমতি দিয়াত তাই কৃতার্থ হ'ল। তেওঁৰ প্রতি থকা প্রেমৰ লগত এটা ভক্তিভাব যোগ হোৱাত শয়নে-সপোনে কেবল এইবোৰ চিন্তাই তাইৰ লগ নেৰা হ'ল। তাই সদায় ৰেক্টৰীৰ দুৱাৰ মুখেদিয়ে হওক বা দেৱাল পাৰ হৈয়েই হওক ভিতৰলৈ আহি পাদ্রী দুজনৰ সেৱাত সম্পূর্ণভাবে আত্মনিয়োগ কৰিলে।

এদিনাখন ৰাতি পুৱাৰ কথা। তাই ৰেক্টৰীৰ ঘৰ-দুৱাৰ মাৰি ভিতৰত বিছনাবোৰ সজাই আছে। মছিঅঁই অলপ ভালপাই অলপ অলপ উঠি ফুৰিছে। তেওঁ এই কেইদিনতে ভালেখিনি খীণাই গৈছিল আৰু বহু দুর্বল হৈ পৰিছিল। সিদিনা পুৱা তেওঁ ফাদাৰ ওবেনিয়নৰ লগত বৈঠকখানাত বহি মেল কৰি আছিল। চিউলানে আজিকালি ফাদাৰ ওবেনিয়নৰ পাচে পাচে লাগি নাথাকে।

তেওঁক তাই অন্তৰে অন্তৰে পূজা কৰে আৰু দেখা দেখিকৈ এই ভাব প্রকাশ কৰিবলৈকো দ্বিধাবোধ নকৰে। তাই ভাবে যে তেওঁ সাধাৰণ মানুহতকৈ বহুত ওপৰত। তেওঁৰ শোৱনি কোঠাত সোমাই চকী-মেজবোৰ জাৰি জোকাৰি পৰিষ্কাৰ কৰি তেওঁৰ বিছনাখন নতুনকৈ পাৰি দিওঁতে তেওঁক তাইৰ নিচেই ওচৰত পোৱা যেন লাগে। এই অকণমান বিছনাখনতেই যোৱা ৰাতি তেওঁ শুইছিল আৰু এই টান গাৰুটোতে মূৰ দিছিল। তাই খাটখনৰ দাঁতিতে এবাৰ বহিল আৰু অকণমান হাঁহিলে। এৰা, তেওঁ এজন মানুহহে- এজন সবল আৰু সৎ প্রকৃতিৰ মানুহ। তাই জানে যে তেওঁ তাইক ভাল পায়। এই ভালপোৱাত বহুতো মৰম, বহুতো চেনেহ আৰু বহুতো কিবাকিবি মিহলি হৈ আছে। তেওঁলৈ তাই অকণো ভয় নকৰে, বৰং হিয়াৰ মাজত তেওঁক সদায় পূজা কৰিবৰ মন যায়। ইয়াকে বোধকৰো স্বর্গীয় প্রেম বোলে; এই স্বর্গীয় প্রেমৰ বলতে কিজানি কুমাৰী মেৰীয়ে গর্ভত সন্তান ধাৰণ কৰিছিল। কল্যাণময়ী দেৱীগৰাকীৰ অন্তৰত তেতিয়া কিজানি ঠিক তাইৰ দৰে ভাববোৰে খিতি লৈছিল।

তাইৰ অকণমান হিয়াখনিৰ ওপৰেদি পুলকৰ শিহৰণ এটি বাগৰি গ'ল। মনৰ দাপোণত তাই ফাদাৰ ওবেনিয়নক সশৰীৰে দেখিবলৈ পালে; তেওঁ তাইক হাত

বাউল দি মাতিছে। তাই আগবাঢ়ি গ'ল। তাই অনুভৱ কৰিলে যেন তাইক বুকুৰ মাজত সাবটি ধৰিলে। তাইৰ চকুত প্ৰেমৰ ধল আহিল—ওঁঠ দুটা কঁপি উঠিল আৰু তেজ-মঙ্গ হৰ ফাদাৰ ওৰেনিয়ন মানুহজন যেন তাইৰ মুখৰ ওপৰত লাহে লাহে হালি পৰিল।

কল্পনাৰ তুলিকাৰে আঁকা এই চিত্ৰটো তাইৰ চকুৰ আগত বাস্তৱৰ নিচিনা ৰূপে-ৰসে-গন্ধেও স্পৰ্শে জিলিকি উঠিল। তাইৰ সমস্ত সত্বা, প্ৰেমৰ প্ৰৱাহত আৰু কলিজাৰ কঁপনিত এনে আনন্দ আৰু ইমান মাধুৰ্য আছে বুলি তাই জনা নাছিল। অনাঘ্ৰাত পদুম কলিৰ দৰে পবিত্ৰ কুমাৰী জীৱন লৈ তাই এজনী প্ৰেমৰ পূজাৰিণী; তাইৰ বাঞ্ছিত দেৱতাই এই পূজা গ্ৰহণ কৰিব জানো? তাইক নিজকে স্বৰ্গৰ অভিসাৰিকা যেন লাগিল। স্বৰ্গৰ দেৱ-দেৱীসকলৰ মাজত এনে অভিসাৰৰ বহুতো কাহিনী তাই শুনিছে, কিমান ঋষি-মুনি আৰু প্ৰাতঃস্মৰণীয় পুৰুষৰ জন্মৰ লগত এনেকুৱা পবিত্ৰ প্ৰণয়ৰ কাহিনী জড়িত আছে তাৰ সীমাসংখ্যা নাই। কোনোবা দীপ্লিপ গাভৰু নিজৰাৰ পাৰত বহি গা ধুই থাকোঁতে কোনো জলদেৱতাৰ চকুত পৰিল, অথবা মন্দিৰত অকলশৰীয়া কৈ প্ৰাৰ্থনা কৰি থাকোঁতে কোনো ৰাজকন্যা অজানিতে মন্দিৰৰ অধিষ্ঠাতা দেৱতাৰ লগত সম্ভোগত লিপ্ত হ'ল— এনেধৰণৰ নানা আলৌকিক কাহিনী মাকে জীয়েকক বা বুঢ়ীমাকে নাতিনীয়েকক প্ৰায়ে কয়। আচলতে তাইৰ নিজা মাকে এনে সাধু এটা তাইক কৈছিল।

"অতীজতে পৰাক্ৰমী সম্ৰাট চুং চিয়াঙৰ ৰাজত্বৰ কালত এজন বৰ ডাঙৰ কবিৰাজ আছিল। তেওঁ মানুহৰ সকলো ৰোগৰ চিকিৎসা কৰিব পাৰিছিল। তেওঁৰ জন্ম কাহিনীটো বৰ আচৰিত ধৰণৰ। তেওঁৰ মাক কুমাৰী অৱস্থাতে পবিত্ৰ ওমেই পৰ্বতৰ এখন উদ্যানত অকলে বহি তপস্যা কৰি থাকোঁতে হঠাৎ এজন দিব্য কান্তি যুবকৰ আবিৰ্ভাৱ হ'ল। এই যুবকজন আচলতে এজন দেৱতা আছিল আৰু তপস্যাত মগ্ন হৈ থকা কুমাৰী গৰাকীৰ পবিত্ৰমন মুহিবৰ বাবে কান্তিমান যুবকৰ ৰূপ লৈ দেখা দিছিলহি।

"ভয় নাই,' যুৱকজনে ক'লে, "কাৰণ মই ......"

কাহিনীটো মনত পেলাবলৈ বুলি তাই চকু মুদি আছিল। এইদৰে মৌন আনন্দৰ মুহূৰ্ত্ত কেটামান উপভোগ কৰি থাকোতে হঠাৎ তাইৰ চিন্তাত বাধা পৰিল। তাই চকখাই উঠিল।

"অ', তই ইয়াতে!"

এজন পুৰুষৰ কণ্ঠস্বৰ। তাই জাঁপ মাৰি উঠি চকুমেলি যি দেখিলে তাত তাইৰ মুখৰ হাঁহি মাৰ গ'ল। ভয়ত কঁপি কঁপি অই থিয় দিলে। ইটো কোনো দেৱতা

সাধনা আৰু সেৱা কাৰ্যৰ পুণ্য অথলে যাব নোৱাৰে প্ৰভু। ঈশ্বৰে সেই কথা পাহৰিব বুলি মই নাভাবোঁ।"

মছিঅঁই ঘপহকৈ মূৰ দাঙি কথাবাৰৰ প্ৰত্যুত্তৰ দিলে। টিকিচকৈ তেওঁৰ পুৰণি খংটোৱে ভুমুকি মাৰিলে "এৰা, ভগৱানে পাহৰা নাছিল আৰু সেয়ে মোক আয়াৰ্লেণ্ডলৈ নিৰ্বিঘ্নে উভতি যাবলৈ নিৰ্দেশ দিছিল। তুমিহে সকলোবোৰ পণ্ড কৰি দিলা। তুমি এদিন দেৰি কৰা বাবেই এইবোৰ ঘটিবলৈ পালে।"

অতি নম্ৰভাৱে ফাদাৰ ওবেনিয়নে ক'লে— "আপুনি মোক ক্ষমা কৰিব বুলিয়ে মই আশা কৰিছিলোঁ।"

মছিঅঁই কিবা সুবিধা পোৱাৰ আগতে হো-চানে কৈ উঠিল— "তোমালোকে ইয়াত বিদেশী ভাষাত একো ক'ব নোৱাৰা।"

ফাদাৰ ওবেনিয়নে এইবাৰ সঙ্গীনৰ খোঁচ এটা নিজৰ পিঠিতে লগা যেন পালে। "হে ঈশ্বৰ, মোৰ পিঠিৰ পৰা তেজ ওলাল দেখোন। আপোনাৰ গাৰ পৰাও তেজ ওলাইছে নেকি মছিঅঁ?"

"ওলাইছে, এয়া চোৱা—"

"সাধু-সন্তৰ গাৰ পৰা তেজ ওলোৱা বেয়া—" ফাদাৰ ওবেনিয়নে বিৰবিৰকৈ ক'লে।

দুয়ো অলপ সময় মনে মনে থাকিল। হো-চানে কোঠালিটোৰ ভিতৰত ইফাল-সিফালকৈ থাকিল। এখন মেজ, এখন কাঠৰ চকী, আৰু দুখন টুলৰ বাহিৰে কোঠালিটোত আন একো আচবাব নাছিল। পাদ্ৰী দুজন টুল দুখনত বহি আছিল। চূণ দিয়া দেৱালত এখন প্ৰকাণ্ড ৰঙীণ ছবি আঁকা আছিল। অ'ত-ত'ত পৰি থকা য়ুৰোপীয় মানুহৰ মৃত দেহৰ সৈতে এখন যুদ্ধ ক্ষেত্ৰৰ ভয় লগা চিত্ৰ— তলত ডাঙৰ আখৰেৰে ঠাই টুকুৰাৰ নাম লিখা আছিল— "কোৰিয়া—"

এটা ভয়লগা ভঙ্গীত মুখখন ভীষণ কৰি লৈ ক'লা চেলাউৰিযোৰাৰে সৈতে চকু দুটা ঘোপা কৰি পাদ্ৰী দুজনলৈ চাই হো-চান খোজ কাঢ়িবলৈ এৰি গেৰ্গেৰাই উঠিল,—

"শুনা, দুয়োজন পাদ্ৰীয়ে মোৰ কথা শুনা। তোমালোকে কষ্ট পাইছা; এই কষ্টৰ বাবে তোমালোকেই দায়ী। তোমালোকে নাভাবিবা যে মইহে তোমালোকক কষ্ট দিছোঁ। তোমালোকে নিজেই হাতৰ কুঠাৰ ভৰিত মাৰিছা। তোমালোকে সঁচা কথা নোকোৱা কেলৈ? মই জানোঁ যে তোমালোক গুপ্তচৰ। এই সত্য কথাটো তোমালোকে স্বীকাৰ নকৰা। স্বীকাৰ কৰা; আৰু মই তেতিয়া তোমালোকক মুক্ত

হো-চানে চিপাহীহতঁৰ ফালে চাই ক'লে "বেছ, এতিয়া ইয়াৰ পৰা যা। মোৰ ইয়াতে এটা শুভকৰ্ম সম্পাদন কৰিবলগীয়া আছে।"

সিহঁতে কিৰিলি পাৰি হাঁহি তাক ত্যতে এৰি আঁতৰি গ'ল।

☆ ☆ ☆ ☆

দুমহলীয়া কোঠালিটোৰ ছেদেলি-ভেদেলি হোৱা বিছনাখনত চিউলান কোনোমতে উঠি বহিল। যেন এটা ভয়ানক দুঃস্বপ্নৰ পিচত তাইৰ টোপনি ভাগিল। হো-চান কেতিয়াবাই গুচি গৈছিল।

কি হ'ল তাইৰ? গোটেই গাতে বিষ, গাৰ কাপোৰ-কানিবোৰ চিৰাচিৰ হৈ গৈছে। কোনোবাই যেন তাইক থেতেলিয়াইছেহে! উঠি বহোঁতে ইমান কষ্ট পালে যেন এটা দ গাঁতৰ পৰাহে চোঁচৰি উঠিবলগীয়া হৈছিল। উঠিয়েই তেওঁ ফাদাৰ ওবেনিয়নক দেখিবলৈ পালে। পাপীষ্ঠইঁতে মুখত সোপা দি চকী খনৰ লগত তেওঁক বান্ধি থৈছিল। তেওঁ যন্ত্ৰণা পাইছিল আৰু মূৰটো বুকুৰ ওপৰত হালি পৰিছিল। চকুৰে-মুখে বেদনাৰ চিন স্পষ্ট হৈ উঠিছিল।

কষ্টৰ মাজতো ফাদাৰ ওবেনিয়নে লাহে লাহে ভগবানক মিনতি জনাইছিল, "হে প্ৰভু ইহতঁক ক্ষমা কৰা; সিহঁত নিতান্ত অজ্ঞান; সিহঁত তোমাৰ ক্ষমাৰ পাত্ৰ, ভগবান। হে পিতা, মই কিয় ধৰ্ম সম্প্ৰদায়ত ভক্ত হ'বলৈ আহিছিলোঁ— মোক কিহে পাইছিল? মই যে এই কামৰ বাবে নিতান্ত অযোগ্য প্ৰভু! মই কি কৰিছো, নিজেই দেখোন তাৰ একো ভু নাপাওঁ। মোক ক্ষমা কৰা।"

তাই তেওঁক নামাতিলে। কঁপা হাতদুখনেৰে ফাদাৰ ওবেনিয়নৰ ফালে পাচ দি কাপোৰ-কানিবোৰ সামৰি ল'লে। চোলাৰ আস্তিনেৰে তাই বৈ পৰা চকুপানীবোৰ মচি থিয় দিলে আৰু মনটো সবল কৰিবলৈ চেষ্টা কৰিলে। তাইৰ মুখখন ৰঙা পৰি উঠিছিল আৰু সেই ৰঙচুৱা গালৰ ওপৰেদি সৰসৰকৈ চকুলো বাগৰি পৰিছিল। বুকুৰ মাজত অসহ্য যন্ত্ৰণা অনুভব হোৱাত তাই কান্দি পেলাব খুজিছিল, কিন্তু জোৰ কৰি কান্দোন বন্ধ কৰিলে। তাই ফাদাৰ ওবেনিয়নৰ ফালে ঘূৰি লাহে লাহে তেওঁৰ ওচৰলৈ গৈ বান্ধবোৰ সোলোকাই দিলে। চিউলানৰ বিষাদমলিন মুখখনলৈ তেওঁ মূৰ দাঙি চাব নোৱাৰিলে। মুক্ত হোৱাৰ পিচতো যেনেকৈ আছিল তেনেকৈ তলমূৰ কৰি বহিয়ে থাকিল। তাই তেওঁৰ ফালে অলপ সময় চাই থাকি ঘপহকৈ আঠু কাঢ়ি বহিল আৰু তেওঁৰ কোলাত মূৰটো থৈ

উচুপি উচুপি ক'লে– "মোক পৰিত্ৰাণ কৰক ফাদাৰ, মোৰ গাৰ পৰা পাপৰ চেকাবোৰ ধুই মোক ৰক্ষা কৰক।"

তেওঁ লাহেকৈ ক'লে "তোমাৰ গাত একো পাপ নাই।"

তেওঁ লৰচৰ নকৰাকৈ স্থিৰভাৱে বহিয়ে থাকিল, তাইক স্পৰ্শ নকৰাকৈ কথাষাৰ কৈ পেলালে।

তাইৰ উচুপনি বাঢ়িল--- এই উচুপনিৰ যেন শেষ নাই !

কান্দি কান্দিয়ে তাই ক'লে, "মই এজন দেৱতাৰ বাবে অপেক্ষা কৰি আছিলোঁ- ভাবিছিলোঁ যে.....।"

ফাদাৰ ওবেনিয়নে অতি সৰলভাৱে কথাষাৰ গ্ৰহণ কৰিলে। হাতখন দাঙি তাইৰ মূৰটো তেওঁ অকণমান পিহি দিলে। হাতৰ তলুৱাত তাইৰ বিশৃঙ্খল ক'লা চুলিৰ পৰশ লাগিল আৰু সেইদৰে তেওঁ শক্তি আৰু জ্ঞানৰ বাবে ভগৱানক প্ৰাৰ্থনা জনালে!

চিউলানৰ প্ৰতি উদ্দেশ্য কৰি তেওঁ ধীৰে ধীৰে ক'লে— "আমাক সকলোকে ক্ষমা কৰিবৰ একমাত্ৰ গৰাকী হৈছে ভগৱান। এই বিশ্বাস মনত ৰাখি তুমি ঘৰলৈ মাৰাৰ ওচৰলৈ যোৱাগৈ বাচা।"

এইবুলি তেওঁ থিয় দিলে আৰু চিউলানক দুৱাৰমুখলৈ আগবঢ়াই দিলে।

★ ★ ★ ★

"তোমালোকে ঘৰত তিৰোতা মানুহ ৰাখা" হো-চানে ধমক দি ক'লে।

তেতিয়া মাজনিশা। লালবাহিনীৰ হেড কোৱাৰ্টাৰত মছিঅঁ ফিংসগিবন আৰু ফাদাৰ ওবেনিয়ন দুখন টুলত ওচৰা-উচৰিকৈ বহি আছিল। প্ৰায় ১২ ঘণ্টা কাল তেওঁলোক সেইদৰে তাতে থাকিবলগীয়া হৈছিল।

সিদিনা দুপৰীয়া ৰেক্টৰীৰ বৈঠকখানাত আৰামী চকী এখনত মছিঅঁ শুই আছিল আৰু ফাদাৰ ওবেনিয়নে তেওঁৰ ওচৰতে আঁঠুকাঢ়ি বহি আছিল। হঠাৎ ৰেক্টৰীৰ বাহিৰ ভিতৰ সকলোতে এপাল চিপাহী গৈ গিজগিজাই উঠিল। দুয়ো চকখাই দেখে যে কেইজনমান চিপাহী ৰুদ্ৰমূৰ্তি ধৰি বৈঠকখানালৈ সোমাই আহিছে।

এজন হাবালদাৰে দাঁত কৰচি জনাই দিলে যে তেওঁলোক দুয়োকে বন্দী কৰি লৈ যাবলৈ হুকুম কৰা হৈছে।

"কিন্তু এখেত অসুস্থ" ফাদাৰ ওবেনিয়নে ক'লে— "তদুপৰি তেওঁ বৃদ্ধ আৰু বন্দীশাললৈ যাবলৈ অসমৰ্থ। এতিয়া তেওঁৰ টোপনিও গৈছে।"

"ইঃ বৰ কথাটো হৈছে? আমি তেওঁক জগাই দিব পাৰিম" বুলি হাৱালদাৰটোৱে মুখ বিকটাই ক'লে।

মছিঅঁ ফিৎসগিবনৰ চকুৰ পৰা ইতিমধ্যে টোপনি দূৰ হৈছিল। চিপাহীবোৰে তেওঁক জোৰ কৰি টানি আনি হাত দুখন লগ লগাই বান্ধি পেলালে। ফাদাৰ ওবেনিয়নকো হাতে-ভৰিয়ে বান্ধি পেলালে আৰু দুয়োকো উলিয়াই লৈ গ'ল।

তেতিয়াৰ পৰা দুয়ো হাতে-ভৰিয়ে বন্ধা অৱস্থাত সেমেকা কোঠালি এটাৰ ভিতৰত বহি থাকিল। শীত পৰিবলৈ আৰম্ভ কৰিছিল আৰু বাহিৰত কিনকিনীয়া বৰষুণ দি আছিল। ফিৰফিৰিয়া বতাহৰ লগত পানীৰ টোপালবোৰ খিৰিকীৰে ভিতৰলৈ সোমোৱাত কোঠালিটো বৰ ঠাণ্ডা হৈ পৰিছিল। ভিতৰখন গৰম কৰিবলৈ এটা মাত্ৰ কয়লাৰ চুলা কোঠালিটোৰ এটা কোণত থৈ দিয়া আছিল। পাদ্ৰী দুজনৰ গাত আছিল মাত্ৰ পাতল হলৌ চোলা, তাৰ ভিতৰত কোনো গৰম কপাহৰ সঞ্জাপ নাছিল।

ফাদাৰ ওবেনিয়নে চিন্তিত হৈ মছিঅঁৰ ফালে চাই দেখিলে যে তেওঁ জাৰতে থক্‌থক্‌কৈ কঁপি আছে। হো-চানৰ ফালে চাই তেওঁ ক'লে "চোৱা হো-চান তোমাৰ শিক্ষাগুৰু অৱস্থালৈ চোৱা। তুমি ইয়াৰ ভিতৰতে তোমালোকৰ কনফুচিয়াচ বা আমাৰ পৰমপিতা পৰমেশ্বৰৰ কথাবোৰ পাহৰি গ'লানে? কনফুচিয়াচেই দেখোন শিক্ষকক পিতৃতুল্য জ্ঞান কৰিব লাগে বুলি দঢ়াই দঢ়াই কৈ গৈছে?"

হো-চানে ধুনীয়া মুখখন বেঁকা কৰি উত্তৰ দিলে "মই সেইবোৰ নাজানোঁ। মই কনফুচিয়াচক নাজানোঁ আৰু মোৰবাবে কোনো ঈশ্বৰ-ফিশ্বৰ নাই।"

"কিন্তু তই দুয়োজনৰ বিষয়ে জান।" মছিঅঁই ক'লে, "এতিয়া নাজানোঁ বুলিছ।"

ভাল অৱস্থাত মছিঅঁৰ মাতত জোৰ আছে আৰু তেওঁৰ কথাত এটা কৰ্তৃত্বৰ সুৰ শুনিবলৈ পোৱা যায়। কিন্তু এতিয়া তেওঁৰ মাত বৰ দুৰ্বল হৈ পৰিছিল। তেওঁৰ অৱস্থা দেখি ফাদাৰ ওবেনিয়নে এই বয়সীয়া মানুহজনক এই কঠোৰ ব্যৱহাৰৰ পৰা অব্যাহতি দিবলৈ হো-চানক বাৰে বাৰে কাকুতি কৰিছিল। কিন্তু হো-চানে দুপৰীয়াৰ পৰা একেদৰেই একেটা নিদাৰুণ আৰু নিৰ্লজ্জ অভিযোগৰ কথা বাৰে বাৰে কৈ কৈ দুয়োকো অতিষ্ঠ কৰি তুলিছিল।

শেষবাৰৰ বাবে ফাদাৰ ওবেনিয়নে মিনতি কৰিলে, "হো-চান, মই তোমাক অনুৰোধ কৰিছোঁ, অনুগ্ৰহ কৰি কোনোবা এজনক কোৱা যেন সোনকালে মছিঅঁৰ বাবে অকণমান গৰম চাহৰ ব্যৱস্থা কৰে।"

হো-চানে উত্তৰত মাথোঁ নিৰ্বিকাৰভাৱে চাই থকা দেখি ফাদাৰ ওবেনিয়নৰ মূৰত এটা বুধি খেলালে। তেওঁ ঘপহকৈ ক'লে,

"তুমি দেখা নাইনে হো-চান, যে এওঁক দিয়া এই নিৰ্যাতনৰ ফলত তেওঁ মৰি যাবও পাৰে। তেতিয়া তোমাৰ লাভ কি হ'ব? এওঁৰ মৃত্যুত তোমাৰ গৌৰৱ বৃদ্ধি নহয় আৰু উদ্দেশ্যও সিদ্ধি নহয়।"

ফাদাৰ ওবেনিয়নৰ কথাত হো-চানৰ কপাল কোঁচ খালে আৰু চেলাউৰি দুটা তললৈ নামি আহিল, সি কিবা আদেশ কৰাত চিপাহী এটাই কেটলিৰ পৰা এবাটি চাহ মুখৰ আগত ধৰিলে। বুঢ়া মছিঅঁই লাহে লাহে কৈ চাহখিনি পি খালে।

তেওঁ চাহ খোৱা সময়খিনি হো-চানে কোঠালিটোত ইফালে-সিফালে ঘূৰি আছিল। হঠাৎ সি আহি দুয়োজন পাদ্ৰীৰ সন্মুখত থিয় হৈ আঙুলি জোকাৰি ক'লে,—

"তোমালোক দুয়োজনেই গুপ্তচৰ। এই কথা স্বীকাৰ কৰিবই লাগিব। কোৱা স্বীকাৰ কৰিবানে, নকৰা?

"আমি গুপ্তচৰ নহওঁ" মছিঅই খং কৰি ক'লে।

চাহপানীটোপা পেটলৈ যোৱাত তেওঁ অলপ সুস্থ বোধ কৰিছিল। বিপদ আৰু দুৰ্ঘটনাৰ সন্মুখত বুকু ডাঠ কৰি ঠিয় হোৱাটোৱেই মছিঅঁৰ স্বভাৱ। তেওঁৰ চকু দুটা আকৌ তীব্ৰভাৱে জ্বলি উঠিল।

দুয়োজন পাদ্ৰীৰ পিচৰফালে ছজন চিপাহী উন্মুক্ত সঙ্গীনেৰে সৈতে বন্দুক হাতত লৈ থিয় হৈ আছিল। সিহঁতলৈ চাই দুয়োকে খুঁচি দিবলৈ হো-চানে আদেশ কৰিলে।

চোলাৰ মাজেৰে সঙ্গীনৰ জোঙা আগটো পিঠিত সোমাই যোৱাত মছিঅঁই খুব দুখ পালে। যন্ত্ৰণাত তেওঁৰ চকু দুটা মুদ খাই পৰিল। গৰম তেজৰ ধাৰ এটি জাৰত চেঁচা পৰা পিঠিৰ ওপৰেদি বাগৰি গ'ল। তাকে দেখি ফাদাৰ ওবেনিয়নে হো-চানক গৰ্জি উঠিল "তই এটা খুনী, ঘৃণীত ঘাতক।"

মছিঅঁই অলপ আগতে যিখিনি বল পাইছিল সেই ফেৰাও নাইকিয়া হ'ল। তেওঁৰ মূৰটো হালি পৰিল। সেহাই সেহাই তেওঁ ক'লে, "উঃ বৰ বুঢ়া হৈছোঁ, এই বয়সত এনে যন্ত্ৰণা সহ্য নহয় পিটাৰ।"

মছিঅঁৰ এই কথাবাৰ শুনিবলৈ ফাদাৰ ওবেনিয়ন ওচৰলৈ হালি যাবলগীয়া হ'ল। হালোঁতে বান্ধটোৱে হাতখন কাটি পেলোৱা যেন লাগিল।

"মনটো দুৰ্বল নকৰিব মছিঅঁ" তেওঁ ফুচফুচাই ক'লে "সকলোৱে জানে যে আপুনি সাহসী। মোৰ যিখিনি সাহস, সেই গোটেইখিনি আপোনাৰ পৰাই পোৱা। ভগৱানে নিশ্চয় আমাৰ উদ্ধাৰৰ কিবা এটা উপায় কৰিব। আপোনাৰ ইমান বছৰৰ

সহায়কাৰী চুংৰেনে সেই আদেশ ডাঙৰকৈ কৈ দিলে— "বান্ধ—বান্ধ আৰু টানকৈ বান্ধ"

যন্ত্রণাত কাতৰ হৈ ফাদাৰ ওবেনিয়নে চিঞৰি দিলে "হেৰৌ মানুহবধী, যদি আমাক মাৰিবই খুজিছ, গুলী কৰিব নোৱাৰ নেকি? গুলী কৰ, আমাক শেষ কৰি দে।"

"ওহোঁ, সেইটো বৰ নিৰ্মম কাৰ্য হ'ব" হো-চানে হাঁহি ক'লে— "তোমালোকৰ প্ৰতি মৰমিয়াল হ'বলৈহে আমাক নিৰ্দেশ দিয়া হৈছে। শাস্তি যিমানে কঠিন হয়- কাৰ্য সিদ্ধি সিমান সোনকালে হয়-বুজিছানে নাই? বেছ, গাঁঠিটো ভালদৰে লগা-গলটোত আঁট খাই লাগি ধৰক! অঁ ঠিক হৈছে। এতিয়া দুয়োটা মূৰত ধৰি টান--- জোৰে---।"

মানুহবোৰে হো-চানে কোৱাৰ নিচিনাকৈ ৰছীত গাঁঠি লগাই টান দিলে। দুয়োকে হাত-ভৰি বান্ধি এইদৰে টানি ধৰাত পুৰিবলৈ লোৱা কুকুৰাটোৰ দৰে দুয়ো লেতু-সেতু হৈ পৰিল। ইয়াৰ পিচত ৰছীৰ পেঁচ এটা মূৰেৰে সুমুৱাই দি তাৰ লগত দুয়োখন বাহু সাঙুৰি পেলালে আৰু কিলাকুটি দুটা পিচৰফালে টানি দি লগ লগাই ৰছীৰে মেৰিয়াই দিয়াত মছিঅঁই অসহ্য যন্ত্রণাত কেঁকাই উঠিল। এই কেইদিনতে তেওঁ শুকাই খীণাই হাড়ে-ছালে লাগিছিল। শেঁতাপৰা কপালৰ পৰা ঘামৰ টোপালবোৰ বৈ পৰি তেওঁৰ চোলাৰ ডিঙিটো তিয়াই পেলালে। কিলাকুটিৰ তলত হাত দুখন ফুলি উঠি ওলমি পৰিল।

"অলপো লৰচৰ নকৰিব মছিঅঁ" ফাদাৰ ওবেনিয়নে তেওঁক উপদেশ দিলে!

এইবাৰো এই উপদেশ তেওঁ নুশুনিলে বা শুনিও বুজি নাপালে। তেওঁ ছটফটকৈ ইকাটি-সিকাটি কৰি বান্ধবোৰৰ পৰা মুক্তি লাভৰ বাবে চেষ্টা কৰি থাকিল। তাকে কৰোঁতে গাঁঠিবোৰ বেছি টানকৈ লগাত ফাঁচটো বেছি কটকটীয়া হৈ পৰিল আৰু জিভা মেলি উশাহ বন্ধ হৈ যোৱাৰ উপক্ৰম হ'ল। তেওঁ জিভা মেলি দিলে, ওঁঠ ক'লা পৰিল আৰু মূৰটো বুকুলৈকে হালি গ'ল!

সেহাই সেহাই তেওঁ ক'লে— "মোৰ আৰু বেছি পৰ নাই— উঃ ......"

তাকে দেখি ফাদাৰ ওবেনিয়নে গৰ্জি উঠিল "হো-চান খুলিদে ..... খুলিদে তেওঁৰ ডিঙিৰ ফাচঁটো। সোলোকাই দে। তেওঁ মৰিব লাগিলে দোষৰ ভাগী একমাত্ৰ তয়ে হ'ব লাগিব।"

নিৰ্বিকাৰচিত্তে হো-চানে ক'লে, "মই কেলেই দোষৰ ভাগী হ'বলৈ যাম? তেওঁৰ কৰ্মফল তেওঁ ভোগ কৰিব ; মোৰ কি?"

কৰি দিম। তোমালোকৰ কষ্টৰ অৱসান হ'ব আৰু মই নিজে তোমালোকক নিজ দেশলৈ উভতি যোৱাৰ ব্যৱস্থা কৰি দিম।"

মছিঅঁ পোন হৈ পিঠিৰ পৰা তেজ ওলোৱা বন্ধ কৰিবলৈ বুলি বেৰাত হেঁচা দি আউজি ল'লে। হো-চানৰ ফালে তীক্ষ্ণ দৃষ্টিৰে চাই তেওঁ ক'বলৈ ধৰিলে—

"হো-চান, মই ভাবিছিলোঁ যে মোৰ ছাত্ৰবোৰৰ ভিতৰত তয়ে সবাটোকৈ মেধাৱী ছাত্ৰ আছিলি। মই ভুল কৰিছিলোঁ। তই মূৰ্খ। ভাবি চা হো-চান, মোক কেতিয়াবা মিছা কথা কোৱা দেখিছিলিনে, নে তোক মিছা কবলৈ কেতিয়াবা শিকাইছিলোঁ। মনত আছেনে তোৰ, যে এদিনাখন তই বাৰীৰ দক্ষিণফালৰ বেৰাত উঠি কেঁচা পনিয়ল চুৰ কৰি খাইছিলি আৰু পিচত মিছা মাতি কৈছিলি যে দুৰৱীটোৰ পুতেকেহে খাইছিল? কিন্তু তই পনিয়ল পাৰি খোৱা মই মোৰ খিৰিকীৰে দেখিছিলোঁ। তেতিয়া মই তোক সেই পনিযলৰ ডাল এটাৰে কোবাই মিছা নক'বলৈ বাৰে বাৰে কৈছিলোঁ। সেই কথা পাহৰিলি হবলা?"

খণ্ডত ৰঙা-চিঙা পৰি হো-চানে চিঞঁৰি ক'লে, "পাহৰিছোঁ— সকলো পাহৰি গৈছোঁ। তোমাক পাহৰিছোঁ--তোমাৰ নামপৰ্যন্ত মই পাহৰি পেলাইছোঁ।"

"তেন্তে তোক মনত কৰি দিওঁ, শুন পাষণ্ড, আৰু এই কথা শুনি তই মনত ৰাখিব লাগিব। মাৰি পেলালেও আমাক মিছা কথা ক'বলৈ বাধ্য কৰিব নোৱাৰিবি। যদি তেনে আশা কৰিছ, তেন্তে সি তোৰ মূৰ্খামি।"

এই কথা শুনি হো-চান গৈ চকীখনত বহি ল'লে আৰু মেজৰ পৰা এখিলা কাগজ লৈ ক'লে— "এইখনেতো মিছা নামাতে। ইয়াতে সকলো কথা লিখা আছে। ওপৰৰ পৰা এইখন মোলৈ পঠাই দিছে আৰু স্বয়ং মাও-চে টুঙে ইয়াত নিজৰ ছীল-মোহৰ মাৰি দিছে। কৰ্তৃত্বশীল মহলে যুগুত কৰা এই দলিলখনত স্পষ্টকৈ লিখা আছে যে পাদ্ৰীবোৰ আমেৰিকাৰ গুপ্তচৰ আৰু সিহঁতে পোপৰ নামত চোৰাংকৈ কাম কৰি ফুৰে। তোমালোকে জানি থোৱা ভাল যে লালবাহিনীৰ ছীলমোহৰযুক্ত কাকত পত্ৰত মিছা কথাৰ স্থান নাই। তদুপৰি—"

"ৰ'বি"— মছিঅঁই বাধা দি ক'লে— "তই মোৰ লগত কেবাবছৰো আছিলি। ইমান বছৰে মই তোক কেতিয়াবা গুপ্তচৰ হ'বলৈ কৈছিলোঁ নে? সান্ধ্য প্ৰাৰ্থনাৰ পিচত ৰাতি তই শুবলৈ যাওঁ বুলি মোৰ পৰা বিদায় লৈ মনে মনে বেক্টৰীৰ পৰা ওলাই গৈছিলি। সেই কথা জানিও মই তোক কেতিয়াবা কিবা প্ৰশ্ন কৰিছিলোঁ নে?"

"তুমি নিশ্চয় প্ৰশ্ন কৰিলাহেঁতেন— কিন্তু সাহ নহ'ল। তোমাৰ মতলব আছিল— মৰমৰ জালেৰে বান্ধি লৈ এদিন মোক শপত খুৱাই পাদ্ৰী কৰি ল'বা

আৰু সম্পূৰ্ণৰূপে তোমালোকৰ দলভুক্ত কৰি মোৰ মুক্তিৰ পথ চিৰকাললৈ বন্ধ কৰি দিবা। কিন্তু ইতিমধ্যে মই তোমালোকৰ অভিসন্ধিৰ কথা গম পালোঁ। এই কথা জানি তুমি মোক প্ৰশ্ন কৰিবলৈ সাহ নকৰিলা। হয় নে নহয় — কোৱা। এই অভিসন্ধিৰ গুৰি তুমি আৰু এই অপৰাধ তুমি অস্বীকাৰ কৰিব পাৰিবানে?"

শুদ্ধ চীনা ভাষাত মছিঅঁই কৈ গ'ল — "মিছা কথা, সম্পূৰ্ণ মিছা। তই অসত্যৰ আশ্ৰয় লৈছ হো-চান, কিন্তু মই লোৱা নাই। তই মোক ভুৰা দিব নোৱাৰ, কাৰণ তোক মই হাড়ে হাড়ে চিনি পাওঁ—তোৰ অন্তৰৰ প্ৰতিটো চুক-কোণৰ লগত মোৰ পৰিচয় আছে। মোক ভুৱা দিবলৈ গৈ তই নিজে প্ৰতাৰিত হ'বি। ইয়াৰ প্ৰকৃত কাৰণ কি মই নাজানোঁ। হয়তো তই কিহবাৰ ভয়ত এইবোৰ কৰিবলৈ বাধ্য হৈছ?। ইয়াৰদ্বাৰা তই নিজকে ফাঁকি দিবলৈ আৰম্ভ কৰিছ; কিন্তু মোক ফাঁকি দিব নোৱাৰিবি। মই তোক বা তোৰ নিচিনা কাকো ভয় নকৰোঁ আৰু সেইবাবে মই সত্যভ্ৰষ্টও নহওঁ বুলি জানিবি।"

হো-চানৰ চকু-মুখ ৰঙা হৈ পৰিল। সি খঙতে কঁপিবলৈ ধৰিলে আৰু মুখেৰে মাতিব নোৱাৰা হৈ পৰিল। ফাদাৰ ওবেনিয়নৰ গাটো জিকাৰ খাই উঠিল আৰু থিয় দিব নোৱাৰি টুলখনতে অলপ লৰচৰ কৰি বহি থাকিল। "আমি মিত্ৰভাৱে কথাবোৰ আলোচনা কৰা ভাল হ'ব।" তেওঁ ক'লে— "আমি ইজনে-সিজনৰ প্ৰতি ভদ্ৰ ব্যৱহাৰ কৰাহে উচিত। খং কৰিলে একো কাম নিসিজে।"

হো-চানে হাতৰ তলুৱাৰে মুখখন মচি টেবুলত থকা কেটলিটোৰ পৰা এবাটি চাহ লৈ দুঢোকমান খালে। অলপ সুস্থিৰ হৈ সি মাত দিলে,

"মই বন্ধুভাৱেই আলোচনা কৰিবলৈ চেষ্টা কৰি আছোঁ। মই ভদ্ৰতাৰ সীমা লংঘন কৰা নাই। কিন্তু তোমালোক দুজনেই হে অসভ্যালি আৰম্ভ কৰি দিছা। তোমালোকৰ গীৰ্জাৰ প্ৰতি সন্মান দেখুৱাব লাগে বুলি আমাৰ প্ৰতি নিৰ্দেশ দিয়া আছে আৰু ই ছোভিয়েটৰ নিৰ্দেশ। কিন্তু তোমালোকৰ নিচিনা মানুহৰদ্বাৰা পৰিচালিত অনুষ্ঠানৰ প্ৰতি সন্মানজনক ব্যৱহাৰ কৰা অসম্ভৱ!"

ফাদাৰ ওবেনিয়নৰ ফালে ক্ষন্তেক চাই সি ওঁঠ দুটা চেপা মাৰি ধৰিলে, "আৰু তুমি তোমাৰ সেই কুঠৰীটোত সোমাই সেয়া কি কৰি আছিলা? মই দিনটোত ঘটা ঘটনাবোৰ সম্বন্ধে বিবৃতি এটা তৈয়াৰ কৰি ঘৰলৈ যাবলৈ ওলাইছোঁ— এনেতে এটা চিঞৰ শুনিবলৈ পালোঁ। মই থিয় দিলোঁ, সেই কৰুণ চিঞৰটো আকৌ মোৰ কাণত পৰিল। মই উভতি গলোঁ— দুৱাৰখন হেঁচা মাৰি খুলি দেখোঁ যে তুমি সেই—ছোৱালীজনীক বলাৎকাৰ কৰি তাইক বেইজ্জৎ কৰিবলৈ চেষ্টা কৰিছা।"

ফাদাৰ ওবেনিয়নে চকুৰে ধোঁবা-কোবা দেখিলে। কি কয় এইটোৱে? অসহায় ভাৱে তেওঁ মছিঅঁৰ ফালে চালে। হো-চানে সৃষ্টি কৰা এই নির্লজ্জ অপবাদৰ কাহিনী মছিঅঁই বিশ্বাস কৰিব নেকি? যদিহে তেওঁ এই কলঙ্কৰ কথা বিশ্বাস কৰিব লাগিল তেন্তে তেওঁৰ সকলো ভৰসা, ব্যক্তিত্ব, ভৱিষ্যৎ আনকি মনুষ্যত্বৰ এই আটাইখিনি সমুদ্ৰৰ অতল বুকুত বিসর্জন দিব লাগিব। তেওঁৰ অতীতৰ সকলো চেষ্টা আৰু সাধনা এটা দুঃস্বপ্নৰ দৰে এটা মৰীচিকাৰ দৰে মহাশূন্যৰ লগত মিলি নাইকিয়া হৈ যাব। এই চৰম দুর্ভাগ্যৰ সময়তো তেওঁলোক দুজনৰ মাজত এখন দুর্ভেদ্য প্রাচীৰ মূৰ দাঙি থিয় দিব!

মছিঅঁই হো-চানৰ কথা শুনি তেওঁৰ হাতত বন্ধা ৰছীডালকে আশ্রয় হিচাপে লৈ হো হো কৈ হাঁহি দিলে- "হাঃ হাঃ—ঠাট্টা কৰিবলৈ আৰু মানুহ নাপালি মূর্খ! মিছা কথাৰো সীমা আছে হাঃ...হাঃ.... ।"

আৱেগৰ আতিশয্যত ফাদাৰ ওবেনিয়নৰ চকু চলচলীয়া হৈ পৰিল—"মছিঅঁ আপুনি মহান, আপুনি মোৰ বুকুৰ কুটুম, ঈশ্বৰে আপোনাৰ মঙ্গল কৰক" তেওঁ মনে মনে অন্তৰৰ কৃতজ্ঞতাখিনি প্রকাশ কৰিলে।

হো-চান য'তে আছিল তাতে থৰ লাগিল। চকুৰে জুইৰ ফিৰিঙতি ছিটিকিব ধৰিলে। চিপাহীবোৰক সি কঠিন আদেশ দি ক'লে "লৈ যা, এই দুয়োটা পাদ্রীকে বন্দীশালত ভৰাই থগৈ। সেয়ে ইহঁতৰ বাবে উপযুক্ত স্থান। আগতেই সিহঁতক বন্দী কৰি থোৱা উচিত আছিল। অযথা ইমান অনুগ্রহ দেখুওৱা গ'ল।"

এইবুলি কৈয়েই সি তেওঁলোকৰ পৰা আঁতৰি গ'ল। চিপাহীবোৰে দুয়োকে টানি-আঁজুৰি কোঠালিটোৰ পৰা উলিয়াই লৈ গ'ল। এটা নির্মম দিনৰ অন্ত পৰিল। আৰু আন এটা এনেকুৱা দিন বা কেতিয়া উপস্থিত হয়।

☆ ☆ ☆ ☆

সেই দিনটো পিচদিনাই উপস্থিত হ'ল!

ফাদাৰ ওবেনিয়নে চিন্তিতমনে মছিঅঁ ফিৎসগিবনৰ ফালে চালে। এই নির্যাতন তেওঁৰ দৰে বুঢ়া দেহাটোৱে আৰু কিমান সহ্য কৰিব। এই বহীৰ নির্যাতন...।

মছিঅঁৰ চকু মুদ খাই গৈছিল। যন্ত্রণাত মুখখন পহিলতে ৰঙা পৰি এতিয়া উখহি পাণ্ডুৰ বৰণ ধৰিছিল। হাত দুখনত মৰা তেজ জমা হৈ ফুলি উঠিছিল।

শুনা নুশুনাকৈ মাত দি ফাদাৰ ওবেনিয়নে ক'লে “মছিঅঁ, মোৰ কথা শুনিছেনে?”

তেওঁ মূৰ দুপিয়ালে। জোৰ কৰি তেওঁ মুখখন জপাই আছিল; হঠাৎ ফোঁস কৰি বতাহ কিছুমান মুখেৰে ওলাই অহাত মুখখন মেল খাই পৰিল।

“উঃ মোৰ প্ৰাৰ্থনা কৰিবৰো শক্তি নাইকিয়া হ'ল।” তেওঁ মুখৰ ভিতৰতে বিৰবিৰালে।

“দুয়োৰে হৈ ময়ে প্ৰাৰ্থনা কৰিম” বুলি ফাদাৰ ওবেনিয়নে যীশুৰ মাতৃ কল্যাণময়ী কুমাৰীৰ নাম ল'বলৈ ধৰিলে।

সেই ৰছী নিৰ্যাতন! ইয়াৰ কথা দুয়ো আগৰে পৰা শুনিবলৈ পাইছিল। খ্ৰীষ্ট ধৰ্মত শৰণ ল'বলৈ অহা মানুহবোৰে কোবাকুই কৰোঁতে ফাদাৰ ওবেনিয়নে এই বিষয়ে শুনিবলৈ পাইছিল। এই নিৰ্য্যাতনৰ ফলত তিলতিলকৈ জীৱন নিৰ্বাপিত হয়।

দুঘণ্টা আগতে তেওঁলোক দুয়োকো এই মৃত্যুৰ কালিকা লগা কোঠালিটোত সুমুৱাই দিওঁতেই তেওঁলোকৰ বাবে কি ব্যৱস্থা কৰা হৈছে সেই বিষয়ে তেওঁ গম পাইছিল।

নিজকে সেই নিৰ্যাতনৰ বাবে প্ৰস্তুত কৰিবলৈ তেওঁ বৃদ্ধ মছিঅঁক কৈছিল— “সিহঁতে বোধকৰো আমাক ৰছীৰে বন্ধাৰ আগতে উশাহ বন্ধ কৰি গাটো ফুলাই দিব আৰু ....

ৰছীৰে বান্ধি কষ্ট দিব— আৰু বান্ধবোৰ আঁটি টান কৰাৰ পাছত উশাহ এৰি দিব— তেতিয়া আৰু ৰছীয়ে বৰকৈ নাকাটে। তদুপৰি অকণো তজবজ নকৰিব।”

মছিঅঁই যে কিবা উত্তৰ দিব লাগে তাৰ একো লক্ষণ দেখা নগ'ল। বোধকৰো ফাদাৰ ওবেনিয়নৰ উপদেশবোৰ তেওঁ শুনাই নাছিল অথবা শুনিও একো বুজা নাছিল; কাৰণ যমদূতৰ দৰে নিৰ্যাতনকাৰীহঁতে যেতিয়া তেওঁক কষ্ট দিবলৈ ধৰে তেতিয়া তেওঁ সিহঁতৰ পৰা ৰক্ষা পৰিবৰ বাবে বাধা দিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল।

এই দুজন অসহায় পাদ্ৰীক ৰছী নিৰ্যাতনৰ অমানুষিক যন্ত্ৰণাত ছটফটাই থকা চাবলৈ আৰু যাতে বেছি কষ্ট পায় তাৰে তদাৰক কৰিবলৈ হো-চান নিজেই তাত উপস্থিত আছিল। তাৰ ওচৰত থকা সহায়কাৰীজনক সি নিজে মাজে মাজে কঠোৰ নিৰ্দেশ দিছিল আৰু সহায়কাৰীজনে চিপাহীবোৰক সেই আদেশ শুনাই দিছিল।

“বান্ধ, বান্ধ আৰু টানকৈ বান্ধ” হো-চানে আদেশ দিয়ে।

আই-বোপাইৰ লগত আছিলোঁ। কেটামান গাহৰি, দুটামান কুকুৰা চৰাই আৰু এজনী গাইগৰু — এয়ে আছিল আমাৰ পাৰ্থিৱ সম্পদ। এটা নিছলা জীৱন আৰু দুখীয়া পৰিবেশ এটাই আছিল আমাৰ লগৰী। কিন্তু তাতেই আছিল আমাৰ সুখ, সেয়ে আমাক কৰিছিল আনন্দমুখৰ। আমি গৰুজনীৰ বাবে ঘাঁহ কাটি ৰ'দত শুকাই থৈছিলো আৰু নিজৰ বাবে কৰিছিলোঁ আলুৰ খেতি। দিনান্তৰ পৰিশ্ৰমেৰ আমাৰ দেহলৈ ভাগৰৰ লগতে আনিছিল এসোপা ধূলি-মাকটি, কিন্তু মন আমাৰ ভৰি পৰিছিল মুক্ত বিহঙ্গৰ প্ৰাণ প্ৰাচুৰ্যৰে। আমি কঁহুৱা বনৰ মাজে মাজে ক'লা পাথৰৰ পাহাৰখনৰ নামনিলৈ দৌৰি গৈছিলোঁ— জুৰিটোৰ পাৰলৈ আৰু শেষ হৈ অহা পোহৰৰ কণাবোৰ বুকুত লৈ তিৰবিৰাই উঠা পানীত জঁপিয়াই পৰিছিলো। কিযে চেঁচা পানী— সিয়ে যেন মগজুৰ ভিতৰত থকা হাড়বোৰ ধুই-পখালি নিকা কৰি পেলাইছিল। পাহাৰৰ ওপৰৰ শিলবোৰৰ পৰা ৰঙাবুলীয়া ওৰণীখন সামৰি বেলিয়ে অস্ত আকাশত বুৰ মৰাৰ লগে লগে আধা ক'লা, আধা নীলা আকাশখনলৈ দুই-এটাকৈ তৰা আগবাঢ়ি অহা দেখি আমি পাৰোমানে হাঁহি হাঁহি খলক লগাই দিছিলোঁ। সেইবোৰো যে তৰা! ইমান ডাঙৰ তৰা পৃথিৱীৰ কতো নাই। ঘৰলৈ আহি গাখীৰত তিওৱা ৰুটি এবাটি খাই জুহালৰ ওচৰতে সৰু সৰু ভাই-ভনীহঁতৰ মাজত অকণমান ঠাই উলিয়াই শুই পৰিছিলো। সিহঁতৰ গাৰ উম আৰু শুকান খেৰৰ গোন্ধ লৈ লৈ অজানিতে টোপনিত লালকাল দিছিলোঁ।" অলপ বৈ মনে মনে হাঁহি তেওঁ কৈ গ'ল "কেতিয়াবা শেষ ৰাতিৰ ফালে গাহৰিটোৱে কেং কেঙাই উঠে। বেচেৰা দুৱাৰমুখতে পৰি আছিল। ঠাণ্ডাত ঠেৰেঙা লাগি সি কান্দি দিয়ে। দেউতাই উঠি গৈ তাক ভিতৰলৈ লৈ আহে। তাকে দেখি মাই খঙতে কয় যে মানুহ থকা ঘৰত তেওঁ গাহৰি থাকিবলৈ কেতিয়াও দিব নোৱাৰে। দেউতাই তেতিয়া মাইক মৰম কৰি বুজাই কয় "থাওঁক দিয়া সোণজনী? ইনো কিমান দিন থাকিব? এদিনতো তাক মাৰি খাবই লাগিব। বঢ়াই ৰখা দিনকেইটা তাক অলপ সুখত থাকিবলৈ দিয়া চোন।"

সাধুকথা কৈ থকাৰ মাজত কেতিয়াবা মছিঅঁৰ টোপনি আহিল আৰু ফাদাৰ ওবেনিয়নে মজিয়াতে দীঘল দি পৰি টোপনি গ'ল।

লগত ঘড়ী ঘণ্টা নথকাত তেওঁলোকৰ সময়ৰ হিচাপ নোহোৱা হ'ল। কোঠাটোৰ পশ্চিমৰ দেৱালখনত চাৰিকুণীয়া ৰ'দ এচমকা দেখি তেওঁলোকে ৰাতিপুৱা বুলি আৰু আন্ধাৰ হ'লেই তেওঁলোকে ৰাতি হ'ল বুলি ধৰি লৈছিল। আজোককাৰ দিনৰ সোণৰ ঘড়ী এটা মছিঅঁই সদায় লগত ৰাখিছিল। ফাদাৰ ওবেনিয়নৰ

ফাদাৰ ওবেনিয়নৰ হিয়া ভাগি গ'ল। কান্দি কান্দি তেওঁ ক'লে "তই দেখা নাই নে যে তেওঁৰ উশাহ বন্ধ হৈ যাবৰ উপক্ৰম হৈছে । ইয়াৰ অৰ্থ কি হ'ব পাৰে ভাবি চা ; ভাবি চা হো-চান! তেওঁ নিজে ক্ৰুছবিদ্ধ হৈ কাতৰ হৈ পৰিছিল। কিন্তু অসীম ধৈৰ্য সহকাৰে তেওঁ সহ্য কৰি আছিল।

চুংৰেনক চকুৰ টিপ দি হো-চানে ক'লে, "দিয়া ইহঁতক সেই কথা কোৱা বড়ি খুৱাই দিয়া।"

চুংৰেনে বটল এটাৰ পৰা দুটা বড়ি উলিয়াই ফাদাৰ ওবেনিয়নৰ মুখত ভৰাই দিলে। তেওঁ মুখখন ঘূৰাই ফোপাব ধৰিলে।

তেওঁ অনুনয় কৰি ক'লে, "তুমি কি আশা কৰিছা হো-চান? এই ব্যৰ্থ চেষ্টা কিহৰ বাবে? ইমান দিনে ইমান বছৰে তোমাক দয়া-দাক্ষিণ্য-সততা এই ..... এইবোৰৰ শিক্ষা দিয়া অথলে গ'ল নেকি? তোমাৰ উপৰিৱালাই এনে নিৰ্মম, এনে নিদাৰুণ, নিৰ্দয় কামৰ বাবে উদগনি দিয়া বাবে তোমাৰ মনুষ্যত্বই গুঁজৰি-গুমৰি কান্দি উঠা নাইনে? দয়া ভালনে, নিৰ্যাতন ভাল— ? হো— চান--মিনতি কৰিছোঁ.... আ ..আ ...হ...কৃপা...কৰা...ঈশ্বৰে তোমাক ক্ষমা কৰিব...আ..... ।"

মছিঅঁৰ মুখত এটা কেকনি উঠিল, তেওঁ ক'বলৈ চেষ্টা কৰিলে--"অসম্ভব--ক্ষমাৰো....সী....সী....মা আছে... ঈশ্বৰৰ অনুগ্ৰহৰো এটা পাত্ৰা-পাত্ৰ আছে।"

ফাদাৰ ওবেনিয়নৰ গাটো জিকাৰ খাই উঠিল। ঈশ্বৰৰ নাম লোৱাত তেওঁ শৰীৰত বল পোৱা যেন পালে "ইছ ইছ তেনেকৈ নক'ব মছিঅঁ। ভগৱানৰ কৃপা অসীম; নহ'লে মানুহ তিষ্ঠিব নোৱাৰিলেহেঁতেন।" তেওঁ চকু মুদি খন্তেক প্ৰাৰ্থনা কৰিলে "হে প্ৰভু, হে দয়াময়, তুমি পৰম কৰুণাময় ; এই হো-চান এজন তোমাৰেই সন্তান; সি অবোধ। সি যি কৰিছে তুমি সকলো দেখিছা প্ৰভু। তুমি জানা যে সি জানি-শুনি এইবোৰ কৰা নাই। তাক ক্ষমা কৰা প্ৰভু। তাৰ লগৰ এই মানুহবোৰো অজ্ঞান। সিহঁতে কি কৰিছে নিজে নাজানে! সিহঁতকো ক্ষমা কৰা দয়াময়। হে যীশু নেথ্ছিমেনৰ উদ্যানত তুমি যি কৰিছিলা তাৰে পুনৰাবৃত্তি কৰা প্ৰভু।"

মছিঅঁই প্ৰাৰ্থনা শুনি আছিল। তেওঁ বিৰক্তিত বিৰবিৰাই উঠিল "জানে, জানে, ইহঁতে জানি-শুনিয়ে এইবোৰ কৰিছে— ইহঁত অসুৰ।।"

"নহয় মছিঅঁ, সিহঁত অসুৰ নহয় ; সিহঁতো মানুহ । সিহঁতে জনাহেঁতেন এই পাপ কাৰ্য কেতিয়াও নকৰিলেহেঁতেন।"

মছিঅঁই ফাদাৰ ওবেনিয়নক কোমল মনৰ বুলি কোৱাত তেওঁ সেপঢুকি ক'লে—মনৰ বল যেন আকৌ টুটি আহিবলৈ ধৰিলে, "নহয় মছিঅঁ - ই কোমল

মনৰ কথা নহয়। এটা আকাংক্ষা, মোৰ একমাত্ৰ আশা--মই বিচাৰিছোঁ— ভগৱানে যেন সকলোকে --আমাকো--ক্ষমাৰ-- শান্তিৰ পৰশ দি....য়ে।"

চুংৰেনে হঠাৎ তেওঁলোকৰ কথাৰ মাজতে হুকুম কৰিলে "এই কি চাই আছ? ৰছী আৰু টানকৈ লগা। দেখা নাই নে যে সিহঁতে এতিয়াও কথা ক'ব পৰা হৈ আছে।"

চিপাহীবোৰে ততালিকে আদেশ পালন কৰিবলৈ আগুৱাই গ'ল। অকস্মাৎ হো-চানে চকু ৰঙা কৰি চিঞঁৰি উঠিল।

"খবৰদাৰ। হুকুম দিবলৈ তুমি কোন চুং?"

মই থাকোঁতে মোৰ আগতে তুমি হুকুম চলাবা, ইমান সাহস! হুকুম দিব লাগে, মই দিম।"

সচকিত হৈ চুংৰেন পিচুৱাই গ'ল। সি সুধিলে— "ৰছীবোৰ আৰু বেছি টানিব নালাগে বুলি আপুনি ভাবে নেকি?"

চুংৰেনৰ পৰা দৃষ্টি নমাই আনি হো-চানে অলপ চিন্তা কৰি ক'লে "নালাগে আৰু; যথেষ্ট হৈছে।"

বহি লৈ সি মুহূৰ্তৰ বাবে দকৈ ভাবি হঠাৎ টেবুলত চপৰিয়াই আদেশ দিলে "দে মোকোলাই দে--দুয়োটা পাদ্ৰীৰে বান্ধ মোকোলাই বন্দীশাললৈ লৈ যা।"

ৰছীবোৰ এৰুৱাই পেলোৱা হ'ল আৰু অলপ পিচতে দুয়োজন পাদ্ৰী মুক্ত হৈ পৰিল। ৰছীৰ পৰা এৰা পৰাত মছিঅঁ থিয় হৈ থাকিব নোৱাৰিলে—মজিয়াত বাগৰি পৰিল আৰু ফাদাৰ ওবেনিয়নে কোনোমতে বেৰত আঁউজি থাকিল। তেওঁৰ চকু মুদ খাই আহিল আৰু দীঘল দীঘল উশাহ ল'ব ধৰিলে। তেওঁৰ এনে লাগিল যেন হাড়বোৰ গুড়ি হৈ গৈছে আৰু কেঁচা মঙহবোৰ ওলাই পৰিছে। অলপ সময় থিয় হৈ থাকি মনটো সুস্থিৰ কৰিবৰ চেষ্টা কৰিলে আৰু হঠাৎ মছিঅঁৰ কথা মনত পৰাত চকু মেলি চাৰিওফালে চালে।

ইটাৰ পকী মজিয়াখনত কোচ-মোচ খাই লেৰেলা পৰা শিশু এটাৰ দৰে তেওঁ পৰি আছিল। ফাদাৰ ওবেনিয়নে হালি তেওঁক তুলি ল'বৰ চেষ্টা কৰিলে। মছিঅঁৰ অকণমান গাটোত একোৱেই নাছিল। কিন্তু তাকে তেওঁ দাঙি ল'ব নোৱাৰিলে। খকমককৈ দাঙিব খোজোঁতে তেওঁ পৰি যাব ধৰিছিল। এনেতে হো-চানে ধৰি পেলালে।

সি চিপাহী এটাক আদেশ দিলে "হেই, এই বুঢ়া পাদ্ৰীটোক ধৰ।"

তেজগোৰা গাঁৱলীয়া চিপাহীটোৱে হেলাৰঙে মছিঅঁক দাঙি লৈ হো-চানৰ পাচে পাচে বন্দীশাললৈ খোজ দিলে। মছিঅঁলৈ নিৰ্দিষ্ট কৰি থোৱা কোঠাটোৰ দুৱাৰমুখ পাওঁতেই ফাদাৰ ওবেনিয়নে ক'লে— "হো-চান, অনুগ্ৰহ কৰি মছিঅঁৰ লগত মোক থাকিবলৈ দিবানে?"

হো-চানে অলপ ইতস্ততঃ কৰি শেষত সন্মতি দিয়াত দুয়ো কোঠালিটোত সোমাল। চিপাহী ল'ৰাটোৱে মছিঅঁক বাইঁৰ চাং এখনত শুৱাই দিলে আৰু ফাদাৰ ওবেনিয়নে ততালিকে তেওঁৰ ওচৰত আঁঠুকাঢ়ি বহি পৰিল। ক্ষন্তেক পিচতে দুৱাৰত তলা লগোৱা শুনি তেওঁ বুজি পালে যে তেওঁলোকক পুনৰায় বন্দী কৰি থোৱা হ'ল।

গোটেই ৰাতিটো ফাদাৰ ওবেনিয়ন মছিঅঁৰ কাষতে বহি থাকিল। এই বুঢ়া মানুহজনৰ প্ৰতি তেওঁৰ এটা শ্ৰদ্ধা আৰু ভক্তিৰ ভাব উদয় হৈছিল। মাজে মাজে তেওঁ প্ৰাৰ্থনা কৰিবৰ চেষ্টা কৰিছিল । কিন্তু হাতত জপৰ মালাধাৰি নথকাত তেওঁ ভালদৰে প্ৰাৰ্থনা কৰাত বৰ অসুবিধা পালে। কোনোবা চিপাহী এটাই তেওঁৰ গলৰ পৰা মালাধাৰি নথকাত তেওঁ ভালদৰে প্ৰাৰ্থনা কৰাত বৰ অসুবিধা পালে। কোনোবা চিপাহী এটাই তেওঁৰ গলৰ পৰা মালাধাৰি কাঢ়ি নি তাৰ জপৰা মূৰটোত পিন্ধি লৈছিল। তেওঁৰ মাকে বিদায় স্মৃতি হিচাপে মালাধাৰি তেওঁক উপহাৰ দিছিল; সেইধাৰি মালাকে হেৰুৱাবলগীয়া হোৱাত আৰু বিশেষকৈ সেই পাপীষ্ঠ অধৰ্মী চীনাটোৱে ধেমালিৰ ছলেৰে তাৰ অপবিত্ৰ মূৰটোত পিন্ধি লোৱা বাবে তেওঁ মনে মনে বৰ দুখ পালে তেওঁ মনে মনে বৰ দুখ পালে। মালাৰ গুটিবোৰ লাৰি চাৰি ঈশ্বৰৰ নাম জপ কৰিব নোৱাৰাত তেওঁৰ এনেহে লাগিল যেন জপৰ মন্ত্ৰবোৰ উদ্দেশ্যবিহীনভাৱে বতাহৰ লগত মিহলি হৈ ক'ৰবালৈ গুচি গৈছে, ঈশ্বৰৰ ওচৰ পোৱাগৈ নাই। মালাৰ গুটিবোৰেই যেন মন্ত্ৰবোৰ লগ লগাই ৰাখে আৰু শেষত ভগবানৰ পদ প্ৰান্তলৈ কঢ়িয়াই লৈ যায়। মছিঅঁৰ বিছনাখনত তিনিছটা কাঠৰ বাহিৰে আন একোৱে নাছিল। তাৰে ওচৰতে কেঁচা মাটিৰ মজিয়াত বহি হাতৰ আঙুলিকেটাকে তেওঁ জপমালা বুলি মনতে ভাবিবলগীয়া হ'ল।

ভালেমান পৰ নিস্তেজ হৈ পৰি থকাৰ পিচত মছিঅঁৰ জ্ঞান আহিল। আধা আধি সাৰ পাই তেওঁ অকণমান চকু মেলি চাই দেখিলে যে ফাদাৰ ওবেনিয়নে আঙুলিত কিবাকিবি লেখি আছে । তাকে দেখি মনটো জিকাৰ খাই উঠিল।

"সেইদৰে কি লেখিছা হোঁ? আঙুলি চুহিবৰ ইচ্ছা নেকি, নে হাতৰ আঙুলি হেৰাল?"

মছিঅঁৰ মাতত প্ৰাণৰ তপত পৰশৰ উমান পাই ফাদাৰ ওবেনিয়ন সুখী হ'ল। "ৰক্ষা পৰিলোঁ" তেওঁ ক'লে— "মই ভাবিছিলোঁ যে ইতিমধ্যে আপুনি সিপৰীয়া হ'ল।"

"ইমান সহজে নহওঁ ৰবা।" মছিঅঁই ক'লে "একমিনিটমানৰ ভিতৰতে মই বহিব পাৰিম যেন লাগিছে।"

মছিঅঁৰ এই মিনিটটো কিন্তু বৰ দীঘলীয়া হৈ পৰিল। ফাদাৰ ওবেনিয়নে উদ্বিগ্ন হৈ তেওঁৰ শেঁতা পৰা মুখলৈ চাই বহুবেলি অপেক্ষা কৰিবলগীয়া হ'ল।

অলপ পিছতে দুৰ্বল মাতেৰে মছিঅঁই ক'লে— "এঃ যাওঁক দিয়া । মই চিন্তা কৰি দেখিলোঁ যে কালিলৈহে মই উঠিব পাৰিম।"

কিছু সময়ৰ বাবে তেওঁৰ মুখৰ মাত নাইকিয়া হ'ল। তাৰ পিচত তেওঁ কিবা কোবা যেন পাই ফাদাৰ ওবেনিয়নে ওচৰ চাপি ক'লে— "মছিঅঁ, কিঁবা ক'লে নেকি ? কি ক'লে ধৰিবই নোৱাৰিলোঁ, মোৰ কাণখন ঘোলা হৈ গ'ল নেকি ? আকৌ এবাৰ কওঁকচোন ? তেওঁৰ কাণখন মছিঅঁৰ কাষলৈ নি শুনিবলৈ ৰৈ থাকিল। বৃদ্ধই বিৰ বিৰকৈ কিবা কৈ হঠাৎ ডাঙৰকৈ চিঞঁৰি উঠিল,

"কোৱা কোৱা পিটাৰ, মোক আয়াৰ্লেণ্ডৰ কথা কোৱা।"

কি কয় এওঁ ? ফাদাৰ ওবেনিয়নে চকখাই জাঁপ মাৰি পিচুৱাই বহিল। স্বৰ্গৰ সলনি এওঁ দেখোন আয়ৰ্লেণ্ডৰ কথাহে শুনিব খোজে। তেওঁৰ চকুৰে-মুখে এটা অবিশ্বাসৰ ভাব ফুটি উঠিল। তেনে সময়তে মছিঅঁই ঘূৰি তেওঁৰ ফালে চালে আৰু তেওঁৰ শুকান মুখত এটা বিষাদৰ হাঁহি বিৰিঙি উঠিল। ওঁঠ দুটাৰ মাজেৰে দাঁতবোৰ অদ্ভুতভাৱে জিলিকি উঠিল।

"কোৱা পিটাৰ, মোৰ নিজা গাঁও উইক্লোৰ কথা কোৱা। তাতেই মই উপজিছিলো— জীৱনৰ বাল্যকালছোৱাত তাতেই মই উমলিছিলোঁ— পিচত বুজন হোৱাতহে মোক ডাবলিনলৈ পঠাইছিল। সেই মোৰ চিৰচেনেহী গাঁওখনিৰ কথা কোৱা।"

এটা কাঁহ মাৰি ডিঙিটো পৰিষ্কাৰ কৰি লৈ ফাদাৰ ওবেনিয়নে ক'লে— "ক'ম, মছিঅঁ, আয়াৰ্লেণ্ডৰ কথাকে কওঁ। কিন্তু আপোনালোকৰ হাউলীৰ কাৰো লগত মোৰ পৰিচয় নাছিল আৰু তাৰ যিবোৰ বস্তু-বাহানি, ঘৰ-দুৱাৰ, আলি-পদুলি আপুনি সদায় দেখিছিল, সেইবোৰৰ বিষয়ে মই একোকে নাজানোঁ। চহৰৰ পৰা দূৰত গাঁৱৰ এমূৰে অকণমান খেতি পথাৰৰ এখন জুপুৰি ঘৰ এটা, তাতেই মই

যিমান দুখ ভোগ কৰিলে, সেই কথা এবাৰ ভাবি চোৱা। কষ্ট খাই খাই তেওঁৰ খং উঠিছে, কি কৰিবা? এসময়ত তোমাক তেওঁ খুব মৰম-যত্ন কৰিছিল । তেওঁৰ সেই চেনেহৰ কথা নিশ্চয় তুমি পাহৰা নাই।"

"পাহৰিলেও একো হানি নাই। সি মৰিলে মই তাৰ বাবে শেষ কৃত্যবোৰ কৰি দিবলৈ এতিয়াও সাজু আছোঁ।" মছিঅঁই ক'লে।

ফাদাৰ ওবেনিয়নলৈ চাই হো-চানে প্ৰশ্ন কৰিলে— "চুংৰেনে কৈছিল নেকি যে মোৰ হাওঁফাওঁৰ কিবা বেমাৰ হৈছে?"

"এৰা সি কৈছিল। শুনি মই বৰ দুখ পাইছোঁ।"

হো-চানৰ খং উঠিল। "সি মিছা কথা কৈছে। তুমি নাজানা হবলা যে সি মনে মনে মোৰ শত্ৰুতা কৰে। তোমালোক ইয়াত বিদেশী। মই তোমালোকৰ প্ৰতি সহানুভূতিশীল বুলি সি অভিযোগ কৰিছে। মই হেনো পাদ্ৰী আৰু গীৰ্জাবোৰ সম্বন্ধে সহনশীল আৰু মোৰ অন্তৰ বোলে তোমালোকৰ ধৰ্মোপদেশবোৰৰদ্বাৰা কলুষিত।"

ফাদাৰ ওবেনিয়নে লাহেকৈ ক'লে, "হো-চান বন্ধু, বেছিকৈ কথা নক'বা, — তোমাৰ অসুখ।"

"মোৰ নিউমোনিয়া হৈছে -- আন একো নহয়।" হো-চানৰ ভয়ানক কাহ উঠিল। ৰুমালখনেৰে সি মুখত হেঁচা মাৰি ধৰিলে। কাহোতে কাহোতে মুখেৰে তেজ ওলাই ৰুমালখন ৰঙা কৰি পেলালে। সি ততালিকে ৰুমালখন গাৰ কম্বলখনৰ তলত লুকাই থ'লে। সকলোৰে ইমানপৰ চীনা ভাষাত কথা-বতৰা হৈ আছিল। মছিঅঁই তাক ভালদৰে ইংৰাজী শিকাইছিল হো চানে ইংৰাজীতে ক'লে— "অকণমান পেনিচিলিন পালে মই ভাল হম। তোমালোকৰ পেনিচিলিন আছে।"

মছিঅঁৰ মনৰ খং মাৰ যোৱা নাছিল, ক'লে— "এতিয়া কেনে? তাক এতিয়া পেনিচিলিন লগা হ'ল। বিদেশী পাদ্ৰীক দেখিব নোৱাৰ যদি দৰবৰ নাম লৈছ কোন মুখে? তোৰ দেশী দৰব নাখাৱ কেলেই? ছয় দিন আগতে মোক মৰিয়াই মৰিয়াই আধা মৰা কৰি মোক ডাংকোলা কৰি নিয়াৰ সময়ত মোৰ যেনে হৈছিল, তোৰ চীনা দৰবৰ গুণত তয়ো ঠিক তেনেকৈ ঠন ধৰি উঠিবি।"

হো-চানৰ মুখলৈ চীনা ভাষা ঘূৰি আহিল, "চুপ কৰ বুঢ়া গোলাম। আৰু এষাৰ মাত মাতিলে তোক গুলী কৰিম।" সি ফাদাৰ ওবেনিয়নক আকৌ ক'লে— "পেনিচিলিন--পেনিচিলিন--বুজিছা। মোক পেনিচিলিন দিয়া, নহ'লে তোমালোকক আকৌ নিৰ্জন কাৰাগাৰত বন্দী কৰি থম।"

এটা ৰূপৰ হাতঘড়ী আছিল। আয়ৰ্লেণ্ডৰ পৰা অহা সময়ত তেওঁৰ পৰিয়ালৰ স্মৃতিৰ চিনস্বৰূপে সেইটো তেওঁ লগত লৈ আহিছিল। এতিয়া এটা ঘড়ীও তেওঁলোকৰ লগত নাই। সোণৰ ঘড়ীটো চিপাহীয়ে তাৰ পেটিৰ তলত লুকুৱাই ৰাখিছে আৰু ৰূপৰ হাত ঘড়ীটো কোনোবা ধিতিঙা ল'ৰা এটাই হাতত মেৰিয়াই লৈছে। সি ঘড়ী চাবও নাজানে আৰু তাত থকা আখৰবোৰৰ অৰ্থও সি বুজি নাপায়।

মছিঅঁই দিনৰ দিনটো শুয়ে কটাই দিলে; কিন্তু ফাদাৰ ওবেনিয়নৰ চকুত টোপনি নাই। তেওঁ শুব নোৱাৰাৰ প্ৰধান কাৰণ হ'ল 'ভোক'। তেওঁৰ বিৰাট শৰীৰটোৰ বাবে প্ৰচুৰ খাদ্যৰ প্ৰয়োজন আৰু যিকোনো খাদ্যই তেওঁৰ ভোক পলুৱাবও নোৱাৰে। তেওঁক লাগে ভাল খাদ্য। কিন্তু বিচাৰিলে পায় ক'ত? বন্দীৰ বাবে ব্যৱস্থা আছিল দিনে দুকাঁহীকৈ মাৰ ভাত। তেওঁ ঈশ্বৰক খাটিছিল যেন পেটৰ বাহিৰে অন্য চিন্তাত মনটো ব্যস্ত ৰাখিবলৈ তেওঁ সক্ষম হয়। কামটো টান; পেটত যেতিয়া জুই জ্বলে, তেতিয়া মনৰ সকলো চিন্তা পেটমুৱা হয়গৈ। তাতকৈও এটা বেয়া কথা হ'ল এয়ে যে খোৱা বস্তুৰ কথা ভাবিলেই তেওঁৰ চিউলানৰ কথা মনত পৰে। সকলোতকৈ তেওঁ এই চিন্তাটোকে বেছি ভয় কৰে। বাৰে বাৰে তেওঁ সেইজনীক মনৰ পৰা খেদি পঠায়; কিন্তু বাৰে বাৰে তাই আহি তেওঁৰ মনৰ সোঁমাজতে ভুমুকি মাৰেহি। তেওঁ বিব্ৰত হৈ পৰিল। কি কৰিব? যিমান হ'লেও তেওঁ সাধু সন্ন্যাসী বা ধাৰ্মিক হ'বলৈ চেষ্টা নকৰক লাগে, চিউলানৰ সেই শেষৰ অৱস্থাটোলৈ মনত পৰিলে তেওঁৰ হিয়া চুৰমাৰ হৈ যাব খোজে। ভয়ত বিবৰ্ণ হোৱা তাইৰ ধুনীয়া মুখখন, দুগালেদি বৈ অহা চকুলোবোৰ আৰু কান্দোনত কঁপি উঠা শুৱণি বুকুখন বাৰে বাৰে তেওঁৰ চকুৰ আগত ভাহি উঠে। তাতোকৈ দুখৰ কথা এয়ে যে তাইৰ সেই বিপদৰ মুহূৰ্তত তেওঁ তাইক অকণো সহায় কৰিব নোৱাৰিলে। তাই এতিয়া ক'ত আছে সেই কথাও তেওঁ নাজানে। তাই কোঠাটোত থিয় দি থাকোঁতেই হো-চানে তেওঁক বান্ধি পেলাইছিল। আৰু তাইক তাতে এৰি থৈ তেওঁ গুচি আহিবলগীয়া হৈছিল। আহিবৰ সময়ত তেওঁ মাত্ৰ তাইক মাকৰ ওচৰলৈ যাবলৈ কৈছিল। কিন্তু তাই যাব পৰিলেনে নাইবা?

নিজৰ মনতে উদয় হোৱা প্ৰশ্নৰ উত্তৰ নিজে দিব নোৱাৰাটো এটা যন্ত্ৰণাৰ কথা। ইয়াৰ তুলনাত হো-চানে নানা উপায়ে দিয়া শাস্তি একেবাৰেই নহয়, কাৰণ এই যন্ত্ৰণাই তেওঁৰ হিয়া আৰু মন খুলি খুলি খাইছিল। এটা মুহূৰ্তৰ বাবেও তেওঁ ইয়াৰ পৰা পৰিত্ৰাণ পাবৰ উপায় পোৱা নাছিল। চিউলান সম্বন্ধে চিন্তা কৰাটো এটা পাপ বুলিয়ে তেওঁ ভাবিছিল। নিজৰ মনকেই ফাঁকি দিয়া টান—কিন্তু ভগৱানক ফাঁকি

দিয়া আৰু অসম্ভৱ। এই পাপৰ বোজাটো তেওঁ নিজেই কান্ধপাতি লৈছিল আৰু এতিয়া নমাব নোৱাৰাত পৰিল। তেওঁ চিউলান সম্বন্ধে এই পৰ্যন্ত যিখিনি কৰিছে, যিকোনো পাদ্ৰীয়ে ধৰ্মৰ নামত সেইখিনি কৰিবলৈ বাধ্য। কিন্তু এই বুজনিয়ে তেওঁৰ আত্মাক আচ্ছন্ন কৰি উঠি অহা কুঁৱলী ফাটি ফৰকাল কৰিব নোৱাৰে; আনকি তেওঁ মছিঅঁৰ আগতো তেওঁৰ হিয়াৰ মাজত কিবা গুপুত কথা এষাৰ খোলোচা কৰি কৈ পেলাব নোৱাৰে। শৰীৰৰ ৰন্ধ্ৰে ৰন্ধ্ৰে সিৰা-উপসিৰা তেজ-মঙহ আদি সকলোতে বিয়পি পৰা কিবা এটা অনুভূতিয়ে তেওঁৰ বুদ্ধি আৰু বিবেক এনেকৈ আচ্ছন্ন কৰি পেলাইছে যে অনুশোচনাৰদ্বাৰা আত্মশুদ্ধি কৰা কথাটোকে তেওঁ ভাবিব নোৱাৰা হৈ গৈছিল।

দিনৰ পিচত ৰাতি-ৰাতিৰ পিচত দিন বাগৰি গৈয়েই থাকিল— যেন ইয়াৰ শেষো নাই, পৰিবৰ্তনো নাই। এনেতে এদিন পুৱা দুয়োকো হেডকোৱাৰ্টাৰলৈ মাতি নিয়া হ'ল। কাঠিন্য আৰু ৰূঢ়তাৰ প্ৰতীকস্বৰূপ সেই খালী কোঠাটোত সোমাই দুয়ো দেখিলে যে চাৰিচুকীয়া চীনা টেবুলখনৰ কাষত চুংৰেন অকলে বহি পৰিল। এই যুবকৰ অন্তৰত অকণো দয়া-মমতা নাই। তাৰ চেপেটা মুখখনৰ প্ৰতিটো ৰেখাতে নিষ্ঠুৰতাৰ ভাব ফুটি উঠিছিল আৰু পাতল ওঁঠ দুটাৰ বেঁকা ভাজটোৱে তাৰ নৃশংসতাৰ কথা সকীয়াই দিছিল। সৰুৰে পৰা সি কাৰো পৰা মৰম-চেনেহ নোপোৱাকৈ ৰাস্তাই-ঘাটে বাগৰি ফুৰিছিল; কোনেও তাক এষাৰ ভাল কথা কোৱা নাছিল বা মানুহ বুলি তাৰ ফালে ফিৰি চোৱা নাছিল। তাৰ বাপেক আছিল এজন মগনীয়া। খাবলৈ নাপাই সি চুৰি কৰাত অভ্যস্ত হৈ পৰিছিল। শঠতা, প্ৰৱঞ্চনা, ছল-চাতুৰী আদি গুণবোৰৰ দ্বাৰাই সি আজি উন্নতি কৰি বৰ্তমানৰ অৱস্থা পাইছেহি। মছিঅঁই তাক ভালদৰে জানে আৰু কেইবাবাৰো তাক ৰাস্তাৰ পৰা বুটলি সৎপথলৈ আনিবৰ বাবে আহোপুৰুষাৰ্থ কৰিছিল। চুংৰেনে কিন্তু সকলোবোৰ চেষ্টা আওকাণ কৰি ৰাস্তাৰ উচ্ছৃংখল জীৱন যাত্ৰাটোকে সাৱট মাৰি ধৰি থাকিল। মছিঅঁই তাক আনি ধুৱাই-পখলাই কাপোৰ-কানি দি ভাল ভাল বস্তু খাবলৈ দিয়াতে দুই এবাৰ সি ৰেক্টৰীত একেৰাহে দুই-চাৰি দিন থাকে—কিন্তু কিবা কাম কৰিবলৈ কোৱা মাত্ৰকে পলাই গুচি যায়।

চুংৰেণৰ ওচৰ পাই ফাদাৰ ওবেনিয়নে হো-চানৰ কথা সুধিলে। চুংৰেনে তলমুৱা কৰি কিবা লিখি আছিল। তাৰ পৰা মূৰ নোতোলাকৈ সি চমুকৈ উত্তৰ দি ক'লে যে তাৰ অসুখ।

দুয়ো টুল দুখনত বহিল আৰু কেটামান চিপাহীয়ে সঙ্গীন খুলি লৈ বন্দুক টোৱাই পিচফালে থিয় দিলে। লিখা শেষ কৰি চুংবেনে এবাৰ পঢ়ি চালে আৰু কলমটো টেবুলত থৈ নিজে নিজে সন্তোষৰ হাঁহি এটা মাৰি লিখা কাগজখন লেফাফা এটাত ভৰালে। তাৰ পিচত ওচৰতে থকা চিপাহী এটাৰ হাতত দি ক'লে—

"সেইখন হেডকোৱাৰ্টাৰত জেনেৰেলৰ ওচৰলৈ লৈ যা।"

চিপাহীটো গুচি যোৱাত সি দুয়োজন পাদ্ৰীলৈ কটমট কৰি চাই থাকিল। মছিঅঁৰ মনত পূৰ্ব্বৰ বিদ্ৰোহী ভাবটোৱে ভুমুকি মাৰিলে। এইকেইদিন বন্দীশালত জিৰণি ল'বলৈ পাই তেওঁ আগৰ মনোবল ঘূৰাই পাইছিল।

চুংবেনে মইবৰ ভাবেৰে ক'লে— "হো চানৰ অসুখ হৈছে। ভালেই হৈছে। অলপ ভুগিলেহে সি বুজি পাব তাৰ কুকৰ্মৰ কথা। তাৰ বেমাৰ টান। টান-বেমাৰ হোৱাটোকে আমি আশা কৰিছিলোঁ। ভালদৰে এসেকা নাপালে তাৰ শিক্ষা নহয়। ইয়ালৈ অহাৰ পিচত এইটোৱেই এটা ভাল খবৰ শুনিবলৈ পাইছোঁ, মনটো পাতল পাতল লাগিছে।"

সি মিহিকৈ হাঁহি মাৰি কৈ গ'ল "শুনিছোঁ মহাপ্ৰভুসকল। তাৰ যে টান বেমাৰ সেই কথা সি গোপন কৰিব খুজিছিল। পিছে সঁচা কথা লুকাই ৰাখিব নোৱাৰি নহয়। যোৱা ৰাতি সি হোলোকা হোলোকে তেজ বমি কৰিলে। সকলোৱে গম পালে যে তাৰ হাওঁফাওঁ গেলি গৈছে।"

কথাটো শুনি ফাদাৰ ওবেনিয়ন চিন্তিত হৈ পৰিল, "চুংবেন, মই তেওঁৰ ওচৰলৈ যাব পাৰিলে বৰ ভাল পালোঁহেঁতেন। যাবলৈ দিবা নে?"

"কিয়? সি ঠাট্টাৰ সুৰত ক'লে— "তাৰ এই অৱস্থাত তুমি গৈ কিবা কৰিব পাৰিবা জানো?"

"তেওঁক এবাৰ নিজ চকুৰে চাব পাৰিলে কিজানি কিবা উপায়ে তেওঁক কিবা সহায় কৰিবই পাৰিলোহেঁতেন।" ফাদাৰ ওবেনিয়নে মিনতি কৰি ক'লে।

ঠিক এই সময়তে দুৱাৰখন মেলি এটা কমবয়সীয়া ল'ৰা কোঠাৰ ভিতৰলৈ সোমাই আহিল। লালবাহিনীত এনেকুৱা কিছুমান ল'ৰা আছে। ইহঁতৰ হতুৱাই কিছুমান সৰু-সুৰা কাম কৰাই লোৱা হয়। এই ল'ৰাটোৱে এটা পুৰণা ৰং যোৱা নীলা ইউনিফৰ্ম পিন্ধিছিল; তাৰ গাটোৰ জোখাই সাজটো ডাঙৰ হ'লেও সি অকণো অসুবিধা পোৱা নাছিল। চিপাহীৰ ইউনিফৰ্ম পিন্ধিবলৈ পাই তাৰ গাটো সাতখন-আঠখন লাগিছিল। সোমায়েই সি চুংবেনক সামৰিক কায়দাত চালাম দি ক'লে,—

"বৰ চাহেব, কৰ্ণেল হো-চান চাহাবে মোক আপোনাৰ ওচৰলৈ পঠাইছিল। বিদেশী পাদ্ৰী দুজনক তেওঁৰ কামৰালৈ পঠাই দিবলৈ তেওঁ আপোনাক অনুৰোধ জনাইছে।"

ফাদাৰ ওবেনিয়নে মছিঅঁৰ ফালে চাই চকুৰ থাৰতে ক'বলৈ বিচাৰিলে যেন তেওঁ এখন ৰণ জয় কৰিহে উভতিছে। ফুটাই কলে "ধৰ্মস্য সুক্ষ্মা গতি।"

"হেই কি কৈছা তুমি?" চুংৰেনে ধমক দি উঠিল।

"তই ইংৰাজী নুবুজ নেকি?" মছিঅঁই প্ৰশ্ন কৰিলে। অৱশ্যে তেওঁ জানে যে সি ইংৰাজী নাজানে।

সিংহাখনত বহি থকা সম্ৰাট এজনৰ দৰে সি উত্তৰ দিলে,— "বিদেশী ভাষা ক'বলৈ মোৰ কিহৰ গৰজ পৰিছে?"

"তেন্তে কথাষাৰ তোক অনুবাদ কৰি জনাবৰো একো প্ৰয়োজন নাই।" মছিঅঁৰ প্ৰত্যুত্তৰত শ্লেষ মিহলি হৈ পৰিল।

চুংৰেন দোধোৰ-মোধোৰত পৰিল। তাৰ মনে মনে খং উঠিছিল আৰু পাৰিলে পাদ্ৰী দুজনক কোঠালিটোৰ পৰা ওলাবকে নিদিলেহেঁতেন। কিন্তু হো-চান তাৰ উপৰিবালা। উপৰিবালাৰ আদেশ অমান্য কৰিবৰ সাহস তাৰ নাই। মুখেৰে একো নমতাকৈ সি হাত দাঙি দুয়োকে যাবলৈ কোৰাত ল'ৰাটোৰ পাচে পাচে দুয়ো ওলাই গ'ল।

হো-চানৰ ঘৰত সোমাই দুয়ো দেখিবলৈ পালে যে তাৰ অৱস্থা বৰ ভাল নহয়। গাল দুখন ঠায়ে ঠায়ে ৰঙা পৰি উঠিছে আৰু চকু দুটা গাঁতত সোমাই গৈছে। শূন্য কোঠালিটোৰ মাজতে সি এখন চালপীৰাত অকলে অকলে বাগৰি আছিল।

ফাদাৰ ওবেনিয়ন ব্যস্তভাৱে আগবাঢ়ি গৈ তাৰ ওচৰতে আঁঠুকাঢ়ি বহি সুধিলে "তোমাৰ ইমান অসুখ, অথচ মোক ইমান পৰে কিয় খবৰ দিয়া নাই—হো-চান?"

"তাৰ এতিয়াহে মনত পৰিছে হবলা। যমদূতৰ ভয়ত ৰ'ব নোৱাৰি সি এতিয়া আমাৰ পৰা সাহস আৰু উৎসাহৰ বাণী বিচাৰিছে।" মছিঅঁই বিদ্ৰূপ কৰি ক'লে।

"তুমি কেংকেঙাই থাকিলেও একো লাভ নাই। লোকৰ কথা শুনাৰ পৰা একো লাভ নাই। লোকৰ কথা শুনাৰ অৱস্থা আৰু মোৰ নাই।" হো-চানে উত্তৰ দিলে।

কথাৰ মোৰ সলাবলৈ ফাদাৰ ওবেনিয়নে লৰালৰিকৈ ক'লে "হো-চান, খং নকৰিবা। তেখেতে তোমাৰ একো অন্যায় কৰিব খোজা নাই। এই বয়সত তেওঁ

দলিক' কৰি পেলোৱা গাঁৱলীয়া ৰাস্তাটোত এবাৰ মটৰ গাড়ীখন এনেকৈ জঁপিয়াই উঠিল যে তাৰে জোকাৰণিয়ে পিচফালৰ যাত্ৰীজনক ওপৰলৈ ছিটিকাই দিলে। চিউলান! তাই গাড়ীৰ মজিয়াত মনে মনে বহি আছিল। মুহূৰ্ত্তৰ বাবে পিচৰ আসনখনৰ ওপৰেদি তাইৰ ধুনীয়া মুখখন দেখা গ'ল আৰু তেওঁ তাইক দেখা পোৱাৰ আগতে পুনৰায় অদৃশ্য হৈ পৰিল। এইদৰে অকস্মাৎ ধৰা পৰাত তাই আৰু লুকাই থকাৰ একো সন্ধি বিচাৰি নাপালে। লুকোৱা ঠাইৰ পৰা আহিবৰ প্ৰলোভন তাই আৰু দমাই ৰাখিব নোৱাৰিলে।

তাই লাহেকৈ "ধৰ্ম পিতা" বুলি মাত দিলে। কোমল মিহি মাত--!

মাতটো শুনি ফাদাৰ ওবেনিয়নৰ ভৰিৰ পৰা মূৰলৈ বিজুলী সঞ্চাৰ হৈ গ'ল। গাড়ীখন হঠাৎ বেঁকা হৈ ৰাস্তাৰ দাঁতিলৈ ফালৰি কাটি যোৱাত তাতে তেওঁ কোনো মতে ৰখাই চাৰিওফালে চালে—ক'ৰপৰানো এই পৰিচিত মাতটো আহিল। "সপোন দেখিছোঁ নেকি?" কাকো নেদেখি তেওঁ মুখৰ ভিতৰতে উচ্চাৰণ কৰিলে।

"মই ইয়াতে আছোঁ ফাদাৰ" তাই ক'লে। পিছৰফালে ঘূৰি চাই তেওঁ তাইক দেখিবলৈ পালে। নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰাৰ দৰে তেওঁ কৈ উঠিল— "এৰা তুমিয়েই দেখোন। চিনিবই পৰা নাছিলোঁ; ভালেখিনিও বদলি গৈছাছোন?"

"কিয়, দেখিবলৈ আপচু হৈ পৰিছোঁ হবলা?"

"নহয় নহয়, সেইটো নহয়।" তেওঁ ক'লে "তুমি খুউব ধুনীয়া হৈয়েই আছা- -কিন্তু তোমাৰ মনটো দেখোন মৰা। তোমাক আগেয়ে কেতিয়াও মন মাৰি থকা দেখা নাই।" কথাৰ মাজতে তেওঁ ৰৈ গ'ল। এই ছোৱালীজনী এইদৰে তেওঁৰ লগত একেখন গাড়ীতে আহি যি এটা পৰিস্থিতিৰ সৃষ্টি কৰিলে তাকে তেওঁ হঠাৎ উপলব্ধি কৰিলে। মুখখন গম্ভীৰ আৰু মাতটো কৰ্কশ হৈ পৰিল। 'কিন্তু তুমি বৰ সাংঘাতিক অন্যায় কৰিছা চিউলান। তুমি যে মোক কি ভয়ানক অসুবিধাত পেলালা হয়তো তুমি নিজেই নাজানা।"

তাইৰ চকুপানী ওলাল আৰু কান্দোনত তাইৰ ওঁঠ দুটা কঁপি উঠিল। "আপোনাৰ বাবে অলপ খোৱা বস্তু আনিছিলোঁ।" তাই হালি গৈ সৰু টোপোলা এটা তুলি ল'লে। এইখিনি মই নিজে ৰান্ধিছিলোঁ ফাদাৰ। আপোনাক হাতে হাতে দিয়া অসুবিধা হ'ব বুলি মই জানো, কাৰণ সিহঁতে নিশ্চয় মোক আপোনাৰ লগত দেখা হ'বলৈ নিদিলেহেঁতেন। মই ভাবিছিলোঁ যে পহৰাকেইটাক দুই-চাৰি অনা পইচা দি সিহঁতৰ হতুৱাই টোপোলাটো আপোনালৈ পঠাই দিম। কিন্তু তেতিয়া সিহঁতে পইচাও খালেহেঁতেন আৰু খোৱাখিনিও ভৰালেহেঁতেন।"

ফাদাৰ ওবেনিয়নে মছিঅঁৰ ফালে চালে— "আমাৰ পেনিচিলিন আছে জানো?"

"ক'ৰপৰা থাকিব?" মছিঅঁই বিৰক্তিৰে ক'লে— "জানাই দেখোন যে ইয়াৰ চিপাহীমখাই আমাৰ ডাক্তৰখানাটো লণ্ড ভণ্ড কৰি পেলাইছে। মূৰ্খইঁতে সেইটো যাদুমন্ত্ৰৰ ভঁৰাল বুলি কৈছিল। যি কোনো ভাল বস্তু পালে তাক ধ্বংস নকৰাকৈ ইইঁতে নেৰে। তাৰে ফল ভোগ কৰিছ, হো-চানে।"

হঠাতে কাহ উঠাত হো-চানে মছিঅঁৰ কথা নুশুনিলে। বুকুৰ মাজৰ পৰা শুকান কাহবোৰ আহি তাক মুচৰি যেন গুড়ি কৰিহে দিব। বুকুত হেঁচা মাৰি ধৰি কেঁকোৰা পৰি সি কাহিবলৈ ধৰিলে ; বুকুৰ হাড়বোৰ দাল দাল হৈ যাবৰ উপক্ৰম হ'ল। ফাদাৰ ওবেনিয়নৰ ফালে কাতৰভাৱে চাই সি কেঁকাই উঠিল "উঃ এই কাহটো! হায় মৰণ -- মই তোৰ ছাঁ দেখিবলৈ পাইছোঁ।"

"পাবিতো। ইয়াকে তই ইমানদিনে বিচাৰি আছিলি। যি কৰে ঈশ্বৰে ভালকৈয়ে কৰে। তেওঁৰ দৰবাৰত যিহকে বিচাৰ তাকেই পাবি, হঁ।"

"মনে মনে থাক।" হো -চান গেৰগেৰাই উঠিল "মুখ বন্ধ কৰ—বিদেশী...."

"গুপ্তচৰ?" মছিঅঁই জোৰাই দিলে।

"হেই এইটোক বন্দীশাললৈ লৈ যা" হো-চানে পহৰাকেইটাক আদেশ দিলে। ফাদাৰ ওবেনিয়নক ক'লে-- "তোমাক নহয়।"

প্ৰধান পহৰাটোক থাপ মাৰি ধৰি ফাদাৰ ওবেনিয়নে হো-চানক ক'লে— "ৰবা মই এটা কথা ভাবিছোঁ। টুং এন মিছনত পেনিচিলিন আছে। মই তালৈ গৈ পেনিচিলিন লৈ আহিব পাৰো। কিন্তু তুমি মছিঅঁ ফিংসগিবনক মাফ কৰিব লাগিব। কিন্তু তেওঁক আৰু শাস্তি দিব নোৱাৰিবা। তেওঁৰ বয়স হৈছে। বুঢ়া কালত তেওঁ স্বদেশলৈ উভতি যাব খোজে। তাত তেওঁ শান্তিৰে জীৱনৰ শেষ দিনকেইটা কটাই তেওঁৰ পূৰ্বপুৰুষৰ ভিটাত শেষ নিশ্বাস পেলাব খোজে। তেওঁক এইকেটা অনুগ্ৰহ কৰিব লাগিব হো-চান। ঈশ্বৰেও তোমাক অনুগ্ৰহ কৰিব।"

হো-চানৰ দেহত তেতিয়াও চীনা তেজ বৈ আছিল। পিতৃ-ভিটাত মৰিবলৈ পোৱাটো চীনাবোৰে ভাগ্যৰ কথা বুলি ভাবে। ফাদাৰ ওবেনিয়নৰ কথা শুনি সি খন্তেক চিন্তা কৰিলে। হঠাৎ তাৰ মনত পৰিল যে সি কমিউনিষ্ট।

"পূৰ্বপুৰুষৰ কথা নুলিয়াবা— সিহঁত মৰি ভূত হৈ গৈছে। মোৰ মনত সিহঁতৰ কোনো মূল্যই নাই।"

"নাপায়, তেনেকৈ ক'ব নাপায় হো-চান।" আতঙ্কত ফাদাৰ ওবেনিয়নে কৈ উঠিল "তুমি ধৰ্ম নামানিব পাৰা, কিন্তু নাস্তিকৰ মনলৈকো এনে অসৎ চিন্তা নাহে। তুমি ভাল নাস্তিক হ'বলৈও পাহৰিলা নেকি?"

"ঈশ্বৰ! ঈশ্বৰ!! ঈশ্বৰ নাই। ঈশ্বৰে মোক ৰক্ষা কৰিব নালাগে—মই নিজে নিজকে ৰক্ষা কৰিম।" হো-চানে দীঘল-ডাঙৰ পাদ্ৰী দুজনলৈকে চাই ক'লে। এটা কথা মনত পৰাত তাৰ চকু দুটা তিৰবিৰাই উঠিল।

"টুংএন ইয়াৰ পৰা দক্ষিণলৈ ২০০ মাইল। তাৰ পৰা আমাৰ সীমান্ত বেছি দূৰ নহয়। তোমাক যাবলৈ এৰি দিলে আৰু উভতি নাহা।"

কথাষাৰ শুনি ফাদাৰ ওবেনিয়নে মনে মনে বেজাৰ পালে। তেওঁ গহীনাই ক'লে "মই ঈশ্বৰৰ নামত শপত খাই কৈছোঁ হো-চান। তুমি জানা যে মোৰ কথাৰ লৰচৰ নহয়।"

"নিজে যেনে আনকো তেনে যেন দেখাই মানুহৰ স্বভাৱ। সি নিজে মিছা কথাৰ ভঁৰাল" মছিঅঁই বিষোদ্‌গাৰ কৰিবলৈ নেৰিলে....।

মছিঅঁক শেষ কৰিব নিদি ফাদাৰ ওবেনিয়নে কৈ গ'ল— "তদুপৰি হো-চান, মই যি কাম কৰিবলৈ গাত লৈছোঁ তাৰ লগত তোমাৰ জীৱনৰ সম্পৰ্ক!"

"কি আশ্চৰ্য! তোৰদৰে অধম এটাৰ জীৱন আৰু এই দায়িত্ব গ্ৰহণৰ প্ৰতিজ্ঞা। কি যে আচৰিত যোগাযোগ।" মছিঅঁই টিপ্পণি কাটিলে।

হো-চানে চকু মুদি কিবা ভাবিলে। এটা সিদ্ধান্তত উপনীত হৈ সি ক'লে— "বেছ তোমাক এটা সুযোগ দিম ওবেনিয়ন। তোমালোকৰ পৰা আমাৰ দলৰ ব্যৱহাৰৰ বাবে অনা মটৰ গাড়ীখন লৈ তুমি এতিয়াই যাত্ৰা কৰা। শুনা, তোমাক দুদিনৰ সময় দিলোঁ। ইয়াৰ ভিতৰতে যদি তুমি উভতি নাহা তেন্তে মছিঅঁ ফিৎসগিবনক মই বধ কৰিম। এইটো মোৰ মুখৰ কথা বুলি নাভাবিবা; মই কামৰ কথাহে কৈছোঁ। মোৰ কথা বিশ্বাস কৰিব পৰা সহজ বুদ্ধি তোমালোকৰ মগজুত আছে বুলিয়েই মোৰ বিশ্বাস।"

সি দেৱালৰ ফালে মুখ ঘূৰালে। দুয়োজন পাদ্ৰীকে এৰি দিয়া হ'ল।

ঠিক এঘণ্টাৰ পিচতে ফাদাৰ ওবেনিয়নে যাত্ৰা কৰিলে। এইখিনি সময়ৰ আধামান তেওঁ মছিঅঁৰ লগত কথা-বাৰ্তা হৈ কটাই দিলে।

"আপুনি যিমান পাৰে সিমান শোৱক মছিঅঁ। শুই থাকিলে সময়খিনি সোনকালে পাৰ হোৱা যেন লাগিব আৰু ইতিমধ্যে মই আহি পাম।" ফাদাৰ ওবেনিয়নে উপদেশৰ ছলে ক'লে।

"ভাল কৈছা। মই মুঠেই শুব নোৱাৰিম। বৰং মই ভগৱন্তক প্ৰাৰ্থনা কৰি থাকিম। সেই ঢেৰঢেৰীয়া গাড়ীখন। তাকে লৈ তুমি দুশ মাইল যাবা আৰু দুশ মাইল আহিবা। তুমি মোৰ ওচৰলৈ উভতি নহাপৰ্যন্ত তোমাৰ সফলতা কামনা কৰি মই প্ৰাৰ্থনা কৰি থাকিম। তোমাৰ হাততে মোৰ জীৱন নিৰ্ভৰ কৰিছে। মই অনুভৱ কৰিছোঁ। যমে যেন মোৰ ফালে চাই ভ্ৰূকুটি কৰিবলৈ আৰম্ভ কৰিছে।"

হঠাৎ ফাদাৰ ওবেনিয়ন গম্ভীৰ হৈ পৰিল। হো-চানে কোৱা কথাখিনি তেওঁ চিন্তা কৰি চালে। ধমক, বিদ্ৰূপ, ককৰ্থনা, গালি এইবোৰৰ লগত তেওঁ অভ্যস্ত হৈ পৰিছে। কিন্তু এইবাৰৰ কথা সুকীয়া। মছিঅঁৰ বহুমূলীয়া জীৱন ৰক্ষাৰ দায়িত্ব তেওঁৰ হাতত--এই দুখন সবল ভোতোৰা আওগড়ীয়া হাতত! তেওঁৰ গাটো জিকাৰ খাই উঠিল।

"সি যি কি নহওঁক, এইবেলি যেনিবা টমাছৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া নহওঁ।" তেওঁ নিজকে বুজালে "তদুপৰি খোজেপতি মই ঈশ্বৰৰ নামলৈ থাকিম নহয়, ভগবানে নিশ্চয় মোক সহায় কৰিব।"

বিদায়ৰ মুহূৰ্ত্তত ফাদাৰ ওবেনিয়নে মছিঅঁৰ হাতখন সাবতি মাৰি ধৰিলে। ক্ষন্তেকৰ কাৰণে চকুৰ কোণত এটোপা চকুলো বিৰিঙি উঠাত ততালিকে হাতেৰে মচি গধূৰ মনটোৰে সৈতে মটৰ গাড়ীখনত বহিলে। চাবিটো দিওঁতেই ইঞ্জিনটোৱে গৰ্জি উঠাত তেওঁ আচৰিত হ'ল আৰু মনে মনে সন্তুষ্ট হ'ল। ইয়াৰে কেইমিনিটমান পিচতে চহৰ এৰি গাঁৱলীয়া অসমান ৰাস্তাৰ ওপৰত গাড়ীখন জঁপিয়াই জঁপিয়াই আগবাঢ়ি যাবলৈ ধৰিলে। চালুকীয়া বসন্তৰ দৰে কুমলীয়া পুবাৰ মন মতলীয়া কৰা বতাহজাকে তেওঁৰ অন্তৰত আনন্দৰ পৰশ দিয়া যেন পাই--তেওঁৰ নিজৰে লাজ লাগি গ'ল। শীতকালৰ আৰু কেটামান দিন বাকী আছিল। দিনটো পুৰঠ হোৱাৰ লগে লগে শীতৰ মাত্ৰাও বাঢ়ি আহে। কিন্তু সিদিনাৰ দিনটো বৰ ঠাণ্ডা নাছিল আৰু ক'লা চৰাইবোৰে খেতিৰ মাজে মাজে উৰি ধান বিচাৰি ফুৰিছিল। পাতল নীলা আকাশখনে যেন আলফুলকৈ পৃথিৱীখনক সাবতি ধৰি মৰম কৰিছিল। মটৰ গাড়ীখন তজবজীয়া ডেকাৰ দৰে চঞ্চল হৈ পৰিছিল, যেন আগুৱাই যোৱাৰ ভিন্ন তাৰ আৰু আন কাম নাই। চালক বহা ঠাইখিনি টুকুৰা মেৰামতি কৰি নতুন আৰু কোমল কৰাত বহিবলৈ বৰ জুতি লগা হৈছিল। আগেয়ে তাতে বহি ইমান আৰাম পোৱা বুলি তেওঁৰ মনত নপৰে। বহি বহি তেওঁ নানা কথা ভাবিবলৈ ধৰিলে, পিটাৰ ওবেনিয়ন, তুমি বলিয়াৰ দৰে কি কৰিবলৈ ওলাইছা? নতবা নিচিন্তাকৈ যি মন যায় তাকে কৈ পেলোৱা, এবাৰ ভাবি চোৱাচোন তোমাৰ সহকৰ্মীৰ দুৰৱস্থাৰ কথা। বন্দীশালৰ

সেই কোঠালিটোত তেওঁ কিমান কষ্টত জীৱনৰ ক্ষণবোৰ গণিবলগীয়া হৈছে। যদি পেনিচিলিন নোপোৱা তেন্তে কি হ'ব? তাত পেনিচিলিন নাথাকিবও পাৰে। তোমাৰ বুকুখন কঁপি উঠিছে কিয়? হো-চানক পেনিচিলিন আনি দিব নোৱাৰিলে মছিঅঁৰ জীৱনৰ বন্তিগছি চিৰকাললৈ নুমাই যাব।

বিষাদৰ ক'লা মেঘ এচপৰাই তেওঁৰ মনৰ আকাশখন ঢাকি ধৰিলে। বুকুখনৰ মাজেদি এটা দীঘল হুমুনিয়াহ ওলাই আহি গোটেইখন উত্তপ্ত কৰি পেলালে। তেওঁৰ মুখখন কান্দো কান্দো হল। গাটো জোকাৰি তেওঁ আকৌ গভীৰ চিন্তাত নিমগ্ন হ'ল। দুখ কৰি লাভ নাই। সমুখত যি দায়িত্ব আহি পৰে তাক কৰি যোৱা উচিত। এই সুন্দৰ পুৱাৰ মুকলি পৰিবেশটোৱে তেওঁৰ মনটো পাতল কৰিছিল— সেই কথা সচাঁ নহয়। প্ৰকৃততে মছিঅঁ ফিৎসগিবনৰ সান্নিধ্যৰ পৰা মুক্ত হ'বলৈ পাই হে তেওঁ সকাহ পাইছিল? তেওঁ তেওঁৰ যে অতি অন্তৰঙ্গ বন্ধু আৰু গুৰুস্থানীয় ব্যক্তি, তাত অকণো সন্দেহ নাই। কিন্তু তেওঁৰ টিকিচকৈ খং উঠা স্বভাবটো বৰ অসহ্য। দিনে দিনে এই খংটো যেন বেছিহে হৈছে। হো-চানৰ লগত বাৰু সেইদৰে কথা পাতিব লাগেনে? কটা ঘাঁত কলাখাৰ দিয়াৰ দৰে খং উঠা কথাবোৰ কোৱা বাবেহে তেওঁ হো-চানৰ ফলীয়া হ'বলগীয়া হ'ল। এই পৰিস্থিতিত তাৰ পৰা অনুগ্ৰহ বিচৰাৰ কথা বাদ দিলেও সাধাৰণ বিচাৰ-বুদ্ধি মতেও সেই অৱস্থাত তাক সেইদৰে কোৱাটো যুক্তিযুক্ত নহয়। গাঁৱলীয়া ৰাস্তাত সাৱধানে গাড়ী চলাই তেওঁ আগবাঢ়ি গৈ আছিল। তাৰ মাজতে তেওঁ চিন্তা কৰি দেখিলে যে যোৱা সপ্তাহকেইটাত হো-চানে যিবোৰ কাম কৰিছে তাৰে দুই-এটাক লৈ মন কৰিলে তাৰ সপক্ষে ক'বলগীয়া দুই এটা কথা সম্ভৱতঃ ওলাই পৰিব। সি প্ৰায়ে অৱস্থাৰ মেৰপাকত পৰি বিমূঢ় হৈ গৈছিল। কিন্তু মাজে মাজে তাক বেছ শান্ত-শিষ্ট যেন দেখা গৈছিল। তাৰ অন্তৰৰ পৰা ভাল কথা, সৎচিন্তা আৰু ভদ্ৰ আচৰণ যে একেবাৰে অন্তৰ্হিত হৈছিল এনে নহয়। ভুলবাটে পৰিচালিত নহ'লে সি এজন ভাল ধৰ্ম্মযাজক হ'ব পাৰিলেহেঁতেন।

তেওঁ আপোনমনে কৈ উঠিল "ভাল কথা লুকাই নাথাকে"। এইদৰে স্বগতোক্তি কৰাটো আজিকালি ফাদাৰ ওবেনিয়নৰ এটা স্বভাৱত পৰিণত হৈ পৰিছিল। নিজকে নিজে এইদৰে ক'বলৈ নাপালে তাৰ সলনি তেওঁ মছিঅঁৰ অভিযোগবোৰ শুনিব লাগিছিল।

তেওঁ চিন্তাত ইমান মগ্ন হৈ পৰিছিল যে গাড়ীৰ পিচৰফালে থকা এটা সহযাত্ৰীৰ কথা তেওঁ ক'বই পৰা নাছিল। যুগ যুগ ধৰি গৰুগাড়ী, ঘোঁৰাগাড়ী আদিয়ে খান্দি

ওবেনিয়নে মুখৰে একোকে নামাতিলে। তায়ো কথা ক'বলৈ সাহ নকৰি কেৰাহিকৈ মাজে মাজে মাথোঁ তেওঁৰ ফালে চাই থাকিল। তাইৰ মনৰ আকাশখনো নীলাবৰণীয়া হৈ পৰিল আৰু তাৰ মাজত শুকতৰাটোৰ দৰে ফাদাৰ ওবেনিয়নক জিলিকি থকা দেখিবলৈ পালে। তাই অনুমান কৰিলে যে বহল নীলাখিনি বৰ উজ্জ্বল আৰু তেওঁৰ পুৰুষব্যঞ্জক মুখখন তাৰ তুলনাত নিচেই শেঁতা।

"আমিতো একো দোষনীয় কাম কৰা নাই, নহয় জানোঁ"--তাই অনুমান কৰি শেষত প্ৰশ্ন কৰিলে।

"নাই কৰা ; কেতিয়াও কৰা নাই ; অন্ততঃ মোৰ পক্ষৰ পৰা একো দোষৰ কাম কৰা নাই।" মনটো উগুল-থুগুল লাগিছিল— সংযতভাৱেই ফাদাৰ ওবেনিয়নে ক'লে।

"হয়, ইয়াৰ বাবে আপুনিয়েই দায়ী। মোৰ মতে আমাৰ নিৰ্দোষিতাৰ কথাটো যদি কোনোবাই বিচাৰ কৰে তেন্তে আপোনাৰ নিষ্ক্ৰিয়তাই ইয়াৰ কাৰণ বুলি প্ৰমাণিত হ'ব" চিউলানৰ মাতত এটা বিষাদৰ সুৰ ধ্বনিত হ'ল।

"এৰা, সকলো ভগৱানৰ ইচ্ছা। নিৰ্দোষ থাকিবলৈ ভগৱানে মোক সহায় কৰিছে। যদি ইচ্ছা কৰা তেন্তে তুমিও সেই সাহায্য লাভ কৰিব পাৰিবা।"

"কিন্তু সেই সাহায্য মই কামনা কৰিম জানো?" আচৰিত প্ৰশ্নটো তাই সুধিয়ে পেলালে। সৰলভাৱে প্ৰশ্ন কৰা হৈছিল যদিও তাত লুকাই থকা দুষ্ট ইঙ্গিতটোলৈ মন কৰি ফাদাৰ ওবেনিয়নে মুহূৰ্তৰ বাবে নিজে পাহৰি গ'ল আৰু তাইক সতৰ্ক কৰি দিবলৈ ঘূৰি চালে। চাৰি চকুৰ মিলন হোৱা মাত্ৰকে তেওঁ সজাগ হৈ বাওঁফালে মুখ ঘূৰালে। "আৰম্ভ কৰিলানে?" তেওঁ ক'লে।

যেন একোকে কৰা নাই এনে ভাবত তাই ক'লে— "কি আৰম্ভ কৰিলোঁ বাৰু?"

"মই দেখোন একোকে কৰা নাই!"

"হৈছে হৈছে। বৰ চালাকী কৰিব নালাগে। কি কৰিছা আৰু কি বিচাৰিছা— তুমি ঠিক জানা আৰু তাকে কৰিয়ে আছা।"

"তেন্তে মই কথাও ক'ব নালাগে নেকি?" বিচিত্ৰ ভঙ্গীত তাই সুধিলে। তাইৰ ক'লা চকুৰ ধুনীয়া চেলাউৰিযোৰ নাচি উঠিল।

"নকবা, মুখেৰে নামাতিবা।"

"কিন্তু মোৰ মুখে কথা কোৱা নাই ফাদাৰ, অন্তৰে কৈছে, হিয়াৰ ভাষা মই বন্ধ কৰোঁ কেনেকৈ?"

তাইৰ কণ্ঠ ৰুদ্ধ হৈ আহিল। চকুৰে সৰু সৰু পানী পৰাত চোলাৰ কোণাটোৰে চকু দুটা মোহাৰি ল'লে। তাই চলচলীয়া চকু দুটাৰে ফাদাৰ ওবেনিয়নৰ মুখলৈ চাই থাকিল— তাইৰ দৃষ্টিত এটি স্নিগ্ধ সৰলতা স্পষ্ট হৈ ফুটি উঠিল। ফাদাৰ ওবেনিয়নে দীঘলীকৈ এটা হুমুনিয়াহ কাঢ়িলে।

"মই জানোঁ, চিউলান, তোমাৰ মধুৰ আৰু মৰমিয়াল অন্তৰৰ কথা মই ভালদৰে জানোঁ ; কিন্তু.... ।।"

আবেগত লেউসেউ হ'ব খোজা মনটো সজাগ কৰিবলৈ মূৰটো জোকাৰি দি তেওঁ আকৌ এবাৰ দীঘল উশাহ ল'লে। "কিন্তু তুমি কেতিয়া গাড়ীত বহিলাহি ? কেনেকৈ গাড়ীত উঠিলা বাৰু ?"

দোষটো যেন ফাদাৰ ওবেনিয়নৰহে এনে ভাবত তাই ক'লে—

"আপুনি ইমান লৰালৰিকৈ ক'লৈ যে গুচি গ'ল ক'বই নোৱাৰিলোঁ। সিহঁতে ক'লে যে আপুনি গাড়ী লৈ গ'লেই। মই ইফালে-সিফালে চাই দেখোঁ যে আপোনালোকক বন্দী কৰি ৰখা ঘৰটোৰ দুৱাৰ মুখতে গাড়ীখন তেতিয়াও ৰৈ আছে। মই ভিতৰত সোমাই ললোঁ। কিজানিবা আপুনি..........."

"তোমাৰ বুদ্ধিতো কম নহয়—" প্ৰশংসাত তেওঁৰ মুখখন পোহৰ হৈ উঠিল, "কিন্তু মই নহৈ আন কোনো বদমাছ মানুহ হ'লে তোমাৰ অৱস্থা কি হ'লহেঁতেন ?"

"কিন্তু হো-চানৰ বেমাৰ বুলি মই জানোঁ।" তাই ক'লে।

"এৰা, সেই বাবেইতো মই আহিবলগীয়া হ'লো। তাৰ কাৰণে এবিধ দৰব আনিবলৈ মোক পঠাই দিছে।

তাই অলপ আগুৱাই গৈ বিষোদ্গাৰ কৰি ক'লে— "সি মৰিলেই ভাল। দুষ্ট, লম্পটটো মৰক, তাৰ মঙহ শিয়াল, কুকুৰে খাওক।"

দুখমনে ফাদাৰ ওবেনিয়নে ক'লে, " ওহোঁ- তাক মৰিবলৈ দিব নোৱাৰোঁ। জানা চিউলান, হো- চানৰ জীৱনৰ লগত মছিঅঁৰ জীৱন জড়িত হৈ পৰিছে। তদুপৰি এটা মানুহৰ জীৱন ! মোৰ আত্মাৰ কল্যাণৰ বাবে মই তাৰ প্ৰাণ ৰক্ষাৰ চেষ্টা কৰিবই লাগিব — মছিঅঁৰ জীৱনৰ লগত সমন্ধ থাককে বা নাথাকক।"

তাই মত সলনি নকৰাকৈ ক'লে "মই হ'লে সি মৰিলেহে ভাল পাওঁ।"

তেওঁৰো চকুলোৱে দেখা দিলে। এৰা এইদৰে ভবাটো তাইৰ বাবে একো অসঙ্গত নহয়। মনে মনে তেওঁৰ ইচ্ছা হ'ল যেন গাল-মুখ পিহি তাইক সান্ত্বনা দিব, কিন্তু সাহস নহল। "এইদৰে ভবা কাৰণে তোমাক একো দোষ দিব নোৱাৰোঁ চিউলান।

মই তিৰোতা মানুহ নহওঁ, হ'লে কিজানি ঠিক তোমাৰ নিচিনাকৈ ময়ো তাৰ মৃত্যু কামনা কৰিলোঁহেঁতেন...।" তেওঁ আকাশখনৰ ফালে চালে— দিগন্ত বিয়পা অন্তহীন আকাশখন চকুত পৰিল।

"হে আই ঈশ্বৰৰ জননী, তুমি সকলোতে আছা আৰু সকলো দেখিছা। আমাক দুয়োকো একেলগে দেখি তুমি কি ভাবিছা বাৰু? বিশ্বাস কৰা আই, ঘটনাক্ৰমেহে এই ছোৱালীজনী আহি মোৰ লগ হৈছে। ইয়াত মোৰ কোনো দুৰভিসন্ধি নাই। এইক তুমি মাৰ্জনা কৰিবা। বেচেৰীয়ে বৰ কষ্ট পাইছে।"

প্ৰাৰ্থনাখিনি কৰিয়েই তেওঁৰ ভিতৰত থকা ধৰ্মযাজক জন মূৰ দাঙি উঠিল।" চিউলান, মই তোমাক মাৰাৰ ওচৰলৈ যাবলৈ কৈছিলো। গৈছিলা নে নাই?"

"যাব নোবাৰিলোঁ ফাদাৰ।" তাই এতিয়া আসনখনত উঠি ভৰি দুখন লগ লগাই আৰু হাত দুখন কোলাত থৈ প্ৰতিমা এটিৰ দৰে বহিছিল। জুৰ জুৰ এছাটি বতাহ আহি তাইৰ ডিঙি আৰু কপালৰ কোমল চুলিবোৰ উৰুৱাই দিছিল।

তেওঁ দূৰলৈ চাই পঠিয়ালে আৰু কঠিন সুৰত প্ৰশ্ন কৰিলে— "কিয় যাব নোবাৰিলা?"

"ঘৰলৈ গ'লে হো-চানক বিয়া কৰাবলৈ মাই মোক বাধ্য কৰিলেহেঁতেন।"

তাই উচুপিবলৈ ধৰিলে। ফাদাৰ গুবেনিয়নে দাঁতেৰে তলৰ ওঁঠটো চেপি ধৰিলে। মছিঅঁই কোৱা এষাৰ কথা তেওঁৰ মনত পৰিল। তিৰোতাৰ চকুৰ পানীয়েই চয়তানৰ এবিধ অমোঘ অস্ত্ৰ স্বৰূপ!

"কিন্তু তুমি বোলে হো-চানক চিনি পাইছিলা? কেনেকৈ এই পৰিচয়ৰ সূত্ৰপাত হ'ল? তুমি সিদিনা গেট পাৰ হৈ ভিতৰলৈ আহিবৰ সময়ত পহৰাটোক কৈছিলা যে ৰেষ্টৰীত সোমাবলৈ হো-চানে তোমাক অনুমতি দিছিল, এই কথা মোৰ মনত আছে।"

তাই উচুপিবলৈ এৰি তেওঁৰ ফালে চাই ক'লে—"হয় ফাদাৰ কৈছিলোঁ। মই ফাঁকি দিছিলোঁ।"

"ফাঁকি দিছিলা!" এটা অশ্ৰাব্য কথাহে যেন তেওঁৰ কাণত পৰিল, "মোক তুমি বৰ দুচিন্তাতহে পেলালা যেন পাইছোঁ। এতিয়ালৈ তুমি যিবোৰ কাম কৰিছা তাৰ ভিতৰত এইটোৱেই আটাইতকৈ বেয়া। তুমি যে ফাঁকি দিয়া বা মিছা কথা কোৱা মই ধাৰণাও কৰিব পৰা নাছিলোঁ। মই এজন ধৰ্মযাজক—দূৰণিবটীয়া যাত্ৰা কৰাৰ সময়ত এজনী গাভৰু ছোৱালী একেখন গাড়ীতে মোৰ লগত থকা কথা শুনিলে মানুহে কি ভাবিব? তাতে তুমি ফাঁকি দিব জনা ছোৱালী। মই মানুহক কি কৈফিয়ৎ দিম?"

তাই মনে মনে বৰ দুখ পালে। "আপুনি চিন্তা নকৰিব ফাদাৰ, মই ইয়াতে লুকাই থাকিম।" তাই আসনখনৰ পিচৰফালে কেকুৰি কেকুৰি চুকত সোমাই ল'লে। তাকে দেখি তেওঁ তাইক লুকাবলৈ হাক দি হাতত ধৰি উলিয়াই আনিলে। পাদ্ৰীৰ গাম্ভীৰ্যৰে তেওঁ ক'লে "তুমি ঈশ্বৰৰ চকুৰ পৰা কেনেকৈ আত্মগোপন কৰিবা? গতিকে সন্মুখতে মোৰ কাষত বহাহি। তেতিয়া হ'লে তোমাৰ আত্মাৰ কল্যাণৰ অৰ্থে উপায় চিন্তা কৰিবলৈ সুবিধা হব। তুমি মিছা কথা কৈছিলা নহয় জানো? আৰু হো-চানে সেই কথা নিশ্চয় গম পালে। তেতিয়া তোমাৰ ওপৰত তাৰ খঙৰ কোব চৰি গ'ল। সেই খং সি তোমাৰ ওপৰত অতি নিৰ্মমভাৱে জাৰিলে। কথাটো মন কৰিছানে? ৰবা...ৰবা....ইমান ওচৰ চাপি নাহিবা... অলপ দূৰত বহা।"

তাই মনে মনে এই আহ্বানকে কামনা কৰিছিল হবলা। ঘপহকৈ তাই সন্মুখৰ আসনখনলৈ আগুবাই আহিল। ফাদাৰ ওবেনিয়নে কথা কৈ থকা সময়খিনিতে তাই আহি বেছকৈ বহি ল'লে। কেইমাইলমান একো কথা নপতাকৈ দুয়ো গৈ থাকিল। ফাদাৰ ওবেনিয়নৰ বুকুৰ মাজত ধুমুহা উঠিছিল। তেওঁ নিজকে বুজাবৰ চেষ্টা কৰিছিল যে এই ছোৱালীজনীয়ে অজ্ঞাতসাৰে ঈশ্বৰৰ ওচৰত অপৰাধ কৰিছে। যিয়েই নকৰক, তাই ভগবানৰ অবোধ সন্তান। তাইক পাপমুক্ত কৰা তেওঁৰ কৰ্তব্য; তাইৰ প্ৰায়শ্চিত্তৰ ব্যৱস্থা কৰিবলৈ তেওঁ বাধ্য; কাৰণ তেওঁ এজন ধৰ্মযাজক। কিন্তু কেতিয়া আৰু কিদৰে সেই প্ৰায়শ্চিত্তৰ কাম আৰম্ভ কৰিব?

ফাদাৰ ওবেনিয়নে মনে মনে এইবোৰ গুণা-গথা কৰি থকা সময়তে চিউলানে ছেগ বুজি মাজে মাজে তেওঁৰ মুখৰফালে চাইছিল। তেওঁৰ চকুৱে-মুখে চিন্তাৰ ৰেখাবোৰ সুস্পষ্ট হৈ পৰিছিল আৰু ভুলতো তাইৰফালে চোৱা নাছিল। কিন্তু নাৰীৰ সহজ বুদ্ধিৰে তেওঁৰ অন্তৰৰ কোনোবা চুক এটাত জ্বলি উঠা জুইকুৰাৰ উমান পাইছিল। সেই জুইকুৰা নুমাবৰ বাবে শত চেষ্টা কৰিও তেওঁ যে কৃতকাৰ্য হোৱা নাই, সেই গোপন কথাও তাই মনতে উপলব্ধি কৰিলে। এটা মুহূৰ্তৰ বাবে তাই অপেক্ষা কৰি থাকিল। এটা নিশ্চিত বিজয়ৰ প্ৰতীক্ষাই তাইৰ মনলৈ আনি দিলে স্থিৰতা আৰু শান্তি।

ফাদাৰ ওবেনিয়নে মনক বুজনি দিলে আৰু নিজৰ পবিত্ৰ কৰ্তব্য সম্বন্ধে নিঃসন্দেহ হ'বৰ চেষ্টা নকৰিলে ; কিন্তু এজনী ধুনীয়া গাভৰু ছোৱালী যে তেওঁৰ নিচেই কাষতে বহি আছে, এই কথা তেওঁ মুহূৰ্তৰ বাবেও পাহৰিব নোৱাৰিলে। নাৰীৰ সৌন্দৰ্য, সুষমা, কোমলতা সকলোখিনিকে লৈ তাই যে তাত বহি আছিল ই এটা জ্বলন্ত সত্য আৰু ইয়াক অস্বীকাৰ কৰা তেওঁৰ বাবে অসম্ভৱ।

এটা গভীৰ প্ৰশান্তিত তাইৰ অন্তৰ উপচি পৰিল। ফাদাৰ ওবেনিয়নৰ আদেশ অকুণ্ঠচিত্তে পালন কৰি তাই আনন্দ পাইছিল। কিন্তু যোৱা কেইদিনৰ ভিতৰত মাত্ৰ এবাৰ তাই তেওঁৰ অবাধ্য হৈছিল আৰু তাৰ বাবে নিজকে অপৰাধী যেন লাগিছিল। তাই সচাঁকৈ মাকৰ ওচৰলৈ যোৱা নাছিল আৰু ৰেক্টৰীৰ ভিতৰতে অকলে সোমাই আছিল। অকল দুৰৱীয়ে এই কথা জানিছিল আৰু সিয়ে ৰাতিৰ অন্ধকাৰৰ সুযোগ লৈ তাইৰ খোৱা-লোৱাৰ যোগান ধৰিছিল। সেই প্ৰকাণ্ড ৰেক্টৰীটোৰ মাজত নিজকে বৰ অকলশৰীয়া যেন লাগিছিল। তাই ফাদাৰ ওবেনিয়নৰ কোঠালিটোত অকলে থাকিবলৈ লৈছিল। তথাপি তাই মনত শান্তি পোৱা নাছিল। এই কোঠালিতে তাইৰ জীৱনৰ প্ৰথম আৰু চৰম দুৰ্দশাৰ ঘটনা এটা সংঘটিত হৈছিল। সেই ঘটনাটোৰ বিষাক্ত স্মৃতিয়ে তাইৰ মনটো বলিয়া কৰি তুলিছিল। ভাবোঁতে ভাবোঁতে হো-চানলৈ প্ৰথমতে ভয় আৰু তাৰ পিচত খং উঠি যায়। লাহে লাহে এই ভয় আৰু খঙৰ সলনি তাৰ প্ৰতি অনুকম্পাৰ ভাব এটাই তাইৰ মনত একোবাৰ ভুমুকি মাৰেহি। কি কৰিব সি? সিও এজন যুবক-- ক্ষণিকৰ উত্তেজনাত সি নিজকে পাহৰি গ'ল, তাৰ পশু প্ৰবৃত্তিবোৰ জাগি উঠিল— সি কামনাৰ জুইত জাহ দিলে। হঠাতে ফাদাৰ ওবেনিয়নে শিকোৱা এযাৰ কথা তাইৰ মনত পৰি গ'ল আৰু সেই প্ৰাৰ্থনাৰ "ক্ষমা কৰা প্ৰভু, সিহঁতে কি কৰিছে নিজেই নাজানে" অৱশ্যে বহুবচনৰ "সিহঁত"ৰ সলনি তাই একবচনৰ সৰ্বনাম ব্যৱহাৰ কৰি "তাক ক্ষমা কৰা" বুলি কৈছিল।

সেই নিঃসঙ্গ অশান্ত কালছোৱাৰ অন্তত ফাদাৰ ওবেনিয়নৰ সান্নিধ্যই চিউলানৰ অন্তৰৰ পৰা এটা গধুৰ বোজা আঁতৰাই পেলালে। তাই মনত বল পালে, হিয়া জুৰ পৰিল। চকু দুটা অলসভাৱে লাহে লাহে মুদ খাই আহিল।

ৰাস্তাৰ খলা-বমা অসমান ঠাইবোৰ এৰি এবাৰ সোঁফালেদি, এবাৰ বাওঁ ফালেদি গাড়ীখন আগুৱাই যোৱাত চিউলান ইফালে-সিফালে হালি-জালি একোবাৰ ফাদাৰ ওবেনিয়নৰ কোলাত বাগৰি পৰিবলগীয়া হৈছিল। টোপনিত লালকাল দিয়া চিউলানে ইচ্ছা কৰি তেনে কৰিছিল বুলি ভাবিবৰ অৱশ্যে একো কাৰণ নাছিল।

কিন্তু ফাদাৰ ওবেনিয়নে অন্যৰকমে ভাবিলে। হঠাৎ ৰূঢ়ভাৱে তেওঁ কৈ উঠিল "জ্বালাতন নকৰিবা চিউলান। চাওঁ দুৱাৰৰ কাষলৈ যোৱা। গাত গা লগাই নবহিবা।"

একো নমতাকৈ তাই আদেশ পালন কৰিলে। টোপনিৰ জাল কাটি যোৱাত সজাগ হৈ পৰিল। ফাদাৰ ওবেনিয়নৰ ধমকত ভয়ত তাই অতি সাবধানে পোন হৈ যিমান পাৰে আঁতৰি বহিল। দহ মাইলমান দুয়ো মনে মনে গৈ থাকিল। ফাদাৰ

"তোমাক একো কোৱা নাই—নিজকে কৈছোঁ।"

হাত দুখন মোহাৰি মোহাৰি তাই বহি আছিল। কিবা ভাবি ভাবি তাই ক'লে, "ফাদাৰ মই বোধকৰো সন্ন্যাসিনী হ'ব পাৰোঁ— নোৱাৰিম নেকি? তেতিয়াহ'লে মই আপোনাৰ ওচৰত থাকিব পাৰিম। গাঁৱে-ভূঞেঁ কিমান অনাথ ল'ৰা-ছোৱালী আছে; সিহঁতকো সংগ্ৰহ কৰি আনি মই প্ৰতিপালন কৰিম আৰু আপুনি সিহঁতক ধৰ্ম-শিক্ষা দিব। আমাৰ নিজ সন্তান নহলেও পেটৰ পো - বুলি ভাবিম — মোৰ সপোন সেইদৰেই দিঠকত পৰিণত হ'ব ......। নহ'ব জানো ফাদাৰ?"

"নহ'ব। তোমাৰ গুৰিতে ভুল হৈছে চিউলান। এইদৰে ভবা বা সপোনৰ কথা মনত ঠাই দিয়া অনুচিত। তুমি যি কাৰণে সন্ন্যাসিনী হ'ব খুজিছা সেই কাৰণটোৱে সমৰ্থনযোগ্য নহয়। সন্ন্যাসিনীৰ উদ্দেশ্য হ'ব লাগে ভগৱানৰ সান্নিধ্য লাভ; কোনো মানুহৰ সান্নিধ্য লাভৰ কামনা কৰি বিশেষকৈ ধৰ্মযাজক এজনৰ ওচৰত থাকিবৰ মানসে সন্ন্যাসিনী হ'বলৈ যোৱাটো কেতিয়াও হব নোৱাৰে।"

এটা হুমুনিয়াহ কাঢ়ি তাই ক'লে — "কোনেও নেদেখা ঈশ্বৰ এজনক ভাল পোৱা বৰ কঠিন কাম। কিন্তু আপোনাক ভাল পোৱাত যদি আপুনি একো আপত্তি নকৰে, তেন্তে সেই ভাল পোৱাৰ মাজেদি এসময়ত আপোনাৰ ঈশ্বৰজনকো ভাল পাবলৈ শিকিব পাৰিম।"

"ওহোঁ" ফাদাৰ ওবেনিয়নে অলপ সময় ভাবি মাথোঁ এষাৰ কথা উচ্চাৰণ কৰিলে "সিমান সাহ মোৰ নাই।"

এই এষাৰ কথাই চিউলানক বুজাই দিলে যে তেওঁ আচলতে তাইক ভাল পায়। কিন্তু ধৰ্মৰ নামত আৰু কৰ্তব্যৰ খাতিৰত এই ভালপোৱা তেওঁ স্বীকাৰ কৰিব নোখোজে। পুৰুষৰ হিয়াৰ এনে আচৰণৰ কথা তাই বুজি নাপায়। তাইৰ সহজ বুদ্ধিৰে প্ৰেমৰ আদানপ্ৰদানৰ চিৰাচৰিত ধৰ্মটোৰ কথা বুজি পায়। এই মানুহজন ইয়াৰ ব্যতিক্ৰম। এওঁৰ মনত এটা অদ্ভুত বল, এটা অদমনীয় দৃঢ়তা আৰু ভগৱানৰ সেৱাত নিজকে উছৰ্গা কৰি দিবলৈ গ্ৰহণ কৰা নীতিৰ প্ৰতি নিষ্ঠাৰ পৰিচয় পাই তাই পৃষ্ঠভঙ্গ দিবলৈ বাধ্য হ'ল। এইজন পুৰুষে অন্তৰৰ দুৰ্বল স্থানখিনিৰ সন্ধেদ পাই তাৰ চাৰিওফালে দুৰ্ভেদ্য প্ৰাচীৰ তুলি নিজকে অক্ষত ৰাখিবলৈ বদ্ধপৰিকৰ। দুৰ্বলতাৰ ওচৰত আত্মবিক্ৰয় কৰা মানুহ এওঁ নহয়। নাৰী বা প্ৰেম এইবোৰে এওঁৰ সংযমৰ লৌহ শৃঙ্খল খুলি পেলাব নোৱাৰে। এওঁৰ সংযমৰ দুৱাৰ খুলিবলৈ তাইৰ হাতত কোনো সঁচাৰ কাঠী নাই। তাই অনুভৱ কৰিলে যে তাই পৰাজিতা—কিন্তু হয়তো

"ই পাপপূর্ণ ভাষা। এই কথাবোৰ পাপ বুলি ভাবিলেই নম্রতাকৈ থাকিব পাৰিবা।"

চিউলান হতাশ হৈ পৰিল। তাই ফেকুৰি ফেকুৰি মুখখন হাতেৰে ঢাকি ধৰি কলে, "আপুনি ইমান নির্দয়, আপুনি পাষাণ।"

ফাদাৰ ওবেনিয়নে তাইৰ ফালে কেৰাহিকৈ চাই আচৰিত হৈ গ'ল। "মই কি কৰিলোঁ? মই কেতিয়াও তোমাৰ প্ৰতি নির্দ্দয় হোৱা নাই। মই ধর্ম্মযাজক হিচাপে তোমাৰ আত্মাৰ শুদ্ধিৰ কাৰণে তোমাক উপদেশহে দিছোঁ।"

"এয়া বাৰু আপুনি কি ক'লে? পাপৰ কথা কোৱা নাই জানোঁ? আপুনি ভাবে যে মই এজনী বেয়া ছোৱালী, এজনী চৰিত্ৰহীনা কলঙ্কিনী।" তাইৰ উচুপনি বেছি হ'ল।

"কেতিয়াও নাভাবোঁ"— তেওঁ খপহকৈ কৈ পেলালে।

"নিশ্চয় আপুনি ভাবে আৰু ভবা উচিতো। কাৰণ মই আচলতে ভ্ৰষ্টা, পতিতা। মোৰ উদ্ধাৰ নাই, একোৱে মোক শুদ্ধ কৰিব নোৱাৰে। মোৰ দেহ অপবিত্ৰ, কলঙ্কৰ কালিমাই মোক ঘৃণাৰ পাত্ৰ কৰিছে-- মোৰ আত্মা কলুষিত হৈছে। মোৰ এই দেহ, এই মন কাৰো কামত নালাগে। মোক আপুনি ঘিণ কৰাই যুগুত। দিয়ক ফাদাৰ, ঘৃণা, অপবাদ আৰু কলঙ্কৰ সকলো বোজা মোৰ মূৰত জাপি দিয়ক! নিজকে ঘিণ কৰিবলৈ মোৰ ইচ্ছা হৈছে।"

তেওঁ গাড়ীখন ৰখাই দিলে। কেৰকেৰকৈ মটৰখন হঠাৎ ৰৈ গ'ল। আবেগত তেওঁৰ মন ভৰি উঠিল।

"কি কৈছা চিউলান? নাপায় তেনেকৈ ক'ব। মই তোমাক অকণো ঘিণ নকৰোঁ। মোৰ মতে তুমি একেবাৰে নির্দোষী; সম্পূর্ণ পবিত্ৰ। তুমি মোৰ বৰ মৰমৰ অকণমান ধুনীয়া চিউলান তুমি ভাল----।"

চিউলানে হাত দুখন মুখৰ পৰা নমাই আনিলে। মুকুতাৰ দৰে দুটোপাল চকুলো তাইৰ চকুৰ কোণত জিলিকি উঠিল। তাই মিচিকিয়াই হাঁহি দিলে।

নিশ্বাসৰ লগতে তাই কৈ উঠিল— "কওক ফাদাৰ কৈ যাওক। ভাঙি-ছিঙি চুৰমাৰ হোৱা মোৰ বুকুখনিত আপোনাৰ কথাই সৰগৰ অমৃত ঢলা যেন লাগিছে। এই অমৃতৰ পৰা মোক বঞ্চিত নকৰিব...।"

গাড়ীত গিয়াৰ লগাই তেওঁ ক'লে— "বেছ। নাকান্দিবা আৰু দুখ নকৰিবা। কিন্তু মোৰ কথাবোৰকে আকৌ ভাবি নাথাকিবা। মোৰ বিশ্বাস যে মোৰ কথাবোৰৰ তুমি কিবা কদৰ্থ কৰিছা। কিন্তু ইয়াৰ অৰ্থ তুমি ভবাৰ দৰে নহয়, মনত ৰাখিবা।"

"অৰ্থাৎ আপুনি যি কৈছে সেই সকলো মিছা নেকি?"

"কেতিয়াও মিছা নহয়; মই যি কৈছোঁ—কিন্তু তুমি তাৰ যি অৰ্থ কৰিছা সেই অৰ্থত মই কোৱা নাই। তোমাৰ বুজাত ভুল হৈছে। চিউলান! তুমি নুবুজাৰ ভাও ধৰিছা আৰু তাকে কৰি ৰণ জয় কৰিবা বুলি ভাবিছা। মই সকলো জানোঁ, সকলো বুজোঁ। কিবা এষাৰ ক'লেই তুমি তোমাৰ মতে কথাষাৰ গ্ৰহণ কৰিবলৈ ব্যস্ত হৈ পৰা। নিজৰ বাহিৰে আন চিন্তা কৰিবলৈ তোমাৰ ইচ্ছা বা অৱসৰ নাই।"

"আপুনি বৰ সাংঘাতিক? তাই মুখৰ ভিতৰতে ক'লে।

এয়ে প্ৰলোভন-- । ইয়াকে মায়া নে কুহক কিবা বোলে হবলা।

ফাদাৰ ওবেনিয়নৰ ভয় লাগি গ'ল। বহু দুখ মনেৰে বুকুত কোনোমতে ক্ৰছৰ নিচিনা কৰি তেওঁ দূৰৰ সেউজীয়া পথাৰখনলৈ চাই পঠিয়ালে। অত্যন্ত গহীন হৈ তেওঁ ক'লে— "শুনা চিউলান, মোক তুমি মানুহ বুলি নাভাবিবা।"

"কিন্তু আপোনাক দেখিলে মানুহ যেনেই লাগে।"

"মোৰ ফালে নাচাবাই।"

"আপোনাৰ কথা ভাবিলেও মানুহ বুলিয়ে ভাব হয়।"

"মোৰ কথা নাভাবিবাও। যদি কেতিয়াবা ভাবিবলগীয়া হয়--তেন্তে মোক ধৰ্মযাজক বুলি ভাবিবা— মই এজন ঈশ্বৰৰ নামত জীৱন উছৰ্গা কৰা...।"

"কিন্তু আপুনি দেখোন প্ৰায়ে প্ৰেমৰ কথা কয়।"

"এৰা কওঁ--কিন্তু সি মানৱীয় প্ৰেম নহয়-- ঈশ্বৰ প্ৰেম?--পুৰুষৰ প্ৰেম?'

নাৰীৰ প্ৰেম...?

"নাৰীৰ প্ৰেমৰ কথা মই কেতিয়াও কোৱা নাই। অৱশ্যে পৰম কল্যাণময়ী দেৱী কুমাৰীৰ কথা সুকীয়া।"

তাই অলপ সময় মনে মনে কিবা ভাবিলে। হঠাৎ তাইৰ চকু-মুখ উজ্জ্বল হৈ উঠিল। "মোক জানো সেই গৰাকী কুমাৰী বুলি ভাবিব নোৱাৰে?"

"নোৱাৰোঁ, অসম্ভৱ।"

"তেনেহ'লে আৰু উপায় নাই। মই এতিয়া কি কৰোঁ ফাদাৰ?"

"তুমি কি কৰা বা নকৰা মই কেনেকৈ কওঁ?"

গাড়ী আকৌ চলিবলৈ ধৰিলে। এইবাৰ তাই একেবাৰে দুৱাৰৰ কাষলৈ গৈ দুৱাৰত থকা আয়নাখন নমাই দি তাতে খামোচ মাৰি ধৰি থাকিল। চকুৰ পৰা ধাৰাসাৰে পানী বৈ আহি তাইৰ গাল দুখন উটুৱাই পেলালে আৰু তাই চোলাৰ কাপোৰেৰে

বাৰে বাৰে চকুপানী মচিবলৈ ধৰিলে। ফাদাৰ ওবেনিয়নে হয়তো তাইৰ চকুপানী দেখা পোৱা নাছিল।

ভালেমান পৰ কান্দি কান্দি অলপ সুস্থিৰ হৈ চিউলানে অতি নম্ৰভাবে সুধিলে।

“ধৰ্মপিতা আপুনি কি চিন্তা কৰিছে?”

“মই হো-চানৰ কথা ভাবিছোঁ।”

“তাৰ কথা নাভাবিব ধৰ্ম পিতা।”

“ওহোঁ ভাবিবই লাগিব। মোৰ বিশ্বাস সি একেবাৰে বেয়া মানুহ নহয়। হেজাৰ হ'লেও, বুজিছা চিউলান, তাৰ মনুষ্যত্ব বুলি এটা বস্তু আছে। তুমি তিৰোতা মানুহ— তোমাৰ দৃষ্টিভঙ্গী সুকীয়া। সেই দৃষ্টিভঙ্গীৰে তুমি সেইবোৰ কথা বুজিব নোৱাৰা।”

তাইৰ চকু আকৌ চকুপানীৰে ভৰি পৰিল। থোকাথুকি মাতেৰে তাই ক'লে “নোৱাৰোঁ ফাদাৰ, নোৱাৰোঁ। যদি আপুনি তাক এজন ভাল মানুহ বুলি ক'বলৈ বিচাৰে আৰু মই সেই কথা বিশ্বাস কৰিব লাগে বুলি কয়, তেন্তে চেষ্টা নকৰাই ভাল।”

পৈণত হাতেৰে ষ্টিয়াৰিঙত ধৰি তেওঁ গাড়ী চলাই থাকিল। চিউলানৰ কথা শুনি তেওঁ ক'লে—

“কথাষাৰ বুজিবলৈ চেষ্টা কৰাচোন। তুমিতো জানা যে সাধু পুৰুষো কেতিয়াবা, অৰ্থাৎ প্ৰলোভনৰ হাত সাৰিব নোৱাৰি—”

তেওঁৰ কথা শেষ কৰিবলৈ সুযোগ নিদি তাই ক'লে “কিন্তু মইতো তাক প্ৰলোভন দেখুওৱা নাছিলোঁ।”

“নাৰীয়ে পুৰুষক প্ৰলুব্ধ কৰোঁ বুলি কৰিব নালাগে নহয়। তুমি কোন মুহূৰ্তত কোন পুৰুষক কিদৰে প্ৰলুব্ধ কৰা হয়তো নিজেই নাজানা।

“আচৰিত কথা যে কোনো সাধু পুৰুষে যদি এবাৰ বেয়া পথত ভৰি দিয়ে তেন্তে তেওঁ অতি সাংঘাতিক হৈ পৰে; অসম্ভৱ গৰ্হিত কাম কৰিবলৈকো পিছ নোহোহোঁকে। কিন্তু তেওঁৰ ভিতৰত থকা পুৰুষজনৰ তাতেই মৃত্যু হোৱা বুলি ভাবিলে ভুল কৰা হ'ব। সাময়িক উত্তেজনা আৰু প্ৰলোভনৰ মায়াজালৰ অন্ত পৰিলেই তেওঁৰ অন্তৰৰ সাধুভাব আৰু মহৎ গুণবোৰে পুনৰায় আত্মপ্ৰকাশ কৰে। দৰাচলতে সাধুতাৰ মৰণ নাই। হো- চানৰ ক্ষেত্ৰতো এয়ে হৈছে বুলিয়ে মই ভাবোঁ।

গতিকে... ” তেওঁ কিবা ভাবি বৈ গ’ল। কথা শেষ নোহোৱাত চিউলানে তেওঁক মনত কৰি দিলে “গতিকে কি? আপুনিনো কি কথা ইমানকৈ ভাবিছে?”

“মোৰ মতে তুমি হো-চানক বিয়া কৰোৱা উচিত।” ফাদাৰ ওবেনিয়নে ক’লে।

কোনোবাই যেন তাইক প্ৰচণ্ড আঘাত হে কৰিলে; যন্ত্ৰণাত তাই চিঞৰি উঠিল “নাই, নাই, অসম্ভৱ— অসম্ভৱ...।”

“অসম্ভৱ নহয় চিউলান। অলপ সুস্থিৰ হৈ ভাবি চোৱাচোন। তুমি যদি তাক বিয়া কৰোৱা, তেন্তে প্ৰজাপতিৰ নিৰ্ব্বন্ধ ক্ৰমে যদি....... অৰ্থাৎ...তোমাৰ পবিত্ৰ প্ৰভাব যদি তাৰ ওপৰত পৰে.... তেন্তে বহুতো সমস্যাৰ সমাধান হৈ যাব। ভগৱানৰ ইচ্ছা কি আমি কোনেও ক’ব নোৱাৰোঁ। তুমি খুব ভাল ছোৱালী— তোমাৰ ৰূপ আছে— তোমাৰ যৌৱন আছে— মাতত মৌ, চাৱনিত মাদকতা আছে—আৰু হিয়াৰ অফুৰন্ত প্ৰেম।

তুমি জানি-শুনি কোনো চেষ্টা নকৰাকৈ হয়তো মনৰ সৰলতা, কথাৰ মাধুৰ্য আৰু দৃষ্টিৰ মোহিনী শক্তিৰদ্বাৰা--ইচ্ছা কৰিলেই...”

“নহ’ব, নহ’ব ... নহ’ব। মই নোৱাৰিম .... নোৱাৰিম.... নোৱাৰিম।” ভঙা ভঙা মাতেৰে তাই ক’লে। “মোক আৰু সেই কথা নক’ব...। বৰং মই কেতিয়াও বিয়াকে নকৰাও। অনুগ্ৰহ কৰি মোক সেই আদেশ নকৰিব....। মই আপোনাৰ ওচৰত থাকিবলৈ বাঞ্চা কৰোঁ। আপোনাক মই কেতিয়াও বিৰক্ত নকৰোঁ। আপোনাক নামাতোঁ, আপোনাৰ লগত কথাও নাপাতো। কেৱল আপোনাৰ দৰ্শন লাভৰ সুযোগ মাজে- সময়ে পালেই মোৰ হিয়া জুৰ পৰিব, মনত শান্তি পাম। মোক আন একোকে নালাগে- সেয়ে হ’ব মোৰ স্বৰ্গ, বিয়াতকৈ সহস্ৰগুণ কাম্য....।”

ফাদাৰ ওবেনিয়নৰ হিয়া পমি যোৱা যেন লাগিল। গাড়ীখন ৰাখি দিবৰ এটা প্ৰবল আকাংক্ষা হ’ল যদিও তাকে কৰিবলৈ তেওঁ সাহ নকৰিলে। গাড়ী বন্ধ হ’লেই জানোচা তেওঁৰ অবাধ্য হাত দুখনে ষ্টিয়াৰিং চকাটো এৰি তাইক সাৱট মাৰি ধৰে! তেওঁৰ মনৰ অৱস্থা এনে পৰ্যায়ত উপনীত হৈছিল যে তেওঁ হয়তো প্ৰেম আৰু অনুকম্পা- এই অনুভূতি দুটাৰ সীমাৰেখা বিচাৰি নাপাবও পাৰে।

তেওঁ নিজকে নিজে কৈ উঠিল “প্ৰাৰ্থনা আৰু উপবাস—কেৱল উপবাস আৰু প্ৰাৰ্থনা....।”

“কি ক’লে ফাদাৰ?” তাই সুধিলে।

"আপুনি জানেইচোন যে টমাছে তিৰোতা মানুহক পিঠিত উঠিবলৈ নিদিয়ে।"

কথাটো হয়, তেওঁ পাহৰি গৈছিল। অগত্যা তাইৰ কথা ৰজিল। তাইক তাতে নমাই দি তেওঁ লৰালৰিকৈ ছাউনীলৈ গৈ হো-চানৰ ঘৰ পালে। মছিঅঁৰ জীৱন যে তেওঁৰ ওপৰতে নিৰ্ভৰ কৰিছে এই কথা তেওঁ মুহূৰ্তৰ বাবেও পাহৰা নাছিল।

কাঠৰ গাৰু এটাত মূৰদি হো-চান শুই আছিল। লাহেকৈ মূৰ দাঙি ফাদাৰ ওবেনিয়নৰ ফালে চাই সি আচৰিত হৈ সুধিলে "তুমি আহিলা?"

"কৈছিলোঁ নহয় মই আহিম" তেওঁ উত্তৰ দিলে। হো-চানৰ বিছনাখনতে বহি তেওঁ মোনাখন মাটিত থলে।

"মই ভবাই নাছিলোঁ যে তুমি উভতি আহিবা। কিন্তু মই জানো যে সেইদৰে ভবাৰ একো কাৰণ নাই। তোমালোকৰ এই পাদ্ৰী জাতিটোৱে মাৰবান্ধি থাকিবলৈ ভাল পোৱা।" হো-চানে উত্তৰ দিলে।

"'মই অৱশ্যে মছিঅঁৰ কথা ভাবিছিলোঁ। তুমি তেওঁক বন্দী কৰি থৈছা আৰু মই নাহিলে তেওঁক মাৰিবা বুলিও কৈছিলা। কিন্তু এই ক্ষেত্ৰত তেওঁ ইয়াত বন্দী হৈ নাথাকিলেও মই আহিলোহেঁতেন।"

"কিয়? কিহৰ কাৰণে?" হো-চানে প্ৰশ্ন কৰিলে।

"তোমাৰ কাৰণে।"

হো-চানে ধুনীয়া ওঁঠ দুটা বেঁকা কৰি ক'লে, "তোমাৰ এইবোৰ কথা বিশ্বাস কৰিম বুলি ভাবিছা নেকি?"

"তুমি বিশ্বাস কৰা বা নকৰা তাত মোৰ একো লোকচান নাই; মই সঁচা কথা কৈছোঁ। মই তোমাৰ কাৰণে পেনিচিলিন লৈ আহিছোঁ।"

"তুমি নিজকে যিমান সৎ বুলি দেখুৱাবলৈ চেষ্টা কৰিছা কোনো মানুহ সিমান সৎ হ'ব নোৱাৰে বুজিছা;" হো-চানে ভেঙুচালি কৰি ক'লে।

ফাদাৰ ওবেনিয়নে একো নামাতিলে। তেওঁ বেজী দিবৰ বাবে যোগাৰ-পাতি কৰাত লাগিল। তেওঁৰ হাত দুখন ডাঙৰ আৰু অগঢ়ী। কোনো ভুল নোহোৱাকৈ কামবোৰ কৰিবৰ বাবে আগ্ৰহৰ আতিশয্যত তেওঁৰ হাত দুখন অকণ অকণ কঁপিছিল। বেজালি কামত হ'লে তেওঁ অত্যন্ত সাবধান আৰু কেতিয়াও অস্থিৰ নহয়।

কেবাবছৰ আগতে তেওঁলোকৰ সম্প্ৰদায়ৰ চিকিৎসা বিভাগত তেওঁ চিকিৎসক হিচাপে সোমাব খুজিছিল। তেওঁ তেতিয়া তলখাপৰ পাদ্ৰী। মছিঅঁ ফিৎসগিবনে তেতিয়া তেওঁক বাধা দি কৈছিল,—

উপেক্ষিতা নহয়...। সেয়ে তাই আৰু এটা মাত্ৰ প্ৰশ্ন কৰিলে, "ফাদাৰ আপুনি যদি ধৰ্ম্মযাজকৰ ব্ৰত গ্ৰহণ নকৰিলেহেঁতেন, তেন্তে মোক ভাল পালেহেঁতেননে?"

প্ৰশ্নটোৱে তেওঁক ক্ষন্তেকৰ বাবে চিন্তিত কৰি তুলিলে, বুকুৰ মাজত কিবা এটাই হেঁচা মাৰি ধৰা যেন লাগিল। কিছুসময় মনে মনে থকাৰ পিচত প্ৰশ্নটোৰ উত্তৰ বিচাৰি পাই ক'লে,

"মই ধৰ্মযাজক হওঁ বা নহওঁ—অথবা—আনলৈ কি কৰোঁ বা কি নকৰোঁ সেই কথা বিচাৰ কৰি একো লাভ নাই। তোমাৰ সম্বন্ধে মই এতিয়া যি ধাৰণা বা ভাব পোষণ কৰিছোঁ ভৱিষ্যতেও সেই ধাৰণা অটুট থাকিব। মোৰ পৰিবৰ্তন নহয়।"

এই কথাত তাই বিচাৰি পালে এটা সমিধান। উথলি উঠা আবেগৰ ঢৌবোৰ যেন কিবা যাদুৰ পৰশ পাই শান্ত হৈ পৰিল। ফাদাৰ ওবেনিয়নে যেন তাইক এটা বহুমূলীয়া উপহাৰ দিলে— তাৰ সামগ্ৰীবোৰ লিৰিকি বিদাৰি চাই তাই কামনাৰ সকলোবোৰ বস্তু নাপালেও অধিকভাগকে লাভ কৰা যেন লাগিল। তাই বিচাৰিছিল হিয়া,— পালে তাৰ স্পন্দন। তাইক লাগিছিল পৰশ—পালে তাৰ উমখিনি। এই সমিধানত তাই পালে এটা ইঙ্গিত আৰু তাকে পাই সকলো পোৱা যেন অনুভৱ কৰিলে। ফাদাৰ ওবেনিয়নে যি বহুমূলীয়া উপহাৰ তাইৰ হাতত অৰ্পণ কৰিলে সেই উপহাৰ আন কোনো নাৰীয়ে পোৱা দূৰৰ কথা, পাবলৈ আশা কৰিবও নোৱাৰে। তাই সন্তুষ্টমনে সুধিলে "মোৰ সুখৰ বাবে যি পালোঁ, তাকে গ্ৰহণ কৰিব পাৰোঁনে ফাদাৰ?"

লাহেকৈ তেওঁ ক'লে "পাৰা, চিৰদিনৰ বাবে তুমি সুখী হোৱা, তাকেই মই কামনা কৰোঁ।"

☆ ☆ ☆ ☆

ইয়াৰ পিচৰ কথা। ফাদাৰ ওবেনিয়নে নিজৰ শৰীৰ আৰু মনত এটা নতুন শক্তিৰ সঞ্চাৰ হোৱা যেন পালে। দেহৰ এই শক্তি আৰু মনৰ সেই বল তেওঁ আগেয়ে উপলব্ধি কৰা নাছিল। দেখাত তেওঁৰ শৰীৰৰ একো পৰিবৰ্তন হোৱা নাই ; আগৰ সেই থুলন্তৰ দেহাটো একেদৰেই আছে আৰু মুখখনো একে ৰকমেই আছে, কিন্তু তেওঁ যেন নতুন মানুহ এনে অনুভূতি এটাই তেওঁৰ অন্তৰত স্থিতি ল'লেহি। পিচে মুখখন ঠিক আগৰ দৰে আছেনে সেই বিষয়ে তেওঁৰ সন্দেহ হ'ল।

টুং এনত উপস্থিত হৈয়েই সন্ধিয়া তেওঁ গা-ধোৱা ঘৰত সোমাই মুখ-হাত ধুই দেৱালত থকা অকণমান আৰ্চিখনত নিজৰ মুখখন চালে। টুংএন মিছনৰ হাস্পটালৰ গা ধোৱা ঘৰবোৰত মুখ ধুবলৈ একোটা চীনা মাটিৰ চৰিয়া দেৱালৰ লগত গঁঠা আছিল আৰু চৰিয়াটোৰ ওপৰত দীঘলে পুতলে মাত্ৰ কেইইঞ্চিমানৰ একোখন সৰু দাপোণ আঁৰা আছিল। তাত দেখা নিজৰ প্ৰতিবিম্বটো ঠিক আগৰ দৰেই আছে। তেওঁৰ চেহেৰাৰ একো সালসলনি হোৱা নাই, কিন্তু মুখখনহে এটা বেলেগ ভাব ফুটি উঠা যেন লাগিল। ওঁঠৰ ভাঁজটোত এটা দৃঢ়তাৰ চিন স্পষ্ট হৈ পৰিছে। আগেয়ে যেন ওঁঠ দুটা ইমান নিবিড়ভাবে লগ লগা নাছিল। তদুপৰি চকু দুটাতো সেই চঞ্চলতা নাই চাৱনিটো বেছি গম্ভীৰ, বেছি উজ্জ্বল আৰু স্থিৰ হৈ পৰিল। চকুৰ এই তেওঁ নিজেই উপলব্ধি কৰিলে।

তেওঁ নিজে নিজে কৈ উঠিল— "এৰা আত্মসংযম কৰিব পাৰিছোঁ" অন্তৰলৈ এটা বিজয়ৰ অহঙ্কাৰ অহা মাত্ৰকে তেওঁৰ মনত পৰিল যে ধৰ্মৰ পথত অহঙ্কাৰ এটা অন্তৰায় আৰু বিনয় ধাৰ্মিকৰ ভূষণস্বৰূপ। তেওঁনো নিজে কৰোঁ বুলি কি কৰিছে? তেওঁৰ প্ৰাৰ্থনা ভগৱানৰ কাণত পৰিছে। গাৰ মঙহৰ পাহে পাহে বৈ থকা তেজবোৰ তগবগ কৰিবলৈ ধৰা দেখি এই মানৱীয় ক্ষুধা নিৰ্মূল কৰিবলৈ তেওঁ শক্তি ভিক্ষা কৰিছিল। ক্ষণবোৰ বাগৰি যোৱাত লগে লগে তেওঁ অনুমান কৰিলে যেন কোনোবা অচিন দেশৰ পৰা এটা দুৰ্বাৰ শক্তিয়ে সাগৰৰ ঢৌৰ দৰে আহি তেওঁৰ আত্মা পৰশ কৰিলে। কামনাৰ দাহত মুমূৰ্ষু হৈ পৰা তেওঁৰ আত্মাটোৱে সেই শক্তিৰ পৰশত উজ্জীৱিত হৈ উঠিল। আবেলিলৈ তেওঁৰ ভাব হ'ল যেন নিঃশংক চিত্তে, তেওঁৰ পবিত্ৰ আত্মাৰ উজ্জ্বলতা অকণমানো ম্লান হ'ব নিদিয়াকৈ মানুহজনীক লালসাৰ ধূলি-মাকতিৰ পৰা উদ্ধাৰ কৰিবলৈ তেওঁ সম্পূৰ্ণ সক্ষম।

ফাদাৰ ওবেনিয়ৰ পৰা একো সঁহাৰি নাপাই তেওঁৰ মুখৰ পৰা কেবাঘণ্টা ধৰি একেৰাহে মাত উলিয়াব নোৱাৰি চিউলান লাহেকৈ সন্মুখৰ পৰা উঠিগৈ গাড়ীৰ পিচফালৰ আসনত আগৰদৰে বহিছিল। তাতে বহি লৈ যিমান পাৰে সিমান আঁতৰি গৈ তাই আঁৰ চকুৰে কেবাবাৰো তেওঁৰফালে চাইছিল। কিন্তু তেওঁ হ'লে এবাৰো তাইৰ ফালে নাচালে। গাঁৱলীয়া ওখোৰা-মোখোৰা আলিটোৰে যিমান পাৰে বেগাই গাড়ী চলালেও তেওঁ যেন আনে একোৰে প্ৰতি মনোযোগ দিবৰ অৱসৰ নাছিল। বেলা দুপৰ হোৱাৰ প্ৰায় এঘণ্টামান পিচতহে তেওঁ অলপ জিৰাবলৈ বুলি গাড়ীখন ৰখালে আৰু সেইখিনি সময় তেওঁ এঠাইত সোমাই অলপ কিবাকিবি খাই ল'লে। তেতিয়াও তেওঁ চিউলানক কথা পাতিবলৈ অকণো সুযোগ নিদিলে।

খাবলৈ বহি তেওঁ চিউলানক আদেশ কৰিলে "যোৱা, সেই তিৰোতাকেইগৰাকীৰ লগত বহি খোৱাগৈ।" তাইৰ মোনাখনৰ পৰা নিজৰ ভাগৰখিনি নিজে বাঢ়ি লৈ তেওঁ মতা মানুহবোৰৰ বাবে নিৰ্দিষ্ট কৰি থোৱা ঠাইত বহি খাবলৈ ধৰিলে। তেওঁ খাবলৈ আৰম্ভ কৰাৰ আগতে প্ৰাৰ্থনা কৰা দেখি আন আন মানুহবোৰে আচৰিত হৈ তেওঁৰ ফালে চাই থাকিল। কথা পাতিবলৈ বা কিবা সুধিবলৈ কোনেও সাহ নকৰিলে। তেৱোঁ কাৰো ফালে নোচোৱাকৈ মনে মনে খোৱাত মনোনিবেশ কৰিলে। ইফালে তিৰোতাবোৰে কিন্তু নিজৰ কৌতূহল দমন কৰিব নোৱাৰিলে। চিউলানৰ ফালে চাই কোনোবা এজনীয়ে প্ৰশ্ন কৰিলে "তুমি সেই বিদেশী পাষণ্ডটোৰ উপ-পত্নী নেকি?"

"ধেৎ কি কথাবোৰ যে কয়?" তাই ক'লে, "তেওঁ এজন পাদ্ৰী চাহাব-ধাৰ্মিক পুৰুষ।"

তিৰোতাবোৰে কথাটো বুজি পালে। কোনো পাদ্ৰীয়ে, আনকি সৌ বুদ্ধ মন্দিৰৰ পূজাৰীবোৰেও বিয়া-বাৰু কৰাব নোৱাৰে, উপ-পত্নীও ৰাখিব নোৱাৰে। সি যি কি নহওক সিহঁত সাধাৰণ গাঁৱলীয়া তিৰোতা। সিহঁতে হাতেৰে মুখ ঢাকি ফিচিঙা ফিচিঙকৈ তাইক উপলক্ষ্য কৰি হাঁহিবলৈ ধৰিলে।

"আই ঐ দেহি, যিয়েই কি নোকোৱা তোমাৰ বয়সটো হ'লে বৰ কুমলীয়া দেই আৰু চেহেৰাটোও বেছ চকুত লগা।"

তাই বিদ্ৰূপলৈ কাণ নিদি ক'লৈ "মই তেওঁৰ ধৰ্মকে গ্ৰহণ কৰিছোঁ। তেওঁ সেই হাৱাগাড়ীখন চলাই এইফালে আহি থকা দেখি মোকো তাতে তুলি আনিবলৈ বুলি অনুৰোধ কৰিলোঁ। এই টুংএনত আমাৰ এখন বহুদিনীয়া ঘৰ আছে। তালৈকে মই আহি আছিলোঁ। তেওঁ যেনিবা দয়া কৰি হাৱাগাড়ীখনতে মোকো বহিবলৈ ঠাই অকণমান দিলে।"

একেবাৰে গোকাট মিছা কথা। টুংএনত তাইৰ ঘৰ-দুৱাৰ একো নাছিল। কিন্তু মিছা হ'লেও কথাষাৰ সকলোৰে পতিয়ালে।

খোৱা শেষ হ'লত তাই গৈ আকৌ গাড়ীৰ পিচৰ আসনখনত বহিলগৈ আৰু ফাদাৰ ওবেনিয়নে মুখেৰে একাষাৰ মাতপৰ্যন্ত নামাতিলে।

সন্ধিয়া টুংএন পাই তেওঁ তাইক হাস্পতালৰ মেট্ৰনগৰাকীৰ হাতত শোধাই দিলে। এওঁৰ আগত চিউলানে আৰু এটা নতুন মিছা কথাৰ অৱতাৰণা কৰিলে। তাই হেনো গাঁৱৰ ঘৰলৈ গৈ থাকোঁতে কিছুমান গুণ্ডাৰ হাতত পৰিল। সিহঁতৰ

হাতৰ পৰা এই বিদেশী পাদ্ৰীজনে তাইক উদ্ধাৰ কৰি পিচদিনা তাইক ঘৰত পৌছাই দিব বুলি লগতে আহিল। এইবাৰো তাইৰ কথা মেট্ৰনজনীয়ে বিশ্বাস কৰিলে।

ৰাতিটো যেন সোনকালে শেষ হৈ আহিল। দোকমোকালিতে ফাদাৰ ওবেনিয়নে সাৰ পাই তাইক সাজু হ'বলৈ বুলি খবৰ দিলে। ইতিমধ্যে প্ৰয়োজনীয় পেনিচিলিন তেওঁ সংগ্ৰহ কৰি লৈছিল আৰু এবিধ আপুৰুগীয়া সম্পদৰ দৰে সেইখিনি সাৱধানে লৈ তেওঁ যাত্ৰা কৰিলে। তাই বহিল গাড়ীৰ পিচৰ আসনত আৰু সন্মুখত চালকৰ ঠাইত বহিল ফাদাৰ ওবেনিয়ন। সন্মুখৰ দুৰণিবটীয়া যাত্ৰাত একেৰাহে কেইবা ঘণ্টা ধৰি গাড়ীখনে অসমান আলিটোৰ ওপৰেদি গৈ থাকিল। এইবেলি কিন্তু ফাদাৰ ওবেনিয়নে তাইৰ লগত কথা পাতিলে। সুধিলে বহুতো মৰমৰ প্ৰশ্ন। "তোমাৰ পিয়াহ লাগিছেনেকি? "বহি বহি আমনি লাগিছে নহয়?" "ৰাস্তা বৰ বেয়া—জোকাৰণিত বৰ কষ্ট পাইছানেকি?" এই ধৰণৰ বহুতো মিঠা আৰু কোমল চেনেহৰ প্ৰশ্ন। প্ৰশ্নবোৰত স্নেহৰ কোমলতা আছিল, কিন্তু সেই কোমলতা কন্যাৰ প্ৰতি পিতাকৰ, কনিষ্ঠাৰ প্ৰতি জ্যেষ্ঠাৰ। তাত নাৰী-পুৰুষৰ মাজত থকা প্ৰীতিৰ উমলগা পৰশ নাছিল। পাৰ্থক্যটো তাই জানে আৰু এই বেলি তাই সেইটো মৰ্মে মৰ্মে অনুভৱো কৰিলে। চকা পাতত বহাৰ লগে লগে নামি অহা অন্ধকাৰৰ মাজত লুকাই তাই কাপোৰৰ আচলেৰে চকুপানী মচিবলৈ ধৰিলে।

☆ ☆ ☆ ☆

মাজৰাতি তেওঁলোক গৈ লক্ষ্যস্থানত উপনীত হ'ল। ফাদাৰ ওবেনিয়নে গাড়ীখন নি ৰেক্টৰীৰ পিচফালে দেৱালৰ কাষতে ৰাখিলে। সেইখিনিতে এডাল হালি থকা বাঁহ বগাই দেৱালখন পাৰ হ'ব পাৰি। চিউলানে জোৰ কৰি তালৈ আহিছিল কাৰণ তেওঁ বাৰে বাৰে তাইক মাকৰ ওচৰলৈ যাবলৈ কোৱা সত্ত্বেও তাই মান্তি হোৱা নাছিল।

"এই ডাঙৰ ৰেক্টৰীৰ ভিতৰত অকলে লুকাই থাকি ভাল পাবা জানো? দেখাতো বেয়া দেখি?" তেওঁ আপত্তি কৰি ক'লে।

"কিন্তু এই ৰাতি মাৰ ওচৰলৈ ইমান দূৰ খোজকাঢ়ি যাবলৈ মোৰ ভয় লাগে।"

"কিয় টমাছৰ পিঠিত বহি যাব পাৰা দেখোন?"

কৈ থাকোঁতে ফাদাৰ ওবেনিয়নৰ হিয়া উদ্বেলিত হৈ পৰিল। মাত থোকা থুকি হ'ল আৰু তেওঁ বৈ গ'ল। তেওঁ হো-চানক প্ৰেমৰ কথা কৈছে, কিন্তু নিজে এই বিষয়ে দেউলীয়া। তেওঁৰ হিয়াৰ দুৱাৰ প্ৰেমবোলা অনুভূতিৰ বাবে চিৰদিনৰ কাৰণে বন্ধ। তেওঁ অনুভৱ কৰিলে যে তেওঁ তৎক্ষণাৎ ভগৱানক প্ৰৰ্থনা ক ৰা উচিত। হাতৰ পৰা পানীৰ বাটিটো আৰু গামোচাখন নমাই থৈ তেওঁ হো-চানৰ কপালত হাত দি চালে। জ্বৰ কমিছে আৰু গাটো জুৰ পৰিছে। একো নুশুনাৰ দৰে হো-চানে চকু আধা মেলা আধা মুদখোৱা অৱস্থাত পৰি থাকিল।

"মই মছিঅঁক লগ পাবই লাগিব।" তেওঁ ক'লে, "তুমি শুই থাকা বন্ধু! সাৰ পালে, মোৰ কথাবোৰ ভাবি চাবা দেই ভাইটী।"

তেওঁ হো-চানে নেদেখাকৈ তাৰ বুকুৰ ওপৰত ক্ৰুছৰ চিনটো আঁকি হলৌ চোলাটো কোঁচাই লৈ লাহে লাহে আঁতৰি গ'ল।

☆ ☆ ☆ ☆

ফাদাৰ ওবেনিয়নে কোঠাটোত সোমাই দেখিলে যে মছিঅঁ ফিৎসগিবনৰ লগত আন এটি প্ৰাণী আছে। প্ৰায় পোন্ধৰ মিনিটমান হ'ল মছিঅঁই কিতাপ এখনৰ পৰা কিবা মন্ত্ৰ গাই আছিল। এই কিতাপখন তেওঁৰ হলৌ চোলাটোৰ হাতৰ ভিতৰত থকা মোনাখনত লুকাই থৈ দিছিল। তাই দেখাদেখিকৈ থোঙা এটা লৈ আহিছিল। তাৰ ভিতৰত মঙহৰ তৰকাৰীৰে সৈতে দুবাটি খোৱা বস্তু আছিল। তাইৰ চকুৰে-মুখে এটা শান্তিপূৰ্ণ গাম্ভীৰ্যৰ ভাব ফুটি উঠিছিল। মছিঅঁক ভক্তিভাৱে সেৱা জনাই তাই মেজখনত বাটি দুটাৰে সৈতে থোঙাটো থ'লে। খাবলৈ ভাল বস্তু দেখিলে আনন্দ প্ৰকাশ কৰাত মছিঅঁই কেতিয়াও কাৰ্পণ্য নকৰে। শাৰীৰিক কষ্ট আৰু মনৰ অশান্তিত তেওঁ ভালেখিনিও খিণাইছিল আৰু ওজনো বহু কমিছিল, কিন্তু মুখৰ ৰুচি কমা নাছিল। বন্দী হিচাপে তেওঁ খাবলৈ পাইছিল একোবাটি মাৰ ভাত আৰু এগিলাচ গৰম পানী। তাকে খাই খাই তেওঁৰ পিট মৰি গৈছিল— নাড়ীবোৰে পাক খাবলৈ আৰম্ভ কৰিছিল।

"ক'ৰপৰা আহিলি চিউলান? দেখিছো তই এজনী ভাল ছোৱালী—বিশ্বাসী অনুচৰ।" তাইৰ ফালে মূৰ দাঙি মছিঅঁই ক'লে— "আই জননীয়ে তোৰ কল্যাণ

"কি? তুমি? ওবেনিয়নে? ডাক্তৰী কৰিবা হয়নে? পাগল! হেৰা মগজুৰ দৰকাৰ বুজিছা, ডাক্তৰ হ'বলৈ মগজু লাগে। তোমাৰ সেইবিধ বস্তুৰ অভাব। ভগবানে নিদিলে যেতিয়া তুমি কি কৰিবা? তোমাৰ একো দোষ নাই।"

"হয় মছিঅঁ, মোৰ একো দোষ নাই।" আপচু হাত দুখন মোহাৰি তলমূৰকৈ তেওঁ মছিঅঁৰ কথা মানি লৈছিল।

তেওঁৰ যথেষ্ট মনোবল আছিল। তেওঁ মছিঅঁই দিয়া ব্যৱস্থাৰ প্ৰতিবাদ কৰিছিল, কিন্তু গোপনে। তেওঁ আহৰি সময়ত হাস্পতাললৈ গৈ কিবাকিবি কাম কৰি দিছিল, সামান্য হ'লেও কটা ঘাঁ ধুওৱা বা ইফালে-সিফালে দৌৰাদৌৰি কৰা এই লেখীয়া কাম কৰি তেওঁ ভাল পাইছিল।

এজন ডেকা ডাক্তৰে এবাৰ তেওঁক কৈছিল যে তেওঁৰ এইবোৰ বিষয়ত ৰাপ আছে। কথাষাৰ শুনি তেওঁৰ চকু চলচলীয়া হৈ পৰিছিল। তেতিয়া তেওঁৰ বয়স আছিল নিচেই কম। কথাত বিশেষ গুৰুত্ব নিদিয়াকৈ ডাক্তৰজনে কৈছিল— "কেতিয়াবা তুমি যদি অপাৰেচন কৰা চাবলৈ ইচ্ছা কৰা তেন্তে মোৰ ওচৰত থাকিবা।" এনেতে তেওঁৰ চকু ওবেনিয়নৰ ভৰি দুখনত পৰাত তেওঁ চক খাই উঠিছিল, কি আপচু গোধা ভৰি সেই দুখন! "হেৰা তুমি এটা দীঘল চোলা পিন্ধিবা, যাতে তোমাৰ সেই হাতীখুজীয়া ভৰি দুখন ঢাক খাই থাকে, বুজিছা?"

"সেই দুখন ঢাকিবৰ জোখাই দীঘল চোলা পোৱাই টান" বুলি কৈ লাজতে তেওঁ আঁতৰি পলাইছিল।

সৰলমনা ওবেনিয়নে অলপতে ক্ষুণ্ণ হৈ পৰিছিল যদিও তেওঁ সহজে এৰা দিয়া বিধৰো নাছিল। তেওঁ ডাক্তৰৰ ওচৰলৈ অহা বন্ধ নকৰিলে।

শেষত তেওঁ আয়ৰ্লেণ্ড এৰি দক্ষিণ চীনৰ কোৱাংটুঙলৈ আহিবলগীয়া হ'ল। ইয়ালৈ আহিয়ে মনৰ উৎসাহতে তেওঁ এখন ডাক্তৰখানা খুলিলে আৰু সাধাৰণ অসুখৰ দৰব-পাতি বিনামূল্যে মানুহবোৰক দিবলৈ আৰম্ভ কৰি দিলে। ভাগ্যে সেই ভয়লগা ৰঙা চকুহালেৰে তেওঁৰ কামত হকাবাধা কৰিবলৈ তেতিয়া মছিঅঁ লগত নাছিল-- থকা হ'লে তেওঁ সিমান আগবাঢ়িব নোৱাৰিলেহেঁতেন।

বেজী দিয়াৰ যোগাৰ-পাতি হোৱাত তেওঁ অলপমান তুলা চীনা মদত তিয়াই লৈ হো-চানৰ হাতত ঘঁহি দিলে। বীজাণুনাশক হিচাপে ব্যৱহাৰ কৰিবলৈ মদৰ বাহিৰে আন দৰব পাবলৈ নাই। লাহেকৈ তেওঁ বেজীটো তাৰ গাত সুমুৱাই দিলে।

"মোক ভাল কৰিব পাৰিবাতো?" হো-চানে প্ৰশ্ন কৰিলে।

লাহেকৈ বেজীটো উলিয়াই আনি পুনঃ মদেৰে সেইটো মচি তেওঁ ক'লে— "তোমাক ভাল কৰাৰ গৰাকীতো মই নহওঁ হো-চান। ঈশ্বৰে কৰিলে তুমি নিশ্চয় ভাল হ'বা। ভগৱানেহে তোমাক ৰোগমুক্ত কৰিব পাৰিব।"

তেওঁ বাঁহৰ টুলখনত বহি ৰোগীৰ মুখৰ ফালে চাই ৰ'ল আৰু প্ৰাৰ্থনাৰ মন্ত্ৰবোৰ মাতিবলৈ ধৰিলে। ঔষধৰ ক্ৰিয়া হ'বলৈ কিছু সময় লাগিব। তেওঁ ভগবানক খাটিলে যেন তেওঁ ব্যৱস্থা কৰা দৰবত হো-চানৰ বিশ্বাস অটুট থাকে। এই বিশ্বাসেৰে তাক শান্তি দিব পাৰিব। কিন্তু হো-চান বৰ অস্থিৰ হৈ পৰিছিল। সি হাত-ভৰি আছাৰি কেঁকাবলৈ ধৰিলে।

"তোমাৰ ঔষধ মিছা। মোৰ ভিতৰখন জ্বলি গ'ল ; উঃ।"

"ধৈৰ্য ধৰা। অস্থিৰ হ'লে বেছিহে কষ্ট পাবা" ফাদাৰ ওবেনিয়নে শান্ত্বনা দিলে।

তেওঁ উঠিল আৰু গামোচা তিয়াই তাৰ চকু-মুখ আৰু হাতৰ তলুৱা মচি দিলে।

"তুমি মোৰ বাবে কিয় ইমান যত্ন লৈছা? মই জানোঁ যে তুমি মোক ঘিণ কৰা।" ওবেনিয়নৰ এই শুশ্ৰূষা সি প্ৰত্যাখ্যান কৰিব বুলি ভাবিছিল, কিন্তু গামোচাৰ শীতল পৰশটো তাৰ ইমান ভাল লাগিল যে সি তেওঁক বাধা দিব নোৱাৰিলে।

"মইটো তোমাক ঘিণ নকৰোঁ।" শান্তভাৱে ফাদাৰ ওবেনিয়নে ক'লে, "বৰং তোমাক মই ভাল পাওঁ— নিজৰ ভাই যেন লাগে।"

হো-চানে এটা কাঠ হাঁহি মাৰি ক'লে "ভাল পাওঁ—! ভাল পাওঁ!! ভাল পাওঁ!!! তোমালোকে সদায় ভাল পোৱাৰ কথাহে জানা !"

হো-চানৰ জুইহেন কপালখন পানীৰে মচি দি ফাদাৰ ওবেনিয়নে ক'লে, "তুমি যদি ঈশ্বৰক বিশ্বাস কৰিলাহেঁতেন, তেন্তে এই ভালপোৱা কি বস্তু বুজিলাহেঁতেন। তেতিয়া মনত কাৰো প্ৰতি ঘৃণাৰ ভাব নাথাকিলহেঁতেন আৰু সকলোৰে প্ৰতি ভালপোৱা ভাবেৰে হিয়া ওপচি পৰিলহেঁতেন।"

— "নালাগে, মোক ভালপোৱা নালাগে! মোৰ সন্মুখত কৰিবলগীয়া কাম বহু, দেশৰ প্ৰতি মোৰ কৰ্তব্যও আছে।"

ফাদাৰ ওবেনিয়নে গামোচাখন নতুনকৈ চেঁচা পানীত তিয়াই লৈ হো-চানৰ চকু-মুখ-কপাল-হাত, হাতৰ তলুৱা সকলোবোৰ লাহে লাহে মোহাৰি দিলে ; জ্বৰৰ তাপতে তাৰ গাতো ৰঙা পৰি গৈছিল।

"দেশনো কি?" তেওঁ সুধিলে। "ই আচলতে একো নহয়। মনৰ এটা ধাৰণাহে মাথোন। ইয়াৰ নাই অন্তৰ, নাই আত্মা। ই মাত্ৰ এটা কল্পনাৰ বস্তুহে। মানুহে দেশ গঠন কৰে। সেই দেশ মানুহতকৈ ডাঙৰ হ'ব নোৱাৰে। তুমি যদি ঈশ্বৰৰ কথা ভাবিব নোৱাৰা, তেন্তে তোমাৰ পিতৃ-মাতৃৰ কথা চিন্তা কৰাচোন। তেওঁলোকে তোমাক কিমান ভাল পায়, কিমান মৰম কৰে। তোমাক কেঁচুৱাটিৰ পৰা তুলি তালি ডাঙৰ কৰিছে তোমাৰ পিতা-মাতাই। সেই মৰমৰ কথা ভাবি চোৱা।"

"মৰম? আই-বোপায়ে মোক মৰম কৰিছিল জানো? হুঃ! সিহঁতে মোক ৰাস্তাত পেলাই থৈ গৈছিল।"

সি চকু দুটা মুদি দিলে। অতীতৰ সেই কৰুণ কাহিনীৰ স্মৃতি মনলৈ অহাত মুখখন বিকৃত হৈ পৰিল। মানস চকুত ভাহি উঠিল সকলোৱে যেন তাক পাহৰি গৈছিল। অপৰিচিত লোকৰ এটা বিৰাট সমাৰোহৰ মাজত সি হেৰাই গৈছিল আৰু ৰাস্তাৰ ধূলিৰ ওপৰত পৰি থকা তাৰ অকণমান শৰীৰটোৰ ওপৰেদি উদ্বাৱল জনতাৰ সমদলটো আগুৱাই গুচি গৈছিল। মানুহৰ ভৰিৰ গচকত তাৰ দেহৰ প্ৰত্যেক অণু-পৰমাণুৱেই আৰ্তনাদ কৰি উঠিছিল; কিন্তু কোনেও তাৰ আৰ্তনাদ নুশুনিলে, কাৰো স্নেহৰ বা সহানুভূতিৰ দৃষ্টি তাৰ ওপৰত নপৰিল। সি তেতিয়া টেঁটুফালি বাপেক-মাকক মাতিছিল। হেৰাই যোৱা দুখলগা স্মৃতিটোৰ বাহিৰে আন কথাবোৰ তাৰ স্পষ্টভাৱে মনত নাথাকিলেও এই একেটা স্মৃতিয়ে তাৰ হিয়াৰ মাজত খোপনি পুতি ৰৈ গ'ল। জীৱনৰ এই দীঘলীয়া বছৰকেইটাই সেই স্মৃতি ম্লান কৰিব আৰু বেদনা হ্ৰাস কৰিব পৰা নাই। কেইবাবছৰৰ পিচত এদিন মছিঅঁৰ লগত দুজন বুঢ়া খেতিয়কে আহি তাক দেখা কৰিছিল আৰু মছিঅঁই মানুহ দুজনক চিনাকি কৰি দিছিল— এজন পুৰুষ আৰু আনজনী তিৰোতা। সিহঁতে তাক সাবটি ধৰিছিল আৰু চকুপানী টুকিছিল। স্নেহৰ এই নিদৰ্শনত সি মৌন সম্মতি দিছিল ; কিন্তু ই তাৰ অন্তৰত একো ৰেখাপাত কৰিব নোৱাৰিলে, তাৰ হৃদয়ত দকৈ বহা স্মৃতিৰ ঘাঁ টুকুৰা কেঁচাই থাকি গ'ল।

ফাদাৰ ওবেনিয়নে কৈ গ'ল "বোধকৰো তোমাক কোনেও ইচ্ছা কৰি এৰি যোৱা নাছিল। তেওঁলোকে তোমাক হেৰুৱালে। সেই হুলস্থূলৰ মাজত তোমাক বিচাৰি পোৱা অসম্ভৱ হৈ পৰিল। ই একো আচৰিত কথা নহয়। তদুপৰি সেই মানুহবোৰৰ, তোমাৰ পিতা-মাতাৰ অৱস্থাৰ কথাও ভাবিবলগীয়া। অনাহাৰ, আতঙ্ক, ক্ষুধা এইবোৰে তেওঁলোকক জুলুম কৰিছিল। ক'লৈ যাব বা কি কৰিব তাৰ একো

থানথিত নোহোৱা হৈছিল। এনে অৱস্থাত ভাগ্যে আমাৰ মছিঅঁই তোমাক পালে, ভগৱানৰে অনুগ্ৰহ বুলি ভাবিব লাগিব। পিচে তোমাৰ পিতাৰে আৰু মায়ে তোমাক বিচাৰি আহিছিল দেই।"

হো-চানে কথাবোৰ শুনি গ'ল, কিন্তু মুখেৰে একো নামাতিলে। নানা চিন্তাই তাক জুমুৰি দি ধৰিছিল। কিয় বা কেনে অৱস্থাত সেই পলৰীয়া মানুহবোৰে তাক ৰাস্তাত এৰি গুচি গৈছিল, সেই কথা জনাৰ পৰা তাৰ একো লাভ নহয়। তাৰ প্ৰতি বাপেক-মাকৰ মৰম থকাহেঁতেন তাক নোপোৱাপৰ্যন্ত নিশ্চয় বিচাৰি থকা উচিত আছিল। তেওঁলোকৰ খাবলৈ একো নাছিল। তেওঁলোকতো ডাঙৰ মানুহ ; সৰু ল'ৰা এটাই ভোকত দেউৰি পাৰি কান্দি থাকিল আৰু তেওঁলোকে নিজৰ পেটৰ চিন্তাত তাক এৰি গুচি গ'ল। এইটো বিশ্বাসযোগ্য কথা হ'ব নোৱাৰে। তাৰ মনত দৃঢ় প্ৰতীতি জন্মিল যে ভোকত আতুৰ হোৱা মানুহবোৰে ইচ্ছা কৰি ল'ৰা-ছোৱালী পেলাই থৈ গুচি যায় আৰু পিচত হেৰোৱা বুলি কয়। তাৰ একমাত্ৰ কাৰণ এয়ে যে দুৰ্ভিক্ষৰ সময়ত এজন খাওঁতা কম হ'লেও বাকীবোৰৰ ভাগত এগাল হয়তো বেছিকৈ জুটিব। শুকান পথাৰৰ পৰা ধান এমুঠি ঘৰলৈ চপাই আনি ল'ৰা-ছোৱালীৰ মুখত দিলে নিজলৈ নাথাকিব বুলিয়ে ইহঁতে এনেকুৱা কৰে। সৌ মঠ-মন্দিৰবোৰত কোনো কোনোৱে পলৰীয়া মানুহৰ বাবে অন্নসত্ৰ খোলে। ভোকত চেপেটা পৰা ল'ৰা-ছোৱালী লগত থাকিলে বুঢ়ামখাৰ ভাগত ভাতমুঠিৰ নাটনি হয়। তাতকৈ সেইবোৰক আগধৰি দূৰ কৰাই ভাল বুলি বাপেক-মাকে সন্তানক এৰি থৈ গুচি যায়। ইয়াত মনুষ্যত্বৰ গোন্ধ নাই ; দয়া-মমতা নাই ; আছে নৃশংসতা আৰু পাশবিকতা। পেটৰ পোৰণিত এটা এটাকৈ ধান বুটলি ফুৰা মানুহৰ মন কুকুৰ-মেকুৰীৰ দৰে হৈ যায়— দয়া-দাক্ষিণ্য-উদাৰতা, সহনশীলতা-সকলোবোৰ ক্ষুধাৰ জ্বালাত নিশ্চিহ্ন হৈ যায়।

হো-চান মনে মনে থকা দেখি সাহ পাই ওবেনিয়নে কৈয়ে থাকিল— "তোমাক তেওঁলোকে নিশ্চয় ভাল পায়। জীৱনত আৰু আন আন ভাল পোৱাও আছে। তুমি হয়তো বিয়া কৰাবা। তোমাৰ ঘৈণীয়েৰক তুমি ভাল পাবা। তুমি তোমাৰ লৰা-ছোৱালীক ভাল পাবা আৰু ল'ৰা-ছোৱালীয়ে তোমাক ভাল পাব। প্ৰেম কি বস্তু--ভালপোৱা কি বস্তু তুমি তেতিয়া উপলব্ধি কৰিব পাৰিবা — মৰম কৰিবা। ই এটা স্বৰ্গীয় বস্তু--সুন্দৰ। ইয়াতকৈ পবিত্ৰ আৰু সুন্দৰ বস্তু ভগৱানৰ সৃষ্টিত আন একোৱে নাই। প্ৰেমভিন্ন জীৱন বৃথা।"

কৰক বাচা। এয়া তই কি আনিছ? বেছ বেছ, বাৰু ৰ', তই নক'বিচোন মই শুঙি চাওঁ। অহহ - মোৰ অতি প্ৰিয় খাদ্য দেখোন! মাংস? মুৰগীৰ নে গাহৰিৰ ? এয়া দেখোন কবি ভজা, উৰহি, দৈ লগতে মদো! বৰ ভাল কৰিছ- আইটি। আজিনো কি বাৰ? মোৰ মতে বৃহস্পতিবাৰ হ'ব লাগে। দিন-বাৰৰ হিচাপ নোহোৱাই হৈছে। এই পাপিষ্ঠহঁতে ইয়াত এখন কেলেণ্ডাৰো নাৰাখে। লালবাহিনী হ'ল বুলি খ্ৰীষ্টীয় পঞ্জিকাখনো কি জগৰ লগালে বাৰু ? শুকুৰবাৰ হ'লেও হ'ল— নাজানোঁ যেতিয়া পাপ নহয়।"

চিউলানে অকণমান হাঁহি ডাঙৰ বাটি দুটাৰ পৰা ভাত দালি, তৰকাৰী আৰু অন্যান্য খাদ্যবস্তুবোৰ উলিয়াই পৰিপাটিকৈ মেজত সজাই দিলে। বাঢ়ি লৈ খাবৰ বাবে এখন থাল, দুটা বাটি আৰু হাতমাৰি এযোৰা উলিয়াই দিলে। কেটলিৰ পৰা চাহ বাকি খাবলৈ সৰু বাটি এটাও আগবঢ়াই দিলে।

মাংসৰ গোন্ধ নাকত সোমোৱাত মছিঅঁ ৰ'ব নোৱাৰা হ'ল। তেওঁ ক'লে— "ফাদাৰ ওবেনিয়নৰ বাবে মই অপেক্ষা নকৰোঁ। তেওঁ বা কেতিয়া আহে? গৰমে গৰমে খোৱাই ভাল। তই ইমান যত্ন কৰি ৰন্ধা এই আঞ্জাপাতি চেঁচা হৈ যাবলৈ দিয়া অনুচিত হ'ব।" এই বুলি কৈ হাতমাৰি যোৰা লৈ তেওঁ খাবলৈ আৰম্ভ কৰিলে আৰু অলপ সময়ৰ ভিতৰতে নিজৰ থালত থকা আটাইখিনি খাদ্যকে শেষ কৰিলে। সিখন থালৰ ফালে সূক্ষ্মনয়নে চোৱা দেখি চিউলানে ঠিক কৰিলে যে তাই অহাৰ উদ্দেশ্য সম্বন্ধে মছিঅঁক জনোৱা এয়ে উপযুক্ত সময়। বিনীতভাৱে থিয় দি তাই লাহেকৈ চকু দুটা মোহাৰি ক'লে,

"মাননীয় মছিঅঁ" তাই ক'বলৈ গৈ হঠাৎ ৰৈ গ'ল।

তাইৰ ফালে চাই মছিঅঁই সুধিলে, "কি ক'ব খুজিছা আইটি?"

কঁকালত হাত দুখন ওপৰা ওপৰিকৈ ৰাখি তলমূৰকৈ মাতটো সৰু কৰি তাই ক'লে—

"আপোনাৰ ওচৰত মোৰ এটা নিবেদন আছে।"

এটা শান্ত সুন্দৰ নাৰী গৌৰৱৰ মহিমাই তাইক বৰ শুৱনি কৰি তুলিছিল। এজন ধৰ্ম গুৰুৰ সম্মুখত লাহী দেহৰ গাভৰু এজনী ঠিয় দি আছে— গোলাপী ৰং এটাই নিমজ গাল দুখন ৰঙচুৱা কৰিছে আৰু চেলাউৰিযোৰ স্থিৰভাৱে কুমৰ কাষলৈ হালি পৰিছে। উদ্‌গত যৌৱনৰ সকলোখিনি বৈচিত্ৰ্য ঢাকিবৰ চেষ্টা কৰিছিল নিকা গাঁৱলীয়া নীলা ৰঙৰ কপাহী চোলাটোৱে।

বহুদিন পূৰ্বতে মছিঅঁৰ হৃদয় নাৰী জাতিৰ বাবে শ্মশান যেন হৈ পৰিছিল তাত কামনা, প্ৰলোভন আদি মানবীয় অনুভূতিবোৰৰ প্ৰবেশ নিষিদ্ধ হৈ গৈছিল। কিন্তু চিউলানৰ সেই ভঙ্গিমাই তেওঁৰ সেই শুকান অন্তৰতো ৰসৰ সৃষ্টি কৰিলে-- এই ৰস বাৎসল্যৰ, পৈতৃক স্নেহৰ। তেওঁৰ মনটো কোমল হৈ গ'ল। দেহটো নাৰীৰ হ'ব পাৰে, কিন্তু তাৰ মাজতো এটা আত্মা আছে।

"তোৰ কি ক'বলগীয়া আছে ক বাচা" তেওঁ ক'লে "যদি কিবা অপৰাধ বা কুকৰ্ম কৰিছ তেন্তে তাৰ বাবে যথোপযুক্ত প্ৰায়শ্চিত্তৰ ব্যৱস্থা কৰিম। তই মোক যি দৰে খুৱাই-বুৱাই পৰিতৃপ্ত কৰিলি তাত মই বৰ সন্তুষ্ট হৈছোঁ ; তোক পাপমুক্ত নকৰিলে মোক দোষে চুব।"

"মই আপোনাক যি বিষয়ে নিবেদন কৰিব খুজিছো তাৰ প্ৰায়শ্চিত্ত নাই।"

"কিন্তু অনুশোচনাৰদ্বাৰা তই পাপমুক্ত হ'ব পাৰিবি বাচা।"

"মই অনুশোচনা বা অনুতাপ কৰিবলগীয়া একো কাম কৰা নাই প্ৰভু।"

"তেনেহ'লে কি হৈছে ! জানি-শুনি কিবা পাপক প্ৰশ্ৰয় দিছ নেকি ?"

"নহয় মছিঅঁ, মই সুখকহে প্ৰশ্ৰয় দিছোঁ।"

মছিঅঁ যদি আজীৱন ব্ৰহ্মচাৰী ব্ৰতত থকা পাদ্ৰী নহৈ এজন সংসাৰী মানুহ হ'লহেতেন, তেন্তে চীনা ভাষাত তিৰোতা মানুহে কোৱা এই কথাষাৰৰ বিশেষ অৰ্থটো হৃদয়ঙ্গম কৰিব পাৰিলেহেঁতেন। কিন্তু তেওঁৰ চিন্তাধাৰা আছিল সম্পূৰ্ণ বেলেগ। পাদ্ৰী হিচাপে তেওঁ পাদ্ৰীসুলভ কথা ভিন্ন সংসাৰৰ আন আন বিষয়ৰ একো ভু নেপাইছিল।

একেটা মনতে পাপ আৰু সুখ এই দুয়োটাকে একেলগে কেনেকৈ প্ৰশ্ৰয় দিবি আইটি? মনত পাপ নেথাকিলেহে মানুহে সুখ পাব পাৰে ; তই ছোৱালী হ'লেও তোৰ বাবেও এই কথা খাটে।"

চিউলানে মুখখন দাঙি মছিঅঁৰ ফালে চাই ক'লে, "আপোনালোকৰ বাইবেলৰ কুমাৰী দেৱীয়ে এনে সুখৰ কথা কৈছিল নহয় ? মোৰ মনত আছে মছিঅঁ। কুমাৰীৰ আনন্দত তেওঁ কৈছিল যে আত্মাই পৰমপিতাৰ বৃহত্তৰ ৰূপ পৰিগ্ৰহ কৰিছে, নহয়নে প্ৰভু ?"

"চুপকৰ মূৰ্খ ছোৱালী "মছিঅঁৰ খং উঠি গ'ল– "কি সাহসত এই কল্যাণময়ী কুমাৰীৰ লগত নিজকে তুলনা ......"

"কিন্তু তেওঁৰ যি কৈছিল মোৰো সেয়ে হৈছে" তাই বাধা দি ক'লে।

মছিঅঁৰ চকু মেল খালে "অৰ্থাৎ তই--তই---"

"হয় মছিঅঁ মই সন্তান সম্ভবা।" নম্ৰভাবে তাই ক'লে।

মছিঅঁই এটা অস্ফুট শব্দ কৰি স্তব্ধ হৈ গ'ল। তেওঁৰ পবিত্ৰ ধাৰ্মিক অন্তৰখন কঁপি উঠিল। হাত দুখনেৰে মূৰটো খামোচি ধৰি তেওঁ চকু মুদি ভাবিবলৈ ধৰিলে। এই অকণমান ছোৱালীজনী মাক হৈ পৰিব। কাৰ এই কুকৰ্ম? এইৰ গৰ্ভত সন্তানৰ বীজ ৰোপণ কৰোঁতাজন কোন ?

দুৰ্ভাগ্যক্ৰমে ঠিক এই মুহূৰ্ততে ফাদাৰ ওবেনিয়নে দুৱাৰখন মেলি ভিতৰলৈ সোমাই আহিল। তেওঁৰ মুখখন উজ্জ্বল হৈ পৰিছিল। এটা অসাধাৰণ পবিত্ৰতাৰ জেউতিত তেওঁৰ সমস্ত সত্তা উদ্ভাসিত হৈ উঠিছিল। হো-চানৰ অন্তৰ জয় কৰি তাক সৎপথলৈ অনাৰ চেষ্টা কৰিবলৈ পাই তেওঁৰ অন্তৰত এটা অভূতপূৰ্ব আনন্দ অনুভৱ কৰিছিল।

মছিঅঁ ফিৎসগিবনে জঁাপ মাৰি ঠিয় দিলে "ফাদাৰ ওবেনিয়ন" উত্তেজিতভাৱে তেওঁ চিঞৰি উঠিল।

মাতৰ সুৰত চক খাই ডেকা পাদ্ৰীজনে মছিঅঁৰ ফালে আচৰিত হৈ চাই থাকিল।

"তুমি ঠিক সময়তে উপস্থিত হৈছাহি। যোগাযোগটো সচাঁকৈ বৰ উপযুক্তই হৈছে।" কথাখিনি সংযমৰ ডেওনা পাৰ হৈ উগ্ৰ হৈ পৰিছিল।

ফাদাৰ ওবেনিয়নে সেপ ঢুকি প্ৰশ্ন কৰিলে,

"চিউলান ইয়াত কিয়?"

"তাই মোক এটা দুঃসংবাদ দিবলৈ আহিছে।"

"কি দুঃসংবাদ? কি হ'ল?"..... শান্তভাৱে ফাদাৰ ওবেনিয়নে সুধিলে।

"অঃ হ হ, যেন একো নাজানেই! তোমাৰেই কথা! কি? চক খাই উঠিলা যে?"

দুয়ো ইংৰাজীতে কৈ আছিল। হঠাৎ ফাদাৰ ওবেনিয়নে ঘূৰি গৈ চীনা ভাষাত চিউলানক সুধিলে,

"মছিঅঁক কি কৈছা চিউলান? তেওঁৰ লগত কিহৰ আলোচনা কৰিছিলা?"

"কুমাৰী দেবীয়ে যিদৰে সুখৰ মুখ দেখিছিল, মোৰো ভাগ্যত সেইদৰে সুখৰ সম্ভাৱনাই দেখা দিয়াৰ কথাকে কৈছিলোঁ। তেওঁৰ তাতে খং উঠিছে।" তাই ক'লে।

ফাদাৰ ওবেনিয়নে গাঁৱত ঘূৰি ফুৰোঁতে তিৰোতাবোৰে কোৱা কথাবোৰ শুনি শুনি সুখৰ মুখ দেখা বা সুখ প্ৰশ্ৰয় দিয়া এনেকুৱা কথাবোৰৰ আচল অৰ্থ বুজি

পোৱা হৈছিল। চিউলানৰ কথাও তেওঁ ঘপহকৈ বুজি পালে। সন্তানক সকলোৱে আদৰ কৰে আৰু সুখ মানে তিৰোতাৰ ভাষাত গৰ্ভত সন্তানৰ স্থিতি হোৱা!

তেওঁ আচৰিত হৈ প্ৰশ্ন কৰিলে "অসম্ভৱ! ই হ'বই নোৱাৰে। কিন্তু তুমি এতিয়া কি কৰিবা।"

তাইলৈ তেওঁৰ পুতৌ জন্মিল আৰু লগতে মনত বৰ অশান্তি বোধ কৰিলে।

মুখত সেইবোৰ ভাব দেখিবলৈ পাই মছিঅঁৰ খং দুগুণে জ্বলি উঠিল-"তাই কি কৰিব ! নিজৰ অৱস্থাৰ কথা চিন্তা কৰা ওবেনিয়ন।"

ইমানতো সৰলমনা ফাদাৰ ওবেনিয়নে মছিঅঁৰ মনৰ ভাব বুজি নাপালে কিন্তু চিউলানে তাইৰ স্বাভাৱিক বুদ্ধিৰে এই পাদ্ৰী দুজনৰ মাজত সৃষ্টি হোৱা অবিশ্বাস আৰু সন্দেহৰ কথাটো গম পালে। আচল কথাটো কৈ দিবলৈ প্ৰবল ইচ্ছা হোৱা সত্ত্বেও তাই কোনোমতে সেই ইচ্ছা দমন কৰিলে।

ৰেক্টৰীৰ মাজত অকলে অকলে থকা সময়ছোৱাত তাই মনে মনে টুংএন যাত্ৰাৰ কথাটোকে পাগুলি আছিল। দুৱৰীটো বৰ বিশ্বাসী মানুহ। সিয়ে পাদ্ৰী দুজনক বন্দী কৰি নানা ৰকমৰ শাস্তি দিয়াৰ কথা তাইক কৈছিল। তাৰ পৰা তাই গম পালে যে হো-চানৰ বাবে পেনিচিলিন আনি দিবলৈ বুলি ফাদাৰ ওবেনিয়নে গাত লৈছিল। কথাটো শুনি তাই পহিলতে বৰ বিৰক্তি বোধ কৰিছিল। সেই পাপিষ্ঠৰ জীৱন ৰক্ষাৰ বাবে ইমান দৰদ কিয়? সি মৰাই উচিত। কেনেকৈ ফাদাৰ ওবেনিয়নক লগ ধৰি হো-চানৰ বাবে পেনিচিলিনৰ ব্যৱস্থা কৰাৰ পৰা বিৰত থাকিবলৈ অনুৰোধ কৰিব তাকে ভাবি তাই সম্পূৰ্ণ এটা বেলা ধৰফৰ-ছটফট কৰি থাকিল। তাৰ যি হয় হ'ব। হয়তো পেনিচিলিন নিদিলে সি মৰিব। মৰক এটা আপদ গুচক। কিন্তু তাই তেওঁক যিমান দূৰ জানে, তাৰ পৰা তাইৰ দৃঢ় বিশ্বাস হ'ল যে এই অঁকৰা পাদ্ৰীটোৱে এবাৰ এটা কামত ধৰিলে কোনো মতে এৰি নিদিয়ে। তেওঁক তাৰ পৰা বিচলিত কৰিব নোৱাৰে। তাইৰ একমাত্ৰ ভৰসা আছিল, তাইৰ ৰূপ আৰু যৌৱন। এই দুপাত অস্ত্ৰেৰে তেওঁৰ কোনোবা দুৰ্ব্বল মুহূৰ্তত ঘাইল কৰি দি যদি বুজাব পাৰে যে হো-চানৰ মৃত্যুত সকলোৰে মঙ্গল, তেতিয়াহ'লে হয়তো তেওঁক বিৰত কৰা সম্ভৱ হব পাৰে। এই উদ্দেশ্যেৰে তাই গাড়ীখনত বহিছিলগৈ।

কিন্তু নিষ্ফল প্ৰয়াস। নিজৰ দুৰ্বলতাৰ কথা তাই নিজেই জনা নাছিল। তেওঁক অকলে পাই তাইৰ অন্তৰ প্ৰেমেৰে উপচি পৰিল। ফাদাৰ ওবেনিয়নৰ প্ৰতি তাইৰ প্ৰেমৰ পবিত্ৰতাই অন্তৰৰ সকলো নীচতা, হিংসা, ঘৃণা ধুই-পখালি নাইকিয়া কৰি

পেলালে। হো-চানৰ প্ৰতি তাইৰ খং আৰু বিদ্বেষ নিমিষতে পানী উঠিল। তাই কেৱল তেওঁৰ কথাকে ভাবিবলৈ ধৰিলে। পৃথিৱীখনত যেন তাই আৰু তেওঁহে থাকিল— বাকীবোৰ ধোঁৱা হৈ উৰি গ'ল; --তাই তেওঁৰ বাবে আৰু তেওঁ তাইৰ বাবে। তাই অনুভৱ কৰিলে যেন ফাদাৰ ওবেনিয়ন মানুহ হিচাপে আকাশলঙ্ঘী পৌৰুষৰ এটা সবল নিদৰ্শন। কিন্তু তেওঁ যে সাধাৰণ পুৰুষ নহয় এই কথা বুজিবলৈ তাইৰ বেছি পৰ নালাগিল। ফাদাৰ ওবেনিয়ন মানুহ নহয়, এজন পাদ্ৰীহে। এই পাদ্ৰীৰ ওচৰত নাৰী প্ৰেম-ছলনা-- চকুপানী-ৰূপ যৌৱন সকলো মিছা। এই সকলোবোৰ থকা সত্ত্বেও তাই তেওঁক পৰাস্ত কৰিব নোৱাৰিলে বৰং পৰাস্ত হ'ল নিজে। কোনোৱাই যেন তাইক কৈ দিলে যে এই পৰাজয় সাময়িক নহয়, চিৰন্তন। নাৰীৰ ওচৰত আত্মবিক্ৰয় কৰা মানুহ এইজন নহয়। তেজ-মঙহ লৈ এওঁ মানুহ হ'ব পাৰে কিন্তু প্ৰকৃততে পাদ্ৰীজনহে তেওঁৰ মনুষ্যত্বৰ গৰাকী।

এই উপলব্ধিটো তাইৰ বাবে নতুন, কিন্তু ইমান গভীৰ যে তাইৰ আন আন প্ৰবৃত্তিবোৰে এই উপলব্ধিৰ ওচৰত সম্পূৰ্ণৰূপে আত্মসমৰ্পণ কৰিলে। প্ৰবৃত্তিৰ পৰাজয়টোকে তাই মানি ল'বলৈ বাধ্য হ'ল। প্ৰেমৰ বৈষয়িক দিশটো তাই এবাৰ ভাবি চালে। ইয়াত প্ৰেমৰ প্ৰতিদান প্ৰতিফলিত হয়। সেই প্ৰতিদানৰ ইয়াৰ নামগোন্ধো তাইৰ হিয়াত নাই— তাই পৰিত্যক্তা। তেওঁৰ অন্তৰত কোমলতা, স্নেহ, সাধুতা, প্ৰীতি একোৰে অভাৱ নাই, অভাৱ মাত্ৰ প্ৰেমৰ। ফাদাৰ ওবেনিয়নে তাইক অস্বীকাৰ কৰিলে।

এতিয়া তাই পুনঃ অকলশৰীয়া হৈ হিয়াৰ মাজত ভুমুকি মাৰি দেখে যে প্ৰত্যাখ্যাতা হৈ তাই তেওঁক আৰু বেছি গভীৰভাৱে ভাল পাইছে। কিন্তু এই ভাল পোৱাৰ লগত এটা প্ৰতিশোধৰ স্পৃহা মিহলি হৈ আছিল। তেওঁক প্ৰতিঘাত কৰিবলৈ তাই সংকল্প কৰিলে। তেওঁৰ পূজাত তাই নিজকে অকৃপণভাৱে সমৰ্পণ কৰিবলৈ আগুৱাই গৈছিল। সেই পূজা তেওঁ গ্ৰহণ নকৰাত তাই বৰ কষ্ট পাইছিল। তেৱোঁ সেইদৰে কষ্ট পাব লাগিব। তেওঁ শান্তিৰ সৰগত বিচৰণ কৰি আছিল। তাৰপৰা তেওঁক মৰতলৈ নমাই আনিব লাগিব। তাই নিজকে বুজনি দি ভাবিলে যে পুৰুষবোৰো মানুহহে, লাগে তেওঁ পাদ্ৰীয়ে হওঁক বা আন কিবাই হওঁক। ফাদাৰ ওবেনিয়নে ভবাৰ দৰে কোনো মানুহ ইমান সৎ আৰু নিৰ্বিকাৰ হ'ব নোৱাৰে। ফাঁকি, এৰা ফাঁকিয়েই ঠিক। তেওঁ হয়তো ভাবে যে তাই এজনী অতি সাধাৰণ ছোৱালী; তাতে তেওঁৰ স্বজাতীয় নহয়। তাইৰ ক'লা চুলি আৰু ক'লা চকু তেওঁ পছন্দ

নকৰে। আচল কথা এয়ে। ইযাকে স্পষ্টভাৱে নকৈ সততা, ধৰ্ম, ঈশ্বৰ প্ৰেম ইত্যাদি বাজে কথাবোৰৰ দোহাই দি তেওঁ এৰাদি ফুৰিছে। এয়া ফাঁকি নহৈ নোৱাৰে। এৰা তাই তেওঁক ঘিণ কৰে। নিজৰ মনতে তাই বাৰে বাৰে কৈ উঠিল "ময়ো তোমাক ঘিণ কৰোঁ ঘিণ কৰোঁ, ঘিণ কৰোঁ।"

অভিমান আৰু ক্ৰোধত মত্ত হৈ তাই ফাদাৰ ওবেনিয়নৰ ওপৰত প্ৰতিশোধ ল'বৰ উপায় চিন্তা কৰিবলৈ ধৰিলে। তাই জানে যে ফাদাৰ ওবেনিয়নে এজন মানুহক বৰ ভয় কৰে আৰু সেইজন হ'ল মছিঅঁ ফিৎসগিবন। মছিঅঁৰ জৰিয়তে এই প্ৰতিশোধ ল'বলৈ তাই ঠিক কৰিলে। মছিঅঁই যে ভাল খাদ্য খাবলৈ বৰ ভাল পায়, এই কথা তাই জানে। সিদিনা পুৱা তাইৰ কঁকালত খুঁচি থোৱা মোনাখনৰ পৰা অলপ ধন খৰচ কৰি দুৱৰীটোক ধৰি-মেলি অলপ মাংস আৰু কিবা কিবি পাচলি কিনি অনালে আৰু যত্ন সহকাৰে ৰন্ধা-বঢ়া কৰি আটাইখিনিকে থোঙা এটাত ভৰাই বন্দীশাললৈ গ'ল। তাতে পহৰাটোৰ হাতত পইচাকেটামান গুঁজি দি ভিতৰলৈ সোমাই গ'ল। মছিঅঁক ভালদৰে খুৱাই-বুৱাই তাই এই মুহূৰ্তটোৰ কাৰণে অপেক্ষা কৰি থাকিল। এতিয়া ফাদাৰ ওবেনিযন তাইৰ হাতৰ মুঠিত। তেওঁক দেখা পাই, তেওঁৰ যৌবনত স্ফীত হৈ উঠা সবল-সুঠাম চেহেৰা আৰু সবল মুখখনলৈ চকু যোৱাত তাইৰ মনৰ গতি সলনি হৈ আহিল। নিজৰ ওপৰতে তাইৰ খং উঠিল। প্ৰত্যাখ্যাত প্ৰেমৰ জুইকুৰা আকৌ জ্বলাবৰ বাবে তাই চেষ্টা কৰিলে। প্ৰেম যিমানে প্ৰবল, প্ৰত্যাখানৰ জ্বালাও সিমানে তীব্ৰ। তাই প্ৰতিশোধ লবই লাগিব-তীব্ৰ নিৰ্মম--আৰু অমানুষিক প্ৰতিশোধ। এনে আঘাত কৰিব লাগিব যেন তেওঁ চুৰ্ণ বিচূৰ্ণ হৈ যায়। ইমান ঘৃণা তাই আৰু আন কাকো কৰা নাই। ফাদাৰ ওবেনিযনৰ মাজৰ পাদ্ৰীজনক ধ্বংস কৰিলেহে তেওঁৰ মাজত থকা মানুহজনক তাই সম্পূৰ্ণভাৱে লাভ কৰিব পাৰিব। তাইক লাগে সেই মানুহজন। তাৰবাবে যিহকে লাগে তাকে কৰিবলৈ তাই প্ৰস্তুত। মছিঅঁই ইতিমধ্যে তেওঁক সন্দেহ কৰিছে। এই সন্দেহ সত্য বুলি প্ৰমাণ কৰিব লাগিব। তেতিয়া ফাদাৰ ওবেনিয়নৰ গাৰ পৰা ধৰ্মযাজকৰ ভেশ সুলকি পৰিব। তাই যিজন সুষ্ঠ-সবল, ওখ মানুহক ভাল পায় সেই মানুহজন আৰু পাদ্ৰী হৈ থাকিব নোৱাৰিব। তেতিয়া তেওঁ নিশ্চয় তাইক বিয়া কৰাব পাৰিব। হয়তো মছিঅঁই নিজে তাইক বিয়া কৰাবলৈ তেওঁক বাধ্য কৰিব। এই চিন্তাবোৰ তাইৰ মনত উদয় হৈ তাইক অস্থিৰ কৰি পেলালে। কিন্তু তাই হ'লে একোকে কৰিব নোৱাৰি মনে মনে থাকিল আৰু মোহাৱি থকা হাত দুখনৰ পৰা দৃষ্টি আঁতৰ কৰিব নোৱাৰিলে।

ফাদাৰ ওবেনিয়নৰ ফালে ৰুদ্ৰমূৰ্তিৰে চাই মছিঅঁই কঠোৰভাৱে ক'লে, "তোমাক ইমান সাৱধান কৰি দিলোঁ, তোমাৰ বিবেক-বুদ্ধি জগাই তুলিবলৈ ইমান চেষ্টা কৰিলোঁ, কিন্তু একোকে নামানি কেনেকৈ এই পাপত লিপ্ত হৈ পৰিলা— মই ভাবিবই নোৱাৰোঁ। তোমাৰ ব্ৰহ্মচৰ্যৰ কি হ'ল? ইমান দিনৰ কঠোৰ ব্ৰতৰ এয়ে নেকি পৰিসমাপ্তি?"

"চুপ কৰক।" ফাদাৰ ওবেনিয়নে চিঞঁৰি উঠিল। তেওঁৰ ধাৰ্মিক মনটো এটা অজান আতঙ্কত থমকি উঠিল। উপৰিৱালাজনৰ মুখৰ ফালে চাই তেওঁ থোকা থুকি মাতেৰে অসংলগ্ন ভাৱে কৈ উঠিল— "বিশ্বাস কৰে নেকি আপুনি যে.......যে.......।"

"ইয়াত বিশ্বাস নকৰিবৰ কি আছে?"

"মই আপোনাক শপত খাই ক'ব পাৰোঁ যে মই ...... মই .... নিজে আচৰিত.... অত্যন্ত বিচলিত হৈ পৰিছোঁ... মোৰ অন্তৰ ভাগি গৈছে....ভগৱানৰ নামত শপত খাই........" আৱেগত তেওঁৰ কণ্ঠ ৰুদ্ধ হৈ গ'ল।

"ইয়াত আচৰিত হ'বৰ কি আছে?" চৰম আঘাত দিবৰ বাবে মছিঅঁই ক'লে "তিৰোতাৰ লগত সহবাস কৰিলে কি হয় তুমি নাজানা নেকি? এই পবিত্ৰ ব্ৰত গ্ৰহণ কৰিবলৈ তুমি যেতিয়া স্থিৰ কৰিছিলা তেতিয়া তোমাক কি কোৱা হৈছিল? মনত আছেনে?"

ফাদাৰ ওবেনিয়নে নিজৰ অপযশৰ কথাবোৰ শুনি মনত তীব্ৰ বেদনা অনুভৱ কৰিলে। নিজৰ সম্বন্ধে চিন্তা কৰি পালে যে তেওঁ অন্তৰ্মুখী জীৱনতকৈ বহিৰ্মুখী জীৱন যাপন কৰাতেই বেছি অভ্যস্ত; কিবা এটা হোৱাতকৈ কিবা এটা কৰিহে তেওঁ বেছি ভাল পায় তেওঁ ধ্যান কৰি বহি থাকিব নোৱাৰে আৰু এইবাবে মনে মনে বৰ অস্বস্তি বোধ কৰে। তেওঁ কৰা প্ৰাৰ্থনাবোৰো চমু, দীঘলীয়া প্ৰাৰ্থনা তেওঁৰ পক্ষে বৰ টান কাম। মছিঅঁই বহু সময়লৈকে একেৰাহে প্ৰাৰ্থনা কৰি থাকিব পাৰে। মন্ত্ৰবোৰ গাই যাওঁতে কেতিয়াও ভুল নহয়। ওবেনিয়নে এইবাবে তেওঁক কেবাবাৰো নম্ৰভাৱে প্ৰশংসাও কৰিছে। ধৰ্ম্মগ্ৰন্থবোৰ আগত লৈ তেওঁ যেতিয়া উপাসনাত বহে অথবা বেদীৰ সন্মুখত আঁঠুকাঢ়ি বহি প্ৰাৰ্থনা কৰে— তেতিয়া তেওঁ সময়ৰ কথা পাহৰি যায়। এই অদ্ভুত ক্ষমতাৰ বাবে তেওঁ মছিঅঁক শ্ৰদ্ধা কৰে। তেওঁ কিন্তু অলপ সময় আঁঠুকাঢ়ি থাকিলেই অস্থিৰ হৈ পৰে। আঁঠুৰ বিষত ৰ'ব নোৱাৰা হয়। এইটো ধৰ্মযাজকৰ পক্ষে বৰ অশোভনীয় কথা।

সিদিনাৰ কথা মনত পৰিল। তেওঁৰ নিজৰ কোঠাতে চকীখনৰ লগত বান্ধি হো-চানে তেওঁক বন্দী কৰিছিল। চিপাহীবোৰে তেওঁক বহুতো শাস্তি দিছিল; সেই শাস্তি আছিল শৰীৰত, কিন্তু সিদিনা হাতে-ভৰিয়ে বন্ধা অৱস্থাত তেওঁ মনত যি কষ্ট পাইছিল তাৰ তুলনাত শৰীৰৰ শাস্তি একোৱেই নহয়।

সেইদিনাৰ কথাটো এতিয়ালৈকে কাকো কোৱা নাই। চকুৰ আগত ঘটা ঘটনাবোৰ আৰু তেওঁৰ মনৰ অৱস্থাতো বৰ্ণাবলৈ তেওঁ উপযুক্ত ভাষা বিচাৰি পোৱা নাছিল আৰু সেইবোৰ কথা প্ৰকাশ কৰিবলৈ তেওঁ নিজকে প্ৰস্তুত কৰি তুলিব পৰা নাছিল। কিয় ? এই অক্ষমতা জানো এবিধ পাপ নহয়। তেওঁৰ হিয়াৰ কোনোবা চুক এটাত ছোৱালীজনীৰ প্ৰতি এটা কোমল ভাব নাথাকিলে তেওঁ মছিঅঁৰ আগত সকলো কথা প্ৰকাশ নকৰিলেহেঁতেন নে? গতিকে তেওঁ যে পাপত লিপ্ত হৈছে তাত কোনো সন্দেহ নাই। মছিঅঁৰ মনত সন্দেহ ঘনীভূত হৈ পৰিছে আৰু এতিয়া তেওঁ এটা লাজ লগা কেলেংকাৰীৰ বোজা মূৰপাতি ল'বলগীয়া হৈছে। তেওঁ এতিয়া হয়তো পাদ্ৰীৰ পবিত্ৰ জীৱন অথবা মানুহৰ প্ৰেমৰ জীৱন এই দুটাৰ এটা গ্ৰহণ কৰিব লাগিব। কামটো উজু নহয়— যিটো জীৱনকে বাছি নলওক কিয়, তেওঁৰ হিয়া ভাগি যাব। সাধাৰণ মানুহ হিচাপে তেওঁ অনুভৱ কৰিলে যে প্ৰেমৰ বীজ তেওঁৰ হিয়াত অঙ্কুৰিত হৈ ফুলেফলে জাতিষ্কাৰ হৈ পৰিছে, এই গছজুপি সমূলঞ্চে নিৰ্মূল কৰিব নোৱাৰিলে তেওঁৰ স্থান থাকি যাব সাধাৰণ মানুহৰ মাজত। কিন্তু তেওঁৰ প্ৰাণে বিচাৰে সাধাৰণ মানুহতকৈ এটি উচ্চ স্থান-- ধৰ্মযাজকৰ স্থান। ভগৱানে যেন তেওঁক সহায় কৰে।

মছিঅঁ ফিৎসগিবনৰ ফালে মুখ কৰি তেওঁ কলে "এইৰ গৰ্ভত থকা শিশুটিৰ পিতৃ হো-চান।" দুমাহৰ আগতে তেওঁৰ শোৱনি কোঠাত ঘটা সকলো কথা তেওঁ কৈ গ'ল। পহিল কথাকেইষাৰ আপোনাআপুনি বৰ ৰূঢ়ভাৱে আহি গ'ল। কৈ থাকোঁতে তেওঁৰ বুকুৰ তেজ গোট মাৰি যোৱা যেন লাগিছিল।

তেওঁৰ কথাবোৰ কাণত পৰাত চিউলানে উচুপি উচুপি কান্দিবলৈ ধৰিলে। তাইৰ খং নোহোৱা হ'ল— উত্তেজনা শাম কাটিলে। মাত্ৰ এটা অনুভূতিয়ে তাইৰ হিয়া অধিকাৰ কৰিলে। বিষাদত সেমেকি যোৱা অকলশৰীয়া প্ৰেমৰ অনুভূতিটোৰ বাহিৰে তাইৰ হিয়াত আন একোকে তাই বিচাৰি নেপালে। দুখলগা হ'লেও জীৱনৰ ক্ষুদ্ৰ নাটকখনিৰ নিশ্চিত পৰিণতিস্বৰূপে তাইৰ মনৰ মঞ্চত এটি মাত্ৰ অভিনেতা থাকি গ'ল, সেয়ে হ'ল কামনাবিহীন প্ৰেম। এই বিয়োগান্ত নাটিকাত চৰম পৰাজয়

হ'ল তাইৰ। তাইৰ হিয়াৰ করুণ ক্ৰন্দনে ফাদাৰ ওবেনিয়নৰ অন্তৰত অকণো প্ৰতিধ্বনি নোতুলিলে। তেওঁ আদৰ্শৰ অপমৃত্যু হ'বলৈ নিদিলে!!

ফাদাৰ ওবেনিয়নক অবিশ্বাস কৰা অসম্ভৱ। তেওঁৰ সেই পৰিচিত মুখখনে, সৰল, সুনীল চকু দুটাই আৰু আবেগত কঁপি উঠা কণ্ঠস্বৰে মছিঅঁক দঢ়াই দঢ়াই ক'লে যে ফাদাৰ ওবেনিয়নে মিছা কথা ক'ব নোৱাৰে--কোনো অপকৰ্মত তেওঁ লিপ্ত নহয়। তেওঁ কণ কণ হাত দুখন ওপৰলৈ দাঙি ক'লে, "হৈছে আৰু নালাগে। মই আৰু একোকে শুনিবলৈ ইচ্ছা নকৰোঁ। এই হো-চানেই সকলোৰে মূল। তাৰ নিজৰ ভালৰ কাৰণে, তাৰ আত্মাৰ কল্যাণৰ বাবে এই বিয়া হ'বই লাগিব।"

মছিঅঁৰ কথা শুনি চিউলানে তৎক্ষণাৎ উচুপিবলৈ এৰিলে। চকুপানী চকুতে শুকাই গ'ল আৰু কোবখোৱা নাগিনীৰ দৰে ফেট তুলি থিয় দিলে। কেতিয়াও হ'ব নোৱাৰে— নোৱাৰে ....নোৱাৰে...নোৱাৰে। যিজন মানুহক তাই প্ৰাণদি ভাল পায় তেওঁৰ পৰা তাইক বঞ্চিত কৰিব নোৱাৰে, অন্ততঃ তাইক সমৰ্পণ কৰিবৰ সাধ্য কাৰো নাই। উত্তেজনাত কঁপি কঁপি তাই ক'লে---,

"মই ? মই হো-চানক বিয়া কৰাব লাগে? হ'বই নোৱাৰে। মই তাক কিয় বিয়া কৰাব লাগে? তাৰ আত্মাৰ কল্যাণৰ বাবে? তাৰ সেই কলুষিত আত্মাৰ কল্যাণৰ বাবে? তাক বিয়া কৰাবলৈ মোৰ একো গৰজ পৰা নাই। তাৰ আত্মা জহন্নামে যাওক, সি নৰকত পৰক। নৰকৰ জ্বলন্ত অগ্নিত সি ডেইপুৰি মৰক। নৰকৰ কথা কয়? আপোনালোকৰ বিদেশী নৰকত হো চানৰ দৰে পাতকীৰ বাবে ঠাই নহ'ব নেকি?"

তাই আকৌ কান্দিবলৈ ধৰিলে। কান্দোনৰ বেগ সহ্য কৰিব নোৱাৰি তাই লৰ মাৰি ওলাই গ'ল।

পাদ্ৰী দুজনে ইজনে সিজনৰ মুখৰ ফালে চোৱাচুই কৰিলে।

"এতিয়া কি কৰা উচিত হ'ব? দুই নাৱত দুই ভৰি হ'ল।" ফাদাৰ ওবেনিয়নে কলে "নীতিসন্মতভাৱে বিয়া নৌহওঁতেই সন্তান জন্মৰ সম্ভাৱনা হোৱাটো বেয়া কথা, আনপিনে এজনী তিৰোতাক লালবাহিনীৰ পাষণ্ড এটাক বিয়া কৰাবলৈ বাধ্য কৰাটোও গৰ্হিত কাম। কোনটো বেছি বেয়া হ'ব মই ঠিকেই কৰিব পৰা নাই। এই হো-চান যদিহে আচলতে বদমাছ হয়, অৰ্থাৎ..........."

"যদিহে ? তোমাৰ কিবা সন্দেহ আছে নেকি? সি বদমাছৰ চূড়ান্ত— কথাত বদমাছ -- কামত বদমাছ আৰু দেখাতো বদমাছ।"

"তেনেকৈ নকবচোন মছিঅঁ" ফাদাৰ ওবেনিয়নে ক'লে, "ধৰ্মযাজক হৈ আমি মনত ৰাখিব লাগিব যে ভগৱানৰ সৃষ্ট প্ৰত্যেক জীৱৰে একোটা আত্মা আছে আৰু প্ৰতিটো আত্মাই কিবা নহয় কিবা সৎগুণৰ অধিকাৰী। এই হো-চানৰো এটা আত্মা আছে—ই হয়তো সদ্যহতে কলুষিত হৈ পৰিছে।"

মছিঅঁই কৈ দিলে, "যিয়েই কি নহওঁক তাৰ সম্বন্ধে মোৰ ধাৰণাৰ কথা তাক স্পষ্টভাৱে কৈ দিম।"

"আৰু ময়ো চিউলানৰ লগত কথা হ'ম। যদি সিহঁতৰ বিয়া হোৱাটোৱেই একমাত্ৰ নীতিসন্মত পন্থা হয় তেন্তে তাই বিয়া কৰাবলৈ সন্মত হ'ব লাগিব।"

দুয়োজন পাদ্ৰী গহীন হৈ পৰিল। বৰ ডাঙৰ সমস্যা এটা সমাধান কৰিবলৈ দুয়ো পৰামৰ্শ কৰাত লাগি গ'ল। দুয়োৰো কৰ্তব্য মহান। এই পাপপূৰ্ণ— সংসাৰত মানুহক ধৰ্মৰ পথ দেখুৱাই দিয়া আৰু পাপীক উদ্ধাৰ কৰাই তেওঁলোকৰ ব্ৰত। আলোচনা শেষ হওঁ হওঁ হৈছে, এনেতে মছিঅঁৰ মনত পৰিল যে ফাদাৰ ওবেনিয়নে মাজতে কেবাবাৰো চিউলানৰ নাম লৈছিল। এই যুৱক সহকৰ্মীজনৰ প্ৰতিও তেওঁৰ এটা মহান কৰ্তব্য আছে। অধীনস্থ কৰ্মচাৰীৰ লগত পদাভিষিক্ত অধিকাৰ হিচাপে মছিঅঁৰ সম্বন্ধৰ কথাটো মনত পৰাত তেওঁ শৰীৰটো পোনাই দিলে আৰু লগে লগে নিজকে আগতকৈ এহাতমান ওখ হৈ যোৱা যেন পালে। মাতটো বিচাৰপতিসূচক কৰি তেওঁ গহীনাই ক'লে—

"শুনা ওবেনিয়ন, এটা দুখজনক পৰিস্থিতি তুমি চকুৰ আগতে দেখিবলৈ পালা। ইয়াৰপৰা যি শিক্ষা পালা তাকে তুমি আজীৱন মনত ৰাখিবা। আত্মা সম্বন্ধীয় কথাত মানুহৰ লগত ধৰ্মযাজকৰ যি সম্বন্ধ তাৰ বাহিৰে অন্য সম্পৰ্ক যদি এই ছোৱালীজনীৰ লগত গুৰিৰে পৰা তোমাৰ নাথাকিলহেঁতেন, তেন্তে এইবোৰ হ'বলে নাপায়। মানুহ হিচাপে তোমাৰ প্ৰতি তাইৰ মনত কিবা এটি কামনাৰ বীজ সোমাইছিল, সেই বীজ অঙ্কুৰিত হ'বৰ আশা দেখিবলৈ নাপালে তাই তোমাৰ পিচে পিচে আহি এইখিনি নাপালেহেঁতেন। মানুহৰ হিয়াৰ বতৰা পাবলৈ তিৰোতাৰ এটা বিশেষ শক্তি আছে। সিহঁতৰ নাক— চিকাৰী কুকুৰৰ নাকতকৈও বেছি শক্তিসম্পন্ন আৰু সেইবাবেই তোমাৰ কোনো এটা দুৰ্বলতাৰ গোন্ধ তাই পাইছিল। এই দুৰ্বলতা পাপ চিন্তাৰ ফল— গুৰিতে এই চিন্তাই তোমাৰ অন্তৰত স্থিতি লৈছিল। তাৰবাবে এইপৰ্যন্ত মই তোমাৰ কোনো প্ৰায়শ্চিত্তৰ ব্যৱস্থা কৰা নাই। এতিয়া তাৰ প্ৰয়োজন হৈছে। সেই প্ৰায়শ্চিত্ত কেনে ধৰণৰ হ'ব লাগিব মই স্থিৰ কৰা নাই, কিন্তু ই যে যথেষ্ট কঠিন ধৰণৰ হ'ব সেই সম্বন্ধে মই নিঃসন্দেহ।"

"ভাল মছিঅ" ফাদাৰ ওবেনিয়ননে দুখমনে নম্রভাৱে ক'লে।

মছিঅঁ ফিংসগিবনে অকস্মাৎ অনুভৱ কৰিলে যেন তেওঁ শ্রান্ত হৈ পৰিছে। ইমান কথা-কোৱাৰ পাছত তেওঁৰ বয়সৰ মানুহ এজনৰ ভাগৰ নলগাকৈ থাকিব পাৰেনে? তেওঁ বহি পৰিল আৰু কপালত বিৰিঙি উঠা ঘামখিনি মচি লাহেকৈ গাত ক্রচ্ চিনটো কৰিলে।

পূৰ্বৰ খিটখিটীয়া স্বভাৱটো ৰসজীপ নোহোৱা মাতেৰে সৈতে উভতি আহিল আৰু সেই মাতেৰে তেওঁ ক'লে "আজি-কালিতো তুমি হো-চানৰ বন্ধু হৈ পৰিছা; খুচিমতে সকলোফালে ঘূৰি ফুৰা। তাৰ লগত আমাৰ অলপ কথা আছে। যদিও তাৰ লগত কথা পতাৰ দৰে বেয়া কাম আৰু নাই, তথাপি কথাখিনি হ'ব লাগিব। যোৱা, তাৰে বন্দবস্ত কৰাগৈ।"

"ভাল বাৰু।" অলপ চিন্তা কৰি ফাদাৰ ওবেনিয়নে ক'লে, "কিন্তু দুৱাৰখন দেখোন মেলাই আছে, আপুনি মন কৰিলে ইয়াৰ পৰা গুচি যাব পাৰে। আমাৰ লগত ধন-বিত নাই বুলি জানিয়ে নেকি সিহঁতে আমাৰ কথা পাহৰিয়ে গৈছে হবলা।"

"দুৱাৰ খোলা পালোঁ বুলিয়েই ইয়াৰ পৰা গুচি যাম বুলি নাভাবিবা। মই এতিয়াও বন্দী আৰু সম্ভ্রমেৰে মুকলি কৰি নিদিয়াপৰ্যন্ত বন্দীৰ নিচিনাকৈ ইয়াতে সোমাই থাকিম। মই ভগৱন্তৰ প্ৰতি যিদৰে কৰ্তব্য পালন কৰোঁ, সেইদৰে মানুহৰ প্ৰতি কৰ্তব্যকো আওহেলা নকৰোঁ! "চিজাৰৰ প্ৰতি কৰা যেনে ব্যৱহাৰ.... সিটো শাৰী কি চোন....? ...বাৰু তুমি এতিয়া যোৱা।"

"ভাল মছিঅঁ"

এই গোমোথা গোঁৱৰ-গোবিন্দ বুঢ়াটোৰ প্ৰতি এটা চেনেহৰ ভাব মনত লৈ ফাদাৰ ওবেনিয়ন ওলাই গ'ল। হেজাৰ হ'লেও তেওঁৰ উপৰিৱালা।

★ ★ ★ ★

মছিঅঁ ফিংসগিবন কোঠালিটোত সোমোৱাৰ সময়ত হো-চান টোপনি গৈ আছিল উপযুক্ত দৰবৰ গুণত তাৰ শৰীৰ লাহে লাহে ব্যাধিমুক্ত হোৱাৰ বাবে সি ভাল পাই আহিছিল। দুই-এদিনতে সি সম্পূৰ্ণ আৰোগ্য লাভ কৰি উঠি-পৰি ফুৰিব পাৰিব। সিদিনা পুৱা তিনি বাটি ভাতৰ মণ্ডা আৰু চাৰিটা সিজোৱা হাঁহ কণী খাই সি

শুই পৰিছিল। শোৱাৰ লগে লগে তাৰ গভীৰ টোপনি আহিল। কোনোবাই তাক নাম কাঢ়ি মতা শুনি সাৰ পালে।

"হো-চান!"

সি চক খাই উঠিল আৰু চকু মেলি মছিঅঁক ঠিয় হৈ থকা দেখা পালে।

"কোনো পহৰা লগত নোহোৱাকৈ তুমি কেনেকৈ এইখিনি পালাহি?" সি দাবী কৰিলে।

"কতা, তোমাৰ বন্দীশালৰ তলাবোৰ দেখোন ভগা, সেইবোৰ যে এটাও মেৰামতি কৰা হোৱা নাই এই কথা তুমি নাজনা নহয়। কিন্তু মই হ'লে তোমালোকৰ ফাটেকৰ আইন-কানুন মানিয়ে চলিছিলোঁ।"

"কিন্তু মই আদেশ দিছিলোঁ যে সকলো সময়তে তোমালোকৰ ওপৰত কঢ়া নজৰ ৰাখিব লাগিব।" সি উঠিবলৈ চেষ্টা কৰিলে, টোপনিৰ জাল তেতিয়াও কটাই নাছিল।

"কোনে কাৰ আদেশ পালন কৰে? তদুপৰি মোৰ ওপৰত কঢ়া নজৰৰ কোনো দৰকাৰ নাই। মই আইন-কানুন জানোঁ আৰু নিয়মমতে খালাচ কৰি নিদিয়াপৰ্যন্ত সেইবোৰ মানি চলোঁ। সেই ফাউকৰ অৱস্থালৈ চালে দুখো লাগে আৰু হাঁহিও উঠে। সকলোতে ঠগামি, সকলোতে প্ৰৱঞ্চনা। তোমাৰ নিজৰ অৱনতিৰ বাবেই এনেকুৱা হ'বলৈ পাইছে। তাৰে কথাকে ক'বলৈ আহিছোঁ।" বাঁহৰ টুল এখন টান মাৰি আনি তেওঁ কৈ গ'ল "হো-চান মই পুৰোহিত হিচাপে তোমাৰ ওচৰ চাপিছোঁ।'

হো -চানে হাঁহি দিলে, "মোৰ কোনো পুৰোহিত নাই আৰু তাৰ কোনো প্ৰয়োজনো নাই।"

মছিঅঁই মনটো সংযত কৰি ক'লে— "ভগৱন্তই তোমাক খং কৰিছে সেয়েহে তুমি বেমাৰত ভুগি এইদৰে শৰ্যাশায়ী হ'বলগীয়া হৈছা। মই তোমাৰ শৰীৰ আৰু মনৰ স্বাস্থ্য ঘূৰাই পোৱাত সহায় কৰিম বুলি ভাবিছোঁ।"

"মোক কোনো সাহায্যৰ প্ৰয়োজন নাই। মই নিজেই উঠিব পাৰিম।" এইবুলি সি কোনোমতে উঠি থিয় দিলে। তাৰ শৰীৰ অত্যন্ত দুৰ্বল হৈ পৰিছিল। ভৰি দুখন থক্ থক্কৈ কঁপিবলৈ ধৰিলে আৰু থিয় দি থাকিব নোৱাৰি পুনৰায় বিছনাত বাগৰি পৰিল।

"এয়া দেখিছা? তুমি থিয় দিব নোৱাৰা।" তাৰ দুৰ্বলতাই মছিঅঁৰ মনটো সতেজ কৰি তুলিলে, "গতিকে তুমি মোৰ উপদেশ শুনিব লাগিব। হো-চান তুমি মোৰ শিষ্য আছিলা মই ধৰ্মমতে তোমাক পুত্ৰ বুলি গ্ৰহণ কৰিছিলো।"

"ধৰ্মৰ নামত এই পিতা-পুত্ৰ সম্বন্ধৰ ওপৰত মোৰ অকণো বিশ্বাস নাই, ধৰ্মপিতা কথাষাৰৰ একো অৰ্থ নাই । আৰু তেনে মানুহৰ মোৰ কোনো প্ৰয়োজনো নাই।"

"তুমি যিহকে নোকোৱা লাগে মই তোমাৰ ধৰ্মপিতা আৰু সেই অধিকাৰতে মই তোমাৰ ওচৰত আহি উপস্থিত হৈছোঁহি।" আত্মবিশ্বাসৰ সুৰত মছিঅঁই ক'লে।

"মোৰ তাতে কি হ'ল? তোমাক এতিয়াই ইয়াৰ পৰা টঙনিয়াই বাহিৰ কৰি দিম।" হো -চানে ক'লে।

বৰ চেষ্টা কৰি এই পৰ্যন্ত মছিঅঁই আত্মসম্বৰণ কৰি আছিল। খঙে মূৰৰ চুলি পালেও মুখত তেওঁ ধীৰ-স্থিৰ ভাব দেখুৱাইছিল আৰু মাতটোও যথা সম্ভৱ কোমলকৈ ৰাখিছিল। হো-চানৰ লগত তেওঁ আগেয়ে "তই' বুলিয়ে কথা কৈছিল। কিন্তু আজি তাক 'তুমি' সম্বোধন কৰিছিল আৰু এতিয়ালৈ সেই সম্বোধনেৰে তাৰ লগত কথা-পাতি আছিল। কিন্তু হঠাৎ তেওঁৰ সংযমৰ বান্ধ ছিগি গ'ল। স্বভাৱতে সৎ আৰু আচৰণত ধাৰ্মিক হ'লেও তেওঁ আইৰিছ। আইৰিছ মানুহৰ জাতিগত ক্ৰোধ তেওঁৰ তেজৰ লগত মিহলি হৈ আছিল। খঙত তেওঁ জ্বলি উঠিল। আগ্নেয়গিৰিৰ মুখেদি লাভা ওলোৱাৰ দৰে তেওঁৰ মুখেদি গালি ছিটিকিবলৈ ধৰিলে,

"চুৱাখোৱা, কুকুৰৰ পোৱালি, জহনীত যোৱা পাষণ্ড নৰাধম গুণ্ডা-বদমাছ ক'ৰবাৰ! তোৰ কথা মই নাজানোঁ বুলি ভাবিছ হবলা? তই ....তই মাইকী ছোৱালী এজনীক বেইজ্জৎ কৰিছ, তাইৰ সতীত্ব নষ্ট কৰিছ, চৰিত্ৰহীন!" খঙত তেওঁ কঁপিবলৈ ধৰিলে।

হো-চানে সকলো কথা শুনিলে, চকু দুটা তাৰ বহলকৈ মেল খালে। সি বাগৰ সলাই ঢেক ঢেককৈ হাঁহি পেলালে, "ঈৰ্ষা হৈছে নেকি বৃদ্ধ? মোৰ ঠাইফেৰা তুমি ল'ব খুজিছিলা নেকি? হাঃ হাঃ..........।"

"মনে মনে থাক মূৰ্খ। তোকেই মই শিকাইছিলোঁ নে? মই বিশ্বাস কৰিবলৈ টান পাইছো যে তোৰ অন্তৰত ধৰ্মৰ কাৰণে অকণমান ঠাইও নাছিল। ধাৰ্মিক হ'ব পৰা মনোবৃত্তি তোৰ আছিল। কিন্তু এতিয়া উপলব্ধি কৰিছোঁ যে তোৰ সেই অন্তৰ নাইকিয়া হৈ গৈছে— তই ধৰ্মৰ কথাবোৰ পুৰি খাইছ। তোৰ চৰিত্ৰৰ ইমান অৱনতি ঘটিছে যে পাপ কি তাকো বুজিবলৈ তোৰ শক্তি নাই।"

বিদ্ৰূপ কৰি সি ক'লে "পাপ? পাপ বুলি কোনো বস্তু নাই। তোমালোকৰ দৰে পাদ্ৰীবোৰৰ মনেসজা কথাৰ বাহিৰে ই আন একো নহয়। তোমালোকেই পাপৰ

প্ৰতি বেছি আসক্ত। পাপভিন্ন পাদ্ৰীৰ আন চিন্তা নাই। পাপেই তোমালোকৰ ব্যৱসায়ৰ মূলধন।"

এনেতে দুৱাৰত কোনোবাই টুকুৰিয়াই দিয়া কাণত পৰিল। কোঠালিৰ ভিতৰত তৰ্ক চলি থাকোঁতে তেওঁলোকে মনেই কৰা নাছিল যে দুৱাৰত কেতিয়াবাৰে পৰাই কোনোবাই অপেক্ষা কৰি আছিল। শব্দটো কাণত পৰাত মছিঅঁ গৈ দুৱাৰখন খুলি দিলে। চাপ্ৰাছী এটা সোমাই আহি হো-চানক চালাম দি ক'লে—

"সেনাপতি আপোনাৰ মাননীয় দেউতাক আৰু মাকে আপোনাৰ অসুখৰ কথা শুনি গাঁৱৰ ঘৰৰ পৰা আহিছে। আপোনাৰ বাবে তেওঁলোকে এমোনা কণী আৰু ঘৰতে ৰন্ধা মুৰগিৰ জোল লৈ আহিছে।"

হো-চানে হাত জোকাৰি ক'লে— "যাবদে সিহঁতক, খেদি দে। মোৰ মা বা দেউতা কোনো নাই। কোনোবা আছিল যদিও দেশৰ কামত হাত দিয়াৰ লগে লগে মই সিহঁতক পৰিত্যাগ কৰিছোঁ। সিহঁতৰ লগত মোৰ কোনো সম্বন্ধ নাই আৰু এই কথা সিহঁতক জনাই দিয়া হৈছে। এতিয়া মোক কিয় দিগদাৰি কৰিবলৈ আহিছে। সিহঁতক কৈ দে যাতে কেতিয়াও মোৰ ওচৰলৈ নাহে।"

চাপ্ৰাছীটোৱে ইতস্ততঃ বোধ কৰিলে। তাকে দেখি হো-চানে গৰ্জি উঠিল "শুনা নাই মোৰ কথা?" চেলাউৰিযোৰ কোঁচ খুৱাই চকু ঘোপা কৰি সি এনেকৈ চালে যে তাক বাঘ যেন দেখা গ'ল। সি বহু সুস্থ হৈ পৰিছিল। অন্ততঃ মছিঅঁক দেখুৱাবলৈ সি বেছ সুস্থ মানুহৰ দৰে দপ্‌দপাই উঠিল।

"শুনিছো কৰ্নেল চাহাব" বুলি চাপ্ৰাছীটোৱে সন্তৰ্পণে চালাম দি সৈনিকৰ কায়দাত ওলাই গ'ল।

মছিঅঁই এইবোৰ দেখি আৰু হো-চানৰ কথা শুনি হতভম্ব হৈ গ'ল। তেওঁ লাহে লাহে বিছনাৰ ওচৰ চাপিল। মনৰ পৰা খং ভাবটো আঁতৰিল আৰু তাৰ ঠাইত অন্তৰত বৰ দুখ লাগিল। তেওঁ টুলখনত হো-চানৰ মুখামুখিকৈ বহিল। সি এজন ডাঙৰ বিষয়া নহৈ সামান্য ল'ৰা এটাহে যেন এনেভাৱে তেওঁ ক'লে—

"হো-চান মই চকু আৰু কাণক পতিয়াবলৈ টান পাইছোঁ। তই তোৰ পিতৃ-মাতৃক নমনা হবলৈ ক'ত শিক্ষা পালি বাৰু? ভগবানৰ পঞ্চম আদেশটো পাহৰি গলি নেকি? এই আদেশৰ প্ৰত্যেকটো কথাকে তই মুখস্থ কৰিছিলি দেখোন? সেই সকলো কথা পাহৰি গলি নেকি?"

"এৰা পাহৰিছিলোঁ—জোছেফ ষ্ট্যালিনেও পাহৰি গৈছিল।" বৃদ্ধ মছিঅঁৰ ফালে কঠিন দৃষ্টি নিক্ষেপ কৰি সি উত্তৰ দিলে। তাৰ পিচত সি দেৱালৰফালে মুখ ঘূৰাই শুই থাকিল।

★ ★ ★ ★

"মই মনে-প্ৰাণে আপোনাকহে ভাল পাওঁ। তেনে অৱস্থাত কেনেকৈ হো-চানক বিয়া কৰাওঁ?"

এই প্ৰশ্নটো চিউলানে ফাদাৰ ওবেনিয়নকে কৰিলে। তাই ঠেক বিছনাখনতে বহি আছিল আৰু বাহিৰত থকা পহৰাটোৱে দুৱাৰৰ ফাকেদি কৌতূহলীপূৰ্ণ দৃষ্টিৰে ভিতৰলৈ চাই আছিল। ফাদাৰ ওবেনিয়ন নিজৰ কোঠাটোত সোমাই তাইক সেই অৱস্থাত দেখা পালে। তাইৰ কাষত অলপ দূৰত্ব ৰক্ষা কৰি বিছনাখনতে তাইৰ লগত আন কথা নাপাতি হো-চানৰ কথা উলিয়াই ক'লে যে তাইৰ গৰ্ভস্থ শিশুটিৰ পিতৃ হোৱা বাবে তাকেই তাই বিয়া কৰোৱা উচিত। তেওঁৰ কথা শুনি তাই এই প্ৰশ্নটো কৰিলে। ফাদাৰ ওবেনিয়নৰ বুকুত কোনোবাই খোঁচ মাৰি দিয়া যেন লাগিল।

"নাই,--নাই মোক তুমি ভাল নোপোৱা....."

বাধা দি তাই ক'লে — "পাওঁ—পাওঁ – প্ৰভু মই আপোনাকেই ভাল পাওঁ। প্ৰতিদানৰ আশা নাই বুলি জানোঁ, কিন্তু তথাপি আপোনাকে মই ভাল পাওঁ, পূজা কৰোঁ।"

তাইৰ কথা স্পষ্ট। কোনো চাতুৰী বা অভিনয় নকৰাকৈ সৰলভাৱে তাই কথাখিনি কৈ পেলালে। চিন্তা আৰু অশান্তিত তাই কাতৰ হৈ পৰিছিল আৰু কান্দোঁতে কান্দোঁতে চকু ফুলি উঠিছিল। চুলিখিনি ফণীয়াই বেণী গুঁঠিবলৈ বা চকুপানীৰ দাগ লাগি থকা গাল দুখন মছিবলৈ তাই পাহৰি গৈছিল। মুখত আগৰ জেউতি নাই।

ফাদাৰ ওবেনিয়নৰ মনলৈ এটাৰ পিচত আনটো চিন্তাৰ সোঁত ব'বলৈ ধৰিলে। নিজকে নিষ্কলুষ আৰু মনটো যথেষ্ট সবল যেন লাগিব। আত্মবিশ্বাস অটুট হৈ থাকিলেও তেওঁ এই ছোৱালীজনীৰ কথা বুজিবলৈ চেষ্টা কৰিলে আৰু তাইৰ প্ৰতি পুতৌ জন্মিল। ডাবলিনত থাকোঁতে কোনো এখন মনাষ্টাৰীৰ বুঢ়া আৰু প্ৰবীন ধৰ্ম যাজকৰ কথাকেষাৰ মনাষ্টাৰীৰ বুঢ়া আৰু প্ৰবীণ ধৰ্ম্মযাজকৰ কথা কেইষাৰমান তেওঁৰ মনত পৰিল। কেইবাবছৰ আগৰ কথা।

"এইযে প্ৰেম বোলা অনুভূতি এটা আছে, ইয়াক মানৱীয় স্তৰৰ পৰা উন্নীত কৰি ভগবানৰ সেৱাত নিযুক্ত কৰিব পাৰি। নাৰীৰ সুপ্ত অন্তৰ প্ৰেমেই জগাই তোলে, মনন শক্তি তীব্ৰ, অন্তৰ কোমল আৰু চিত্ত গ্ৰহণশীল কৰে। সেইবাবে প্ৰেমাপ্লুত নাৰীক সাৱধানে আগবঢ়াই নিবা, তুমি থাকিবা পিচত। তুমি বাট দেখুৱাই দিবা আৰু কৰুণাময় ঈশ্বৰৰ পথলৈ আঙুলিয়াই থাকিবা। তেওঁৰ মাহাত্ম্য অপৰূপ সৌন্দৰ্য আৰু কমনীয়তাৰ কথা ক'বা। কোনো মানুহৰ লগত সেই সৌন্দৰ্য আৰু কমনীয়তাৰ তুলনা নহয়। নাৰীৰ অন্তৰৰ পাৰ্থিৱ প্ৰেম, ঐশ্বৰিক প্ৰেমত ৰূপান্তৰিত কৰাই ধৰ্মযাজকৰ কৰ্তব্য-- এয়েই তোমাৰ ব্ৰত।"

কথাখিনি খুব ভাল আৰু অতি মূল্যবান। কিন্তু চিউলানৰ ক্ষেত্ৰত এই উপদেশ মতে কাম কৰা যায় কেনেকৈ? সেই জ্ঞানী মানুহজনে বোধকৰোঁ জনা নাছিল যে প্ৰেমত পৰা তিৰোতা অত্যন্ত আঁকোৰগোজ হয়। তেওঁ দীঘলকৈ উশাহ লৈ আকৌ এবাৰ চেষ্টা কৰি চাবৰ মনেৰে ক'লে--

"চিউলান, তুমি মোৰ ফালে চাইছা, কিন্তু আচলতে মোক দেখা নাই। তুমি যাক ভাল পাইছা সেইজন মই নহয়, মোৰ অন্তৰত থকা আন এটা সত্তাহে । সেই সত্তাটোৱে ঈশ্বৰ; গতিকে তুমি প্ৰকৃততে ঈশ্বৰকহে ভাল পাইছা, মোক নহয়। তুমি এই পৰ্য্যন্ত প্ৰকৃত প্ৰেম কি বস্তু তাক দেখাই নাই। দেখিছা নিষ্ঠুৰতা-আত্মম্ভৰিতা আৰু হিংসা বিদ্বেষ- অসূয়া। মই ধৰ্মযাজকৰ ব্ৰত লোৱা হেতুকে ঈশ্বৰৰ ইচ্ছাত এইবোৰৰ এটা গুণো মোৰ গাত নাই আৰু বোধকৰোঁ সেইবাবেই তুমি মোৰ প্ৰতি আকৃষ্ট হৈছা। মই নিষ্ঠুৰ, আত্মম্ভৰী বা হিংসুক নহওঁ ; ধৰ্মযাজক নোহোৱাহেঁতেন এই গুণবোৰ হয়তো মোৰ গাতো থাকিলহেঁতেন। মানুহ হিচাপে আনবোৰৰ লগত মোৰ অকণো প্ৰভেদ নাই। হয়তো হো-চানতকৈ মই বহু তল খাপৰহে, তাৰ অন্তৰখন মোৰ মতে সিমান নীচ নহয়। সি অযথা নিজকে বেয়া বুলি জাহিৰ কৰিবলৈ চেষ্টা কৰে মাথোন। মই তাৰ ভিতৰত সাধুতাৰ লক্ষণ দেখিছোঁ। এই সাধুতাই বাৰে বাৰে আত্মপ্ৰকাশ কৰিবলৈ বিচাৰে। কিন্তু সি বাধা দিয়ে। এই অন্তৰ্দ্বন্দ্ব নাথাকিলে সি ইমান খণ্ডাল আৰু বদমেজাজী নহ'লহেঁতেন। তোমাক স্ত্ৰী হিচাবে লাভ কৰিলে তাৰ এই উদণ্ড বাহ্যিক চৰিত্ৰটোৱে হাৰ মানিব লাগিব। তুমি প্ৰেমহে বিচৰা, চিউলান, আৰু মোৰ বিশ্বাস, সিও অন্তৰে অন্তৰে প্ৰেমৰ বাবে ব্যাকুল হৈ পৰিছে।"

তাই এনে কথা শুনিব নোখোজে। তাই আকৌ কান্দিবলৈ ধৰিলে। কান্দোনত তাইৰ বুকু ভাঙি যাওঁ ভাঙি যাওঁ হ'ল।

"সি যিয়েই কি নহ্‌ল, সেই কথা জনাৰ একো প্ৰয়োজন নাই।" কান্দি কান্দি তাই কৈ গল "মই কেৱল আপোনাকহে জানোঁ। মানুহেই হওক বা দেৱতাই হওক--আপুনিয়েই মোৰ সকলো।"

তাই ছলনা কৰা নাছিল বা ফাদাৰ ওবেনিয়নৰ মন ভুলাবলৈ কৃত্ৰিম চকুলো টোকা নাছিল। কান্দি কান্দি তাই তেওঁৰ মুখৰ ফালে চাই থাকিল।

ফাদাৰ ওবেনিয়নে থিয় দিলে। প্ৰত্যেকটো আখৰতে জোৰ দি মাতিলে "চিউলান, তুমি যদি পুনৰায় মোক প্ৰেমৰ কথা কোৱা, তেন্তে মোক আৰু দেখিবলৈ নাপাবা। আনকি তোমাৰ ধৰ্ম্মগুৰু হিচাবেও মই তোমাৰ ওচৰলৈ আহিবলৈ এৰি দিম। এই মুহূৰ্ত্ততে তুমি মন ঠিক কৰিব লাগিব হয়তো মোক কেৱল ধৰ্ম্মযাজক হিচাপে গ্ৰহণ কৰা, অথবা মোৰ কথা একেবাৰে পাহৰি যোৱা।"

চিউলানে জানে যে ফাদাৰ ওবেনিয়নে কথাখিনি এনেয়ে কোৱা নাই। তাই উপলব্ধি কৰিলে যে মানুহ হিচাবে তেওঁ নিজৰ অস্তিত্ব লুপ্ত কৰি দি কেৱল পাদ্ৰী হিচাবে তাইৰ ওচৰত নিজকে প্ৰতিষ্ঠা কৰিব খোজে । তেওঁ যি কয়— যি ভাবে আৰু যি দৰে তাইৰ আগত থিয় দিয়ে--সকলো ধৰ্ম্ম যাজকৰ ৰূপত হে।

ফাদাৰ ওবেনিয়নে হয়তো তাইৰ শান্তিৰ বাবেই ইমানখিনি কৰিছে। কিন্তু তাই হ'লে শান্তি পোৱা নাই। নিজকে একান্তভাৱে অকলশৰীয়া যেন লাগিল। তাইৰ যেন এই বহল পৃথিৱীখনত নিজৰ বুলিবলৈ কোনো নাই— এই মুহূৰ্তত তাইৰ একমাত্ৰ আপোন বুলিবলৈ আছে মাত্ৰ গৰ্ভত থকা শিশুটি। সেই শিশুটিৰো তাইৰ বাহিৰে আন কোনো নাই। পেটৰ সন্তানটোলৈ মনত পৰাত তাই হঠাৎ উপলব্ধি কৰিলে যে তাই এগৰাকী মাতৃ হ'বলৈ বেছি দিন নাই। এই মাতৃত্বই তাইৰ অন্তৰত নাৰী হিচাপে এটা নতুন চেতনা জগাই তুলিলে। তাই আৰু সাধাৰণ গাভৰু ছোৱালী নহয়। মুকলিমূৰীয়া চঞ্চল কৌতূহল বা খেলা-ধূলাৰ নামত বলিয়া হোৱা স্বভাৱৰ সলনি অন্তৰত উদয় হ'ল এটা গাম্ভীৰ্য, এটা বাস্তৱ দৃষ্টিভঙ্গী — আৰু এটা নাৰীত্বৰ গৌৰৱ। ফাদাৰ ওবেনিয়নক তাই যেন নতুনকৈ চিনি পালে—এই পৰিচয়ত অহৈতুকী শিহৰণ নাই। আছে স্থিৰতা, কল্পনাৰ ৰামধেনুৰ সলনি এটা বাস্তৱ স্বীকৃতি। এই পৰিচয়ত উত্তেজনা বা অভিমান নাই।

ফাদাৰ ওবেনিয়নে কৈ থাকিল "চিউলান হো-চানৰ বিষয়ে চিন্তা কৰি চোৱাচোন। এই ডেকা মানুহজন কিমান ৰূপহ আৰু কিমান বলিষ্ঠ। সি হয়তো সৎপথৰ পৰা আঁতৰি গৈছে; কিন্তু তাক আকৌ ভাল পথলৈ ঘূৰাই অনাটো অসম্ভব নহয়। প্ৰেমে কৰিব নোৱাৰা— এনে কোনো কাম নাই।"

তাই কথাবোৰ শুনি বিমোৰত পৰিল। হাতৰ আঙুলিবোৰ অস্থিৰভাৱে লাৰি-চাৰি দাঁতেৰে কামুৰি ধৰি শেষত কোনোমতে ক'লে--

"চেষ্টা কৰি চাম বাৰু। সচাঁকৈয়ে মই চেষ্টা কৰিম ফাদাৰ।"

"চেষ্টা কৰিলে কৃতকাৰ্য হ'ব পাৰিবা চিউলান। যত্নৰ অসাধ্য একো নাই।" ফাদাৰ ওবেনিয়নে লাহেকৈ শলাগি তাইৰ মূৰত হাতখন থৈ আশীৰ্বাদ দিলে।

★ ★ ★ ★

এমাহ -দুমাহকৈ কেবামাহো উকলিল। শীত গৈ বসন্ত কাল আহিল আৰু বসন্তৰ পিচত গ্ৰীষ্ম কাল পৰিল। দুয়োজন পাদ্ৰী আকৌ ৰেক্টৰীত থাকিবলৈ ল'লে। কিন্তু তেওঁলোকৰ ওপৰত নজৰ ৰাখিবলৈ সদায় পহৰাৰ বন্দবস্ত কৰা হ'ল। প্ৰায়ে তেওঁলোকক হেডকোৱাৰ্টাৰলৈ মাতি নি নানা ৰকম প্ৰশ্ন কৰি ব্যতিব্যস্ত কৰা কাম চলি থাকিল। হো-চান এতিয়া সম্পূৰ্ণ সুস্থ। হেৰোৱা স্বাস্থ্য ঘূৰাই পাই সি বেছি নিৰ্ম্মম হৈ পৰিল।

"এই হো-চানটোৱে যে কেলেই ইমান নিষ্ঠুৰ হৈ পৰিছে মই বুজি নাপাওঁ।" দীঘলকৈ নিশ্বাস পেলাই মছিঅঁই নিজকে নিজে প্ৰশ্ন কৰিলে। এই কেইমাহৰ অৱৰোধ আৰু নিৰ্যাতনৰ ফলত তেওঁৰ বয়স বহুতো বাঢ়ি যোৱা যেন দেখা গৈছিল। কিন্তু মনোবল টুটা নাছিল আৰু সময়ে সময়ে তেওঁ খণ্ডত অস্থিৰ হৈ পৰিছিল।

আজিকালি তেওঁলোক সদায় সন্ত্ৰস্ত হৈ থাকে। আজিৰ দিনটো আছিল অত্যন্ত গৰম, আকাশত অকণো মেঘ নাছিল আৰু প্ৰখৰ ৰ'দৰ তাপত গছ-গছনি ডেই যোৱা যেন হৈছিল। নীলা আকাশখন বগা পৰি গৈ এটা অসহনীয় অৱস্থাৰ সৃষ্টি কৰিছিল। যিকোনো সময়তে তেওঁলোকক মাতি পঠিয়াব পাৰে তাৰেবাবে যেন দুয়ো উদগ্ৰীব হৈ অপেক্ষা কৰিছিল।

ফাদাৰ ওবেনিয়নে উত্তৰ দিয়াৰ ছলেৰে ক'লে, "হো-চান ইমান বেয়া নাছিল মছিঅঁ। এই চুং বোলা লেফ্‌টেনান্টজনেহে তাক সদায় উচটাই আছে। তেতিয়াহ'লে সি হো-চানৰ ঠাই অধিকাৰ কৰিব পাৰিলেহেঁতেন। পিচে সি ভাল হৈ উঠাত তাৰ আশা পূৰণ নহ'ল। সদায় সি হো-চানৰ দোষ বিচাৰি ফুৰে।"

"তুমি দেখোন এই পাষণ্ড হো-চানটোৰ ফলীয়া হৈ বৰ ওকালতি আৰম্ভ কৰিছা ?" মছিঅঁই গেৰগেৰাই উঠিল। "তোমাৰ কথা শুনিলে কোনোবাই তোমাকো লালবাহিনীৰ মানুহ বুলি ভাবিব।" তেওঁ তালপাতৰ বিচনী এখন লৈ খুব জোৰে বিচিবলৈ ধৰিলে।

ফাদাৰ ওবেনিয়নে কিবা ক'বলৈ আৰম্ভ কৰাৰ আগতে এজনী বয়সস্থা চীনা তিৰোতা কাহ মাৰি ভিতৰলৈ সোমাই আহিল।

তাইৰ গাত সাধাৰণ চীনা সাজপাৰ— নীলা কপাহী চোলা এটা আৰু গাঁৱলীয়া তিৰোতাই পিন্ধা পেণ্টলুণ্ডৰ দৰে পায়জামা এটা। ঘৰ সোমায়ে তাই দুয়োজন পাদ্ৰীকে নমস্কাৰ জনালে।

এইজনী চিউলানৰ মাক। ছোৱালীৰ অসুখৰ সময়ত তাইৰ আলপৈচান ধৰিবলৈ আহি মছিঅঁৰ অনুমতি লৈ ৰেক্টৰীৰ চৌহদৰ ভিতৰতে পূবৰ ফালে থকা ঘৰ এটাত জীয়েকৰ লগত আছিলহি। আজি এমাহমান চিউলান ঘৰৰ পৰা ওলোৱা নাই। মাকেই ৰন্ধা-বঢ়া আদি সকলো কৰিছিল। ৰেক্টৰীৰ বাহিৰলৈ যোৱা কাৰো পক্ষে সম্ভৱ নাছিল ।

"কি হ'ল ?" মছিঅঁই তিৰোতাজনীক প্ৰশ্ন কৰিলে।

"মোৰ ছোৱালীৰ এটা ল'ৰা সন্তান উপজিছে" মাকে হাঁহি মাৰি ক'লে।

মছিঅঁই আচৰিত হৈ সুধিলে "কেতিয়া ?"

"আজি আঠদিন হ'ল। আমাৰ নিয়মমতে জন্মাৰ আঠদিনলৈ কাকো একো ক'ব নেপায়।" তাই এটা ৰঙা কাপোৰৰ সৰু টোপোলা লৈ আহিছিল। টোপোলাটো সোলোকোৱাত চাৰিটা কণী ওলাই পৰিল। কণীকেইটা বোলাই ৰঙা কৰি পেলোৱা হৈছিল।

"ল'ৰা সন্তান জন্মা বাবে এই চাৰিটা কণী উপহাৰস্বৰূপে আপোনালোকলৈ আনিছোঁ। এই চিপাহীবোৰৰ তাপত কণী পাবলৈ নাইকিয়া হৈছে আৰু দুই-এটা পালেও তাৰ জুইছাই দাম।"

কণীকেইটা হাতত লৈ ফাদাৰ ওবেনিয়নে ক'লে, "তোমাক অভিনন্দন জনাইছোঁ। নাতি ল'ৰা পোৱাটো বৰ ভাগ্যৰ কথা। তোমাৰ ধন-সম্পদ বাঢ়ক আৰু সুখ-শান্তিয়ে মনত স্থিতি লওক, পিচে কেঁচুৱাটিৰ বাবে মোৰ উপহাৰ এটা আছে ; তাকে লোৱা।" বুলি তেওঁ ৰঙা কাগজেৰে মেৰিওৱা ৰূপৰ মোহৰ দুটা আগবঢ়ালে। বহুদিন আগতে তেওঁৰ সাঁচতীয়া ক্ষুদ্ৰ ভঁৰালৰ পৰা এই দুটা মোহৰ যোগাৰ কৰি থৈছিল— তাকেই কেঁচুৱাটোলৈ উপহাৰ দিলে।

তিৰোতাজনীয়ে হাঁহি মাৰি উপহাৰটো লৈ ক'লে— "আমাৰ নিয়মবোৰ আপুনি জানে দেখিছো। পালন কৰি উচিত কামেই কৰিছে। মই মোৰ ছোৱালীৰ হাতত এই উপহাৰটো অৰ্পণ কৰিম আৰু তাই নিশ্চয় আপোনালোকৰ ওচৰত কৃতজ্ঞ হৈ থাকিব।" ফাদাৰ ওবেনিয়নৰ ওচৰ চাপি তাই সকলোকে ক'লে— "তাই এবাৰ আপোনাক মাতিছে— ল'ৰাটিক চাবলৈ।"

মছিঅঁৰ অনুমতি ল'বলৈ বুলি ফাদাৰ ওবেনিয়নে সুধিলে, "যাম জানো মছিঅঁ?"

"নিশ্চয় যাবা"— মছিঅঁই তৎক্ষণাৎ কৈ উঠিল।

এই অতি বিশ্বাসী শিষ্যজনৰ ওপৰত তেওঁৰ সম্পূৰ্ণ আস্থা আছে। কণী এটা হাতত লৈ বাকলি এৰুৱাই এৰুৱাই তেওঁ ক'লে, "ল'ৰাটোক কিবা এটা নামো দিব লাগিব নহয়।"

মছিঅঁৰ অনুমতি পাই ফাদাৰ ওবেনিয়ন চিউলানৰ মাকক অনুসৰণ কৰি ওলাই গ'ল। বাগিছাখন পাৰ হৈ তেওঁ চিউলানৰ ঘৰত সোমাই দেখিলে যে তাই গা-পা ধুই পৰিষ্কাৰ কাপোৰ-কানি পিন্ধি কেঁচুৱাটো কোলাত লৈ তেওঁৰ বাবে অপেক্ষা কৰি আছে। কেঁচুৱাটোক ৰঙা কপাহী চোলা আৰু জাঙিয়া পিন্ধাই দি মূৰৰ চুলিবোৰ ধুনীয়াকৈ ওপৰলৈ ফণীয়াই অকণমান খোপা এটাৰ দৰে কৰি এফালি ৰঙা ৰেচমৰ ফিটা মেৰিয়াই দিছিল। তাইৰ ক্ষীণ মুখখনত এটা গৰ্ব আৰু সন্তোষৰ ভাব স্পষ্টভাৱে ফুটি উঠিছিল। চকু-কাণ, নাক-মুখ, অস্থি মাংস আদিৰে সৈতে অকণমান কেঁচুৱাটো, তাৰ হাঁহি-ক্ৰন্দোন ইত্যাদি সকলোবোৰ তিলতিলকৈ গঢ় দিছে একমাত্ৰ তাই। তায়ে তাক নিজৰ গৰ্ভত লালন-পালন কৰি জন্ম দিছে। তাই যেন কুমাৰী মেৰী, তাইৰ সন্তানৰো যেনিবা কোনো পাৰ্থিৱ জনক নাই।

হাতত সাৰে ভৰিত সাৰে ফাদাৰ ওবেনিয়ন চিউলানৰ ঘৰত সোমাল। তেওঁ ল'ৰা-ছোৱালী বৰ ভাল পাইছিল। এই কেঁচুৱাটো দেখি তেওঁ যে ভাল পাব ই ঠিক। ঘৰ সোমায়েই চিউলানৰ কোলাত থকা অকণমান ঘূৰণীয়া মুখখন দেখি সেইফালে চায়ে থাকিল।

"আচলতে সি বৰ ধুনীয়া। বাঃ কেনে স্বাস্থ্যবান আৰু নোদোকা! সাধাৰণতে ওপজোঁতে ল'ৰা-ছোৱালী ইমান শকত হয় জানো?"

"নহয়" চিউলানে উত্তৰ দিলে— "সেয়েহে আপোনাক মাতি আনিছো। আপুনি তাৰ ধৰ্ম পিতা। তাক চাওঁকচোন সি কেনে ডাঙৰ দীঘল। মাই কয় যে তাক তিনিমহীয়া কেঁচুৱা যেন দেখি, নহয় জানো মা?"

"অঁ তো!" চকুত এটা প্ৰশংসাৰ দৃষ্টিলৈ মাকে হয়ভৰ দিলে।

লাজ লাজ ভাবত চিউলানে ফাদাৰ ওবেনিয়নৰ মুখলৈ চালে, "আপোনাৰ বাবেই ই এনে হৈছে। আপুনি পঠোৱা খাদ্যবোৰৰ ফলতেই ইমান নোদোকা হৈছে। আপোনাৰ ভাগৰ ৰচদ-পাতিৰ বেচিভাগেই মোলৈ পঠাই আপুনি কিজানি উপবাস কৰিবলগীয়া হৈছিল!"

এইটো যেন কথাৰ কথাই নহয়, এনেভাৱে সেই কথালৈ একো মনোযোগ নিদি ফাদাৰ ওবেনিয়নে ক'লে, "চোৱাচোন তাৰ চকু দুটা কেনে ডাঙৰ আৰু উজ্জ্বল। খুব ভাল লক্ষণ। এই চকু কেৱল তোমাৰ পৰা পোৱা নহয় দেই.......!"

চিপাহী এটাই তেওঁক বাধা দিলে। সি ভিতৰলৈ সোমাই আহি পোনে তেওঁৰ হাতত ধৰি টান মাৰিলে!

চিউলান চক খাই উঠিল। কেঁচুৱাটো মাকৰ কোলাত দি তাই উঠি চিপাহীটোৰ সমুখলৈ আগুৱাই গ'ল। ৰুদ্ৰমূৰ্তি ধৰি তাই গৰ্জি উঠিল "কি সাহসত তই মোৰ ঘৰ সোমাৱ হঁ? গুণ্ডামি কৰিবৰ ঠাই নাপালি হৰলা— ওলা--ইয়াৰ পৰা।"

চিপাহীটোৱে ঢেকঢেককৈ হাঁহি দিলে। কেঁচুৱাটোৰ থুঁতৰিটো আঙুলিৰে নচুৱাই দি সি ক'লে "এই চকুহাল দেখি মোৰ এজন মানুহৰ মুখলৈ মনত পৰিছে— একে চকু!" তাৰ পিচত ফাদাৰ ওবেনিয়নৰ ফালে চাই ক'লে, "তোমাৰ প্ৰতি আদেশ আছে পাদ্ৰী। সেনাপতিয়ে তোমাক হেড্‌কোৱাৰ্টাৰসৈ এতিয়াই যাবলৈ আদেশ দিছে।"

চিউলানলৈ চাই ফাদাৰ ওবেনিয়নে ক'লে, "মই যাব লাগিব। তাৰ নামকৰণ কৰিবলৈ পিচত আহিম দেই।"

তাই অন্তৰেৰে কান্দি উঠিল। বিৰবিৰকৈ মুখেৰে ক'লে. "যোৱা তুমি সদায় আনৰ কথাহে চিন্তা কৰা।" ফাদাৰ ওবেনিয়নে আগে আগে খোজ দিলে আৰু চিপাহীটোৱে তেওঁৰ পিঠিত সঙ্গীনটো লগাই দি পাচে পাচে গৈ থাকিল।

★ ★ ★ ★

চাৰিচুকীয়া মেজখনৰ কাষত গম্ভীৰ হৈ বহি আছে হো-চান, বাওঁফালে লেফ্‌টেনাণ্ট চুংৰেন। দুয়োৰে সমুখত কাঠৰ বেঞ্চ এখনত ফাদাৰ ওবেনিয়নক বহাই হাত দুখন পিঠিৰ ফালে আনি কিলাকুটি দুটা ৰছীৰে বান্ধি থৈছে। তেওঁৰ মুখৰ ওপৰেদি ঘাম বৈ আছিল। দুটা চিপাহীয়ে হাতত সঙ্গীন লৈ পিচফালে থিয় হৈ

আছিল। আজি কেইবাসপ্তাহো তেওঁক বন্ধা নাছিল। ইয়ালৈ আহিয়ে হো-চানৰ মাৰ মূৰ্তি দেখি তেওঁ জানিলে যে আজি কপালত দুৰ্ভোগ আছে। নিৰ্যাতনৰ বাবে মনে মনে নিজকে প্ৰস্তুত কৰিলে। ঈশ্বৰক ধন্যবাদ দিলে যে তেওঁ সিদিনা অকলশৰীয়া। মছিঅঁই কিজানি এই বিষয়ে একোকে জানিব পৰা নাই!

হো-চানে খেং খেঙাই উঠিল "স্বীকাৰ কৰা পাদ্ৰী— কোৱা যে তুমি এজন গুপ্তচৰ।"

সেই একে অভিযোগ। পুৰণা গেলা মিথ্যা অভিযোগটোকে পুনৰায় উত্থাপন কৰা হৈছে।

শান্তভাৱে ফাদাৰ ওবেনিযনে উত্তৰ দিলে, "হেজাৰবাৰ এইদৰে তুমি মোক একেটা কথা স্বীকাৰ কৰিবলৈ আদেশ কৰিছা! ময়ো হেজাৰবাৰেই তোমাক কৈছোঁ যে এই মিছা অভিযোগটো মই মূৰ পাতি নলওঁ। মই গুপ্তচৰ নহওঁ।"

হো-চানে মেজত থকা কেটলীটো লৈ তাৰ মুখতে মুখ লগাই কেইঢোকমান চাহ খালে আৰু পিচত থৈ দিলে। চিপাহী দুটাক তেওঁৰ পিঠিত সঙ্গীনেৰে খুঁচিবলৈ সি আদেশ দিয়াত সিহঁতে হলৌ চোলাটোৰ মাজেদি জোংটোৰে হানি দিলে। কষ্ট পাম বুলি তেওঁ সাজু হৈ আছিল কিন্তু অকণো দুখ নোপোৱাত আচৰিত হৈ পৰিল। সিহঁতে ইমান আস্তে জোংটো লগাই দিছিল যে তেওঁৰ গাত নালাগিলেই। তেওঁ মনে মনে আচৰিত হ'ল যদিও ভালো পালে। কিন্তু ৰছীৰ বান্ধবোৰে তেওঁক অসহ্য যন্ত্ৰণা দিলে। অলপ লৰচৰ কৰিলে গলৰ ফাঁচটো টানকৈ লাগিব বুলি ভয়তে তেওঁ যেনেকৈ আছিল তেনেকৈয়ে বহি থাকিল।

এটা গলখেকাৰি মাৰি হো-চানে ডিঙিটো পৰিষ্কাৰ কৰি ল'লে। তাৰ পিচত অভাৱনীয়ভাৱে মাতটো নৰম কৰি ক'লে, "গুপ্তচৰ বুলি স্বীকাৰ কৰিবৰ কথা কৈছোঁ, কৰা! তোমালোক যে আমেৰিকাৰ চোৰাংচোৱা আৰু তোমালোকৰ চৰকাৰৰ হৈ ইয়াত কাম কৰি আছা তাৰ প্ৰমাণ আমাৰ হাতত আছে। তদুপৰি এইটো স্বাভাৱিক যে তোমালোকে নিজৰ দেশৰ বাবে কাম কৰিবই লাগিব। এই সহজ কথাটো যদি স্বীকাৰ নকৰা তেন্তে মই মোৰ ইচ্ছাৰ বিৰুদ্ধে তোমালোকক যন্ত্ৰণা দিবলৈ বাধ্য হম। মই নিৰুপায়, মোৰ কৰ্তব্য মই কৰিবই লাগিব।"

বিৰক্ত হৈ ফাদাৰ ওবেনিয়নে ক'লে, "মই চোৰাংচোৱা বা গুপ্তচৰ একোৱে নহয়। তোমাৰ কৰ্তব্য পালনত সহায় কৰিবলৈ মই মিছা কথা ক'ব লাগিব বুলি কোনো বাধ্যকতা থাকিব নোৱাৰে।"

হো-চানে ফোঁচ ফোঁচকৈ উশাহ লৈ হুকুম দিলে "ৰছীবোৰ টান—।"

চিপাহীকেটা ৰছী টানিবলৈ বুলি আগুৱাই আহিল। এনেতে লেফ্‌টেনেণ্ট চুঙে কলে, "এই পাদ্ৰীক কোবাবও লাগে।"

"ৰবা ৰছীয়ে তাক কিমান পোনায় চাওঁ ৰবা।"হো-চানে উত্তৰ দিলে।

"আপুনি বৰ ঢিলা" চুঙে আপত্তি কৰিলে।

"বাৰু, চোৱা যাওঁক। যদি ইয়াতো স্বীকাৰ নকৰে, তেন্তে তাক থেতেলিয়াম বাপেকে।" হো-চান মান্তি হ'ল।

ৰচীৰ বান্ধবোৰ টানিবলৈ ধৰোঁতে সি মেজত থকা কাগজ পত্ৰবোৰৰ লগত ব্যস্ত হৈ পৰিল।

ফাদাৰ ওবেনিয়নৰ যন্ত্ৰণা শেষ সীমাত উপস্থিত হ'ল। তেওঁ ফোপাবলৈ ধৰিলে গলৰ ফাঁচটোৱে উশাহ বন্ধ কৰি পেলাবৰ উপক্ৰম হ'ল।তেওঁ মূৰ্ছা যাওঁ যাওঁ হ'ল, চকুৰে সৰিয়হ ফুল দেখিলে, জিভা মেল খালে আৰু কোঠালিটো ভোঁ ভোঁৱাই ঘূৰিব ধৰা যেন লাগিল।

হো-চানে লক্ষ্য কৰি আছিল "কিয় ইমান দুৰ্বল হৈ পৰিছা পাদ্ৰী!"

"উঃ প্ৰভু ..... দুৰ্বল কিয় নহম হো-চান। কালিৰ পৰা ...... একোকে খোৱা ...... নাই।" সেঁহাই সেঁহাই তেওঁ ক'লে।

"কিয় তোমালোকে দেখোন নিয়মমতে ৰেচন পায়ে আছা ?" হো-চানৰ মাতত ৰূঢ়তা স্পষ্ট হৈ পৰিল।

"পাইছোঁ হয়-- কিন্তু আমাৰ লগত...... থকা ..... ছোৱালীজনীকো তাৰে..... পৰা .....আহাৰ ...... যোগাব ..... লগীয়া ... . হৈছে ...... উঃ ...... তাই ..... ৰ .... এটা ...... ল'ৰা হৈছে ...... ভাল খাদ্যৰ ..... প্ৰয়োজন। তেওঁৰ মূৰ ঢলি পৰিল। হো-চান জাঁপ মাৰি উঠিল--- "মই এই পাদ্ৰীৰ ভাৰ ললোঁ" সি চিঞৰি ক'লে— "চুং দৌৰা এওঁৰ বাবে খাদ্য লৈ আহা। পেটত দুটামান ভাত পৰিলে ই গাত বল পাব আৰু কথা ক'ব পাৰিব। যোৱা, মই ইয়াৰ পৰা স্বীকৃতি আদায় কৰিবৰ দায়িত্ব ল'লোঁ-- , ইয়াক কেতিয়াও এৰি নিদিওঁ। হেই, বান্ধ খুলিদে, খুলি দে ......।"

চিপাহীকেইটাই আদেশ পাই লৰালৰিকৈ বান্ধ মোকলাই দিলে আৰু চুঙে হুকুম পালন কৰিবলৈ অনিচ্ছাসত্ত্বেও ওলাই গ'ল। দুই মিনিটমানৰ ভিতৰতে ফাদাৰ ওবেনিয়ন মুক্ত হ'ল ; কিন্তু তেওঁ লৰচৰ কৰিব নোৱাৰিলে। তেওঁৰ তেজ চলাচল বন্ধ হৈ গৈছিল; চকলাচকলকৈ গোটেই গাতে মৰা তেজ ধৰিলে! যন্ত্ৰণাত তেওঁ মৰো মৰো যেন হৈছিল।

হো-চানে কিন্তু তেওঁক অব্যাহতি নিদিলে।

"থিয় দিয়া আৰু খোজ কাঢ়া। হাত-ভৰি লৰচৰ কৰি সুবিধামতে হাত দুখন মোহাৰি দিয়া।" মাজতে মাতটো সৰু কৰি সি সুধিলে "এই যে ল'ৰাটোৰ কথা ক'লা ....।"

চিপাহী দুটাৰ ফালে কেৰাহিকৈ চাই ফাদাৰ ওবেনিয়নে ইংৰাজীতে সুধিলে "এই দুটাৰ আগত কোবাটো উচিত হ'ব জানো?"

"ইংৰাজীতে কোৱা।"

"কিন্তু সিহঁতে যদি বুজে।"

"নুবুজে, সিহঁত গো মূৰ্খ। আমাৰ কথা বুজিবৰ জোখাই সিহঁতৰ বুদ্ধি নাই।" কাগজ পত্ৰবোৰত চকু ৰাখি সি কৈ গ'ল "এই ল'ৰাটো কাৰ? তোমাৰ নিশ্চয়.....?"

ঘৃণাত নাক কোঁচাই ফাদাৰ ওবেনিয়নে ক'লে, "ছিঃ এই কথা তুমি ভুলতো মনত ঠাই নিদিবা।"

"তেনেহ'লে পৰৰ ল'ৰা এটাৰ বাবে নোখোৱা-নোবোৱাকৈ থাকিবৰ তোমাৰ কিহৰ গৰজ পৰিছিল?"

ফাদাৰ ওবেনিয়নে তাৰ ফালে কিছুসময় চাই থাকি ক'লে, "ল'ৰাটো যে মোৰ নহয় সেই কথা তুমি নাজানা নেকি?"

"কিন্তু তাই তোমাৰ লগত একেলগে গাড়ীত উঠি গৈছিল দেখোন?"

"তাৰ বহু আগতে ল'ৰাটোৱে তাইৰ গৰ্ভত থিতি লৈছিল দেখোন?"

"তেনেহ'লে তাই বিয়া কৰাইছিল?"

"ওহোঁ ...."

ইটোৱে সিটোৰ মুখলৈ চোৱাচুই কৰিলে— হো-চানৰ দৃষ্টি দুৰ্বল, কিন্তু ফাদাৰ ওবেনিয়নৰ দৃষ্টি স্পষ্ট আৰু সবল।

"যিয়েই নহওঁক — তুমি তাইক ভাল পাইছিলা, নহয় জানো?" হো-চানে সুধিলে।

"এৰা তাই মোৰ শিষ্যা এগৰাকীৰ কন্যা, সেই হিচাপে মই তাইক স্নেহ কৰিছিলোঁ। কিন্তু তুমি যি ভাবত কৈছা, সেই ভাবত তাইক মই ভাল পোৱা নাছিলোঁ। তাইৰ আত্মাৰ পবিত্ৰতাৰ ফালে মোৰ লক্ষ্য সদায় আছিল।"

"হলেও গাড়ীত তাই তোমাৰ কাষত বহি গৈছিল?"

"মোৰ অনিচ্ছা সত্বেও তাই গৈছিল। মোতকৈ আগেয়ে তাই গাড়ীত উঠি মনে মনে এচুকত বহি আছিল। বহুদূৰ যোৱাৰ পিচতহে মই এই কথা গম পাওঁ।

উভতিও আহিব নোৱাৰো আৰু তাইক অকলে পঠাই দিবও নোৱাৰোঁ। অগত্যা গৈয়েই থাকিলোঁ।”

“কিন্তু ভগৱানৰ ষষ্ঠ আদেশটো অমান্য কৰিলাতো? বিদ্ৰূপ কৰি হো-চানে ক'লে, “তুমি বেছ সুবিধাটোকে পাইছিলা। সেই সুযোগ গ্ৰহণ নকৰাকৈ আছা জানো? কোৱা, অন্ততঃ এটা কথা স্বীকাৰ কৰাছোন?”

হঠাৎ ফাদাৰ ওবেনিয়নে হাঁহি দিলে, “এবাৰ কেঁচুৱাটো চাই অহাগৈচোন। কি দেখিবা জানা, তোমাৰ নিজৰ মুখ, নিজা চকু। তেতিয়া নিজকে সুধিবা — ল'ৰাৰ বাপেক কোন।”

“ল'ৰা নেকি?” সি চিঞৰ মাৰি দিলে।

“সুন্দৰ ধুনীয়া মৰম লগা ল'ৰা। ঠিক তোমাৰ দৰে। আদালতত যদি কোনোবাই সেইটো তোমাৰ নহয় বুলি প্ৰতিবাদ কৰে, তেন্তে মই তোমাৰ ফলীয়া হৈ সাক্ষী দিম।”

এনেতে হো-চানৰ কাহ উঠিল। বহু সময় কাহি কাহি সি ভাগৰি পৰিল। শেষত সি চাহৰ কেটলিটো আনি ভালেখিনি চাহ পি খালে। চাহ খাই থাকোঁতে সি ফাদাৰ ওবেনিয়নৰ ফালে কেৰাহিকৈ চাই আছিল। কেটলিটো নমাই থৈ সি ডাঙৰকৈ ক'লে—

“এটা কথা ঠিক যে তাই যদি মোক বিপদত পেলাবলৈ চেষ্টা কৰে, তেন্তে মই সহ্য নকৰিম। মই সত্য কথা টানি বাহিৰ কৰিম। তাই যদি মিছা অভিযোগ কৰি মোক বিৰক্ত কৰে— তেন্তে তাৰ কুফল তাই নিজে ভোগ কৰিব লাগিব।”

হঠাৎ সি কথা বন্ধ কৰিলে। ফাদাৰ ওবেনিয়নৰ মুখৰফালে চাই কিবা এটা সন্দেহজনক পৰিস্থিতিৰ সৃষ্টি হোৱা বুলি সি গম পালে। তেওঁৰ ফালে প্ৰশ্নসূচকভাৱে চোৱাত তেওঁ সোঁ চকুৰে চিপাহী কেইটাৰ ভিতৰত এটালৈ ইঙ্গিত দিলে। এই চিপাহীটোৱে তেওঁলোকলৈ পিঠি দি মূৰটো অলপ বেঁকা কৰি যেন কথাবোৰ শুনিবলৈ চেষ্টা কৰিছিল। ইংৰাজীতে কোৱা কথা সি বুজে নেকি? ভাবটো মনলৈ অহা মাত্ৰকে হো-চানে চামৰাৰ থোহাটোৰ পৰা পিষ্টলটো উলিয়াই চকুৰ পচাৰতে চিপাহীটোক গুলীয়াই বধ কৰিলে। সি ঢলি পৰা মাত্ৰকে হো-চানে জাঁপ মাৰি আগুৱাই গৈ তাৰ বন্দুকটো কপি থকা হাতৰ মুঠিত সুমুৱাই দি নিজ ঠাইলৈ উভতি আহিল।

ফাদাৰ ওবেনিয়নে মনত প্ৰচণ্ড আঘাত পাই শেতা পৰি গ'ল আৰু মুখেৰে বিকৃত শব্দ এটা উচ্চাৰণ কৰিলে। এনে জঘন্য আৰু নৃশংস ঘটনা তেওঁ চকুৰ আগতে ইতিপূৰ্বে দেখা বুলি মনত নপৰে।

"ইছ কি সাংঘাতিক। তুমি দেখোন মানুহ এটা মাৰি পেলালা!"

"এৰা তাক মই আগৰে পৰা সন্দেহ কৰিছিলোঁ।" হো-চানে নিৰ্বিকাৰচিত্তে ক'লে, "সি লেফ্‌টেনেণ্ট চুঙৰ মানুহ, এই বিষয়ে মই নিঃসন্দেহ । তদুপৰি সি এই অঞ্চলৰ নহয়। অচিন কাঠৰ থোৱা লগোৱা অনুচিত।"

"সি ইংৰাজী বুজি পায় বুলি সন্দেহ কৰিছিলোঁ মাথোন। এনে এহেজাৰ সন্দেহৰ মাজত কদাচিৎ এটাহে সঁচা হয়। আৰু সেই কাৰণে সি মৃত্যুৰ মুখত পৰিবলগীয়া হ'ল।" বিষণ্ণমনে ফাদাৰ ওবেনিয়নে ক'লে।

"হেজাৰৰ মাজত এই এটাই মোক সৰ্বনাশ কৰিব পাৰে। সেইবাবে মই তাক আওকাণ কৰিব নোৱাৰোঁ।" শুকান মাতেৰে হো-চানে ক'লে, "মোৰ শত্ৰু বহু—।"

তেওঁলোকে বেছিপৰ কথা পাতিব নোৱাৰিলে। গুলীৰ শব্দ চাৰিওফালে প্ৰতিধ্বনিত হোৱাত সকলো ফালৰ পৰা মানুহৰ ভৰিৰ দুপদুপনি তেওঁলোকৰ ওচৰ চাপি আহিল। লেফ্‌টেনাণ্ট চুং সকলোতকৈ আগেয়ে আহি উপস্থিত হ'ল। প্ৰাণহীন শব্দটোৰ ফালে চাই সি হো-চানৰ মুখামুখিকৈ থিয় দিলে।

"আপুনি এই বিশ্বাসী সহকৰ্মীজনক কেলেই হত্যা কৰিলে? সি আত্মহত্যা কৰিছে বুলি ক'লে কোনেও বিশ্বাস নকৰে।"

হো-চানে নিৰ্ভীকভাবে উত্তৰ দিলে, "সি বিশ্বাসী সহকৰ্মী নহয়। সি এজন প্ৰতাৰক। সি খ্ৰীষ্টিয়ান বুলি যেতিয়া মই জানিব পাৰিলোঁ, তেতিয়া সি মোৰ বুকুলৈ বন্দুক টোঁৱাইছিল।"

ক্ষন্তেক কাল দুয়ো দুয়োৰো ফালে ৰ লাগি চাই থাকিল। হো-চানৰ স্থিৰ আৰু সবল দৃষ্টিৰ আগত চুং তিষ্ঠিব নোৱাৰিলে, সি তলমূৰ কৰিলে।

দুৱাৰ মুখত ৰৈ থকা চিপাহীকেইটাক সি আদেশ কৰিলে "শটো ইয়াৰ পৰা লৈ যা।"

সিহঁত আগবাঢ়ি আহি আদেশ পালন কৰিলে আৰু চুং সিহঁতৰ পাচে পাচে আঁতৰি গ'ল। কোঠালিটোত হো-চান আৰু ফাদাৰ ওবেনিয়নৰ বাহিৰে আন কোনো নাথাকিল। দুয়ো আকৌ আগৰ দৰে অকলশৰীয়া হ'ল। পাদ্ৰীজনে কিবা কম বুলি মুখ মেলাৰ আগতে হো-চানে তেওঁক ক'লে, "এই কামৰ বাবে যদি ভগবানৰ ওচৰত কোনোবাই ক্ষমা ভিক্ষা কৰিব লাগে তেন্তে তুমিহে কৰিব লাগিব। কাৰণ চকুৰ ঠাৰদি তাক মাৰিবলৈ তুমিহে মোক বাধ্য কৰিছিলা। তাৰ মৃত্যুৰ বাবে মোক জগৰীয়া কৰিব নোৱাৰা।"

"মই ভবাই নাছিলোঁ যে তুমি তাৰ প্ৰাণ নাশ কৰিবা।" ফাদাৰ ওবেনিয়নে তৰ্ক কৰাৰ ছলেৰে ক'লে, "যিটো জীৱন তুমি ধ্বংস কৰিলা তাক আৰু ঘূৰাই আনিব নোৱাৰা। ইয়াৰ পৰিবৰ্তে তুমি অন্ততঃ এটা ভাল কাম কৰিব পাৰা। হো-চান, তুমি এই দেৱদূতৰ নিচিনা আৰু পবিত্ৰ পদুম পাহিৰ দৰে কোমল শিশুটিক পুত্ৰ হিচাপে গ্ৰহণ কৰা আৰু তাৰ মাকক বিয়া কৰোৱা। বলা মই নিজে তোমাক তাইৰ ওচৰলৈ লৈ যাওঁ।"

এজন বিদেশী পাদ্ৰীৰ কথামতে কাম কৰিবলৈ তাৰ অভিমানী মনটোৱে বাধা দিলে। সি তলৰ ওঁঠটো জোঙা কৰি কপালখন কোঁচ খুৱাই দিলে। ভাবৰ খেলি-মেলিত তাৰ কাহ উঠিল। সি থিয় দি ইটাৰে বন্ধোৱা মজিয়াখনত ঘূৰি ফুৰিবলৈ ধৰিলে আৰু খিৰিকীৰ লেতেৰা আয়নাৰ মাজেদি দুই এবাৰ দূৰলৈ চাই পঠিয়ালে। শেষত হাকিমী- মেজাজত পাদ্ৰীজনৰ ফালে চাই ক'লে,—

"যাব পাৰোঁ, কিন্তু তোমাক সন্তুষ্ট কৰিবলৈ বা নিজে আত্মপ্ৰমাদ লাভ কৰিবলৈ নহয়। মই যাম এইবাবে যে মই এজন ন্যায়নিষ্ঠ মানুহ।"

কথাষাৰ সি কোনো মোকৰ্দমাৰ ৰায় দিয়াৰ দৰে গভীৰভাৱে কৈ হঠাৎ হাঁহি দিলে। এই হাঁহিত এটা স্নেহৰ ভাব আৰু অকপট হৃদয়তাৰ চিন স্পষ্ট হৈ পৰিল। এই হাঁহিটো হ'লে আন কোনেও দেখা নাপালে।

"মই গৈ কেঁচুৱাটো চাম। তাৰ চকুহাল নীলা নে ক'লা পৰীক্ষা কৰিম। যদিহে নীলা, তেন্তে তাৰ পৰা কি প্ৰমাণিত হ'ব? জগতে জানিব যে তুমি নিজকে যেনে বুলি ভাবা তাতকৈ সম্পূৰ্ণ বেলেগ প্ৰকৃতিৰ মানুহ এজন তোমাৰ এই বগা চাল সোপাৰ মাজত সোমাই আছে।"

এই মানুহজনক বাধা দিয়া টান। ফাদাৰ ওবেনিয়নৰ সাধ্য নাই যে তাৰ পথ ৰোধ কৰিব! সি হাঁহি দিলে আৰু হাতখন আগুৱাই দিয়াত তেওঁ সেইখনত খামোচ মাৰি ধৰিলে। তাৰ হাতখন চোৱা মাত্ৰকে তেওঁৰ মনত পৰিল যে সেইখন হাতেৰে সি এইমাত্ৰ এজন মানুহ বধ কৰিছে। নিজকে বৰ অশুচি যেন লাগি গ'ল। এই মহাপাতকীৰ পাপৰ মাত্ৰা ইমান বেছি যে তাক উদ্ধাৰ কৰা কঠিন, কিন্তু কিবা উপায়ে তাক উদ্ধাৰ কৰিবই লাগিব।

★ ★ ★ ★

"ফাদাৰ আপুনি ধৰ্মপিতা হিচাপে গুৰিবে পৰা মোৰ কাষত নাথাকিলে, মই তাৰ আগত নোলাওঁ" চিউলানে ক'লে। সৰু কোঠাটোত বহি তাই কেঁচুৱাটোক নচুৱাই আছিল।

"মই উপস্থিত থকাটো ভাল নহয়" ফাদাৰ ওবেনিয়নে ক'লে।

"তেনেহ'লে ময়ো তাৰ আগত ওলোৱাটো ভাল নহয়।"

তাইৰ মৰম লগা মুখখনত সেই দৃঢ় আৰু চকুৰ অবিচল চাৱনিটোৰ লগত ফাদাৰ ওবেনিয়ন ভালদৰে পৰিচিত। তেওঁ আশা এৰি দিলে।

"কিন্তু মই থাকি কি কৰিম? কিউপিডৰ ভাও ল'ব লাগিব নেকি?" তেওঁ সুধিলে।

"কিউপিড্ কোন?"

"ধৰ্মহীন মানুহবোৰৰ এজন অকণমান দেৱতা। দেখাত তোমাৰ কোলাত থকা কেঁচুৱাটি যেন দেখি।"

চিউলানৰ চিন্তা-ধাৰা বদলি গ'ল আৰু মনত বৰ ৰং লাগিল। তাই হাঁহি হাঁহি ক'লে, "মোৰ সোণটি তেনেহ'লে দেখাত দেৱতাৰ দৰে?"

"এৰা! কামতো তাক কিউপিড্ হ'বলৈ দিয়াছোন।"

"কিউপিডেনো কি কৰে?"

"ডেকা-গাভৰুৰ মন মতলীয়া কৰি সিহঁতৰ মিলন ঘটায়।"

চিউলানৰ হাঁহি উঠিল, "কেনেকৈ?" তাই প্ৰশ্ন কৰিলে।

ফাদাৰ ওবেনিয়নে ব্যাখ্যা কৰিলে, "তেওঁৰ হাতত এখন ধনু আৰু কেইপাত মান কাঁড় থাকে। সেই কাঁড়েৰে তেওঁ ডেকা আৰু গাভৰুৰ মন একেলগ কৰি গাঁথি পেলায়।"

ধেমালিৰ ছলেৰে ফাদাৰ ওবেনিয়নে হো-চানক ইঙ্গিত দি চিউলানৰ সন্মুখলৈ মাতি আনিলে। চিউলানৰ মুখত হাঁহি নোহোৱা হ'ল। তাই ঘপহ কৰি থিয় হৈ কেঁচুৱাটোৰ মুখখন কান্ধত গুঁজি দি হাতখনেৰে ঢাকি ধৰিলে। অকণমান শিশুটিৰ মূৰৰ ওপৰেদি এই হাল ডেকা-গাভৰুৱে ইজনে-সিজনৰ মুখৰ ফালে চাই থাকিল। দুয়োৰে চকুৰে-মুখে এটা সন্দেহ আৰু ক্লেশৰ চিন ফুটি উঠিল; এটা অমীমাংসিত প্ৰশ্নই দুয়োকে বিব্ৰত কৰি তুলিলে। সিহঁতৰ মনত পৃথিৱীখন শূন্য যেন লাগিল— সেই মহাশূন্যৰ মাজত কেবল সিহঁত দুটাহে যেন অকলে বৈ আছে। আন একো কথাকে ভাবিবলৈ সিহঁতৰ শক্তি নোহোৱা হ'ল। হো-চান আৰু চিউলান। সিহঁত পৰস্পৰে পৰস্পৰৰ শত্ৰু নে মিত্ৰ। এয়ে প্ৰশ্ন। মনে মনে তাকে চিন্তা কৰি তন্ময় হৈ

পৰা দেখি ফাদাৰ ওবেনিয়ন লাহেকৈ ওলাই গুচি গ'ল। তেওঁ আঁতৰি যোৱাৰ কথা সিহঁতে গমেই নাপালে।

এইদৰে কিছুসময় অতিবাহিত হোৱাৰ পিচত হো-চানে ক'লে— "চাওঁ কেঁচুবাটো মোক চাবলৈ দিয়া।"

তাই ঘূৰি পিচফালৰ পৰা ল'ৰাটোৰ মুখখন দাঙি দিয়াত চিউলানৰ কান্ধৰ ওপৰেদি সি মুখখন দেখিবলৈ পালে। সি মুখৰ ভিতৰতে কৈ উঠিল—

"ক'লা, চকুযোৰ ক'লা!"

"ক'লা নহে আন ৰঙৰ হ'ব বুলি ভাবিছিলা নেকি? "মুখ নুঘূৰোৱাকৈ চিউলানে প্ৰশ্ন কৰিলে।

"নাই ভবা। এয়ে হ'ব বুলিয়েই আশা কৰিছিলোঁ।"

"তেনেহ'লে?"

হো-চান নিমাত হ'ল। এটা গহীন নীৰৱতাই ঘৰৰ ভিতৰখন গিলি পেলালে। কেঁচুবাটোৱে কিবা ভাবি এই ওখ ডাঙৰ মানুহজনলৈ চাই থাকিল। তাৰ ঘূৰণীয়া পবিত্ৰ মুখখনিলৈ চাই চাই হো-চান থৰ লাগিল। তাৰ অন্তৰত এটা নতুন অনুভূতিয়ে ভুমুকি মাৰিলে। উদ্দাম, যৌৱনৰ উচ্ছৃঙ্খল কালছোৱাত এই অনুভূতিৰ লগত তাৰ পৰিচয় হোৱা নাছিল! কেনে ধুনীয়া আৰু শকত আৱত এই ল'ৰাকণ। এনে সন্তান লাভ কৰাটো যিকোনো মানুহৰ বাবে গৌৰৱৰ কথা। ঘটনাৰ সোঁতত তাৰেই পিতৃত্বৰ জীৱন্ত সাক্ষী স্বৰূপে এই ল'ৰাটোৰ জন্ম হৈছে। তাৰ মাতটো সৰু হৈ আহিল আৰু অসংলগ্নভাৱে সি ক'লে,

"কিহৰ কাৰণে— হঠাৎ কিয় জানো, যিদৰে এইটো হ'ব লাগিছিল, সেইদৰে হ'বলৈ নাপালে। স্বীকাৰ কৰিছোঁ" — সি বৈ গ'ল। সি নিজকে সংযত কৰি সুস্থিৰভাৱে কথাখিনি ক'বলৈ চেষ্টা কৰিলে— কিন্তু নোৱাৰিলে। তাৰ মুখ শুকাই গ'ল, ক'বলগীয়া কথাবোৰ মুখলৈ আহি আঁত হেৰুৱাই পেলালে।

"সঁচা কথা কি জানা, কি যে হ'ল,— কিবাখন খেলি-মেলি লাগি গ'ল— বুজিছা তোমাক বুজাই ক'ব নোৱাৰিম, কিন্তু মতা মানুহ এজনৰ ঘৰত তোমাক দেখি— এৰা, তোমাক তাতে পাই— মই পাগল হৈ পৰিলোঁ......"

"মতা মানুহ নহয়— এগৰাকী ধৰ্মযাজক" চিউলানে অস্পষ্টভাৱে ক'লে।

"যিয়েই কি নহওক, তেওঁ দেখাত মানুহেই, এজন পুৰুষ মানুহ। মোৰ ভাব হ'ল.... যাওক বাৰু। তোমাৰ ছবি মোৰ মনত উজ্জ্বল হৈ অকাঁ, ... এৰা, বুজিছা

নে, তোমাক মই এখন্তেকো পাহৰিব পৰা নাছিলোঁ। কেতিয়াৰ পৰা জানা? সেই যে সিদিনা তুমি মোৰ অফিচলৈ গৈছিলা— ৰেষ্টৰীত প্ৰবেশ কৰিবলৈ অনুমতি বিচাৰি— সেই মুহূৰ্তৰ পৰা .....তোমাৰ নিশ্চয় মনত আছে——।"

"আছে ...." তাই স্বীকাৰ কৰিলে।

"মই আন কাকো এই অনুমতি দিয়া নাছিলোঁ। কিন্তু তোমাক হ'লে দিলোঁ। কিয় দিছিলোঁ— সেই কথা কেতিয়াবা ভাবি চাইছানে?" হো-চানে সুধিলে।

তাই তাৰ ফালে নোচোৱাকৈ উত্তৰ দিলে, "মই কেনেকৈ জানিম যে তুমি আন কাকো ৰেষ্টৰীত সোমাবলৈ অনুমতি দিয়া নাছিলা?"

"মই কলোঁ নহয়; এই মাত্ৰ দেখোন মই কলোঁ " সি কৈ গ'ল, "তোমাক মই চিনি পোৱা নাছিলোঁ। তোমাক দেখাৰ পিচত তোমাৰ খবৰ-বতৰা লৈ তুমি কোন, আগেয়ে ক'ত আছিলা ইত্যাদি সকলো কথা জানি ললোঁ। মই গম পালো যে তুমি সেই ডেকা পাদ্ৰীটোৰ পিচে পিচে ঘূৰি ফুৰা ।তাৰ ওপৰত মোৰ সাঙ্ঘাতিক খং উঠিল—আৰু তাক মই মাৰি পেলাবলৈ সঙ্কল্প কৰিলোঁ। সেই উদ্দেশ্যে মই তোমাক ৰেষ্টৰীত সোমাবলৈ অনুমতি দিলোঁ।

তাই লাহেকৈ ক'লে, "মই এতিয়া আৰু তেওঁৰ পিচে পিচে নুফুৰোঁ।"

"বোধকৰো তেওঁ হাক দিছে হবলা— নে তোমাৰেই ইচ্ছা নোহোৱা হ'ল?" হো-চানে জানিবলৈ বিচাৰিলে।

চিউলানে একো নামাতিলে আৰু ঘূৰিও নাচালে। বাপেক-পুতেক দুয়ো ইটোৱে সিটোৰ মুখৰ ফালে চাই থাকিল মাথোন।

পুতেকৰ মুখৰ ফালে চাই হো-চানৰ হিয়া পমি গ'ল। তাৰ অন্তৰ নানা ৰকম চিন্তাই থকা-সৰকা কৰি পেলালে। ভাবৰ খেলিমেলিত কথা হেৰাই গল। মুখখন শুকাই যোৱাত বৰ কষ্টেৰে সি মাত দিলে।

"মোৰ— বুজিছা চিউলান,— মোৰ বৰ বেয়া লাগিছে। যদি ..... যদি ..... সেইদৰে..... কামটো নকৰি .... তেন্তে আজিৰ,...... এই মুহূৰ্তটো কিমান সুখৰ......কিমান সোৱাদ লগা ...... কিমান আনন্দৰ .... হ'লহেঁতেন। কিন্তু এতিয়া ...... কি হ'ব.....? বেয়াও হ'ব পাৰে?"

"পশু...... জানোৱাৰ ......" তাই ভলমূৰ কৰি মুখৰ ভিতৰতে ক'লে— "কথাটো মোৰ মনত পৰিলে....., যাওঁক ...... মই মনত নেপেলাওঁ ; কিন্তু ...... নাই ..... নেলাগে। মোৰ মনত সিদিনা তুমি পশুতকৈও অধম হৈ পৰিছিলা—।"

"আৰু নকৰা,—" লৰালৰিকৈ বাধা দি সি ক'লে, "সেইষাৰ গালি দুনাই উচ্চাৰণ নকৰিবা চিউলান— মোক তুমি ক্ষমা কৰা।"

সি ক্ষমা প্ৰাৰ্থনা কৰাত তাইৰ খংহে উঠিল? কিন্তু সকলোকে পাহৰি তাৰফালে ঘূৰি চাবৰ জোখাই উত্তেজিত নহ'ল। "পাৰিম– গালি পাৰিমেই। বলিয়া ম'হ এটাক ক্ষমা কৰিব পাৰি জানো? মই তোমাক ক্ষমা কৰিব নোৱাৰোঁ— নকৰোঁ, কোনো তিৰোতাই কৰিব নোৱাৰে।"

"অনুগ্ৰহ কৰি মোক ম'হ নুবুলিবা" সি অনুৰোধ কৰি ক'লে। মাকৰ কান্ধৰ ওপৰেদি তাৰ ফালে চাই থকা ল'ৰাকণৰ মৰম লগা উজ্জ্বল চকুহালে তাক মুগ্ধ কৰিলে, "মই শপত খাইছোঁ — তোমাক কথা দিছোঁ—"

"সেইদৰে কোনোবাই তিৰোতা মানুহৰ ওচৰ চাপে জানো?"

"নাচাপে" সি মানি ল'লে। ল'ৰাটোক এবাৰ কোলাত সুমুৱাই এটা চুমা খাবলৈ সি ব্যাকুল হৈ পৰিল। সি এখোজ আগবাঢ়ি যোৱাত চিউলানেও এখোজ আঁতৰি গ'ল। সিও আগুৱাই গৈ থাকিল।

"গৈ গৈ তুমি দেৱাল পালে কি কৰিবা? তেতিয়া তুমি নিজে নিজে ঘূৰিব লাগিব।

"নুঘূৰোঁ।"

"তেতিয়াহ'লে তোমাৰ লগত কথা নাপাতি মোৰ সোণটিৰ লগত কথা পাতিব লাগিব। তোমাকেই কৈছোঁ — মোৰ সোণ, মোৰ বুকুৰ ধনটি, বাপমোৰ এটা অপ্ৰীতিকৰ পৰিস্থিতিত তোমাক জন্ম দিয়াৰ বাবে মই অত্যন্ত দুঃখিত। ইয়াৰ পিচত আৰু কেতিয়াও এনে নকৰোঁ বুলি মাৰাক কৰা দেই। মই তেওঁকে ভৰিত ধৰিম, অনুৰোধ কৰিম, তেওঁক মান্তি কৰাইহে ......"

"সেই সুবিধা কেতিয়াও নাহে বুলি ক' সোণাই।"

গৈ গৈ তাই দেৱাল পালে আৰু যাবলৈ ঠাই নাই। পলাবলৈ ৰাস্তা নাপাই তাই বিবুদ্ধি হ'ল। তাই চিঞৰৰ মাৰি ক'লে, "আঁতৰি যোৱা। মোক এইদৰে ঠেকত পেলাবলৈ লাজ লগা নাইনে?"

"তুমি নিজে নিজে ঠেকত পৰিছা। এয়া মই তোমাক বন্দী কৰিলোঁ" বুলি কৈ সি তাইৰ দুয়ো কাষেদি হাত দুখন দেৱালত লগাই দিলে।

ইয়াৰ পিচত কি হ'লহেঁতেন ক'ব নোৱাৰি। কিন্তু সেই মুহূৰ্ততে ফাদাৰ ওবেনিয়ন দুজন বয়সস্থ চীনা মানুহ লগত লৈ ভিতৰলৈ সোমাই আহিল। লগৰ দুজনৰ এজন পুৰুষ, আনজনী তিৰোতা।

"হো-চান কি কৰিছা" তিৰোতাজনীয়ে মাত দিলে। সি মাতটো বুজি পালে আৰু পিচুৱাই আহিল। তাৰ মাকে তাক বাধা দিলে। দেউতাকেও লগতে শান্তভাবে প্ৰশ্ন কৰিলে, "তই এইখন কি কৰিছ বোপাই?"

তাৰ ক'বলৈ একোৱে নাই। সি কি কৰিছে নিজেই ক'ব নোৱাৰে। সি দেউতাকৰফালে চালে। আঁঠুৰ তললৈ যোৱা পুৰণা নীলা চোলা এটা পিন্ধি শান্ত মৰমিয়াল বুঢ়া মানুহ এজন। শুকান মুখখনত বয়সৰ ৰেখাবোৰ স্পষ্ট হৈ পৰিছে। থুঁতৰিত কেইডালমান দাড়ি আৰু সৰু সৰু চকুহালত কোমল দৃষ্টিৰে সৈতে দেউতাকক দেখা পাই সি বুকুখনত এটা বেদনা অনুভৱ কৰিলে। এয়া তাৰ পিতৃ যাক এতিয়ালৈকে সি ফিৰি চোৱা নাই— আৰু এতিয়া সি নিজে সন্তানৰ বাপেক।

কোনো কাৰণ নোহোৱাকৈ অজ্ঞাতসাৰে ইমান দিনে অন্তৰত বান্ধি থকা প্ৰশ্নটো তাৰ মুখেদি ফোঁচকৈ ওলাই গ'ল, "মোক কিয় তোমালোকে ৰাস্তাত পেলাই থৈ গৈছিলা?"

বুঢ়া মানুহজন হতভম্ব হৈ গ'ল, "তই ভাব নেকি—বাচা যে তোক আমি পেলাই থৈ গৈছিলোঁ?"

"মোক এৰি গুচি গৈছিলা নিশ্চয়"?

"তোক লগত নেদেখি সকলো ঠাইতে বিচাৰি ফুৰিছিলোঁ বোপাই।"

অবশেষত বাপেক-পুতেকৰ মিলন হ'ল। বুঢ়াই থিয় হৈ থাকিব নোৱাৰি টুলখনতে বহি পৰিল।

"ইমান বছৰে তই হয়তো ভাবিছিলি যে আমি ইচ্ছা কৰিয়ে তোৰ লগত এৰা এৰি হৈছিলোঁ। মোৰ বাপ,"

তেওঁ ঘৈণীয়েকৰ ফালে চালে। বুঢ়ীয়ে ইতিমধ্যে নাতিয়েকক বুকুত সুমুৱাই তাৰ মুখৰ ফালে চাই নিজকে পাহৰি গৈছিল।

হেৰা বোপাৰ মাক, ই কি ভাবিছিল জানা? আমি বোলে তাক ৰাস্তাত পেলাই থৈ গৈছিলোঁ। ব'ব নোৱাৰা বোজা বুলি তাক হেনো পৰিত্যাগ কৰিছিলোঁ।"

হো-চানে মাকৰ ফালে চালে। বুঢ়ীৰ চকুত অবিশ্বাস মূৰ্তিমান হৈ পৰিছিল। সেই অকণমান মানুহজনীৰ ক্লান্ত মুখখনত আগৰ তেজ নাই। বগা চুলিবোৰ শুকান কপালখনৰ ওপৰৰ পৰা পিচৰফালে ফনিয়াই থোৱা আছে।

"হো-চান তই ইমান নিষ্ঠুৰ নহবি বোপাই।" মাকে কন্দনামুৱা হৈ ক'লে, "আমি তোৰ মা - দেউতাৰ নহয় জানো? আমি জানো তোক এৰি থাকিব পাৰোঁ?

এইকণ কেঁচুৱাৰ ফালে চাছোন। এখেত এজন খুউব ভাল মানুহ — এগৰাকী ধৰ্মযাজকঃ তেওঁ কৈছে যে তয়ে ইয়াৰ বাপ। কথাটো মই বিশ্বাস কৰিছোঁ কাৰণ কেঁচুৱাতে তই যেনে আছিলি ইও সাইলাখ তেনে— একেই ডাঙৰ ডাঙৰ চকু, ঘূৰণীয়া মুখ। ই তোৰেই সন্তান। তই এইকণক ৰাস্তাত পেলাই দিব পাৰিবিনে? নোৱাৰ, নিশ্চয় নোৱাৰ। সেই দুৰ্ভিক্ষ। সকলো ফালে হাহাকাৰ! সেই বাৰেই তোক হেৰুৱাওঁ। ইমান মানুহ! বিৰ দি বাট পাবলৈ নাই, হেঁচা থেলা.... হৈ চৈ। তই তাৰ মাজতেই দৌৰি দৌৰি কেৱল আগলৈকে যাব খোজ। আমি তোক বিচাৰিয়ে নাপাওঁ। শেষত তোক হেৰুৱাই পেলালোঁ। মোৰ বুকুখন শুদা হৈ যোৱা যেন লাগিল। শোকতে মই মৰিবলগীয়া হলোঁ। কোনোবাই মোক কিবা অকণমান খাবলৈ দিলে, কিন্তু মই একো মুখত দিব নোৱাৰিলো......”

কেঁচুৱাটোক তাই জোৰে সাবটি ধৰিলে। চকুৰপানীৰে গাল ভৰি গ'ল। কেঁচুৱাটোৱে কান্দিবলৈ ধৰিলে। তাৰ কান্দোন শুনি হো-চান ৰ'ব নোৱাৰা হ'ল— তাৰ বুকুৰ মাজত কিহবাই খুন্দা মাৰি দিয়া যেন পালে। বৰ ব্যস্তভাৱে সি চিউলানক ক'লে, “হেৰা চোৱাচোন, ল'ৰাটিয়ে কান্দিছে-- নিয়ানা, তাক নিচুকোৱা। সি ইমান কান্দিছে---অথচ তুমি---”

আইতাকৰ কোলাৰ পৰা মাকে তাক নিজৰ কোলাত লৈ নিচুকাবৰ চেষ্টা কৰিলে। সি কিন্তু বেছিকৈহে কান্দিবলৈ ধৰিলে! চিউলানে বহু চেষ্টা কৰিও তাক শান্ত কৰিব নোৱাৰাত হো-চান অতিষ্ঠ হৈ পৰিল, “আঃ তুমি তাক ভালদৰে ল'বই জনা নাই।”

“কেনেকৈ ল'ব লাগে? জানা যদি নিজেই নোলোৱা কিয়?” খং নে, অভিমান নে মাতৃত্বৰ আবেগত তাই অজানিতে কেঁচুৱাটো হো-চানৰ মেলা হাত দুখনৰ মাজত সুমুৱাই দিলে।

মানুহৰ অন্তৰ চিনা টান। কেঁচুৱাই হওক বা ডাঙৰেই হওক। অকণমান ল'ৰাটোৱে চকুৰ আগতে এজন ডাঙৰ মানুহৰ মুখ দেখিবলৈ পাই কান্দিবলৈ পাহৰি গ'ল। সি শান্ত হৈ কিবা যেন চিন্তা কৰিবলৈ ধৰিলে। সকলোকে আচৰিত যেন লাগিল চাগে। হো-চানো কম আচৰিত হোৱা নাছিল। সি আত্মহাৰা হৈ পুতেকৰ মুখৰ ফালে চাই থাকিল। দুয়োটা প্ৰাণীৰ পৰিচয় সম্পূৰ্ণ হৈ গ'ল। বাপেকে পুতেকক আৰু পুতেকে বাপেকক চিনি পালে।

হো-চানৰ মাকে পুতেক আৰু নাতিয়েকৰ ফালে চাই ক'লে, “ইমান মিল নহ'বই বা কিয়?”

মাকৰ মাতত তাৰ চেতনা আহিল আৰু মুৰ দাঙি চালে। বাপেক, মাক, চিউলান, ফাদাৰ ওবেনিয়ন-- আটাইকেইজনে তাৰ ফালে চাই আছে। সকলোৰে চকুত উদ্বিগ্নতা, আনন্দ, প্ৰেম আৰু সন্তুষ্টিৰ ভাব। এই বিলাকৰ চকুৰ আগত সি কিংকৰ্তব্যবিমূঢ় হৈ পৰিল। অলপ ইতস্ততঃ কৰি সি ভাবিলে যে ইয়াৰ পৰা শোৱাই ভাল। কেঁচুৱাটোক চিউলানৰ কোলাত দি সি ওলাই গ'ল।

কোঠাটোত থকা মানুহকেইজনৰ পৰা সি অব্যাহতি পালে হয়, কিন্তু চিন্তাৰ পৰা অব্যাহতি নাপালে। মাজনিশালৈ সি নিজৰ কথা আৰু তাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সমস্যাবোৰৰ কথাকে অকলে অকলে ভাবিবলৈ ধৰিলে। সি সৈনিক হ'লেও তাৰ কোঠাটো কোনোবা পণ্ডিত মানুহৰ পঢ়া কোঠা যেন লাগে। মছিঅঁৰ লগত থাকি সি বহুত পঢ়া-শুনা কৰিছিল। সি কিতাপ পঢ়ি আনন্দ পাইছিল আৰু পঢ়া কথাবোৰ কামত খটুৱাই তৃপ্তি লাভ কৰিছিল। তাৰ আটাইতকৈ ডাঙৰ গুণটো আছিল এয়ে যে সি নিজকে ভালদৰে পৰীক্ষা কৰি চাইহে কামত হাত দিছিল। কিবা উত্তেজনাবশতঃ বা চিন্তা নকৰাকৈ অথবা কিবা ব্যক্তিগত লাভৰ প্ৰত্যাশাত সি কমিউনিষ্টৰ দলভুক্ত হোৱা নাছিল, জানি-শুনি ইয়াৰ সম্বন্ধে এটা নিশ্চিত ধাৰণা লৈহে দলৰ সদস্য হৈছিল। তাৰ বিশ্বাস হৈছিল যে ঈশ্বৰৰ দোহাই দি ধৰ্মৰ লগত যিবোৰ কাম লাহে-ধীৰে কৰা হয় ; সেইবোৰ কাম কমিউনিষ্টবোৰে সোনকালে সমাধা কৰিব পাৰে। এই কাম হৈছে এখন সমাজ গঠনৰ কাম। গোটেইখন পৃথিবীতে এই সমাজৰ প্ৰতিষ্ঠা হ'ব— য'ত সকলো মানুহ সৎ আৰু নিঃস্বাৰ্থ, য'ত মানুহে মানুহক ভাই ভাই জ্ঞান কৰে, য'ত মানুহ অভুক্ত হৈ নাথাকে-- ৰোগী ৰোগমুক্ত হয় আৰু ল'ৰা-ছোৱালীয়ে প্ৰকৃত শিক্ষা লাভ কৰে।

এইবোৰ আদৰ্শৰ কথা। এই আদৰ্শবোৰ যে লাহে লাহে নাইকিয়া হৈ যাব ধৰিছে। এই কথা বিশ্বাস কৰিবলৈ সি টান পাইছিল, যিটো সি শুদ্ধ বুলি ভাবিছিল তাৰ পৰা তাক কোনেও বিচলিত কৰিব নোৱাৰিছিল। কোনো এটা মহৎ কাম সাধন কৰিবলৈ অবলম্বন কৰা উপায় সমন্ধে তাৰ এটা নিশ্চিত ধাৰণা আছিল। তাৰ মতে এই উপায়বোৰ অন্যায় বা দোষনীয় হ'ব পাৰে বুলি কোনো কথা নাই। ই কেৱল সাময়িক আৰু ক্ষণস্থায়ী। নিষ্ঠুৰতা হৈছে মূৰ্খ আৰু গাৱৰ মানুহবোৰৰ বাবে প্ৰয়োগ কৰিবলগীয়া এবিধ আচৰণবিধি। এই উৎকট মনোবৃত্তিৰ বাবে সি ভালপোৱাৰ কথা পাহৰি গৈছিল। সি জীৱনত হয়তো প্ৰকৃততে কাকো ভাল পোৱা নাই। মানুহে

আনক ভাল পাবলৈ হ'লে কোনোবাই ভালপোৱাৰ দ্বাৰা অন্তৰৰ এই কোমল অনুভূতিটো জগাই তুলিব লাগিব-- তেতিয়া হ'লেহে সি তাৰ বাপেক- মাকক— ভাৰ্যাক বা সন্তানক ভাল পাব পাৰে। হো-চানৰ ভালপোৱাৰ পাত্ৰ বুলিবলৈ এই পৰ্যন্ত এইবিলাকৰ এজনো নাছিল। তাৰ মন, বুদ্ধি, বিবেক আটাইবোৰ একাকাৰ হৈ গ'ল। সি স্থিৰভাৱে চিন্তা কৰিব নোৱাৰা হৈ পৰিল। যি পথ সি ভাল বুলি ইমান দিনে অনুসৰণ কৰিছিল সেই পথ ভুল নেকি?

গোটেই ৰাতি সি এইবোৰ প্ৰশ্নকে কৰিলে। তাৰ মন ভাগৰি পৰিল-- কিন্তু এটি প্ৰশ্নৰো যথাযথ উত্তৰ বিচাৰি নাপালে। কোনে তাক পথৰ সন্ধান দিব? মছিঅঁ? তেওঁৰ দ্বাৰা নহ'ব। তেওঁ বৰ প্ৰখৰ বুদ্ধিৰ হলেও তেওঁ নোৱাৰে, তেওঁৰ বুদ্ধি থাকিলেও কিবা এটা বস্তুৰ অভাৱ, হয়তোবা হৃদয়ৰ। তাক এনে এজন মানুহ লাগে যাৰ জ্ঞানৰ পোহৰে কেৱল অন্ধকাৰ নাশ কৰে, কিন্তু নোপোৰে ; যাৰ চিন্তা- শক্তি প্ৰেমৰদ্বাৰা সংযত ; যি হিয়াৰে অনুভৱ কৰিব পাৰে।

হঠাৎ এজন মানুহৰ কথা মনত পৰিল-- ফাদাৰ ওবেনিয়নৰ শান্ত মৰমিয়াল মুখৰ ছবিটো তাৰ চকুৰ আগত ভাহি উঠিল। এৰা, এই মানুহজনৰ এখন সৰল আৰু স্নেহপূৰ্ণ অন্তৰ আছে আৰু আছে এটা প্ৰেমিক মন। ঠিক ফাদাৰ ওবেনিয়নেই উপযুক্ত মানুহ। সি মেজত থকা টিলিঙা এটা বজাই দিলে। সিটো কোঠাত বিশ্বাসী বুঢ়া মানুহ এটা শুই আছিল। হো-চানে মতা বুলি জানি সি চকু মোহাৰি উপস্থিত হ'ল। এই চাকৰটোক হো-চানে সম্পূৰ্ণ বিশ্বাস কৰিব পাৰে, কিন্তু চিপাহী এটাক সিমান বিশ্বাস কৰা টান।

চাকৰটোক সি নিৰ্দেশ দি ক'লে, "যা বিদেশী পাদ্ৰী দুজনৰ যিজন কমবয়সীয়া তেওঁক মই মতা বুলি কবি। কবি যে মোৰ অসুখটো বেছি হৈছে। শুন, তেওঁক পিচফালৰ গুপ্ত দুৱাৰখনেদি লৈ আহিবি— সন্মুখৰ গেটেৰে নহয়, বুজিছ?"

মূৰ দুপিয়াই মানুহজনে দৌৰ মাৰিলে। হো-চানে ঘৰৰ ভিতৰত ইফাল-সিফাল কৰি ফাদাৰ ওবেনিয়নৰ বাবে অপেক্ষা কৰি থাকিল। হাত দুখন পিঠিৰ ফালে কৰি, তলমূৰকৈ সি অস্থিৰভাৱে নানা কথা চিন্তা কৰিবলৈ ধৰিলে। অকণমান কেঁচুৱাটোৰ মুখখন তাৰ চকুৰ আগত ভাহি উঠিল। তাৰ জন্মৰ ইতিহাসটো বৰ নীতিসন্মত নহয়। এটা অমাৰ্জনীয় অপৰাধ আৰু ব্যভিচাৰৰ দুৰ্গন্ধৰ মাজত সি জন্মলাভ

কৰিছে। সি এগৰাকী নিষ্পাপ, সবল আৰু অনিচ্ছুক গাভৰু ছোৱালীৰ গৰ্ভত তাৰ বীজ ৰোপণ কৰিছিল আৰু তাকে কৰি এই অনাহূত সন্তানৰ ওচৰত সি নিজকে এটা সুজিব নোৱাৰা ঋণত আৱদ্ধ কৰিছে। কাৰণ উপজিয়েই সি এখন অশান্ত আৰু বিপদসংকুল পৃথিৱী দেখিবলৈ পাইছে। ইয়াৰ বাবে সি তাৰ ওচৰত মাৰ্জনা ভিক্ষা কৰিব লাগিব; পিতৃ হিচাপে নিজৰ কৰ্তব্য পালন কৰিব লাগিব আৰু শৰীৰৰ লগত প্ৰাণৰ সংযোগ সাধন কৰি যিবোৰ ভয়লগা সম্ভাৱনাৰ মাজলৈ তাক আহ্বান কৰি আনিলে সেই সম্বন্ধে সি সম্পূৰ্ণভাৱে সজাগ হৈ থাকিব লাগিব। এইবোৰ ভাবি থাকোতেই ভালেখিনি সময় পাৰহৈ গ'ল।

পিচফালৰ দুৱাৰেদি আহি কোঠাটোৰ দুৱাৰমুখৰ পৰা ফাদাৰ ওবেনিয়নে মাত দিলে "তুমি মাতিছিলা বোলে?"

হো-চানৰ চিন্তা আৰু খোজ কঢ়াত বিৰতি পৰিল। পাদ্ৰীজনৰ ফালে সম্ভ্ৰমেৰে চাই ক'লে, "অ' আপুনি আহিছে। ভিতৰলৈ আহক। বহক আৰু অলপ গৰম চাহ খাওঁক।"

সি কেটলিটোৰ পৰা দুবাটি চাহ ঢালিলে। ফাদাৰ ওবেনিয়নে বহি দুয়োখন হাতেৰে এটা বাটি দাঙি ল'লে। "ধন্যবাদ" — তেওঁ ক'লে।

কোঠাটোৰ ভিতৰত এটা শান্ত পৰিবেশ বিৰাজ কৰিছিল। সন্ধিয়াৰ লগে লগে আন্ধাৰবোৰ লাহে লাহে নামি আহিছিল। মেজৰ ওপৰত ৰঙা বৰণৰ চীনা মমবাতিবোৰৰ অস্থিৰ পোহৰখিনি ফুলকটা কাগজেৰে ঢাকি দিয়া খিৰিকীবোৰত পৰাত অস্পষ্ট ছাঁ বোৰ নাচি থকা যেন দেখা গৈছিল। এসময়ত মন্দিৰ বুলি সজা ঘৰটোৰ চালত থকা সোণালী ৰঙৰ ছটিবোৰ অস্পষ্ট পোহৰত জিলিকি উঠিছিল। কোঠাটোৰ এমূৰলৈ চাই হো-চানে লাহে লাহে চাহ খাবলৈ ধৰিলে। কোনখিনিৰ পৰা আৰু কেনেকৈ সি আৰম্ভ কৰিব?

শেষত সি ক'লে "মই বৰ দুশ্চিন্তাত পৰিছো।"

"তোমাৰ দুশ্চিন্তাৰ কথা মোক কোৱা" ফাদাৰ ওবেনিয়নে আশ্বাস দি ক'লে।

"এই যে মোৰ ল'ৰাটিৰ মাক" সি আৰম্ভ কৰি থৈ গ'ল। এজন পুৰুষ মানুহে কোনো তিৰোতা এজনীৰ প্ৰতি এটা আকৰ্ষণ আৰু প্ৰীতিৰ ভাব উপলব্ধি কৰিলে আনৰ আগত সেই কথা কেনেকৈ প্ৰকাশ কৰিব লাগে সেই কথা সি নাজানে। ক'বলৈ একোকে নাপাই সি বিমোৰত পৰিল।

"আপুনি তাইক বহুদিনৰ পৰা জানে নেকি?" অন্তৰৰ প ৰা ওলাই আহিব খোজা আচল কথাটো বাদ দি সি এই প্ৰশ্ন কৰিলে।

"তাই যে ভাল আৰু বিশ্বাসৰ পাত্ৰী এই কথা জানিবলৈ যিখিনি সময়ৰ দৰকাৰ তেতিয়াৰ পৰাই মই তাইক জানোঁ।"

"তাই মোক ঘিণ কৰে" সি ঘপহকৈ কৈ পেলালে।

"বোধকৰো নকৰে।" ফাদাৰ ওবেনিয়নে হাঁহি ক'লে।

"আপুনি নাজানে। তাই আচলতে মোক ঘিণ কৰে আৰু কৰা উচিতো।"

"ভালপোৱাৰদ্বাৰা ঘৃণা জয় কৰিব পাৰি।"

কথাষাৰ সি অলপ গমি চালে। পাদ্ৰীজনৰ ফালে আগ্ৰহেৰে চাই সি প্ৰশ্ন কৰিলে, "মোৰ ক্ষেত্ৰতো ই সম্ভৱ বুলি আপুনি ভাবে জানো?"

"নিশ্চয়" ফাদাৰ ওবেনিয়নে উত্তৰ দিলে, "সম্ভৱ নহ'ব কেলেই? ই এটা মানৱীয় নীতি ; সকলো ধৰ্মৰে ইয়ে মূল কথা।"

হো-চানে চাহখিনি শেষ কৰি বাটিটো থৈ দিলে, "মই কিবা এটা সিদ্ধান্ত গ্ৰহণ কৰিবই লাগিব।" সি বৈ গ'ল। সি কিছুসময় নমতা দেখি ফাদাৰ ওবেনিয়নে কথা যোগাবলৈ বুলি আকৌ ক'লে,

"আমি সকলোৱে এনেকুৱা অৱস্থাত একোবাৰ পৰিবলগীয়া হওঁহক।"

"কিন্তু কেনেকৈ যে কিবা এটা ঠিক কৰি পেলাও ভাবি পোৱা নাই।"

"যদি মোক কোৱাত একো আপত্তি নাথাকে, তেন্তে কিজানি মই অলপ সহায় কৰিব পাৰিলোঁহেঁতেন।"

উগুল থুগুল মনেৰে সি ফাদাৰ ওবেনিয়নৰ ওচৰ চাপি ক'লে, "মই গম পাইছোঁ যে কালিলৈ মই মোৰ দলবল লৈ দক্ষিণৰ ফালে যাবলৈ বুলি ওপৰৰ পৰা আদেশ আহিব। মোৰ কোনোবা শত্ৰুৱে উপৰিবালাৰ মনত এই ভাবটো সুমুৱাই দিছে। মোৰ ধাৰণা চুঙেই এই কাম কৰিছে। সি মোৰ লেফ্টেনেণ্ট আৰু তাকেই মই সন্দেহ কৰিছোঁ। সি মোক হিংসা কৰে আৰু সদায় মোৰ ধ্বংস কামনা কৰে। সেই বাবে.....।"

"তেনেহ'লে তুমি যাবানে নোযোৱা সেই কথা এতিয়াই ভাবি ঠিক কৰিব লাগিব।"

"তাকেইতো মই মীমাংসা কৰিব পৰা নাই।" সি মাতটো মিহি কৰি মেজৰ ওপৰত হালি গৈ লাহে লাহেকৈ ক'লে, "মই ইয়াত থাকিব নোৱাৰোঁ। উপৰিৱালাৰ আদেশ অনুযায়ী দক্ষিণৰ ৰণক্ষেত্ৰলৈ যদি নাযাওঁ তেন্তে ইয়াৰ পৰা পলাব লাগিব।...মোৰ কি হৈছে ক'বই নোৱাৰোঁ। কেইদিনমান আগলৈকে মোৰ মনৰ অৱস্থা এনে নাছিল। নতুন কামৰ বা নতুন দায়িত্বৰ সুযোগ আহিলে মই ৰং পাওঁ উৎসাহত মন নাচি উঠে কিন্তু...."

"জানোঁ, সেই কথা মোৰ অবিদিত নহয়। সেইবাবেই মই তোমাক ভাল পাওঁ। তুমি যে বেয়া বা অসৎ, তুমি যে অন্যায় চিন্তা কৰা এই কথা মই কেতিয়াও বিশ্বাস কৰা নাই। আনকি সিদিনা চকুৰ আগতে মানুহ এটা মাৰি পেলোৱা দেখিও— মই জানিছিলোঁ যে তাক মাৰিবলৈ তুমি অকণো ইচ্ছা কৰা নাছিলা। বাধ্যত পৰি...।"

তেওঁ ৰৈ গ'ল, নিজৰ চিন্তাত বাধা পৰিল। "কিন্তু নৰহত্যা এটা পাপ। তোমাৰ এই জগতখন বৰ বিচিত্ৰ - বৰ উচ্ছৃংখল - বৰ নিদাৰুণ। ইয়াৰ মাজত থাকি তোমালোকে কৰাৰ দৰে আচহুৱা কামত লিপ্ত হৈ নৰহত্যা এটা প্ৰয়োজনীয় কৰ্তব্য বুলি ভাবিবলৈ অভ্যস্ত হৈ পৰিছা। এই কথাটো মই একেবাৰে বুজি নাপাওঁ হো-চান।"

"তাক বধ কৰাটো নিতান্ত দৰকাৰ হৈ পৰিছিল," হো-চানে অলপ সময় চিন্তা কৰি পুনৰায় ক'লে "কিন্তু এই দৰকাৰ হৈ পৰাটো ভাল জানো? মোৰ মনৰ পৃথিৱীখন ভুল নেকি?"

নিজকে পাৰ্যমানে নম্ৰ কৰিবলৈ যত্ন কৰি হো-চানে ফাদাৰ ওবেনিয়নৰ ফালে চাই প্ৰশ্ন কৰিলে।

"তোমাৰ এই প্ৰশ্নৰ উত্তৰ তুমি নিজেই দিব লাগিব। মই ক'বলৈ হ'লে মোৰ পৃথিৱীখনত এইবোৰৰ প্ৰয়োজন নাই। কেৱল সেয়ে নহয়, হত্যাৰ প্ৰয়োজনীয়তা অসম্ভৱ।"

হো-চানে শুনিলে আৰু আপোন মনে কৈ গ'ল— তাৰ মন আপোন চিন্তাৰে ভৰি পৰিছিল,—

"এসময়ত হয়তো মই কলোঁহেঁতেন যে ভাল পোৱা কি মই নাজানোঁ আৰু কাকো ভাল পাবৰ মোৰ ইচ্ছাও নাই। মই হয়তো বুকু ডাঠ কৰি প্ৰচাৰ কৰিলোহেঁতেন যে প্ৰেম এটা অসৎ প্ৰবৃত্তি-- ইয়াৰ ফলত মানুহে এজন মানুহ বা ব্যক্তিক কেন্দ্ৰ কৰি নিজৰ চিন্তাশক্তি পৰিচালিত কৰিবলৈ বাধ্য হয় আৰু মানুহ হৈ পৰে আত্মকেন্দ্ৰিক। কিন্তু..."

তাৰ বুকুৰ মাজৰ প ৰা এটা দীঘল হুমুনিয়াহ ওলাই আহিল। সি তাৰ তপা মূৰটোৰ ওপৰত বিষণ্ণ মনে হাত ফুৰাই ক'লে, "কিন্তু সকলোবোৰ ওলট পালট হৈ গ'ল। অকস্মাতে মই এটি সন্তানৰ পিতৃ হৈ পৰিলোঁ; লগতে যোগ হ'ল তাৰ মাকজনী আৰু মোৰ বৃদ্ধ পিতৃ-মাতৃ। মোক তেওঁলোকে বিচাৰি উলিয়ালে— মই ধৰা পৰি গ'লোঁ। মই ইমান দিনে তেওঁলোকৰ চিন্তা মনৰ পৰা দূৰ কৰি ৰাখিছিলো— তেওঁলোকক যে ভাল পাব লাগে এই কথা জোৰ কৰি অস্বীকাৰ কৰিছিলোঁ। তেওঁলোকেও মোক মনৰ পৰা বিসৰ্জন দিছে বুলি মই বিশ্বাস কৰিছিলোঁ।"

ফাদাৰ ওবেনিয়নে আপত্তি কৰি ক'লে "কিন্তু তেওঁলোকে ইতিপূৰ্বে তোমাক নিশ্চয় আচল কথাবোৰ কৈছিল। অন্ততঃ মছিঅঁই সমস্ত কথা তোমাক কৈছিল বুলিয়ে মোৰ ধাৰণা।"

"মছিঅঁই কোৱা নাছিল। তেওঁ মোক বহু কথাই কৈছিল আৰু শিকাইছিল বহুত। কিন্তু মোৰ পিতা আৰু মাই যে মোক সদায় মৰম কৰিছিল-- মোক বিচাৰিছিল আৰু মোৰ বাবে কষ্ট পাইছিল, এই কথা তেওঁ মোক এবাৰো কোৱা নাছিল।.... মোৰ সন্তান—তাৰ মাক — মোৰ আই বোপাই এওঁলোকৰ প্ৰতি স্নেহৰ বন্ধন আৰু মোৰ দায়িত্ব ইত্যাদিবোৰ মই কেনেকৈ বিসৰ্জন দিওঁ? মই যদি উপৰিৱালাৰ আদেশ মতে দূৰ দেশলৈ গুচি যাওঁ, তেন্তে আই-বোপাই আৰু মোৰ নিজৰ ল'ৰাটিক পৰিত্যাগ কৰিব নালাগিবনে? তদুপৰি........"

"এৰা, এই ছোৱালীজনীও আছে। তাই আচলতে তোমাৰ স্ত্ৰী" হো-চানৰ হৈ ফাদাৰ ওবেনিয়নেই কথাখিনি কৈ দিলে।

"ঠিকেই" হো-চানে স্বীকাৰ কৰিলে।

দুয়ো অলপ সময় মনে মনে থাকি চিন্তা কৰিলে। পিচত ফাদাৰ ওবেনিয়নে ক'লে, "হো-চান তুমি বোধ কৰো ব্যাকুল হৈ পৰিছা আৰু সেইবাবেই কোনো সিদ্ধান্তত উপনীত হ'ব পৰা নাই। তোমাৰ মনটো দুৰ্বল হৈ পৰিছে আৰু তোমাৰ শিক্ষাই এই দুৰ্বলতাৰ কাৰণ। তুমি কিছুমান স্নেহ বৰ্জিত আৰু কঠিন অনুশাসনৰ দ্বাৰা নিজকে এনেকৈ বান্ধি পেলাইছা যে তাৰ পৰা মুক্তি লাভ কৰাটো তোমাৰ বাবে অসম্ভৱ হৈ পৰিছে। তোমাৰ মনৰ গৰাকী হৈছে তোমাৰ দলটো-- তুমি নিজেই নহয়।"

"আপুনি বৰ চালাক। আপোনাৰ অনুমান সত্য আৰু আপুনি ঠিকেই ধৰিছে। মোৰ এই অনিশ্চয়তাৰ বাবে আন কোনো জগৰীয়া নহয়, জগৰীয়া মই নিজেই। মই যদি নিজকে বন্ধনমুক্ত কৰিব নোৱাৰোঁ, আনৰ মুক্তিৰ কথা চিন্তা কৰিম কেনেকৈ? মই যেনিবা সকলোকে লৈ পলাই গ'লোঁ, তেতিয়া জানো মই প্ৰকৃততে মুক্ত হ'ব পাৰিম? মনৰ এই দাসবৃত্তি মোৰ মৃত্যুপৰ্যন্ত লগৰীয়া হৈ থাকিব যেন পাওঁ। মোৰ প্ৰকৃত সমস্যা এয়ে।"

"এই সমস্যাৰো সমাধান তুমি নিজেই কৰিব লাগিব।" ফাদাৰ ওবেনিয়নে ক'লে।

"কিন্তু কথা হৈছে এয়ে যে মই এই সমস্যাৰ সমাধান কৰিবলৈ অপাৰাগ হৈ পৰিছোঁ।" কপালখন কোঁচ খুৱাই হো-চানে ক'লে। "কিন্তু বোধকৰো গোটেই সমস্যাৰ সমাধান এতিয়াই কৰিবৰ প্ৰয়োজন নহ'ব। সদ্যহতে মই মোৰ লেফ্‌টেনেণ্টটোক চকুত ধূলি দিব পাৰিলেই হয়। সি তাৰ লগৰ কেইটামানৰ সৈতে যুক্তি কৰি মোৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছে। অন্ততঃ বুদ্ধিৰ যুঁজত মই সিহঁতক পৰাস্ত কৰিব পাৰিম।"

সি অলপ সময় গম্ভীৰভাৱে চিন্তা কৰিলে। মেজত আঙুলি বুলাই সি বহুতো কথা ভাবিলে। হঠাৎ মুঠি মাৰি মেজখনত চপৰিয়াই দিলে আৰু ফাদাৰ ওবেনিয়নৰ মুখৰ ওচৰলৈ হালি গৈ ইংৰাজীতে ক'লে — "যাম আমি সকলোটি একেলগে পলাই যাম-- সকলোটি....।"

"কেনেকৈ? আমাক দেখোন চাৰিওফালে শত্ৰুৱে আগুৰি আছে।" ফাদাৰ ওবেনিয়নে ওজৰ তুলি ইংৰাজীতেই ক'লে।

"কি কৰিব লাগিব কওঁ শুনক" সি আৰু অলপ আগলৈ হালি গৈ ফাদাৰ ওবেনিয়ৰ কাণে কাণে এটা দুঃসাহসিক অভিযানৰ কথা কৈ গ'ল। কোৱাৰ লগে লগে সি আঁচনিটো কেনেকৈ কাৰ্যকৰী কৰিব লাগিব তাৰ কথাও চিন্তা কৰি থাকিল।.... ইয়াৰ পৰা প্ৰায় এশ মাইলমান দক্ষিণে ট্যান য়্যাং চহৰত আমেৰিকান মিছনেৰি এটা আছে। কালিলৈ সেই মিছনেৰিজনৰ বিচাৰৰ আদেশ দিম, লগতে কম যে আপোনালোক দুজনৰ অৰ্থাৎ মছিঅঁ আৰু আপোনাৰ শেষ বিচাৰ— জীৱন-মৰণৰ বিচাৰো তাতেই হ'ব। গাড়ীখন লৈ ট্যান য়াঙলৈ যাবলৈ আপোনালোকক হুকুম দিম, লগত চাকৰ বাকৰ লৈ যাবলৈকে অনুমতিও দিম, চাকৰ-বাকৰ মানে মোৰ মা আৰু দেউতা, মোৰ ল'ৰাৰ মাক আৰু মোৰ ল'ৰাটো। কালিলৈ ৰাতি পুৱাই আপোনালোকে যাত্ৰা কৰিব আৰু মই ডাঙৰ আমেৰিকান গাড়ীখন লৈ আপোনালোকক অনুসৰণ কৰিম।"

"মোৰ মানুহ-দুনুহবোৰ ট্ৰাকত উঠি মোৰ পিছত যাত্ৰা কৰিব। মই গৈ আপোনালোকক লগ পোৱাৰ অলপ পিচতে আপুনি ক'ব যে আপোনালোকৰ গাড়ীখন আৰু নচলে....."

"সেই সঁচা কথাটো সহজে ক'ব পৰা যাব।" ফাদাৰ ওবেনিয়নে মাজতে মন্তব্য কৰিলে।

"বেছ, তেতিয়া মই কম যে মোৰ গাড়ীখনে আপোনালোকৰখন টানি নিব লাগে নহ'লে বিচাৰৰ বাবে ঠিক সময়ত উপস্থিত হ'ব নোৱাৰিম। বুজি পাইছে?" সি অলপ ৰ'ল।

"পাইছোঁ। তাৰ পিচত?"

"এই পৰ্যন্ত ঠিক মতে হৈ গ'লে, তাৰ পিছৰ বন্দৱস্ত উপযুক্ত সময়ত কৰিব পৰা যাব।" হো-চানে ক'লে।

বুঢ়া চাপ্ৰাছীটোৱে কাষৰ দুৱাৰখন অকণমান ফাক কৰি মূৰটো সুমুৱাই ক'লে, "দেউতা ঈশ্বৰ, ৰাতিপুৱাবৰ হ'ল।"

হো-চান চমক খাই উঠিল "ইমান সোনকালে ৰাতি শেষ হ'লনে? ওবেনিয়ন আপুনি যাওঁক। মোৰ আদেশৰ কথা শুনিলে নহয় সেইমতে সাজু হওকগৈ।

কালিলৈ আমেৰিকান গুপ্তচৰবোৰৰ বিচাৰ কৰিম বুলি শুনিলে শত্ৰু মনে মনে থাকিব। সিহঁতে মোৰ উৎসাহ কমি গৈছে বুলি ক'বৰ সুবিধা নাপাব।"

☆ ☆ ☆ ☆

পিচ দিনাৰ কথা। দিনটো বৰ গৰম আছিল আৰু খলা-বমা আলিটোৰে পুৰণা গাড়ীখন কোনোমতেহে আগুৱাই গৈ আছিল। প্ৰায় এঘণ্টা মানৰ পৰা ফাদাৰ ওবেনিয়নে পিচৰফালে ধূলি উৰা দেখা পাব বুলি আশা কৰি চাই আছে। ধূলি উৰা যেন দেখিলেই বুজা যাব যে হো-চানে দলে-বলে আহি ওচৰ পাইছেহি। ৰেক্টৰীত থকা সকলোটি প্ৰাণী গাড়ীখনতে বহি আছিল আৰু কেঁচুৱাটোৱে কান্দি কান্দি অস্থিৰ হৈ পৰিছিল। মছিঅঁৰ সেই নিমিষতে খং উঠা স্বভাৱটো উক্ দিছিল আৰু ফাদাৰ ওবেনিয়নৰ গাড়ী চলোৱা দক্ষতা সমন্ধে সন্দিহান হৈ পৰিছিল, সম্মুখৰ আসনত বহি তেওঁ গোৰ গোৰাই সকলোকে বকি আছিল---

"তুমি সেই পাষণ্ড আৰু বদমাছ হো-চানটোৰ কথা শুনি ক'লৈ আমাক লৈ যাব খুজিছা মই ক'ব নোৱাৰোঁ।"

ফাদাৰ ওবেনিয়নে শান্তভাৱে লাহেকৈ উত্তৰ দিলে, "উপৰিৱালাৰ কথা শুনা উচিত বুলিয়ে মই শিক্ষা লাভ কৰিছোঁ।"

"দেখিছানে বাৰু ! এই মগৰ মুলুকত এখনো চাহৰ দোকান নাই-- মোৰ অণ্ঠ-কণ্ঠ শুকাই গৈছে।"

ফাদাৰ ওবেনিয়নে মনে মনে ভাবিলে, "এই বুঢ়াটো শুকাই শুকাই কাঠ হৈ যোৱাই মঙ্গল।" কিন্তু কথা ঘূৰাই মছিঅঁৰ মনটো চাহৰ পৰা গাধলৈ আনিবৰ অভিপ্ৰায়ে ক'লে, "গাধটো এৰি আহি ভালেই কৰিলোঁ। দুবৰীটোৰ লগত গাধটো বেছ মিলিব। আমি যদি উভতি আহিব নোৱাৰোঁ, তেন্তে সিহঁত দুয়ো বেছ আৰামত থাকিব পাৰিব।"

"এই অমঙ্গলীয়া কথাষাৰ ক'বলৈ তোমাক কিহে পালে? উভতি আহিব নোৱাৰিম বুলি তুমি ভাবা নেকি?" কাজিয়া কৰিবৰ বাবে মছিঅঁই যেন সাজু হৈ পৰিল।

"এইখন দেশত একো কথাই অসম্ভৱ নহয়।" ফাদাৰ ওবেনিয়নে ৰগৰ কৰিবৰ ছলেৰে ক'লে।

তেওঁ টমাছৰ কথা ভাবিলে । তাতে তেওঁৰ মৰম লাগি গ'ল। এই কেইমাহে সি একো কাম কৰিবলগীয়া হোৱা নাই আৰু পাৰে মানে কোমল ঘাঁহ খাই খাই নোদোকা হৈ পৰিছিল। তেওঁ বাহৰ ফণি এখনেৰে তাৰ গাটো আঁচুৰি দিছিল আৰু মাজে মাজে তাক ভঁৰালৰ পৰা ঘেহুৰ ভুচিও খাবলৈ দিছিল।

"নমস্কাৰ গৰ্দভ ৰাজ, বিদায়। তোৰ লগত বহুদিন বৰ আৰামত থাকিলোঁ। মাজে মাজে মোক ধাননিৰ মাজত পেলাই দিছিলি যদিও তোক মই মাৰ্জনা কৰিছোঁ। আকৌ যদি কেতিয়াবা লগ পাওঁ, তেতিয়া তোৰ পিঠিত উঠিবৰ মন যাব।" ফাদাৰ ওবেনিয়নে আহিবৰ সময়ত তাক মৰম কৰি কৈছিল।

তেওঁ যিমানেই আশা নকৰক কিয় তাৰ পিঠিত উঠিবৰ সুযোগ আৰু দুনাই উভতি নাহে। টমাছে এইটো নিশ্চয়কৈ জানে। সেইবাবে সি ঠিক সেই সময়তে মূৰটো দাঙি বেবাই দিছিল ; ওঁঠ দুটা মেল খোৱাত তাৰ বগা দাঁত দুপাৰি জিলিকি উঠিছিল, যেন সি গৰাকীৰ কথা শুনি অৱজ্ঞাৰে হাঁহিহে দিলে।

"হৈছে দেই, আৰু নাহাঁহিবি। তই কি ভাবিছ মই জানোঁ ; তাকে আকৌ মোৰ কাণত গুঁজি দিব নেলাগে।" ফাদাৰ ওবেনিয়নে তাক ধমক দি কৈছিল।

এনে সময়তে গাড়ী বন্ধ হৈ গ'ল। পিচফালে থকা চুঙাটোৰে এসোপা ক'লা ধোঁৱা ওলাই গোটেইখন মোবিলপোৰা দুৰ্গন্ধৰে ভৰাই পেলালে। ইঞ্জিনটোৱে কোঁৎ কৰি উঠি নিস্তব্ধ হৈ পৰিল।

"বেছ! আমি এতিয়া ইয়াতে চতুৰ্ভুজ হৈ বহি থাকিব লাগিব যেন পাইছোঁ।" মছিঅঁই খেং খেঙাই উঠিল।

"ৰ'ব ফাদাৰ", ওবেনিয়নে ক'লে, "কিবা এটা দেখা যেন লাগে দেখোন, সিহঁত আহিছে নেকি?"

তেওঁ ঘূৰি হাত ছানি দি দূৰলৈ চাই পঠিয়ালে।

"মই সিহঁতক দেখা পাইছোঁ" চিউলানে ক'লে।

তাই ইমান পৰ মনে মনে বহি আছিল। কেঁচুৱাটোক কোলাত লৈ তাই নানা ৰকম চিন্তাত বিভোৰ হৈ আছিল। ফাদাৰ ওবেনিয়নে তাইক হো-চানৰ মতলবটোৰ কথা কৈছিল। তাকে শুনি তাইৰ ভয় লাগিলেও অজানিতে এটা আশাৰ ভাবো মনলৈ আহিল। অভিযানটোক তাই উৎকট বুলি কৈছিল। কিন্তু লগতে হো-চানৰ চৰিত্ৰৰ এটা গুণৰ কথা মনত পৰাত তাই ইয়াকে ভাবি নিশ্চিন্ত হৈছিল যে হো-চানে কৰিব নোৱাৰা কাম নাই। সি কিবা এটা কৰিবলৈ হাতত ল'লে কাম সমাধা নোহোৱালৈকে ক্ষান্ত নহয়। সিদিনাৰ সাক্ষাতৰ পিচত তাই তাক লগ পোৱা নাই, কিন্তু তাক যে বিশ্বাস কৰিব পাৰি এই ধাৰণা তাইৰ মনত ইতিমধ্যে দৃঢ় হৈ পৰিছে। বিশ্বাস আৰু প্ৰেম একে নহয়— কিন্তু বিশ্বাসে প্ৰেমৰ পথ উজ্জ্বল কৰি তোলে।

মুহূৰ্তৰ ভিতৰেতে হো-চান যে বেগাই ওচৰ চাপি আহিছে সেইটো স্পষ্ট হৈ পৰিল। শক্তিমান ইঞ্জিনৰ আমেৰিকান গাড়ীখন কেইমিনিটমানৰ ভিতৰতে আহি ইখন গাড়ীৰ কাষতে থিয় হ'ল আৰু হো-চানে পিচৰ আসনৰ পৰা অকণমান উঠি খিৰিকীৰে চাই চিঞঁৰি প্ৰশ্ন কৰিলে, "হেই ৰৈছ কেলেই ?"

"গাড়ী আৰু নচলে" ফাদাৰ ওবেনিয়নে চিঞঁৰ মাৰি উত্তৰ দিলে।

হো-চানৰ মুখত বিৰক্তিৰ চিন স্পষ্ট হৈ পৰিল। "আজিয়েই আবেলি তিনি বজাত বিচাৰ। ইয়াত ৰৈ থাকিলে কেনেকৈ হ'ব?"

সি ওঁঠ কামুৰি চিন্তা কৰিবলৈ ধৰিলে। তাৰ পিচত ড্ৰাইভাৰক আদেশ দিলে—,

"হেই যা নামি যা। সেইখন মোৰ গাড়ীৰ পিচৰ ফালে সাঙুৰি দে। টানি লৈ যাব লাগিব।"

হো-চানৰ পল্টনৰ মানুহবোৰ ইতিমধ্যে আহি উপস্থিত হৈছিল আৰু ট্ৰাকৰ পৰা জঁপিয়াই নামি পাদ্ৰীহঁতৰ গাড়ীখন ঘেৰাও কৰি ধৰিলে। নানাজনে নানা পৰামৰ্শ আগবঢ়ালে ; কিন্তু হো-চানে কাৰো কথা নুশুনি ক'লে,

"এইখনত একো নাই। পেট্ৰোল বা ইঞ্জিনৰ দোষৰ বাবে যে ই নচলা হৈছে এনে নহয়। ইয়াক মেৰামতি কৰি লৈ যাবলৈ হলে আমাৰ কাম নচলে ; সিমান সময় মই মঞ্জুৰ কৰিব নোৱাৰিম। যি কৈছোঁ কৰ।"

লেফ্‌টেনেণ্ট চুংৰেনৰ ফালে চাই সি ক'লে, "চিপাহীবোৰ লৈ তুমি চহৰলৈ আগবাঢ়া। মই দুঘণ্টাৰ ভিতৰতে তোমাক লগ ধৰিমগৈ।"

এই আদেশ পালন কৰাৰ বাহিৰে চুংৰেনৰ আন উপায় নাছিল। সি হো-চানক চালাম দি গাড়ী সাঙুৰিবলৈ চিপাহীবোৰক আদেশ দিলে। পুৰণা গাড়ীখন ডাঙৰ নতুন গাড়ীখনৰ পিচৰফালে ভালদৰে বন্ধা হোৱাত সকলোবিলাক ট্ৰাকখনত জঁপিয়াই উঠি প্ৰস্থান কৰিলে।

"বহু। সকলো ঠিক হ'ল। আমি এতিয়া যাব পাৰো।" হো-চানে ফাদাৰ ওবেনিয়নৰ ফালে চাই সাঁথৰৰ নিচিনাকৈ কথাকেইষাৰ ক'লে।

সি গাড়ীত উঠি বহিল আৰু সকলোটিয়ে পুনৰ যাত্ৰা আৰম্ভ কৰিলে।

পাহাৰী ৰাস্তাত থেকেচা খাই খাই তেওঁলোক আগবাঢ়ি যাবলৈ ধৰিলে। আগে আগে হো-চানৰ গাড়ী আৰু ট্ৰাকখন যোৱা বাবে ৰাস্তাৰ ওপৰত ইমান ধূলি উৰিছিল যে মছিঅঁৰ গাড়ীখন ধূলিৰে পোত খালে।

চিউলানে লাহেকৈ বুঢ়া-বুঢ়ীহালক ক'লে— "আমাৰ প্ৰতি ভাগ্য সুপ্ৰসন্ন বুলিব লাগিব। হো-চানে যে আমাক সকলো বিপদৰ পৰা ৰক্ষা কৰিব এই বিষয়ে মই নিঃসন্দেহ।"

ফাদাৰ ওবেনিয়নৰ মনত কিন্তু কিবা এটা দুশ্চিন্তা থাকি গ'ল ; তেওঁক আন কেইজনৰ দৰে প্ৰফুল্লিত যেন নালাগিল। হো-চানৰ গাড়ীৰ ড্ৰাইভাৰজনৰ সমন্ধে তেওঁৰ মনত এটা সন্দেহৰ ভাব জাগি উঠিল। মানুহজন বৰ চালাক-চতুৰ যেন লাগে। এই তজবজীয়া ডেকা চিপাহীটোৱে তেওঁলোকক সহজে পলাবলৈ সুবিধা কৰি দিব জানো? হো-চানে বা কি কৰে।

হো-চানৰ মতলব বুজিবলৈ তেওঁৰ বেছি পৰ নালাগিল। ট্যান য়্যাং চহৰ আৰু তেওঁলোকৰ মাজত প্ৰায় পঞ্চাছ মাইল জুৰি এখন ওখ পৰ্বত আছিল। পৰ্বতৰ গা বগাই সৰু ৰাস্তাতো অকাই পকাই ওপৰলৈ উঠি গৈছিল। ৰাস্তাৰ নামনিত পাহাৰৰ দাঁতিয়েদি এটা পাহাৰী নদী শিলৰ মাজে মাজে নাচি-বাগি বৈ গৈছিল। এই বিপজ্জনক

ৰাস্তাটোৰে তেওঁলোক অতি মন্থৰ গতিত আগুৱাবলৈ ধৰিলে। এমাইলতে এক যুগ যেন লগা হৈছিল। ড্ৰাইভাৰ আৰু হো-চানৰ মাজত কিবা কথাত তৰ্ক লগাত গাড়ীখন মাজবাটতে ৰখাই দিলে।

হো-চান নামি আহি চিউলানহঁতৰ গাড়ীখনৰ ওচৰলৈ গৈ হুকুম দিলে, "সকলোটি নামি আহা। এই পাহাৰী ৰাস্তাত এইদৰে এখন গাড়ী টানি নিয়াতো বৰ বিপজ্জনক। তদুপৰি এনেকৈ যাবলৈ হ'লে বেগাই যোৱা অসম্ভৱ। আলিৰ ভাজবোৰো বৰ বেছি। যোৱা মোৰ গাড়ীত বহাগৈ।"

তাৰ কথামতে আটাইকেইজন ইখন গাড়ীৰ পৰা গৈ ডাঙৰ গাড়ীখনত বহিল আৰু ড্ৰাইভাৰে দুয়োখন গাড়ী লগ লগাই বন্ধা শিকলিডাল খুলি দিলে।

"এতিয়া ৰাস্তা বন্ধ কৰি এই গাড়ীখন ইয়াত এৰি যোৱাৰ কোনো দৰকাৰ নাই। দে থেলা মাৰি দে।" হো-চানে ড্ৰাইভাৰটোক নিৰ্দেশ দিয়াত সি গাড়ীখন থেলা মাৰি দিলে। হো-চানেও তাৰ লগতে একেলগে হেঁচা দিয়াত গাড়ীখন ৰাস্তাৰ পৰা পিছলি পৰ্বতৰ দাঁতিয়েদি গৈ তললৈ বাগৰি পৰিল। ফাদাৰ ওবেনিয়নে সেইফালে চাই থাকিল আৰু মছিঅঁয়ো তেওঁৰ লগতে সকলো দেখিলে। চিউলান কোলাৰ কেঁচুৱাটো লৈয়ে ব্যস্ত আৰু হো-চানৰ মাক আৰু পিতাকে সেইফালে মনোযোগ দিয়াৰ দৰ্কাৰ নাই বুলি ভাবি আনফালে চাই থাকিল। ক্ষন্তেক পিচতে পাদ্ৰী দুজনে যি দৃশ্য দেখিলে সি তেওঁলোকৰ বুকু কঁপাই তুলিলে। গাড়ীখন পাহাৰৰ দাঁতিয়েদি বাগৰি তললৈ পৰা মাত্ৰকে হো-চানে কাষত ঠিয় হৈ থকা মানুহজনক মনে মনে গটা মাৰি দিয়াত সি পিছল খালে আৰু তাৰ ভৰিৰ তলৰ শিলটো বাগিৰ যোৱাত সি গাড়ীখনৰ লগে লগে পাহাৰৰ দাঁতিয়েদি চুঁচৰি তলৰ নদীত গিৰিমকৈ পৰিল।

হো-চানে তিলেকমানো মানুহজনৰ ফালে নোচোৱাকৈ গহীন-গম্ভীৰভাৱে গাড়ীত উঠি বহিল আৰু ড্ৰাইভাৰৰ ঠাইত বহি লৈ গাড়ী চলাই দিলে।

শিল পৰা কপৌৰ দৰে পাদ্ৰী দুজনে ইজনে সিজনৰ মুখৰ ফালে চাই থাকিল। কেইমিনিটমান মনে মনে থাকি হো-চানে ডাঙৰকৈ ক'বলৈ ধৰিলে,–

"আৰু একো চিন্তা নাই মছিঅঁ। ইয়াকে বোলে পলায়ন। এতিয়াহে এই কথা মই খুলি ক'ব পৰা হৈছোঁ মছিঅঁ। আমি এতিয়া নিৰাপদ ফাদাৰ ওবেনিয়ন। আমি এতিয়া সীমান্ত অতিক্ৰম কৰি নিৰ্বিঘ্নে গুচি যাম। ইয়াৰ পৰা হংকঙলৈ তিনিশমাইলৰ

কমহে হ'ব। নকৈছিলোঁ নে ফাদাৰ যে মই যুঁজত সিহঁতক পৰাস্ত কৰিম। আপুনি সিহঁতক ভয় কৰিছিল নহয় জানোঁ? কিন্তু মই কাকো ভয় নকৰোঁ। মোৰ সন্তানৰ জন্মদাত্ৰী, মৰমৰ চিউলান জনীৰ লগত মই এখন সুখৰ সংসাৰ কৰিম— মোৰ ল'ৰা মোৰ নামেৰে জনাজাত হ'ব। মোৰ মা, মোৰ পিতা, মোৰ পুত্ৰ আৰু মই নিজে........"

মছিঅঁ ফিৎসগিবন দ্বিধা, ভয় আৰু অনিশ্চয়তাৰ চেপা - খুন্দাত মৰি যোৱা যেন হৈছিল। তেওঁ সকলো শুনিলে আৰু চকু দুটা গাঁতৰ পৰা ওলাই পৰা যেন পালে। অকস্মাতে তেওঁ চিঞৰি দিলে।

"হো-চান— চা, সৌ আকাশৰে ফালে মুৰ তুলি চা। তই নিজকে যিমান চালাক বুলি ভাবিছ সিমান নহয়।"

সকলোটিয়ে তেওঁ দেখুৱাৰ ফালে চালে। বহু দূৰত আকাশৰে কোণত এটা চৰাই, প্ৰকাণ্ড পখী এটাৰ দৰে কিবা এটা ভাহি থকা যেন আটায়ে দেখিলে। সেইটোৱে নীলা আকাশখনৰ মাজেদি হুৰহুৰকৈ তেওঁলোকৰ ফালে উৰি আহিব লাগিছে। হো-চানে গাড়ীৰ খিৰিকীখনত গাতে লাগি থকা আয়নাখনত চাই গাড়ীৰ গতিবেগ বঢ়াই দিলে।

"সেইখন হেলিকপ্তাৰ" সি কোনোৰকমে উচ্চাৰণ কৰিলে। তাৰ উশাহ বন্ধ হৈ যাবৰ উপক্ৰম হৈছিল। মোক সিহঁতে ধৰি পেলালে। সেই কাম নিশ্চয় সেই চিপাহীটোৰ। সি আমাৰ কথাবোৰ বুজি পাইছিল। সি খুব জোৰে গাড়ী চলাবলৈ ধৰিলে। শূন্যৰ মাজেদি বাধাহীনভাবে উৰি ফুৰা বিৰাট যন্ত্ৰটোৰ লগত মাটিৰ খলা-বমা অকীয়া-পকীয়া ৰাস্তাত চলা ক্ষুদ্ৰ যন্ত্ৰটোৱে প্ৰতিযোগিতা কৰি উত্তীৰ্ণ হোৱা টান— প্ৰায় অসম্ভৱ। হো-চানে চেষ্টা কৰিবলৈ এৰি দিলে আৰু এঠাইত ৰখাই ফাদাৰ ওবেনিয়নক সম্বোধন কৰি ক'লে, "আপুনি মোৰ ধৰ্মপিতৃস্বৰূপ। মোক মৃত্যুৰ মুখৰ পৰা আপুনি ৰক্ষা কৰিছে। এইবেলি অনুগ্ৰহ কৰি মোৰ সন্তানৰ ৰক্ষণাবেক্ষণৰ ভাৰ লওক। মোৰ পৰিত্ৰাণ নাই। মোক ৰক্ষা কৰিবৰ চেষ্টা নকৰিব। বহু দেৰি হৈ গ'ল। কিন্তু মোৰ এই ল'ৰাকণক ৰক্ষা কৰিব পাৰে। তাক শত্ৰুৰ হাতত কেতিয়াও পৰিবলৈ দিব নোৱাৰোঁ।"

অত্যন্ত উদ্বিগ্নভাৱে ফাদাৰ ওবেনিয়নে সুধিলে "তাক কেনেকৈ ৰক্ষা কৰিম তাকে কোৱা।"

"শুনক", হো-চানে ক'লে— "মোৰ কথা শুনক আৰু সেইমতে চলিব। মই সৌ বাঁহৰ জোপোহাবোৰৰ মাজলৈ গাড়ীখন লৈ যাম। তাতে আপোনালোক আটায়ে গাড়ীৰ পৰা নামি যাব। মই অকলে আগুৱাই গৈ থাকিম। সিহঁতে মোক আটক কৰিব আৰু কৰ্ট মাৰ্চল কৰিবৰ বাবে ধৰি লৈ যাব। আপোনালোকে জোপোহাৰ মাজত এঘণ্টা মান লুকাই থাকি তাৰ পিচত গাড়ীখন লৈ খুব বেগাই হংকংমুৱা হৈ পলাই যাব। যদি নিৰ্বিঘ্নে যাব পাৰে, তেন্তে সন্ধ্যাৰ লগে লগে হংকং পাবগৈ"।

তাৰ কথামতে আটায়ে গাড়ীৰ পৰা নামিল। বুঢ়া বাপেক-মাক দুয়ো ভেবা লাগি পুতেকৰ মুখৰ ফালে চাই থাকিল। আসন্ন বিপদৰ আশংকাই দুয়োৰো চিন্তাশক্তি লুপ্ত কৰি পেলাইছিল। হো-চানৰ ওপৰত বিশ্বাস ৰাখি দুয়ো নিমাত হৈ থাকিল। চিউলানৰ মনত দুখ লাগিলেও তাই অন্তৰত এটা গৰ্বৰ ভাব অনুভৱ কৰিলে? হো-চান প্ৰকৃততে বীৰ আৰু বিবেচক। সি সকলোটিকে ৰাস্তাৰ দাঁতিৰ জঙ্গললৈ বাট দেখুৱাই লৈ গ'ল। তাতে সি ল'ৰাটিক মাকৰ কোলাৰ পৰা আনি ফাদাৰ ওবেনিয়নৰ হাতত দি ক'লে, "তাক লওক ফাদাৰ। তাক আপোনাৰ ধৰ্মত দীক্ষিত কৰিব আৰু মোৰ নামেদি তাক নামকৰণ কৰিব। মোৰ পুত্ৰ বুলি যেন তাক সকলোৱে চিনি পায়।" দেউতাক আৰু মাকৰ ফালে চাই সি ক'লে "আপোনালোক দুয়ো মোক ক্ষমা কৰে যেন। আপোনালোকক বচাবৰ বাবেই মই এতিয়া বিদায় ল'ব লাগিব।"

চিউলানক একো ক'ব নোৱাৰিলে। সি তাইৰ ফালে একেৰাহে চাই থাকিল আৰু তায়ো মনোবল নেহেৰুৱাকৈ তাৰফালে চাই অকণমান হাঁহিবলৈ চেষ্টা কৰিলে। মুখেৰে তাই এষাৰ কথা অস্পষ্টকৈ ক'লে— "তুমি ঠিকেই কৈছা।"

যিমান পাৰে সিমান পৰলৈ সি তাইৰ মুখৰ ফালে চাই ৰ'ল।

শেষত সি মছিঅঁৰ ফালে ঘূৰি ক'লে, "আপুনি ভবাতকৈ মোক বহু বেছি শিক্ষা দিছিল।" তাৰ এই সৰল কথাষাৰে বৃদ্ধ মছিঅঁৰ হৃদয় স্পৰ্শ কৰিলে।

সকলোৱে নিমাত হৈ থাকিল। জঙ্গলৰ মাজত আটাইকেইটাই থুপৰি হৈ চাই ৰ'ল। হো-চান গৈ একেজাপে গাড়ীত উঠি ইঞ্জিন চালু কৰি দিয়াৰ লগে লগে চকুৰ পচাৰতে গাড়ীখন চকুৰ আঁতৰ হ'ল। হেলিকপ্তাৰখনে ঘূৰি ঘূৰি গাড়ীখন অনুসৰণ কৰি গৈ নিচেই ওচৰ পোৱা তেওঁলোকে দেখিবলৈ পালে। তাৰ পিচত

শেন চৰাইটোৰ দৰে সেইখন নামি অহাৰ পিচত তেওঁলোকে আৰু একোকে দেখিবলৈ নাপালে।

বজ্ৰাহত হোৱাৰ দৰে আটাইকেইজন থিয় হৈ থাকিল। তাৰ পিচত ফাদাৰ ওবেনিয়নে ঘড়ীটোলৈ চাই ক'লে,

"আমি ইয়াতে আৰু এঘণ্টা সময় থাকি আমাৰ যাত্ৰা আৰম্ভ কৰিম।

• • •